জয় ভিয়েতনাম

মৰ ইন্দোচীন

ঋষি মহন্ত

RLF

অজেয় ভিয়েতনাম ঃ অমর ইন্দোচীন

অজেয় ভিয়েতনাম
অমৰ ইন্দোচীন

দধি মহন্ত

॥●॥ বাণী প্ৰকাশ ॥●॥

পাঠশালা ● গুৱাহাটী ● কলিকতা

প্ৰকাশক :
শ্ৰীঅম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ
পাঠশালা

শাখা :
পাণবজাৰ
গুৱাহাটী-১

১০ কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৬

প্ৰথম প্ৰকাশ
জন্মাষ্টমী,
১৮৯৪ শক

বেচ :
ছটকা পঞ্চাছ পইচা মাথোন

ছপা : পূৰ্বোদয় প্ৰেছ
১০ কৈলাস বোস ষ্ট্ৰীট, কলিকতা-৬

জাতীয় মুক্তি আৰু বৈজ্ঞানিক সমাজতন্ত্ৰৰ সংকল্প
গ্ৰহণ কৰি ১৯৩৪ চনতে অসমৰ ভিতৰত
পোন প্ৰথমে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ
সদস্যপদ লাভ কৰাৰ দিন ধৰি
সমুদায় তৰুণ বয়স নিৰ্যাতন
আৰু দুখ কষ্টৰ মাজত
কটাই আজিও আদৰ্শত
অটুট থকা
বয়োজ্যেষ্ঠ কমৰেড জগন্নাথ ভট্টাচাৰ্য্যৰ হাতত শ্ৰদ্ধাৰ চিন স্বৰূপে।

সূচীপত্ৰ

১। অতীতত এভুমুকি ১

২। ঔপনিবেশিক অনুপ্ৰৱেশ : প্ৰবল প্ৰতিৰোধ ৮

৩। নিষ্পেষণৰ মাজত নতুন শ্ৰেণীৰ জন্ম ১৮

৪। উপনিবেশৰপৰা সমাজতন্ত্ৰলৈ ৩

৫। জাতীয় মুক্তিৰ নতুন পৰ্যায় ৪৫

৬। আমেৰিকাৰ নৱ উপনিবেশবাদ : বৰ্বৰতাৰ নমুনা ৫৩

৭। ছোভিয়েত আৰু সমাজতান্ত্ৰিক শিবিৰৰ অৱদান ৭৮

৮। ভাৰতৰ ভূমিকা ৯০

৯। ভিয়েতনাম আৰু বিশ্ব মানৱতা ৯৯

১০। শেষ লোহোৱা সমাপ্তি ১০৫

আগ কথা

'দৈনিক অসম'ৰ ২৬ মে' তাৰিখৰ সংখ্যা কাকতত ভিয়েতনামত আমেৰিকাৰ বোমা বৰ্ষণৰ প্ৰতিবাদত 'ৰাজ্য জুৰি' সভা সমাৱেশ হোৱাৰ বাতৰি প্ৰকাশ হৈছে। সেই দিনাৰ বাতৰি মতে হোজাই, চতিয়া, ফুলগুৰি, বিজনি, চাৰি আলি, দেৰগাঁও, পুৰণি গুদাম, তিতাবৰ, কৰৰা, ৰঙিয়া, বৰপেটা আদি ঠাইৰ সভা-সমদল যাত্ৰা আদিয়ে আমেৰিকান সৈন্য অবিলম্বে ভিয়েতনামৰপৰা অপসৰণ দাবী কৰিছে আৰু ভিয়েতনামত আমেৰিকা বৰ্বৰতাক গৰিহণা দিছে। তেনে সংবাদ অসমৰ বা ভাৰতৰ বাতৰি কাকতত প্ৰায়ে প্ৰকাশ হোৱা দেখা যায়।

এই সংবাদবিলাক নিতান্ত সৰু সংবাদ। কিন্তু তাৰ তাৎপৰ্য অতি ব্যাপক। এটা সময় আছিল যেতিয়া আন্তৰ্জাতিক সমস্যা বা আন দেশৰ জাতীয় মুক্তিৰ আন্দোলন কেৱল পণ্ডিত নেহৰুৰ দৰে অসাধাৰণ ব্যক্তি আৰু কমিউনিষ্ট পাৰ্টিৰ দৰে বামপন্থী দল সমূহৰহে প্ৰধানতঃ আলোচনাৰ বা উদ্বেগৰ বিষয় আছিল। কিন্তু আজি আন্তৰ্জাতিক সমস্যা বা আন দেশৰ মুক্তি সংগ্ৰামৰ প্ৰতি আমাৰ দেশৰ জনসাধাৰণ কেনেদৰে সচেতন ওপৰোক্ত সংবাদসমূহ তাৰে নমুনা।

আজি অসমৰ তথা ভাৰতৰ চুকে-কোণেই যে ভিয়েতনামৰ সমৰ্থনত স্বতঃস্ফূৰ্ত দাবী উঠিছে তেনে নহয়। পৃথিৱীৰ য'তে স্বাধীনতা, শান্তি আৰু প্ৰগতি কামনা কৰা লোক আছে তাতেই এই দাবী উঠিছে। আজি পৃথিৱীৰ সমুদায় শান্তিকামী জনসাধাৰণৰ মুখত এটি মাত্ৰ নাম। সেই নাম হৈছে ভিয়েতনাম।

বীৰ ভিয়েতনামৰ অমৰ কাহিনী পৃথিৱীৰ দেশে দেশে বিভিন্ন ভাষাত প্ৰকাশ হৈছে—হৰলৈ ধৰিছে। মানৱ ইতিহাসৰ এটি উজ্জ্বলতম অধ্যায়ৰ কোনো আলেখ্য আমাৰ অসমীয়া ভাষাত নথকা অভাৱৰ কথা অনুভৱ কৰিয়ে ভিয়েতনাম সম্পৰ্কে লেখাৰ এই প্ৰচেষ্টা। ই ভিয়েতনামৰ সম্পূৰ্ণ ইতিহাস নহয়। এটি সাধাৰণ আভাস মাথোন।

পুস্তিকাখনি যুগুত কৰাৰ ক্ষেত্ৰত বিভিন্ন সংবাদ-পত্ৰ, ছোভিয়েত ইউনিয়ন আৰু ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰৰ ভাৰতত থকা দূতাবাসৰপৰা প্ৰকাশিত

বিভিন্ন প্ৰকাৰ পত্ৰ আৰু পুস্তিকাৰ উপৰিও "ইণ্ডিয়ান স্কুল অব ইণ্টাৰ নেছনেল ষ্টাডিজৰ" দক্ষিণ পূৱ এচিয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰধান ডঃ বি. আৰ. চাটাৰ্জী, পি. এইচ. ডি. দেৱৰ ৰচিত "ছাউথ্ ইষ্ট এছিয়া ইন ট্ৰেঞ্জিশ্যন" নামৰ প্ৰামাণ্য গ্ৰন্থখনিৰপৰা, "নিউ এ'জ" পত্ৰিকাৰ সম্পাদনা বিভাগৰ শ্ৰীজিয়াউল হকৰ "ইউনাইটেড ষ্টেটছ্ এগ্ৰেশ্যন ইন্ ইন্দোচাইনা" নামৰ পুস্তিকাখনিৰপৰা আৰু ১৯৭১ চনৰ জুন মাহত আমেৰিকাৰ প্ৰখ্যাত সংবাদ-পত্ৰ "নিউয়ৰ্ক টাইমছ" কাকতত প্ৰকাশ পোৱা চাঞ্চল্যকৰ "পেণ্টাগন পেপাৰ্ছ" আদিৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে।

শ্ৰদ্ধেয় সহকৰ্মী জগন্নাথ ভট্টাচাৰ্যৰ উদগণি আৰু ব্যৱসায়ৰ ফালৰপৰা লাভ-জনক নোহোৱা সত্বেও কেৱল অসমীয়া ভাষাত ভিয়েতনামৰ বিশ্ব-বিশ্ৰুত কাহিনী সম্পৰ্কে কোনো পুস্তিকা আদিৰ অভাৱৰ কথা লক্ষ্য কৰিয়ে 'বাণী প্ৰকাশ'ৰ শ্ৰীঅম্বিকাপদ চৌধুৰী দেৱৰপৰা প্ৰকাশৰ আশ্বাস নোপোৱা হলে 'অজেয় ভিয়েতনাম—অমৰ ইন্দোচীন'এ পোহৰৰ মুখ দেখাৰ কোনো সম্ভাৱনাই নাছিল। তেখেতসকলৰ প্ৰতি আৰু বিভিন্ন তথ্য-পাতিৰে সহায় কৰাৰ কাৰণে সুপ্ৰসিদ্ধ সাংবাদিক, বন্ধু শ্ৰীযদু কাকতী, কমৰেড বেণু মিশ্ৰ, শ্ৰীমাখন দেৱান আৰু সহকৰ্মী শ্ৰীভৰত লাল চাহৰ প্ৰতি আন্তৰিক শলাগণিৰে—

৫ জুলাই ১৯৭২
গুৱাহাটী

নধি মহন্ত



প্ৰেছিডেণ্ট হ'-চি-মিন

১৯৫৮ চনত কলিকতালৈ আহোঁতে তোলা ফটো

১

অতীতত এভূমুকি

"নিজৰ জাতীয় সত্তাৰ প্ৰতিষ্ঠা আৰু তাক সুৰক্ষিত কৰাৰ কাৰণে নিৰৱচ্ছিন্নভাৱে চলাই অহা সংগ্ৰামেই হ'ল ভিয়েতনামবাসীৰ জাতীয় ইতিহাস। বহুবাৰ ভেঙলোক বাহিৰৰ আক্ৰমণৰ সন্মুখ হ'ব লগা হৈছে, বহুবাৰ ভেঙলোক বাহিৰৰ শক্তিৰ অধীনত থাকিব লগা হৈছে; কিন্তু ভিয়েতনামবাসীয়ে সদায় সাফল্যৰ বিজয় তিলক লাভ কৰিয়ে ওলাই আহিছে।"

—প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী

[দিল্লী নাগৰিকৰ ভিয়েতনাম অভিবৰ্দ্ধনলৈ দিয়া বাণী, ১১ মে '৭২]

তিনি কোটি অধিবাসীৰ এখনি সৰু দেশ ভিয়েতনামে পৃথিৱীৰ সকলোতকৈ শক্তিশালী সাম্ৰাজ্যবাদী দেশ আমেৰিকাৰ বিৰুদ্ধে আধুনিক ইতিহাসৰ দীৰ্ঘতম মুক্তি সংগ্ৰাম পৰিচালনা কৰি সম্পূৰ্ণ বিজয় লাভৰ দুৱাৰদলিত উপস্থিত হৈছে। ভিয়েতনাম আজি সমগ্ৰ বিশ্বৰ মুক্তি-সংগ্ৰামৰ প্ৰতীক আৰু প্ৰেৰণাৰ উৎস স্থল হৈ পৰিছে।

ভিয়েতনাম তথা ইন্দোচীনৰ ইতিহাস আলোচনা কৰিলে দেখা যায় ভেঙলোকৰ এই অতুলনীয় সাফল্য কেৱল আজিৰ ইতিহাসৰে কাহিনী নহয়। দুহাজাৰ বছৰৰ আগৰেপৰা এই অঞ্চলৰ ওপৰত বহুবাৰ বাহিৰৰ বহু শক্তিয়ে সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰাধান্য বিস্তাৰৰ অভিযান চলাই আহিছে আৰু তাৰ বিৰুদ্ধে ভেঙলোকে নিৰৱচ্ছিন্ন সংগ্ৰাম চলাই নিজৰ স্বকীয় সত্তা প্ৰতিষ্ঠা কৰি আহিছে।

ভিয়েতনাম ইন্দোচীনৰ এটা অংশ। উত্তৰ আৰু দক্ষিণ ভিয়েতনাম, কাম্বডিয়া আৰু লাওচ এই চাৰিটা অঞ্চল লৈয়ে আজিৰ ইন্দোচীন।

এসময়ত এই অঞ্চলত সৰু সৰু বহু ৰাজ্য আছিল আৰু যোৱা শতিকাৰ শেষলৈকে টঙ্কিন, আন্নাম (ভিয়েতনাম) কোচিনচীন, কাম্বডিয়া আৰু লাওচ এই পাঁচোটা অঞ্চলক সামৰি লোৱা ভূখণ্ডকে ইন্দোচীন বোলা হৈছিল।

ইন্দোচীনৰ ইতিহাস ৪০০০ বছৰৰো বেছি পুৰণি। প্ৰথম অৱস্থাত স্থানীয় গোষ্ঠীগত বিকাশ আছিল এই অঞ্চলৰ প্ৰধান চৰিত্ৰ। খৃষ্টপূৰ্ব তৃতীয় দশকৰপৰাহে ইন্দোচীনৰ ধাৰাবাহিক ইতিহাস জনা যায়।

ইন্দোচীনৰ ইতিহাসত ভাৰত, চীন আৰু সিংহলৰ ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰভাব; চীন, জাপান, বৰ্মা আদি এচিয়াৰ শক্তিৰ, ফৰাচী, ইংৰাজ আদি ইউৰোপীয় শক্তিৰ আৰু সৰ্বশেষত আমেৰিকাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক আধিপত্য বিস্তাৰৰ ইতিহাস ইমান দীঘলীয়া যে একেটা অঞ্চলৰ ওপৰতে এনে বহু ধৰণৰ সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰভাৱৰ কাহিনী সম্ভৱতঃ পৃথিৱীৰ আন ঠাইত বিৰল।

ভাৰতৰ প্ৰভাব

ইন্দোচীনত বাহিৰৰ প্ৰথম প্ৰভাব পৰে ভাৰতৰ। তাৰ পিছতে প্ৰভাব পৰে চীনৰ। দুয়ো ফালৰে প্ৰভাৱৰ সংমিশ্ৰণৰ ফলতে অঞ্চলৰ নামেই হৈ পৰিছিল ইন্দোচীন।

খৃষ্টপূৰ্ব তৃতীয় শতিকাত অৰ্থাৎ মহাৰাজ অশোকৰ আমোলতে ইন্দোচীনত ভাৰতৰ প্ৰথম প্ৰভাব বিস্তাৰৰ সূচনা। অৱশ্যে এই প্ৰভাব আছিল প্ৰধানতঃ সাংস্কৃতিক। বৌদ্ধ ধৰ্ম প্ৰচাৰ অভিযানৰ লগে লগে এই সাংস্কৃতিক প্ৰভাৱৰ বিস্তাৰ ঘটিছিল। সেই প্ৰভাব কেৱল ইন্দোচীনতে সীমাবদ্ধ নাছিল। অন্ততঃ খৃষ্টীয় দ্বাদশ শতিকামানলৈকে ভাৰতত যিসময়ত যি ধৰ্ম বা ৰাজনৈতিক শক্তিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল কিছু তাৰতম্য থাকিলেও ঠিক তাৰেই অনুৰূপ প্ৰতিক্ৰিয়া ঘটিছিল বৰ্মা, সিংহল, ইন্দোচীন আৰু দক্ষিণ-পূব এচিয়াৰ অন্যান্য অঞ্চলত। এই সময়ছোৱাত ভাৰতত বৌদ্ধ, হিন্দু আৰু ইছলাম প্ৰধানতঃ এই তিনি ধৰ্ম বিশ্বাসে প্ৰাধান্য লাভ কৰিছিল আৰু ৰাজকীয় সমৰ্থন লাভ কৰিছিল। দক্ষিণ-পূব এচিয়াতো সেই সময়ছোৱাত কম বেছি পৰিমাণে ভাৰতৰ এই তিনি ধৰ্ম বিশ্বাসৰ প্ৰভাব এনে দৰে পৰিছিল যে বহু অঞ্চলৰ নাম, মঠ-মন্দিৰ আদিৰ নাম

পৰ্যন্ত ভাৰতীয় ধৰণে দিয়া হৈছিল আৰু বৌদ্ধগ্ৰন্থ, ৰামায়ণ, মহাভাৰত, তন্ত্ৰ আদিৰ কাহিনীয়েই এই সমূদায় অঞ্চলতো জাতীয় সংস্কৃতিৰ অপৰিহাৰ্য অঙ্গ হৈ পৰিছিল। আৰ্য সংস্কৃতিৰ প্ৰথম বিকাশৰ অন্যতম ক্ষেত্ৰ হিচাপে ভাৰতৰ এই প্ৰভাৱৰ ঐতিহাসিক তাৎপৰ্য নথকা নহয়। কিন্তু লক্ষ্য কৰিব লগীয়া কথা হৈছে যে বাহিৰৰ বহু ঠাইতে বিশেষকৈ দক্ষিণ-পূব এচিয়াত ভাৰতৰপৰাই প্ৰভাৱশালী ৰাজকীয় পৃষ্ঠপোষকতাতে ধৰ্মীয় আৰু তাৰেই অৱধাৰিত আনুষঙ্গিক সাংস্কৃতিক প্ৰভাৱৰ বিস্তাৰ ঘটিলেও ভাৰতে কোনো সময়তে আনকি সামৰ্থ্য থকা সময়তো ভাৰতৰ বাহিৰত ৰাজনৈতিক আধিপত্য অৰ্থাৎ ৰাজ্য বিস্তাৰৰ কোনো প্ৰচেষ্টা কোনো দিনে চলোৱা নাছিল। ইন্দোচীন বা দক্ষিণ-পূব এচিয়াত বাহিৰৰ যিমানবিলাক শক্তিৰ অনুপ্ৰবেশ ঘটিছে ভাৰতৰ বাহিৰে বাকী সকলোবিলাকৰে ইতিহাস হ'ল ৰাজনৈতিক আধিপত্য বিস্তাৰৰ ইতিহাস। ভাৰতেই একমাত্ৰ ব্যতিক্ৰম যাৰ সেই সময়ৰ বৈদেশিক ইতিহাস কেৱল সাংস্কৃতিক প্ৰভাৱৰ সম্প্ৰসাৰণত সীমাবদ্ধ। কোৱা হয় যে একমাত্ৰ ৰোম সাম্ৰাজ্যৰ ওপৰত পৰা গ্ৰীক সংস্কৃতিৰ বাহিৰে এনে ধৰণৰ ৰাজনৈতিক প্ৰভাৱৰপৰা মুক্ত কেৱল সাংস্কৃতিক প্ৰভাৱৰ উদাহৰণ বিৰল। অৱশ্যে ভাৰতৰ চক্ৰৱৰ্তী সম্ৰাটসকলৰ ফালৰপৰা তেনে ৰাজনৈতিক আধিপত্য বিস্তাৰৰ প্ৰচেষ্টা চলা নাছিল যদিও, পৰোক্ষভাৱে যে ভাৰতৰ ৰাজনৈতিক প্ৰভাৱ একেবাৰে এই অঞ্চলত পৰা নাছিল তেনে নহয়। ভিয়েতনাম তথা দক্ষিণ-পূব এচিয়াৰ বহু ৰাজ্য স্থাপনৰ অতীত ইতিহাস ভাৰতৰ শাসন শক্তিৰ লগত পৰোক্ষ প্ৰভাৱৰ সূত্ৰ আঁকিছে।

খৃষ্টপূৰ্ব তৃতীয় শতিকাত মহাৰাজ অশোকে দুজন বৌদ্ধ পৰিব্ৰাজক দক্ষিণ-পূব এচিয়ালৈ পঠায়। ভাৰতৰ কাৰণে এই অঞ্চলৰ নাম আছিল তেতিয়া স্বৰ্ণভূমি। পৰিব্ৰাজক দুজনে মহাযান বৌদ্ধ বিশ্বাসৰ প্ৰাথমিক প্ৰচাৰ আৰম্ভ কৰে। পিছত যোৱা বৌদ্ধ ভিক্ষুসকলে সেই ভিত্তিৰ সম্প্ৰসাৰণ ঘটায়।

সেই সময় স্বৰ্ণভূমিৰ উত্তৰ অঞ্চলত চীনা ভাষাৰ প্ৰভাৱ যথেষ্ট আছিল। খৃষ্টীয় প্ৰথম শতিকাত দিল্লীৰ ওচৰৰ দুজন ব্ৰাহ্মণ কৌণ্ডিন্য বৰ্তমান ইন্দোচীনৰ উত্তৰ অংশলৈ যায়। তেওঁলোকেই প্ৰথমে এখন সৰু হিন্দু ৰাজ্য প্ৰতিষ্ঠা কৰে। চীনা ভাষা মতে তাৰ নাম আছিল ফু-নান। স্থানীয় ভাষা মতে তাক বোলা হৈছিল বা-নম (Ba-phnom) অৰ্থাৎ পবিত্ৰ পাহাৰ। সেয়ে ক্ৰমে ক্মেৰ (Khmer) বা কাম্বুজ আৰু পিছলৈ কাম্বোডিয়া নামে জনাজাত হ'ল। সমূদায় দক্ষিণ-পূৰ্ব এচিয়াত বহুবছৰলৈ কাম্বোডিয়াই আছিল সকলো ফালৰপৰা আগশাৰীৰ।

অলিখিত ইতিহাসৰ অতীত নিৰ্ভৰ কৰিব লগা হয় কিম্বদন্তি বা জনশ্ৰুতিৰ ওপৰত। এই কাম্বডিয়া বা দক্ষিণ-পূব এচিয়াৰ অতীত সম্পৰ্কেও তেনে বহু কিম্বদন্তি প্ৰচলিত। তাৰে এটা হ'ল ভাৰতৰ উত্তৰ প্ৰদেশৰ বেৰেলী আৰু কনৌজ অঞ্চলত থকা কাম্বজ গোষ্ঠীৰ অন্তৰ্ভুক্ত কামাৰী (Kammari) সম্প্ৰদায়ৰ এজন পিতৃ পৰিত্যক্ত যুৱৰাজ মনৰ বেজাৰত সুৱৰ্ণভূমিলৈ গুচি যায় আৰু তাৰে এগৰাকী স্থানীয় যুৱতীক বিয়া কৰায়। তেৱেঁই পিতৃ গোষ্ঠীৰ নাম অনুসৰি কাম্বজ ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু নিজৰ সম্প্ৰদায়ৰ নামেৰেই নিজৰ বংশক কামাৰী নামেৰে পৰিচয় দিয়ে। সেই কাম্বজ নামেই কালক্ৰমত দেশখনৰ নাম কাম্বডিয়া হয় আৰু কামাৰী নামৰে অপভ্ৰংশ ঘটি জাতি আৰু ভাষাৰ নাম খেমেৰ (Khmer) হৈ পৰে। এই কিম্বদন্তি তুয়ো দেশত ইমান প্ৰবল যে যুৱৰাজ সিহানুক ষষ্ঠ দশকত ভাৰতলৈ আহোঁতে তেখেতক উত্তৰ প্ৰদেশৰ কাম্বজ সম্প্ৰদায়ৰ লোকসকলে অতি আপোনজনৰ দৰে অভ্যৰ্থনা জনাইছিল।

খৃষ্টীয় প্ৰথম শতিকাৰপৰা ত্ৰয়োদশ শতিকালৈকে বাৰ শ বছৰ ধৰি দক্ষিণ-পূৰ্ব এচিয়াত ভাৰতৰ ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰভাৱৰ সুদীৰ্ঘ কাহিনীয়ে৷ সেই সমগ্ৰ এলেকাৰ এই সময়ৰ ইতিহাস। সেই প্ৰভাৱ ফিলিপাইন, যাভা আনকি মাদাগাস্কাৰ পৰ্যন্ত বিয়পি পৰিছিল। এই সমুদায় কালছোৱাৰ ভিতৰত অষ্টম শতিকাৰপৰা ত্ৰয়োদশ শতিকালৈকে এই পাঁচ শ বছৰৰ ইতিহাস আছিল দক্ষিণ-পূব এচিয়াত ভাৰতীয় প্ৰভাৱে বিশেষকৈ হিন্দু প্ৰভাৱে শীৰ্ষস্থান লাভ কৰিছিল।

৮০২ খৃষ্টাব্দত কাম্বজৰ প্ৰভাৱশালী ৰজা দ্বিতীয় জয় বৰ্মণৰ আমোলত দক্ষিণ-পূব এচিয়াৰ প্ৰায় সমুদায় অঞ্চল এক ৰাজত্বৰ তলকৈ আছিছিল আৰু কম বেছি পৰিমাণে সেই প্ৰাধান্য ত্ৰয়োদশ শতাব্দী পৰ্যন্ত আছিল। এই সময় ছোৱাৰ ভিতৰতে যশোবৰ্ধন, সূৰ্যবৰ্মণ (দ্বিতীয়), জয়ৰাম বৰ্মণ আৰু বিজয় বংশৰ শৈলেন্দ্ৰ ফৈদৰ ৰজাসকলে আঙ্কৰ থম, আঙ্কৰ ভাত, পৃথিৱীৰ সৰ্ববৃহৎ বৌদ্ধ মন্দিৰ বৰবদুৰ (যাভা) ৰামায়ণৰ অনুসৰণত শিৱ, বিষ্ণু, ব্ৰহ্মা প্ৰমুখ্যে দেৱ-দেৱীৰ মূৰ্তি-মন্দিৰ আদি গঢ়ি তুলিছিল।

আজিৰ উত্তৰ ভিয়েতনাম তেতিয়া আন্নাম নামেৰে জনা গৈছিল। দক্ষিণ ভিয়েতনামৰ নাম আছিল চম্পা। লাওচৰ উত্তৰ অংশ আছিল কাম্বজ বা কাম্বডিয়াৰ অন্তৰ্ভুক্ত। দক্ষিণ অংশ আছিল স্থানীয় শাসকৰ তলত। ইয়াৰ অধিবাসীসকলে নিজকে মন-খেমেৰ (Mon-khmer) বুলি চিনাকি দিছিল।

লাওচবো অতীত কিম্বদন্তি মতে ভাবতব লগত জড়িত। কিম্বদন্তি মতে ইন্দ্রপ্রস্থবপবা (দিল্লী) এজন যুবৰাজ গৈ চম্পা (দক্ষিণ ভিয়েতনাম) ৰাজ্যব একাংশ লোকক উত্তৰলৈ উঠি যাবলৈ বাধ্য কৰে। তেওঁলোক চম্পাশাক (Sampa Sak) নামেৰে ঠাইলৈ যায়। সেয়ে পিছলৈ লাওচ নামেৰে খ্যাত হ'ল। সেইসকলেই হ'ল লাওচৰ আদি পুৰুষ। ৬ষ্ঠ শতিকাত চিত্ৰসেন নামৰ এজনে ফু-নান ৰাজ্যৰ পতন ঘটায় আৰু গেৰিছা পাহাৰত এখন স্বকীয় ৰাজ্য প্ৰতিষ্ঠা কৰে। অষ্টম শতিকাত সমগ্ৰ লাওচ কাম্বডিয়াৰ অংশ হৈ পৰে।

এই কালছোৱাতে লাওচৰ বৰ্তমান ৰাজধানী ভিয়েন চিয়েন প্ৰতিষ্ঠা হয়। এসময়ত ভিয়েন চিয়েন আছিল কাম্বজৰ ৰাজধানী শ্ৰেষ্ঠপুৰৰ দৰেই সমগ্ৰ দক্ষিণ-পূব এচিয়াৰ শিক্ষা আৰু সংস্কৃতিৰ কেন্দ্ৰ স্বৰূপ। সংস্কৃত ভাষাৰ যথেষ্ট চৰ্চা হৈছিল।

ভাৰতীয় প্ৰভাৱৰ যৱনিকা

প্ৰায় তেৰহাজাৰ বছৰ ধৰি চলা ভাৰতীয় প্ৰভাৱ ত্ৰয়োদশ শতিকাৰ শেষৰ ফালে অত্যন্ত ম্লান হৈ পৰে। স্থানীয় জনসাধাৰণৰ জাতীয় চেতনা আৰু গৌৰববোধ স্বাভাৱিক গতিৰে বাঢ়ি অহাৰ লগতে ভাৰতীয় প্ৰভাৱ দ্ৰুত গতিত কমি যোৱাৰ বিবিলাক কাৰণ ঐতিহাসিকসকলে সাধাৰণতে উল্লেখ কৰিছে তাৰ ভিতৰত প্ৰথম কাৰণ হ'ল ভাৰতীয় প্ৰভাৱ আছিল সম্পূৰ্ণ সংস্কৃতিমূলক। সেই সাংস্কৃতিক প্ৰভাৱৰ পিছত ভাৰতবৰ্ষৰ কোনো ৰাজশক্তিৰ প্ৰভাৱ বিস্তাৰৰ অভিপ্ৰায় বা সমৰ্থন নাছিল। দ্বিতীয় কাৰণ হ'ল ভাৰতীয় সংস্কৃতিৰ যিসকল বৌদ্ধ বা হিন্দু ধৰ্মৰ অনুগামী ৰজাই বিভিন্ন ঠাইত আৰু বিভিন্ন সময়ত শাসন চলাইছিল সেইসকলে প্ৰজাৰ হিত সাধন কৰাতকৈ বিৰাট আকাৰৰ মঠ-মন্দিৰ আদি স্মৃতি চিহ্ন নিৰ্মাণ কৰাতে মনোনিবেশ কৰিছিল আৰু ৰাষ্ট্ৰীয় নিধি খৰচ কৰিছিল বেছি। তৃতীয়তঃ হিন্দু প্ৰচাৰকসকলৰ আতিশয্যও জনসাধাৰণৰ মাজত ক্ৰমে বিৰক্তিকৰ হৈ পৰিছিল। চতুৰ্থতে হিন্দু আৰু বৌদ্ধ মহাযান পন্থাৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ ক্ৰমে কমি অহাৰ সুযোগত সিংহলবৰ্ষবা প্ৰচাৰিত হীনযান বৌদ্ধ মতৰ প্ৰচাৰ। পঞ্চমতঃ আগৰপৰাই চীনত যি সাংস্কৃতিক প্ৰভাৱ আছিল তাৰ ওপৰতে চীন সম্ৰাটসকলৰ ৰাজনৈতিক আধিপত্য প্ৰসাৰৰ অভিযান। সৰ্বশেষত ভাৰতবৰ্ষবাই ইচলাম ধৰ্মৰ প্ৰচাৰ অভিযান। এই সকলোবিলাক কাৰণতে ষোড়শ শতিকাৰ জোৰশিত হিন্দু প্ৰভাৱ প্ৰায় নোহোৱা

হৈ পৰে। সম্প্ৰতি বালি আৰু যৱক দ্বীপৰ বাহিৰে আন ঠাইত আগৰ মঠ-মন্দিৰসমূহ মাথোন এসময়ৰ হিন্দু সংস্কৃতিৰ স্বাক্ষৰ হৈ বৰ্তমান আছে। ইন্দোচীনত ভাৰতীয় আৰু চীনা সংস্কৃতিৰ সংমিশ্ৰণ ঘটিলেও দুয়ো সংস্কৃতিৰ মাজত কিন্তু কোনো সময়তে তীব্ৰ সংঘৰ্ষ বা বিৰোধ ঘটা নাছিল। তাৰো কাৰণ হয়তো ভাৰতৰ সম্প্ৰসাৰণ মনোভাৱ নথকা আৰু এক সংস্কৃতিৰ স্বাভাৱিক গতি নিম্নগামী হোৱাৰ পিছতহে অন্য সংস্কৃতি আহি পৰাটোও সম্ভৱ হব পাৰে।

চীনৰ প্ৰভাৱ

ত্ৰয়োদশ শতিকাৰ শেষ ভাগত চীনৰ মঙ্গোল-সম্ৰাট কুবলাই খানে তেওঁৰ প্ৰধান সেনাপতিসকলক দক্ষিণ-পূব এচিয়া চীনৰ অন্তৰ্ভূক্ত কৰাৰ অভিযানত পঠায়। কুবলাই খানৰ সেনাপতিসকলে প্ৰত্যেক ঠাইতে তীব্ৰ প্ৰতিৰোধৰ সমুখ হব লগা হৈছিল। কাম্বজ আৰু চম্পা ৰাজ্যৰপৰাই প্ৰতিৰোধ পাইছিল বেছি। অৱশেষত নিজৰ তাকৰীয়া সমল আৰু চীনৰ প্ৰবল আক্ৰমণ উভয়ৰ কাৰণে প্ৰতিৰোধ স্থায়ী কৰাৰ সম্ভাৱনা নথকাত দুয়ো ৰাজ্যই চীন সম্ৰাটৰ অধীনতা স্বীকাৰ কৰি লয়, কটকী আৰু কৰ পঠাবলৈ মান্তি হয়। কিন্তু নিৰ্দেশ অহা সত্বেও নানা চেলু উলিয়াই নিজে চীনৰ ৰাজদৰবাৰত উপস্থিত থাকি প্ৰকাশ্যে অধীনতা স্বীকাৰ কৰাৰপৰা আঁতৰত থাকে।

কাম্বডিয়াত চীনৰ সাংস্কৃতিক প্ৰাধান্য আগৰপৰাই আছিল। কুবলাই খানৰ আমোলত ৰাজনৈতিক প্ৰাধান্যও প্ৰতিষ্ঠিত হয়। তাৰপৰাই চীনে দক্ষিণলৈ অভিযান চলোৱাৰ সুযোগ পাইছিল। চীনৰ এই অভিযানৰ বিৰুদ্ধে দক্ষিণ ভিয়েতনামে (তেতিয়াৰ চম্পা) চলোৱা সংগ্ৰামৰ ইতিহাস হাজাৰ বছৰৰো বেছি। কেবাটাও ফৈদৰ ৰজা আৰু জনসাধাৰণে অসীম বীৰত্বৰে বাহিৰৰপৰা অহা এই প্ৰথম আক্ৰমণ প্ৰতিৰোধ কৰিছিল।

দক্ষিণ-পূব এচিয়াত এই সময়ছোৱাত বহু নতুন নতুন ৰাজশক্তিৰ উত্থান পতন ঘটে। তাৰ ভিতৰত হিন্দু প্ৰভাৱৰ শেষ প্ৰধান ৰাষ্ট্ৰ মাজাপহিত (Majapahit) ৰাজ্যৰ পতন, উত্তৰ ফালে চীনৰপৰা ৰাজনৈতিক অভিযানৰ অগ্ৰগতি, ভাৰতৰপৰা ইচলাম ধৰ্মৰ আৰু সিংহলৰপৰা হীনযান বৌদ্ধ ধৰ্মৰ সম্প্ৰসাৰণ বিশেষ উল্লেখযোগ্য। ইয়াৰ লগতে অঞ্চলটোৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত সুকীয়া সুকীয়া ৰাজপৰিয়ালসমূহৰ উত্থান-পতনৰো সুদীৰ্ঘ কাহিনী আছে।

উনবিংশ শতিকাৰ মাজ ভাগলৈকে দক্ষিণ-পূব এচিয়াৰ ৰাজনীতিত ইন্দো-চীনৰ কাম্বজ ৰাজ্যৰ ইতিহাসেই আছিল প্ৰধান। কাম্বজবাসীৰ বিভিন্ন সাংস্কৃতিক আৰু ৰাজনৈতিক প্ৰভাব অন্ত কালে বিয়পি পৰিছিল। তেতিয়াৰপৰা ইন্দোচীনে দক্ষিণ-পূব এচিয়াৰ ইতিহাসত বিশেষ ঠাই লাভ কৰি আহিছে।

ইন্দোচীনক নিজৰ তলতীয়া কৰাৰ কাৰণে চীন, বৰ্মা, জাপান আৰু শ্যাম বা আজিৰ থাইলেণ্ডৰপৰাও বিভিন্ন সময়ত অভিযান চলিছিল। সেই সকলো-বিলাক অভিযানৰ বিৰুদ্ধে ষোড়শ শতিকাৰপৰা উনবিংশ শতিকাৰ মাজ ভাগলৈকে কেতিয়াবা তীব্ৰভাৱে, কেতিয়াবা উমি উমি জ্বলি থকা তুঁহ জুইৰ দৰে প্ৰতিৰোধৰ সংগ্ৰাম চলাই আহিছিল।

১৮২৮ খৃষ্টাব্দত শ্যামৰ ফালৰপৰা চলোৱা এক তীব্ৰ অভিযানে সেই সময়ত প্ৰাধান্য লাভ কৰা লাওচ দখল কৰে। দক্ষিণ ভিয়েতনাম বা চম্পা ৰাজ্যও শ্যামৰ তলতীয়া হয়। সমগ্ৰ দক্ষিণ-পূব জুৰি উনবিংশ শতিকাৰ মাজ ভাগলৈকে তীব্ৰ অন্তৰ্বিৰোধ আৰু অশান্তি বাঢ়ি যায়। ৰাজনৈতিক স্থিৰতা নোহোৱা হয়। পৰস্পৰ বিদ্ৰোহত আভ্যন্তৰীণ শৃংখলা প্ৰায় নোহোৱা হৈ পৰে; অৰ্থনৈতিক ভিত্তি জুকলা হয়।

ঠিক এই সুযোগতে অপেক্ষা কৰি থকা পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিবিলাকে দক্ষিণ-পূব এচিয়াত সাম্ৰাজ্যবাদী জাল বিস্তাৰৰ কাৰণে আগবাঢ়ি আহে। ইন্দোচীনত ফৰাচী সাম্ৰাজ্যবাদে, মালয়াত বৃটিছ সাম্ৰাজ্যবাদে, কোনো ঠাইত হয়তো পৰ্তুগীজ সামাজ্যবাদে, পিছলৈ ফিলিপাইন আদিত আমেৰিকান সাম্ৰাজ্যবাদে প্ৰথম বাৰৰ কাৰণে অনুপ্ৰবেশ কৰে আৰু দক্ষিণ-পূব এচিয়াত পৃথিৱীৰ ভিতৰত আটাইতকৈ জঘন্যতম শোষণ আৰু নিষ্পেষণৰ অন্যতম এক কৰুণ কাহিনী ৰচিত হয়।

২

ঔপনিবেশিক অনুপ্ৰৱেশ ঃ প্ৰবল প্ৰতিৰোধ

"যেতিয়ালৈকে আমাৰ দেশৰ মাটিত বন গজি থাকিব তেতিয়ালৈকে আমাৰ দেশত আক্ৰমণকাৰীক বাধা দিয়া মানুহো উপজি থাকিব।"
[১৮৬৮ চনত ফৰাচী ঘাতকৰ গুলী বুকুপাতি লৈ মৃত্যু বৰণ কৰা সময়ত দেশপ্ৰেমিক যোদ্ধা নগুয়েণ ক্ৰুং ক্ৰচৰ উক্তি]

ছকুৰি বছৰৰো আগৰ কথা। ১৮৪৭ চনৰ ১৫ এপ্ৰিলৰ দিনা ভিয়েতনামৰ ডা-নং বন্দৰত থকা ভিয়েতনাম নৌ বাহিনীৰ পাঁচখন ৰণতৰীৰ ওপৰত ফৰাচী যুদ্ধ জাহাজে অতৰ্কিত আক্ৰমণ কৰে আৰু ভিয়েতনাম ৰণতৰীকেইখন সাগৰত ডুবাই দিয়ে। সেয়ে ভিয়েতনামৰ ওপৰত বিদেশী সাম্ৰাজ্যবাদৰ প্ৰথম আক্ৰমণ।

তাৰ ১১ বছৰৰ পিছত ১৮৫৮ চনৰ ৩১ আগষ্টত ডা-নং বন্দৰত ফৰাচীয়ে পুনৰ আক্ৰমণ চলায়। তেতিয়াৰপৰাই সুদীৰ্ঘ একুৰি পাঁচ বছৰ কাল ধৰি ভিয়েতনামবাসীয়ে ফৰাচী আক্ৰমণকাৰীক বহুবাৰ বহু ঠাইত তীব্ৰভাৱে প্ৰতিৰোধ কৰি আহিছিল। কিন্তু এহাতে সাম্ৰাজ্যবাদৰ চিৰাচৰিত বিভেদ সৃষ্টিৰ কৌশল আৰু আনহাতে ফৰাচীৰ গোপন দুৰভিসন্ধি বুজিব নোৱাৰি ভিয়েতনামবাসীৰ নিজৰ ভিতৰতে ফৰাচীৰ লগত আপোচ কৰিবলৈ ওলোৱা একাংশৰ বিশ্বাসঘাতকতাৰ কাৰণে ১৮৮৪ খৃষ্টাব্দত ফৰাচী সাম্ৰাজ্যবাদে ইন্দোচীনক নিজৰ অধীনলৈ নিয়াৰ কাৰণে সমৰ্থ হয়। ফৰাচীৰ আধুনিক অস্ত্ৰ-শস্ত্ৰ আছিল আন এটা কাৰণ।

উনবিংশ শতিকাৰ শেষৰ দুটা দশকৰ ভিতৰতে ইউৰোপৰ দেশসমূহত

পুঁজিবাদী অর্থনীতি আৰু বিজ্ঞানৰ দ্রুত বিকাশ ঘটে। ইউৰোপৰ বিভিন্ন ৰাষ্ট্ৰই এচিয়া আৰু আফ্রিকাৰ বিভিন্ন দেশসমূহক বজাৰ দখল আৰু সম্পদ শোষণৰ কাৰণে নিজৰ নিজৰ মাজত ভগাই লোৱাৰ অভিযান আৰম্ভ কৰে। গ্রেট বৃটেইন, ফ্রান্স, পর্তুগীজ, ইটালি আদিৰ অভিযান আছিল অত্যন্ত দ্রুত। ইন্দোচীনত ফৰাচী অভিযান আছিল সেই ইউৰোপীয় উপনিবেশ সম্প্রসাৰণৰে এক অংশ স্বৰূপ।

ফৰাচী সম্প্রসাৰণ

ফৰাচীয়ে দ্বিতীয়বাৰ ডা-নং বন্দৰ আক্রমণ কৰাৰ সময়ত বন্দৰৰ সকলো ভিয়েতনামী সম্পত্তি জুই লগাই ধ্বংস কৰে। তাৰ পিছতে ক্রমে দক্ষিণৰ ফালে আগ বাঢ়ে। ১৮৫৯ চনৰ ১৭ ফেব্রুৱাৰী তাৰিখে ছাইগণ চহৰ অৱৰোধ কৰে। নগৰৰ ৰাজকীয় বাহিনীয়ে ফৰাচী সৈন্য আগবাঢ়ি যোৱাৰ বাতৰি পায়ে নগৰ এৰি পলাই যায়। কিন্তু ছাইগণৰ বাহিৰৰপৰা ৫৮০০ দেশপ্রেমিক স্বেচ্ছা-সেৱক ছাইগণ ৰক্ষা কৰাৰ কাৰণে আগবাঢ়ি আহে। সেই দেশপ্রেমিকসকলে ইতিমধ্যেই ৰাজ-ফৌজে নগৰ এৰি যোৱাৰ সুযোগত ছাইগণৰ ভিতৰত থিতাপী লোৱা ফৰাচী বাহিনীক দীঘলীয়া দিনৰ কাৰণে বাহিৰলৈ ওলাব নোৱাৰা কৰি ছাইগণ চহৰ আগুৰি ৰাখিছিল। দেশপ্রেমিক যোদ্ধাসকলৰ প্রতি সেই সময়ৰ হিউ চহৰত থকা ভিয়েতনামৰ ৰাজদৰবাৰৰপৰা ফৰাচীক আক্রমণ নকৰাৰ নির্দেশহে পঠোৱা হৈছিল। কাৰণ হিউ ৰাজদৰবাৰে ফৰাচীৰ লগত আপোচ কৰাৰ আশা পোষণ কৰিছিল।

ছাইগণত ফৰাচী সৈন্যৰ এভাগ আৱদ্ধ হৈ থকা অৱস্থাতে উপকূলত থকা ফৰাচী যুদ্ধ জাহাজৰপৰা অস্ত্র-শস্ত্র লৈ আন এটা অংশই কোচিনচীন দখলৰ কাৰণে অভিযান চলায়। কোচিনচীন আৰু অন্যান্য ঠাই দখল কৰি সেই বাহিনী ছাইগণ পায়হি আৰু ভিতৰ বাহিৰ উভয় ফালৰপৰা আক্রমণ চলাই ১৮৬০ চনত ফৰাচীয়ে ছাইগণ দখল কৰে।

ছাইগণৰ পতনে সমগ্র দেশতে এক গভীৰ প্রতিক্রিয়াৰ সৃষ্টি কৰে। এহাতে দেশৰ বিভিন্ন এলেকাত থকা সৰু সৰু শাসক-গোষ্ঠীবিলাকে ফৰাচীৰ সহায়ত আনৰ ৰাজ্য দখল কৰাৰ সপোন দেখি ফৰাচীৰ লগত আপোচ কৰাৰ কাৰণে চেলু বিচাৰিবলৈ ধৰিলে; আনহাতে ৰাজশক্তিৰ ব্যর্থতা সত্ত্বেও দেশপ্রেমিক বুদ্ধিজীৱী-সকলৰ আহ্বানত সমগ্র ইন্দোচীনজুৰি স্বতঃস্ফূর্ত প্রতিৰোধৰ দাবানল জ্বলি

উঠে। সেই প্ৰতিৰোধ কিমান ব্যাপক আৰু কিমান তীব্ৰ আছিল তাৰ উল্লেখ কৰি প্ৰত্যক্ষদৰ্শী ফৰাচী ঐতিহাসিক পালু-ডি-লা-বেৰিয়াৰে (Pallu-de la-Barrier) ১৯৬১ চনৰ অভিযানৰ স্মৃতি কাহিনীত উল্লেখ কৰি লিখিছে এই বুলি :

> "আচলতে প্ৰতিৰোধৰ ঘাঁটি আছিল সকলোতে। প্ৰতিৰোধৰ ঘাঁটি বিয়পি আছিল অন্তহীন এলেকালৈ, অৰ্থাৎ যিমানলৈ ভিয়েতনামত জীৱিত মানুহ আছিল সিমানলৈ। প্ৰতিৰোধৰ ঘাঁটি সম্পৰ্কে সঠিক বিৱৰণ হব এনে দৰে কোৱাটোহে—যে পথাৰত বিৰিয়ালৈ ভাঙৰি কঢ়িয়াই থকা প্ৰত্যেকজন খেতিয়কেই আছিল প্ৰতিৰোধৰ একোটা ঘাঁটি।"
>
> [এ চেঞ্চুৰি অব নেছনেল ষ্ট্ৰাগ্‌ল, পৃষ্ঠা ১২]

প্ৰথম চুক্তি

এই প্ৰতিৰোধৰ চৰিত্ৰও আছিল স্বকীয়া। তাক চলোৱা হৈছিল আজিৰ গেৰিলা যুদ্ধৰ কৌশলেৰে। শত্ৰুৰ ওপৰত অতৰ্কিতে আৰু নিচেই ওচৰৰপৰা আক্ৰমণ চলোৱা হৈছিল। নগুয়েন ত্ৰুং ত্ৰুচ নামৰ এজনৰ নেতৃত্বত প্ৰতিৰোধ বাহিনীৰ ফৰাচী লা-এছপাৰেন্স (L'Esperance) যুদ্ধ জাহাজত জুই লগাই দিয়ে আৰু ফৰাচী অধিকৃত কেবাটাও অঞ্চল পুনৰ দখল কৰে। এই সাফল্যত সাহস সংগ্ৰহ কৰি হিউ ৰাজদৰবাৰৰপৰা ফৰাচীলৈ সন্ধিৰ কাৰণে প্ৰস্তুত বুলি চৰ্ত আগ বঢ়োৱা হয়। ফৰাচীয়ে আনন্দেৰে গ্ৰহণ কৰে। ১৯৬২ চনৰ ৫ জুনত ফৰাচী বিষয়া এড্‌মিৰেল বনাৰ্ড আৰু হিউ ৰাজদৰবাৰৰ পক্ষৰপৰা ফান্-আন-গিয়ানে চুক্তিত চহী কৰে। এই চুক্তি মতে কোচিনচীনৰ পূবৰ গিয়াডীন, বিয়েন হুৱা আৰু ডীন টুয়ং এই তিনিটা অঞ্চল ফৰাচীক এৰি দিয়া হয়। হিউ ৰাজদৰবাৰে ফৰাচীক ২ কোটি ফ্ৰাঁ (ফৰাচী মুদ্ৰা) ক্ষতি পূৰণ দিবলৈ সন্মত হয় আৰু মধ্য ভিয়েতনামৰ তিনিটা বন্দৰ ফৰাচীক অবাধ ব্যৱসায় চলোৱাৰ কাৰণে মুকলি কৰি দিয়া হয়।

ছাইগণ চহৰত ফৰাচীবাহিনীক অৱৰোধ কৰাৰ কাৰণে বাহিৰৰপৰা প্ৰায় ৬০০০ দেশপ্ৰেমিক যুৱকক নেতৃত্ব দি আনিছিল ট্ৰুং ডীন (Truong Dinh) নামৰ এজন সাহসী যুৱকে। ছাইগণ পতনৰ পিছত তেওঁ দক্ষিণলৈ গুচি যায় আৰু পাহাৰ অঞ্চলত কেবা হাজাৰো দেশপ্ৰেমিক যুৱক সমবেত কৰি প্ৰতিৰোধবাহিনী গঢ়ি তোলে। ১৯৬২ চনৰ চুক্তিৰ পিছত হিউ ৰাজ

ৰবৰ্মবংশৰ তেওঁলৈ সেনাপতিৰ পদ যাচি যুদ্ধ বন্ধ কৰাৰ অনুৰোধ জনোৱা হৈছিল। কিন্তু তেওঁ সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। প্ৰতিৰোধ ব্যাপক কৰি তোলে।

আনহাতে চুক্তিৰ পিছত ৰাজদৰবাৰৰপৰা প্ৰতিৰোধ বন্ধ কৰি আপোচৰ আলোচনা চলোৱাৰ আহ্বান জনোৱা হয়। এই আহ্বানে জনসাধাৰণৰ মাজত দোধোৰ-মোধোৰ ভাবৰ সৃষ্টি কৰে। ৰজাই ফৰাচীৰ ওচৰলৈ পুনৰ আপোচৰ প্ৰস্তাৱ পঠায়। সেই সময়ত ফ্ৰান্স মেক্সিকোৰ যুদ্ধত ব্যস্ত থাকিব লগা হৈছিল কাৰণে ভিয়েতনামত প্ৰস্তুতিৰ কাৰণে কিছু সময়ৰ প্ৰয়োজন হৈছিল। গতিকে বহু মৌখিক প্ৰতিশ্ৰুতি দি ৰাজদৰবাৰক সন্তুষ্ট কৰাৰ কৌশল প্ৰয়োগ কৰিলে।

প্ৰতিৰোধ সংগ্ৰাম চলাই থকা অৱস্থাতে ১৮৬৪ চনত ট্ৰুং আহত হয় আৰু শত্ৰুৰ হাতত পৰাৰ আগতে আত্মহত্যা কৰে। তেওঁৰ আদৰ্শকে লৈ দ'-ত্ৰিণ-থোৱাই, ফান-ভান-ডাট, হ'-হুৱা, নগুয়েন থং, নগুয়েন ভীন চিউ, নগুয়েন কুই বিণ, ত্ৰিং কোৱান, লু-টান, কোৱাং কোয়েন, হ'হুং প্ৰমুখ্যে দেশপ্ৰেমিক বীৰসকলৰ নেতৃত্বত দেশৰ ইমূৰৰপৰা সিমূৰলৈ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি উঠে।

কাম্বডিয়াৰ দেশপ্ৰেমিকসকলেও পাকুম্প' (Pakumpo) নামৰ এজন দেশপ্ৰেমিক যুৱকৰ নেতৃত্বত ভিয়েতনামী দেশপ্ৰেমিকসকলৰ আদৰ্শতে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলে। ১৮৬৩ চনত ফৰাচীয়ে কাম্বডিয়াৰ ৰজাৰ লগতো ছিউ ৰজাৰ লগত কৰাৰ দৰেই চুক্তি কৰে।

১৮৬৭ চনত মেক্সিকোৰ যুদ্ধ শেষ হয় আৰু ফৰাচীয়ে ইন্দোচীন অভিযানত পুনৰ মনোনিবেশ কৰে। ফান গিয়ান পশ্চিম অঞ্চলৰ গৱৰ্ণৰ আছিল। আক্ৰমণ সহ্য কৰিব নোৱাৰি তেওঁ তিনিওটা অঞ্চল ফৰাচীক শোধাই দিয়ে আৰু মনৰ বেজাৰত নিজে আত্মহত্যা কৰে।

ৰাজকীয় শক্তিয়ে এনেদৰে আত্ম সমৰ্পণ কৰিলেও দেশপ্ৰেমিক জনসাধাৰণৰ প্ৰতিৰোধ সংগ্ৰাম অব্যাহতভাৱে চলি থাকে। এই প্ৰতিৰোধ সংগ্ৰামৰ মাজেদিয়ে ভিয়েতনাম, লাওচ আৰু কাম্বডিয়া অৰ্থাৎ সমুদায় ইন্দোচীনৰ জনসাধাৰণৰ মাজত ব্যাপক ঐক্য গঢ়ি উঠিছিল।

এনে অৱস্থাতে পাকুম্পা' যুদ্ধত নিহত হয়। কোচিনচীন আৰু কাম্বডিয়া নেতৃত্বহীন হৈ পৰে। কিন্তু মেকং উপকূলত ফান্ গিয়ানৰ পুত্ৰ আৰু ১৯৬১ চনত ফৰাচী যুদ্ধ জাহাজত জুই দিয়া ক্ৰুং ক্ৰচে অভিযান পৰিচালনা কৰে।

১৮৬৮ চনত তেওঁ ফৰাচীৰ হাতৰপৰা বাছ গিয়া প্ৰদেশ মুক্ত কৰে। কিন্তু অলপ দিনৰ পিছতে তেওঁ শত্ৰুৰ হাতত ধৰা পৰে। তেওঁক গুলিয়াই হত্যা কৰা হৈছিল আৰু শত্ৰুৰ বন্দুকৰ গুলীৰ সন্মুখ হোৱা অৱস্থাতে তেওঁ শত্ৰুক উদ্দেশ্য কৰি চিঞৰি চিঞৰি কৈছিল—"যেতিয়ালৈকে আমাৰ দেশৰ মাটিত বন গজি থাকিব তেতিয়ালৈকে আক্ৰমণকাৰীক বাধা দিয়াৰ মানুহো আমাৰ দেশত জন্ম হৈ থাকিব।"

তাৰ পিছতে সমগ্ৰ কোচিনচীন ফৰাচীৰ হাতলৈ যায়। কোচিনচীনৰ পতনে প্ৰতিৰোধকাৰীসকলৰ মনোবল কিছু দুৰ্বল কৰে।

হানয়ৰ পতন

কোচিনচীনৰ পতনৰ পিছত ফৰাচীবাহিনী হানয়ৰ ফালে আগ বাঢ়ে। প্ৰতিৰোধকাৰী দেশপ্ৰেমিকসকলৰ পক্ষৰপৰা সেই সময়ৰ ৰজা টু ডুচ (Tu-Duc)ৰ প্ৰতি সৰ্বাত্মক প্ৰতিৰোধ গঢ়ি তোলাৰ কাৰণে আহ্বান জনোৱা হয়। তেওঁ সঁহাৰি নিদি ক্ষণ গণাৰ নীতি গ্ৰহণ কৰে। আনহাতে তেওঁৰ শাসনত বিক্ষুব্ধ হৈ কেবাটাও অঞ্চলত তেওঁৰ বিৰুদ্ধে প্ৰকাশ্য বিদ্ৰোহ ঘটে। ফৰাচীয়ে সেই সুযোগ সম্পূৰ্ণ গ্ৰহণ কৰিলে।

সেই সময়তে উত্তৰ টঙ্কিনৰ ফালে চীনৰপৰা বগা, ক'লা আৰু হালধীয়া পতাকাৰ তলত তিনিদল ডকাইতে জনসাধাৰণৰ ওপৰত আক্ৰমণ চলাবলৈ ধৰে। এই ঘটনায়ো ফৰাচীক প্ৰতিৰোধ কৰাত বাধাৰ সৃষ্টি কৰে।

১৮৭২ চনত ভিয়েতনামৰ ৰজাৰ কোনো অনুমতি নিবিচৰাকৈ ফৰাচীয়ে ৰঙা নদীয়েদি (ৰেড ৰিভাৰ) ভিতৰলৈ যুদ্ধ জাহাজ সুমুৱাই আনে। দ্বিতীয়বাৰ অনুমতি বিচৰাৰ চল কৰি কমাণ্ডাৰ ফ্ৰান্সিছ গাৰ্ণাৰে সশস্ত্ৰ বাহিনীৰে সৈতে ৰাজদৰবাৰত উপস্থিত হয় আৰু ৰেড ৰিভাৰৰ জলপথ ফৰাচীৰ কাৰণে মুক্ত বুলি ঘোষণা কৰে। ৰাজদৰবাৰে সেই কথা মানি লব নোখোজাত ১৮৭৩ চনৰ ১৯ নৱেম্বৰত ফৰাচীয়ে হানয়ৰ ওপৰত গুলী চলায় আৰু প্ৰতিৰোধ পৰাস্ত কৰি হানয় দখল কৰে। কিন্তু ভিয়েতনামৰ অন্যান্য অঞ্চলৰপৰা অগণন দেশপ্ৰেমিক আহি হানয় অৱৰোধ কৰে। প্ৰায় এমাহ ধৰি তীব্ৰ সংগ্ৰাম চলে আৰু হানয়ৰ ওচৰৰে এডোখৰ ঠাইত ২১ ডিচেম্বৰত গাৰ্ণাৰক হত্যা কৰে।

১৮৭০ চনৰ ফ্ৰান্স-জাৰ্মানী যুদ্ধত ফ্ৰান্স হাৰে। ভিয়েতনামত সেই সময়ত ফৰাচী মনোবল কিছু দুৰ্বল হৈছিল। সকলো দেশপ্ৰেমিক ঐক্যবদ্ধ হোৱা

হলে হয়তো ফৰাচীক সকলো ঠাইতে পৰাস্ত কৰা সম্ভৱ হ'লহেঁতেন। কিন্তু তেনে কোনো কেন্দ্ৰীয় নেতৃত্ব নাছিল। ৰজা টু-ডুচে ফৰাচীৰ লগত আপোচৰ যোগে সুবিধা আদায়ৰ মনোভাৱ পোষণ কৰাৰ কাৰণে এই সুযোগৰ সুবিধা লব নোৱাৰিলে। প্ৰতিৰোধ শক্তিশালী কৰাৰ পৰিবৰ্তে তেওঁ ১৮৭৪ চনত ফৰাচীৰ লগত চুক্তি কৰে। এই চুক্তি মতে ফৰাচীয়ে দখল কৰা আন আন ঠাই ভিয়েতনামক ঘূৰাই দিয়ে। কিন্তু হানয় আৰু হাইফং চহৰত ফৰাচী সৈন্য ৰখাৰ আৰু ৰেড বিভাৰৰ বুকুৰেদি ফৰাচী জাহাজ চলোৱাৰ অবাধ অধিকাৰ আদায় কৰি ললে।

চুক্তি ভঙ্গ

১৮৭৪ চনত ফৰাচীয়ে চুক্তি ভঙ্গ কৰে। ১৮৮২ চনত হেন্‌ৰী ৰিভাইৰীৰ নেতৃত্বত টাকিং দখলৰ অভিযান আৰম্ভ হয়। ৰিভাইৰীয়ে হানয়ৰ ভিয়েতনাম কৰ্তৃপক্ষলৈ এই বুলি চৰম পত্ৰ দিয়ে যে তাৰপৰা প্ৰতিৰোধবাহিনী অবিলম্বে অপসৰণ কৰিব লাগে। সেই নিৰ্দেশ পালন নকৰাত ১৮৮২ চনৰ ২৫ এপ্ৰিল তাৰিখে হানয় আক্ৰমণ কৰে আৰু দখল কৰে। হানয়ৰ ভিয়েতনামী গৱৰ্ণৰ হোৱাং ভিউৱে আত্মহত্যা কৰে।

ইতিমধ্যে ফৰাচী সৈন্যই কেবাটাও অঞ্চল দখল কৰে। ৰজা টু-ডুচে তেতিয়াও আপোচৰ যোগে হানয় ঘূৰাই পোৱাৰ দুৰাশাত কাল কটাবলৈ ধৰে। চীনলৈ তেওঁ আবেদন পঠায়। চীনে সৈন্য পঠোৱাৰ আশ্বাস দিয়ে। কিন্তু চীনৰ সৈন্য আহি হানয়ৰ বহু উত্তৰত চাউনী পাতি ৰ'ল। দক্ষিণলৈ নাহিল।

১৮৮৩ চনত ভিয়েতনাম দেশপ্ৰেমিকবাহিনীয় পুনৰ হানয় অৱৰোধ কৰে আৰু ঠিক দহ বছৰৰ আগতে ফ্ৰান্সিছ গাৰ্ণেয়াৰক হত্যা কৰা ঠাইতে হেনৰী ৰিভাইৰীকো হত্যা কৰে। পেৰিচৰপৰা ৪০০০ নতুন সৈন্য পঠোৱা হয়। ৰজা ডুচে পুনৰ ফৰাচীৰ লগত আপোচৰ চেষ্টা কৰে। আপোচ বিৰোধী অমাত্য-সকলক পদচ্যুত কৰে।

সেই বছৰৰে জুলাই মাহত ৰজা টু-ডুচৰ মৃত্যু হয়। তেওঁৰ কোনো উত্তৰাধিকাৰী নথকাত সিংহাসনৰ কাৰণে বিভিন্ন গোষ্ঠীৰ মাজত প্ৰতিদ্বন্দ্বিতা চলে। কেবাজনো ৰজা ভঙা পতা হয়।

এনে অস্থিৰ পৰিস্থিতিৰ সুযোগ ফৰাচীয়ে সম্পূৰ্ণৰূপে গ্ৰহণ কৰিলে। ফৰাচীয়ে ৰাজধানী হিউ দখলৰ অভিযান চলায়। ফৰাচীবাহিনী আগবঢ়াৰ

কথা শুনিয়ে হিউ চহৰৰ অমাত্যসকলে ফৰাচীৰ সকলো চৰ্ত মানি লৈ আত্ম-সমৰ্পণ কৰে। ভিয়েতনামৰ ৰাজধানী হিউ এনে দৰেই প্ৰায় প্ৰতিৰোধ নোহোৱা অৱস্থাত ১৮৮৩ চনৰ ২৫ আগষ্টত ফৰাচীৰ হাতলৈ যায়। প্ৰায় সমগ্ৰ ভিয়েতনাম ফৰাচী অধিকৃত এলেকা (প্ৰটেক্টৰেট্) হৈ পৰে।

বুদ্ধিজীৱীসকলে এই চুক্তি মানি লবলৈ অস্বীকাৰ কৰি প্ৰতিৰোধ চলাই যোৱাৰ আঁচনি গ্ৰহণ কৰে। নগৰৰ একাংশ বুদ্ধিজীৱীৰ বাহিৰে বাকী ওপৰ থাপৰবিলাকে ফৰাচীৰ লগত সহযোগ কৰি ফৰাচীৰ নিৰ্দেশ কাৰ্যকাৰী কৰাৰ যোগে স্বাৰ্থসিদ্ধিৰ পথ লয়।

হানয়ৰ উত্তৰত চীন সৈন্যৰ তলত যিবিলাক অঞ্চল আছিল চীনে সেইবিলাকত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিছিল। কিন্তু উত্তৰৰ ফালে আগবাঢ়ি যোৱা ফৰাচীক চীনে অসন্তুষ্ট কৰিবলৈ সাহস নকৰি ১৮৮৪ চনত ১১ মে' তাৰিখে চুক্তি কৰে। ১৮৮৩ চনৰ চুক্তিৰ উপৰিও ১৮৮৪ চনৰ ৬ জুনত ফৰাচীয়ে হিউ ৰাজদৰবাৰক আৰু এখন চুক্তি কৰিবলৈ বাধ্য কৰে। সেই চুক্তি অনুসৰি সমগ্ৰ উত্তৰ অঞ্চল ফৰাচী অধিকৃত (প্ৰটেক্টৰেট) অঞ্চললৈ ৰূপান্তৰিত হয়।

সেয়ে হলেও ফৰাচীৰ হাতত চীনে দখল কৰা উত্তৰ ভিয়েতনামৰ অঞ্চল শোধাই দি ঘূৰি যোৱা চীনা সৈন্যৰ লগত ফৰাচী সৈন্যৰ বিৰোধ ঘটে আৰু ফৰাচীয়ে ফৰমোচা আৰু ফুচৌ আক্ৰমণ কৰে। এই সুযোগত ভিয়েতনামৰ দেশপ্ৰেমিক যোদ্ধাসকলে ফৰাচীৰপৰা একাধিক অধিকৃত ঠাই পুনৰ ঘূৰাই আনিছিল। কিন্তু ১৮৮৫ চনৰ ৯ জুন তাৰিখে পিকিং আৰু পেৰিচৰ লগত হোৱা চুক্তি অনুসৰি চীনে তেতিয়ালৈকে আধিপত্য বিস্তাৰ কৰা ভিয়েতনামৰ সকলো অঞ্চল ফৰাচীৰ হাতত শোধাই দিয়ে।

১৮৮৩ চনৰ আত্ম সমৰ্পণৰ পিছতো হিউ ৰাজধানী মুক্ত কৰাৰ কাৰণে দেশ-প্ৰেমিক যোদ্ধাসকলে প্ৰতিৰোধ সংগ্ৰাম চলাই যায়। প্ৰধানতঃ টন্-থাট থুৱেট নামৰ এজন বুদ্ধিজীৱীৰ নেতৃত্বত শক্তিশালী হৈ উঠা প্ৰতিৰোধকাৰীসকলে ৰাজপৰিয়ালৰ ১২ বছৰীয়া ল'ৰা হাম নঘিক (Ham Nghi) ৰাজপাটত বহুৱাই টান-চ' দুৰ্গ নিৰ্মাণৰ কাম হাতত লয়। ফৰাচীয়ে তাত বাধা দিয়ে। ফৰাচীয়ে ভিয়েতনামৰ উত্তৰ-দক্ষিণ কেউফালে বাঢ়ি অহা প্ৰতিৰোধ আন্দোলন ধ্বংস কৰাৰ দুৰভিসন্ধিৰে হিউ ৰাজসভালৈ এই বুলি নিৰ্দেশ পঠায় যে ৰাজ-বাহিনীৰ হাতত থকা সকলো অস্ত্ৰ-শস্ত্ৰ ফৰাচীৰ হাতত অৱিলম্বে শোধাই দিব লাগে, সৈন্যবাহিনী হ্ৰাস কৰিব লাগে আৰু ৰাজদৰবাৰ ফৰাচীৰ প্ৰতি বন্ধু

ভাবাপন্ন অমাত্যসকলক লৈ গঠিত কৰিব লাগে। থুৰেট প্ৰমুখ্যে দেশপ্ৰেমিক-সকলে সেই নিৰ্দেশ অগ্ৰাহ্য কৰে। ফৰাচী আৰু দেশপ্ৰেমিকবাহিনীৰ মাজত বহু ঠাইত তুমুল সংগ্ৰাম চলে। ১৮৮৫ চনৰ ৪ জুলাইত ফৰাচীয়ে হিউ পুনৰ দখল কৰে।

ল'ৰা ৰজা হাম তেওঁৰ বিশ্বস্ত লগৰীয়াসকলৰ লগত দক্ষিণৰ পাহাৰী অঞ্চললৈ পলাই যায়। তাৰেপৰাই তেওঁ দেশৰ জনসাধাৰণৰ প্ৰতি ফৰাচীক প্ৰতিৰোধ কৰাৰ কাৰণে আহ্বান জনায়। দেশবাসীয়ে বিপুলভাৱে সঁহাৰি জনায়।

কান ভং (Cah Vuong) বিদ্ৰোহ

ৰাজ হাম নথিক ৰাজপাটত বহুৱাটোকে উপলক্ষ্য কৰি সমগ্ৰ ইন্দোচীনত ফৰাচীৰ বিৰুদ্ধে পুনৰ এক ব্যাপক বিদ্ৰোহে দেখা দিয়ে। এই বিদ্ৰোহকে কান ভং বিদ্ৰোহ বুলি জনা যায়। এই বিদ্ৰোহ পাহাৰৰপৰা সমতল আৰু সাগৰৰ উপকূল পৰ্যন্ত বিয়পি পৰে। কিন্তু ১৮৮৮ চনৰ ১ নৱেম্বৰৰ দিনা এক বিশ্বাস-ঘাতকৰ সহায়ত ফৰাচীয়ে ৰজা হামক গ্ৰেপ্তাৰ কৰে আৰু আলজেৰিয়ালৈ নিৰ্বাসন দিয়ে।

দেশবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া হোৱাৰ আশঙ্কাত ৰজা হামক হত্যা নকৰি নিৰ্বাসন দিয়া হৈছিল যদিও বিদ্ৰোহ শাম নাকাটিলে, বৰং বাঢ়িহে আছিল। ৰজা হামৰ প্ৰতি আনুগত্যৰ অন্তৰালত দেশজুৰি ফৰাচীৰ বিৰুদ্ধে ব্যাপক প্ৰতিৰোধ সংগ্ৰাম চলিল। হাজাৰ দেশপ্ৰেমিকে হাঁহিমুখে মৃত্যু বৰণ কৰিলে। ৰজা হামৰ নেতৃত্বত প্ৰতিৰোধৰ যি কেন্দ্ৰীয় কৰ্তৃত্ব প্ৰতিষ্ঠা হবলৈ ধৰিছিল তেওঁক নিৰ্বাসন দিয়াৰ লগে লগে তাৰ সম্ভাৱনা লোপ পালে। তথাপি ১৮৯৭ চন পৰ্যন্ত বিক্ষিপ্তভাৱে সমগ্ৰ ইন্দোচীনজুৰি প্ৰতিৰোধ সংগ্ৰাম চলিবলৈ ধৰিলে। এই প্ৰতিৰোধ সংগ্ৰামসমূহত বুদ্ধিজীৱী পণ্ডিত ফান জীন ফাং, নগুৱেন হান, নগুৱেন মুৱান, লী ভন, নগুৱেন হু, ক্ৰৱং ভান, নগুৱেন নু, ভাং হু ফ', লী টু, নগুৱেন ফুৰং, হোৱাং ভান, হোৱাং হোৱা থাম আদি বীৰ যোদ্ধাসকলে বহু ঠাইতে অতুলনীয় বীৰত্বৰে সংগ্ৰাম পৰিচালনা কৰিছিল। ইয়াৰ ভিতৰত ডা নদীৰ (ব্লেক ৰিভাৰ) উজনিত হোৱাং হোৱা থাম (Hoang Hoa Tham) নামৰ এজন পাহাৰী নেতাৰ নেতৃত্বত ২৫ বছৰ ধৰি চলা প্ৰতিৰোধ সংগ্ৰামেই আছিল বিশেষ উল্লেখযোগ্য। ১৯১৩ চনত এই বীৰজনক এক বিশ্বাসঘাতক গুপ্তচৰে হত্যা কৰে।

১৮৯৪ চনত বিদ্ৰোহে ব্যাপক আকাৰ ধাৰণ কৰাত ফৰাচীয়ে তেতিয়াৰ প্ৰধান বিদ্ৰোহী নেতা ডি থামৰ লগত সন্ধি কৰে। কিন্তু ১৮৯৫ চনতে সেই সন্ধি পুনৰ ভঙ্গ কৰে। প্ৰতিৰোধ সংগ্ৰাম পুনৰ শক্তিশালী হয়। ১৮৯৭ চনত ফৰাচীয়ে এখন নতুন চুক্তি কৰে। কিন্তু ইতিমধ্যে ফৰাচীয়ে আন ঠাইৰ প্ৰতিৰোধ প্ৰায় ছত্ৰভঙ্গ কৰি সমগ্ৰ ইন্দোচীনত কাৰ্যতঃ আধিপত্য প্ৰতিষ্ঠা কৰে। একমাত্ৰ হোৱাং হোৱা থামৰ নেতৃত্বত পাহাৰ অঞ্চলতহে আপোচহীন প্ৰতিৰোধ চলি থাকে।

সকলো সাম্ৰাজ্যবাদৰ কৌশলৰ দৰেই ফৰাচীয়েও জনসাধাৰণৰ মাজত বিভেদ সৃষ্টি কেনে দৰে কৰিব লাগে জানে। যিবিলাক ঠাই ইতিমধ্যে ফৰাচী আধিপত্যলৈ আহিছিল সেইবিলাক অঞ্চলত শিক্ষা, প্ৰশাসন আদি বিষয়ত কিছু গণতান্ত্ৰিক প্ৰথা প্ৰচলন কৰি জনসাধাৰণৰ মাজত মোহ সৃষ্টিৰ কাৰণে ফৰাচীয়ে চেষ্টা কৰে আৰু সেই চেষ্টা বহু পৰিমাণে ফলৱতী হয়। এনে দৰেই ১৮৬১ চনৰপৰা চলা প্ৰতিৰোধ সংগ্ৰাম বিক্ষিপ্ত কৰি ১৮৯৭ চনৰ ভিতৰত ফৰাচীয়ে সমগ্ৰ ইন্দোচীন হস্তগত কৰে।

প্ৰতিৰোধ গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজপৰিয়ালৰ মাজত ঘটা বিভেদ প্ৰধান অন্তৰায় স্বৰূপ আছিল। হামৰ দৰে দেশপ্ৰেমিক ৰজাই নেতৃত্ব গ্ৰহণ কৰা হলে হয়তো ভিয়েতনামৰ সেই সময়ৰ ইতিহাস সম্পূৰ্ণ সুকীয়া ধৰণেৰে লিখা হ'লহেঁতেন।

ৰাজপৰিয়াল আৰু অমাত্য সম্প্ৰদায়ৰ লোকৰ মাজত বিভেদ, অনৈক্য আৰু ফৰাচীৰ অনুকম্পা বিচাৰি আত্মসমৰ্পণৰ মনোভাৱ প্ৰকাশ পালেও সাধাৰণ মানুহে ফৰাচী শাসন কোনো প্ৰকাৰেই স্বীকাৰ কৰি লোৱা নাছিল। সুবিধা পালেই নিজৰ বিদ্ৰোহী মনোভাৱ প্ৰকাশ কৰিছিল আৰু ফৰাচীৰ বিৰুদ্ধে অস্ত্ৰ ধৰি যুদ্ধ কৰিছিল।

সেই সময়ত ফৰাচীৰ বিৰুদ্ধে সাধাৰণ মানুহৰ মনোভাৱ কেনে আছিল সাম্ৰাজ্যবাদী অভিযানত অংশ গ্ৰহণ কৰা ফৰাচী বিষয়া যেছনে তেওঁ নিজে দেখা কেইটামান পাহৰিব নোৱাৰা ঘটনাৰ যোগেদি তাৰ নমুনা তুলি ধৰিছে। তাৰে এটাত তেওঁ উল্লেখ কৰিছে :

> "এজন যুদ্ধবন্দীক যেতিয়া বিদ্ৰোহীসকলৰ সম্পৰ্কে ঘূৰাই পকাই প্ৰশ্ন সোধা হৈছিল তেওঁ সগৰ্বে উত্তৰ দিছিল এই বুলি : 'আমি উত্তৰ দিবলৈ ইচ্ছা নকৰা বিষয়ে প্ৰশ্ন কৰি তোমালোকে মিছাকৈয়ে সময়

নষ্ট কৰিছা। তেনে প্ৰশ্নৰ উত্তৰ দিয়াবো আমি দেশৰ স্বাৰ্থৰ বিৰোধী কথা বুলি ভাবোঁ। তোমালোকৰ যি মন যায় কৰিব পাৰা'।"

[এ চেঞ্চুৰি অব নেছনেল্ ষ্ট্ৰাগ্‌ল, পৃঃ ২৪]

মিঃ মেছনে উল্লেখ কৰিছে কেৱল এজন যুদ্ধবন্দীৰপৰাই যে তেওঁ তেনে ধৰণৰ উত্তৰ পাইছিল তেনে নহয়। শ শ জন যুদ্ধবন্দীৰপৰা সেই একে ধৰণৰ উত্তৰকে পাইছিল। মিঃ মেছনৰ মতে এক অংশ শিক্ষিত লোকে ফৰাচীৰ লগত সহযোগ কৰিলেও প্ৰত্যেকজন সাধাৰণ মানুহ আৰু সাধাৰণ সৈনিকৰ মনোভাব আছিল উক্ত যুদ্ধবন্দীজনৰ দৰেই। মিঃ মেছনৰ মতে এই যুদ্ধ-বন্দীজনৰ মনোভাৱো আছিল সমগ্ৰ ভিয়েৎনামবাসীৰ অসীম সাহস আৰু মৃত্যুক তুচ্ছজ্ঞান কৰা জাতীয় চৰিত্ৰ।

৩

নিষ্পেষণৰ মাজত নতুন শ্ৰেণীৰ জন্ম

"ফৰাচীয়ে আমাৰ দেশত স্কুলতকৈ জেলৰ সংখ্যা বেছি কৰিছিল। আমাৰ দেশপ্ৰেমিকসকলক বৰ্বৰভাৱে হত্যা কৰিছিল। আমাৰ বিপ্লৱী অভ্যুত্থানসমূহ তেজৰ নৈত উটাই দিছিল। আমাৰ ৰাজহুৰা মতৰ কণ্ঠৰোধ কৰি দেশবাসীৰ ওপৰত আদিম বৰ্বৰতা চলাইছিল। জাতিৰ মনোবল ভাঙি দিয়াৰ কাৰণে জনসাধাৰণক কানি আৰু মদ খাবলৈ বাধ্য কৰিছিল। এই অৱস্থাৰ অৱসান ঘটাবলৈ, আমাৰ দেশক যাতে পুনৰ কোনোৱে দাস কৰিব নোৱাৰে তাৰ কাৰণে সমগ্ৰ ভিয়েতনামবাসী এক আদৰ্শত অনুপ্ৰাণিত।"

—প্ৰেছিডেণ্ট হ' চি মিন

[১৯৪৫ চনৰ ২ ছেপ্টেম্বৰৰ ঘোষণা]

ইন্দোচীনৰ ফৰাচী অধিপত্যৰ প্ৰথমছোৱা কালক বোলা হৈছিল 'কল অব এড্‌মিৰেলছ্' বা সামৰিক বিষয়াৰ শাসন। তাৰ ঠাইত ক্ৰমে আৰম্ভ হ'ল 'এছিমিলেটিভ প্ৰিন্সিপ্‌ল্' বা সামৰি লোৱা নীতি। ইন্দোচীনক ফৰাচী উপনিৱেশকাৰীবিলাকে নাম দিছিল সাগৰৰ সিপাৰৰ ফ্ৰান্স (France outre mer)। এই কালছোৱাতে ফৰাচীয়ে ৰাজনৈতিক, অৰ্থনৈতিক শাসন শোষণ প্ৰতিষ্ঠা কৰাৰ উপৰিও সাংস্কৃতিক আধিপত্য বিস্তাৰৰ অপচেষ্টা চলায়। অৱশ্যে ফৰাচী সংস্কৃতিতকৈও পুৰণি এক সংস্কৃতিক গ্ৰাস কৰা যে ফৰাচীৰ পক্ষে সাধ্যৰ অতীত আছিল সেই কথা আন আন সাম্ৰাজ্যবাদীৰ দৰেই ফৰাচী সাম্ৰাজ্যবাদীয়েও বুজিব পৰা নাছিল।

ঊনবিংশ শতিকাৰ শেষৰ ফালে পল ডুমাৰক (Paul Doumer)

ইন্দোচীনৰ গৱৰ্ণৰ জেনেৰেল নিয়োগ কৰি ফৰাচীয়ে সমগ্ৰ এলেকাত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক আধিপত্য বিস্তাৰৰ জাল বহলাই পাতি ললে। কিন্তু প্ৰত্যেক ক্ষেত্ৰতে আধুনিক গণতন্ত্ৰৰ জন্মদাতা ফৰাচীয়ে সকলো আদৰ্শ ভৰিৰে মোহাৰি সাম্ৰাজ্যবাদৰ নগ্ন ৰূপটোকেই মাথোন প্ৰকাশ কৰিছিল।

ফৰাচী সাম্ৰাজ্যবাদীয়ে অতি কম সংখ্যক লোকে মাথোন শিক্ষা পোৱাৰ সুবিধা কৰিছিল যাতে ঔপনিবেশিক শোষণ যন্ত্ৰৰ আমোলা শ্ৰেণীটোহে সেই শিক্ষিতসকলৰদ্বাৰা সৃষ্টি হব পাৰে। চৰকাৰী কামত নিয়োগৰ ক্ষেত্ৰতো যোগ্যতাৰ জোখকাঠি আছিল শিক্ষাৰ উচ্চ পৰ্যায়ৰ মান নহয় ফৰাচীৰ প্ৰতি আনুগত্য।

সাম্ৰাজ্যবাদী শোষণৰ নমুনা

প্ৰশাসনৰ ক্ষেত্ৰতো একমাত্ৰ কোচিনচীনত প্ৰতিনিধিমূলক শাসন ব্যৱস্থাৰ বাহিৰে আন ঠাইত জনসাধাৰণৰ প্ৰায় কোনো অধিকাৰেই নাছিল। কোচিন-চীনতো ভিয়েতনামবাসীৰ ভাগত পৰা প্ৰতিনিধিৰ সংখ্যা আছিল নিচেই তাকৰীয়া।

কোনো প্ৰকাৰৰ সমালোচনামূলক মনোভাৱকো প্ৰশ্ৰয় দিয়া নহৈছিল। সামান্য বিক্ষোভৰ চিন দেখিলেই কঠোৰভাৱে দমন কৰা হৈছিল।

সমূদায় ইন্দোচীনক টঙ্কিং, আন্নাম আৰু কোচিনচীন এই তিনি প্ৰশাসনীয় বিভাগত ভগোৱা হ'ল আৰু কাম্বডিয়া আৰু লাওচকো অন্তৰ্ভুক্ত কৰি একেজন গৱৰ্ণৰ জেনেৰেলৰ অধীনলৈ অনা হ'ল। এই পাঁচখন প্ৰদেশত একোজনকৈ গৱৰ্ণৰ বা প্ৰেচিডেণ্টৰ অধীনত ৰখা হৈছিল। নিৰাপত্তা, বিত্ত, ডাকবিভাগ, বাণিজ্য, কৃষি আদি প্ৰধান প্ৰধান বিষয়বিলাক "ছুপিৰিয়ৰ কাউন্সিলাৰ"ৰ সহায়ত গৱৰ্ণৰ জেনেৰেল বা বৰলাটে নিয়ন্ত্ৰণ কৰিছিল। মিউনিচিপাল ব'ৰ্ডে কৰিব পৰা ধৰণৰ কামবিলাকৰ দায়িত্ব মাথোন ভিয়েতনামবাসীৰ হাতত এৰি দিয়া হৈছিল।

ভিয়েতনামীসকলৰ হাতত যি ক্ষমতা দিয়া হৈছিল সেই ক্ষেত্ৰতো প্ৰয়োগ কৰাৰ সময়ত ফৰাচী গৱৰ্ণৰ বা ৰিজেণ্টৰ অনুমতি লোৱাটো বাধ্যতামূলক আছিল। আগত ৰাজপৰিয়ালবিলাকৰ যি পৰিষদ আছিল সেই পৰিষদক প্ৰথমে কৰ-কাটল লগাব পৰা অধিকাৰ দিয়া হৈছিল। কিন্তু ১৮৯৯ চনত সেই অধিকাৰো কাঢ়ি লোৱা হয়। সামৰিক প্ৰতিৰক্ষাৰ সহায়ৰ অবিহনে কোনো ধৰণে প্ৰশাসন চলা নাছিল।

ঔপনিবেশিক শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰি ফৰাচীয়ে ভাবিছিল যে ভিয়েতনামবাসীৰ প্ৰতিৰোধ সংগ্ৰাম এইবাৰ চূৰ্ণ কৰি দিব পাৰিব। কিন্তু ১৮৯৬ চনৰ পিছৰপৰাই পুনৰ ঠায়ে ঠায়ে বিদ্ৰোহে মূৰ দাঙি উঠিবলৈ ধৰিলে। ফৰাচী শাসকে এই বিদ্ৰোহ "শান্ত" কৰাৰ অভিপ্ৰায়েৰে "অনুগত" লোকক লৈ "জাতীয়বাহিনী" বা "নেটিভ মিলিচিয়া" গঠন কৰিছিল। কিন্তু এনে ঘটনাও দেখা গ'ল যে নেটিভ মিলিচিয়াৰ হাতত দিয়া অস্ত্ৰ বিদ্ৰোহীসকলৰ হাতভহে কামত লাগিছিল।

তেনে পৰিস্থিতিৰ কথা উল্লেখ কৰিয়ে তেভিয়াৰ ভাইচ্ এড্মিৰেল ৰিউনিয়াৰে (Rieunier) মনৰ দুখত এই বুলি উক্তি কৰিছিল যে তেওঁলোকৰ পক্ষে আছিল কেৱল অতি ধুৰন্ধৰ প্ৰকৃতিৰ মানুহ কিছুমানহে। ভাল মানুহ এজনো নাছিল।

এই পৰিস্থিতিৰপৰা সকাহ পোৱাৰ আশাৰে ফৰাচীয়ে আগৰ ৰাজপৰিয়াল আৰু জমিদাৰ শ্ৰেণীৰ মানুহবিলাকক নতুনকৈ সংস্থাপন কৰিলে। সেইবিলাকক যেনেদৰে মন যায় তেনেদৰে কৃষকসকলক শোষণ কৰাৰ সুবিধা দিলে আৰু তাত সকলো প্ৰকাৰে সহায় সমৰ্থনৰ যোগান ধৰিলে। তেনেদৰেই ৰাজপৰিয়াল আৰু জমিদাৰ শ্ৰেণীটোক ফৰাচীয়ে ঔপনিবেশিক শোষণ যন্ত্ৰৰ অংশ কৰি লৈছিল।

সাংস্কৃতিক নিষ্পেষণ

শিক্ষাৰ ক্ষেত্ৰত ১৮৬২ চনৰপৰাই ফৰাচীবিলাকে ভিয়েতনামত লেটিন ভাষাৰ অপভ্ৰংশ ধৰণৰ এটা ভাষা প্ৰচলনৰ কাৰণে চেষ্টা চলাই আহিছিল। ১৯০৩ চনত ফৰাচী ভাষাক বাধ্যতামূলক ভাষা হিচাপে চলোৱা হয় আৰু ১৯০৮ চনত প্ৰতিষ্ঠিত ইন্দোচীনৰ প্ৰথম বিশ্ববিদ্যালয়ত ফৰাচী ভাষাকে শিক্ষাৰ মাধ্যম কৰা হয়। দেশত সান-মিহলি এটা 'জগাখিচুৰি' ভাষা চলিবলৈ ধৰে। স্থানীয় ভাষাৰ উৎকৰ্ষ সাধন কৰা দূৰৈত থাওক তাৰ শিক্ষা ব্যৱস্থাও আছিল নিতান্ত পাল মৰা বিধৰ।

ফৰাচী সংস্কৃতি ভিয়েতনামবাসীৰ ওপৰত জাপি দিয়াৰ কাৰণে এনে ঘৃণনীয় অপচেষ্টাও কৰা হৈছিল যে স্কুল কলেজৰ ছাত্ৰক তেওঁলোকৰ উপৰি পুৰুষসকল গলছ গোষ্ঠীৰে (ফৰাচীসকলৰ পূৰ্ব পুৰুষ) আছিল বুলি মুখস্থ কৰিবলৈ শিকোৱা হৈছিল। সেই শিক্ষানীতিও আছিল শিক্ষা সংকোচনৰহে নীতি। দেশৰ

শতকৰা ৯০ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ সুবিধা নাপাইছিল। শতকৰা ১০ জনে যি সুবিধা পাইছিল তাৰ ভিতৰতো উচ্চ শিক্ষাৰ সুবিধা পাইছিল শতকৰা এজনৰো কমেহে। উচ্চ শিক্ষাৰ কাৰণে ছাত্ৰ জাপানলৈ যাব লগা হৈছিল আৰু বাহিৰলৈ গৈ বেছি ফৰাচীবিৰোধী হয় বুলিয়ে ১৯০৮ চনত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ল যদিও, সেই বিশ্ববিদ্যালয়ে দেশৰ অভাৱ কিমানদূৰ পূৰণ কৰিছিল তাৰ প্ৰমাণ হ'ল বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ ভেৰকুৰি বছৰৰ পিছতো বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংখ্যা আছিল মাত্ৰ সৰ্বমুঠ ৬০০ জনহে।

এই শিক্ষানীতিৰ বিৰুদ্ধে আৰু জাতীয় শিক্ষা পদ্ধতিৰ দাবীত এক ব্যাপক সাংস্কৃতিক আন্দোলন গঢ়ি উঠে। তাৰেই পৰিণতি হিচাপে আমাৰ ভাৰতৰ দৰেই স্থানীয় বাইজৰ উদ্যোগত বহু প্ৰাথমিক আৰু মাধ্যমিক স্কুল প্ৰতিষ্ঠা হয়।

অৰ্থনৈতিক শোষণ

ঔপনিবেশিক শোষণ চলোৱাৰ কাৰণে যি বিপুল ধনৰ প্ৰয়োজন হৈছিল সেই সকলো ধন জনসাধাৰণৰ ওপৰত কৰ-কাটল লগাই আদায় কৰা হৈছিল। ফৰাচী কৰ্মচাৰী আৰু সৈনিকে অতি বেছি বেতন পাইছিল আৰু দেশীয় তলতীয়া কৰ্মচাৰীসকলৰ বেতন আছিল অতি সামান্য। ফৰাচী কৰ্মচাৰী আৰু বিষয়াৰ সংখ্যা প্ৰয়োজনতকৈ আছিল বহুতো বেছি। ১৯১০ চনৰ হিচাপ মতে সেই সময়ত ইংৰাজে সমগ্ৰ ভাৰতৰ কাৰণেহে ৰাখিছিল ৫০০০ উচ্চ পদবীধাৰী বৃটিছ বিষয়া; কিন্তু ফৰাচীয়ে কেৱল ইন্দোচীনৰ কাৰণেই ৰাখিছিল সিমান সংখ্যক ফৰাচী কৰ্মচাৰী।

ৰাজহৰ প্ৰধান সামগ্ৰী আছিল মদ, নিমখ আৰু কানি। কানি খোৱাৰ কাৰণে চৰকাৰৰ ফালৰপৰা উদ্‌গনি দিয়া হৈছিল আৰু কানিৰ ব্যৱসায় চলাইছিল চৰকাৰে নিজে। ১৮৯৬ চনৰপৰা ১৮৯৯ চনলৈ এই তিনি বছৰৰ ভিতৰতে কানিৰ দাম প্ৰত্যেক কিলোত প্ৰায় দুগুণলৈ উঠিছিল। ৰাজহ উৎপাদনৰ কেৱল কানিৰপৰাই হৈছিল ১ কোটি ৫০ লাখ ফৰাচী মুদ্ৰা। ১৯০৭ চনৰ হিচাপ মতে ইন্দোচীনত তেতিয়া কানীয়াৰ সংখ্যা আছিল ২১০,০০০ অৰ্থাৎ ফৰাচী অহাৰ আগতকৈ বহুগুণ বেছি। ১৯০৮ চনত ভিয়েতনামবাসীয়ে ৯ কোটি ফ্ৰাঁ (ফৰাচী মুদ্ৰা) কেৱল কৰ হিচাপেই দিব লগা হৈছিল। সেই কথাকে উল্লেখ কৰি পেৰিচৰ প্ৰখ্যাত সংবাদ পত্ৰ "ৰেভ্যু ডি পেৰি (Revue de paris) কাকতত কৰ্ণেল বাৰ্নাৰ্ড নামৰে এজনে মন্তব্য কৰিছিল যে যোৱা

৮।৭ বছৰৰ ভিতৰত ইন্দোচীনত বিত্তীয় নীতিৰ মূল চৰিত্ৰ হৈছে অতিমাত্ৰা কৰৰ হেঁচা।

কৰ আদায়ৰ কাৰণে অতি নিষ্ঠুৰ ধৰণৰ অত্যাচাৰ চলোৱা হৈছিল। কৰ আদায় কৰিবৰ কাৰণে কোনো গ্ৰেপ্তাৰী পৰোৱানা নোহোৱাকৈয়ে গ্ৰেপ্তাৰ কৰিব পৰাৰ অধিকাৰ দিয়া হৈছিল আৰু যি কোনো ঠাইৰপৰা যাকে তাকে গ্ৰেপ্তাৰ কৰি অনা হৈছিল। কৰ-কাটলৰ হেঁচা ইমানদূৰ পৰ্যন্ত গৈছিল যে কিনিব নোৱাৰা দাম হোৱাৰ কাৰণে বহুতে নিমখ খাবলৈকে এৰি দিছিল।

ঔপনিবেশিক শোষণৰ উদ্দেশ্য

এই নিষ্ঠুৰ শোষণৰ লক্ষ্য আছিল ফৰাচী পুঁজিপতিবিলাকৰ শিল্পৰ কাৰণে সস্তীয়া কেঁচামাল আৰু সস্তীয়া মজুৰ সংগ্ৰহ কৰা। তাৰেই কাৰণে আগৰ স্থানীয় শিল্পসমূহৰ বিলুপ্তি ঘটোৱা হৈছিল আৰু ইন্দোচীনত কোনো আধুনিক শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰা হোৱা নাছিল। ফৰাচীয়ে অতি সহজে বাহিৰলৈ ৰপ্তানী কৰিব পৰা কয়লা, খনিজ বস্তু আৰু ৰবাৰ উৎপাদনত মূলধন নিয়োগ কৰিবলৈ ধৰিলে। ইন্দোচীনৰ বজাৰত ফৰাচী বস্তুৰ প্ৰায় একচেটিয়া দখল প্ৰতিষ্ঠিত হ'ল। আনহাতে ফৰাচী শিল্পপতি বা প্ৰতিষ্ঠানবিলাকৰ ওপৰত কৰ আছিল স্থানীয় লোকৰ ওপৰত লগোৱা কৰৰ তুলনাত সামান্য, তাৰপৰাও ৰেহাই পোৱাৰ ব্যৱস্থা আছিল। তাৰ উপৰিও প্ৰশাসনৰ লগত বহু সুবিধাজনক চৰ্ত সেইবিলাকে কৰি লৈছিল। এই সকলোবিলাক সুবিধা অৱশ্যে আদায় কৰিছিল স্থানীয় ৰাইজৰ ওপৰত লগোৱা কৰ-কাটলৰ ধনৰপৰাই।

কৃষিৰ ক্ষেত্ৰত ফৰাচীবিলাকে দেশৰ সাৰুৱা আৰু জনবিৰল অঞ্চলসমূহ নিজৰ কৰি ললে। টাঙ্কিং প্ৰদেশত বিদ্ৰোহ দমনৰ অভিযানৰ সময়ত স্থানীয় মানুহ উচ্ছেদ কৰিও ভাল মাটি ফৰাচীয়ে দখল কৰে। সমগ্ৰ দেশত এনেদৰেই লাখ লাখ বিঘা মাটি ফৰাচী ফাৰ্মৰ মালিক বা আন ব্যক্তিয়ে দখল কৰে। খেতিৰ কোনো প্ৰকাৰৰ উন্নতিবিধান কৰা নাছিল। গতিকেই গড়মূৰি উৎপাদন কমি আহিছিল।

বাণিজ্যৰ ক্ষেত্ৰত সমুদায় বজাৰ ফৰাচী বস্তুৰে ওপচাই পেলোৱা হৈছিল আৰু দেশীয় মানুহৰ উৎপাদিত বস্তুৰ তুলনাত সেইবিলাক বস্তুৰ দাম আছিল অতি বেছি। আমদানি আৰু ৰপ্তানি দুয়োটাতে ফৰাচী বস্তুৰ পৰিমাণো আছিল অনেক বেছি। তাৰ আটাইখিনি লাভ ভোগ কৰিছিল কেইটামান মাত্ৰ ফৰাচী কোম্পানীয়ে।

সাম্রাজ্যবাদী শোষণৰ সুবিধাৰ কাৰণেই ১৯০২ চনত হানয় আৰু লেং ছনৰ মাজত ঠেক-পুতলৰ (নেৰ' গেজ) ৰেলপথ বহুৱা হয়। ডাক বিভাগৰ নিয়মিত প্ৰচলন আৰম্ভ হয়। ১৯১৯ চনৰ ভিতৰত হিউ, ডা-নং, ছাইগণ আদি প্ৰধান ঠাইসমূহলৈ ৰেলপথৰ সম্প্ৰসাৰণ ঘটোৱা হয়। এই সময়ছোৱাৰ ভিতৰত সমুদায় ঔপনিবেশিক আমোলৰ তুলনাত যোগাযোগ আৰু যাতায়াতৰ ব্যৱস্থা বেছি পৰিমাণে সম্প্ৰসাৰিত কৰা হৈছিল।

নতুন সমাজৰ জন্ম

ঔপনিবেশিক শাসনে আগৰ সমাজ ব্যৱস্থাৰ সম্পূৰ্ণ সলনি ঘটালে। সমাজত নতুন শ্ৰেণী, নতুন সমাজ আৰু নতুন সংগঠনে আত্ম প্ৰকাশ কৰিলে।

ফৰাচী শোষণৰ ফলত দেশৰ বিপুল সংখ্যক অধিবাসী কৃষকসকলৰ দুৰ্দশাৰ সীমা নোহোৱা হ'ল। তেওঁলোকৰ হাতৰশৰা মাটি গ'ল ফৰাচী আৰু দেশী জমিদাৰ শ্ৰেণীৰ হাতলৈ। বিদেশী শাসকে ৰেল, ডাক-তাঁৰ আৰু যোগাযোগৰ অন্যান্য ব্যৱস্থাবিলাকত কিছু মনোনিৱেশ কৰিলেও কৃষিৰ উন্নতিৰ কাৰণে কোনো ব্যৱস্থাই নকৰিলে। গতিকে খেতিয়াৰা থৰাং বতৰৰ কাৰণে আৰু খেতিয়াৰা বানপানীৰ কাৰণে খেতিৰ ঘোৰ অনিষ্ট সাধন হোৱা অৱস্থাতো চৰকাৰৰ ফালৰ কোনো সহায় সহানুভূতি নাছিল। মানুহৰ ফৰাচী বস্ত্ৰ কিনাৰ সামৰ্থ্য নাছিল। তাৰ ওপৰতে ফৰাচীৰ বহতীয়া দেশী ৰাজপৰিয়াল আৰু জমিদাৰ গোষ্ঠীৰ শোষণে সমগ্ৰ দেশক দৰিদ্ৰতাৰ শেষ সীমাত উপনীত কৰাইছিল। সেই কথাকে কৰ্ণেল বাৰ্ণাৰ্ডে তেওঁৰ কাহিনীত উল্লেখ কৰিছে:

> "যিসকলে এই সময়ছোৱাৰ ভিতৰত ইন্দোচীনৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰিছে সেই সকলোৱেই তাৰ জনসাধাৰণৰ নিকৃষ্ট অৱস্থাৰ নমুনা দেখি তবধ মানিব লগা হৈছিল। বেছিভাগ ঘৰেই আছিল কাঠ আৰু বোকা মাটিৰে সজা সৰু সৰু জুপুৰি। হালধীয়া বা ৰঙা কাপোৰত লিখা থকা কিছু চীনা ভাষাৰ কথা ভিতৰৰ বেৰত আঁৰি থোৱা আছিল, কাঠৰ বা কোনো ঘৰত পিতলৰ কেইপদমান বয়বস্তু, ওপৰ পুৰুষৰ দিনৰ ভগা বস্তুৰ অৱশেষ, পৰিয়ালৰ আৰাধ্য দেৱতাৰ এটি সৰু মূৰ্তি। এয়ে আছিল সাধাৰণ চিত্ৰ।"

কৃষকসকলৰ এই অৱস্থাৰ মাজতে ইন্দোচীনৰ সমাজত এক নতুন শ্ৰেণীৰ

জন্ম হয়। সেই শ্ৰেণী হ'ল শ্ৰমিক শ্ৰেণী। ফৰাচীয়ে নিজৰ শোষণ কাৰ্যৰ সুবিধাৰ কাৰণেই ৰাজপথ আৰু ৰেলপথ নিৰ্মাণ কৰিব লগা হৈছিল। এই ব্যৱস্থায়ে ইন্দোচীনত শ্ৰমিক শ্ৰেণীৰ জন্ম দিয়ে।

পশ্চিমত শ্ৰমিক শ্ৰেণীৰ জন্ম হৈছিল ধনিক শ্ৰেণীৰ পিছত। ব্যৱসায় বাণিজ্য আদিৰ যোগে এক শ্ৰেণী জাতীয় ধনিক গঢ়ি উঠাৰ পিছতহে তাত শিল্প শ্ৰমিকৰ জন্ম হৈছিল। কিন্তু সকলো উপনিবেশৰ দৰেই ইন্দোচীনতো জাতীয় ধনিক শ্ৰেণীৰ জন্মৰ আগতেই শ্ৰমিক শ্ৰেণীৰ জন্ম হয়। অৱশ্যে শিল্পত আগবঢ়া দেশৰ শ্ৰমিক শ্ৰেণীয়ে যেনে ধৰণে সমাজ পৰিবৰ্তনত ভূমিকা পালন কৰিব পাৰিছিল ইন্দোচীনৰ শ্ৰমিক শ্ৰেণীয়ে প্ৰথম অৱস্থাত তেনে ভূমিকা পালন কৰিব নোৱাৰিলেও ইন্দোচীনৰ ইতিহাসত এই নতুন শ্ৰেণীটোৰ জন্ম অতি তাৎপৰ্যপূৰ্ণ।

চৰকাৰী আলিবাট, ঘৰ-দুৱাৰ, দলং, ৰেলপথ আদি নিৰ্মাণৰ কাৰণে সাম্ৰাজ্যবাদীক বনুৱাৰ প্ৰয়োজন হৈছিল আৰু অৰ্থনৈতিক অভাৱত জুৰুলা হোৱা লাখ লাখ কৃষকে কাম কৰিবলৈ গাঁও এৰি আহিবলৈ বাধ্য হৈছিল। এই বনুৱাসকলক সাম্ৰাজ্যবাদে ভাৰতীয় বনুৱাৰ দৰেই "কুলি" নাম দিছিল। সাম্ৰাজ্যবাদে এই বনুৱাসকলক প্ৰথম অৱস্থাত কেনেদৰে শোষণ কৰিছিল তাৰ নমুনা হ'ল হানয় আৰু য়ুনানফুৰ মাজৰ ৰেলপথ নিৰ্মাণৰ কাৰণে যি ৮০,০০০ বনুৱা নিয়োগ কৰা হৈছিল চৰকাৰী তথ্য মতেই তাৰ ২৫,০০০ বনুৱাৰ কাম কৰি থকা অৱস্থাতে মৃত্যু ঘটিছিল। এনে আত্মত্যাগৰ মাজেদিয়ে ইন্দোচীনত শ্ৰমিক শ্ৰেণীয়ে প্ৰথমবাৰৰ কাৰণে আত্ম প্ৰকাশ কৰে।

শ্ৰমিক শ্ৰেণীৰ পিছতে জন্ম পোৱা আন এটি শ্ৰেণী হ'ল ইন্দোচীনৰ জাতীয় ধনিক শ্ৰেণী। সৰু সুৰা বেপাৰ বাণিজ্যৰ মাজেদিয়ে প্ৰথমে এই শ্ৰেণীৰ জন্ম। পিছলৈ কিছু কিছু শিল্প উদ্যোগ সাধাৰণভাৱে আৰম্ভ কৰিলেও ফৰাচীৰপৰা উৎসাহ বা সহযোগ পোৱা নাছিল। বৰং সকলো কালৰপৰা তেওঁলোক যাতে অতি সোনকালে দেউলীয়া হব পাৰে তাৰ ব্যৱস্থাহে ফৰাচীয়ে কৰিছিল।

সেই অৱস্থাৰ মাজতে হানয়, নাম ডীন, হাইফং, ডা-নাং আদি আধুনিক নগৰ গঢ়ি উঠে। নতুন ধৰণৰ বজাৰ-সমাৰ, সৰু হলেও নতুন ধৰণৰ কিছু কল-কাৰখানা, বিজুলী বাতি আৰু বাতৰি কাকত আদিৰ জন্ম হ'ল। তাৰ আনুসঙ্গিকভাৱেই এক নতুন বুদ্ধিজীৱী শ্ৰেণীৰো জন্ম হ'ল। এই বুদ্ধিজীৱী শ্ৰেণী আছিল ফৰাচী সাম্ৰাজ্যবাদীয়ে গঢ়ি তোলা বুদ্ধিজীৱী অংশটোৰ, নাইবা

ইন্দোচীনত আগৰপৰাই থাকি অহা কনফিউচিয়াচ দৰ্শনৰ অনুগামী বুদ্ধিজীৱী-সকলৰপৰা সম্পূৰ্ণ সুকীয়া এক বুদ্ধিজীৱী শ্ৰেণী। এই বুদ্ধিজীৱীসকলে পৃথিৱী জুৰি জাতীয় প্ৰেৰণাৰদ্বাৰা অনুসৃত ৰাজনৈতিক সংগ্ৰামৰ পথ আৰু ব্যাপক কৃষক বিৰোধ সংগঠিত কৰাৰ পথ গ্ৰহণ কৰে। ইতিমধ্যেই পাহাৰী অঞ্চলৰ জোৱাং হোৱা থানে সময়ে সময়ে চলাই থকা সশস্ত্ৰ বিদ্ৰোহৰ বাহিৰে সকলো ঠাইতে বিক্ষিপ্তভাৱে চলি থকা সশস্ত্ৰ সংগ্ৰাম প্ৰায়ে ওৰ পৰিছিল আৰু জন-সাধাৰণে তাৰ সাৰ্থকতা কিবা আছে বুলি ভাবিবলৈ এৰি দিছিল। তাৰ ঠাইত নতুন বুদ্ধিজীৱী শ্ৰেণীৰ ৰাজনৈতিক আলোচনা, সংবাদ-পত্ৰ আদিৰ প্ৰচাৰৰ যোগে ব্যাপক জাতীয় চেতনা বৃদ্ধি কৰা আৰু শক্তিশালী ৰাজনৈতিক সংগঠনৰ আহ্বানে জনসাধাৰণৰপৰা সঁহাৰি পাবলৈ ধৰে। কৃষকসকলে বহু ক্ষেত্ৰত সংগঠিতভাৱে আৰু কোনো কোনো ক্ষেত্ৰত স্বতঃস্ফূৰ্তভাৱেই বিক্ষোভ প্ৰদৰ্শনৰ পথ গ্ৰহণ কৰে। ইতিমধ্যে স্ব-প্ৰতিষ্ঠিত শিল্পসমূহত শ্ৰমিক শ্ৰেণীয়ে সংগ্ৰামৰ নতুন অস্ত্ৰ ধৰ্মঘট আৰু কৰ্মবিৰতি আদিৰ পথ অনুসৰণৰ পদ্ধতিও কামত লগাবলৈ আৰম্ভ কৰে।

তেতিয়াও অৱশ্যে ইন্দোচীনৰ শ্ৰমিক নাইবা জাতীয় ধনিক শ্ৰেণীয়ে দেশৰ ভূমিকা পালন কৰিব পৰা অৱস্থাত উপস্থিত হোৱা নাছিল। সেই ভূমিকা প্ৰধানতঃ পালন কৰিছিল অত্যন্ত সীমাবদ্ধভাৱে নতুনকৈ জন্ম পোৱা জাতীয় বুদ্ধিজীৱী শ্ৰেণীয়ে।

ফৰাচী সাম্ৰাজ্যবাদীয়ে ইন্দোচীনৰ স্কুল-কলেজবপৰা যে আধুনিক বিজ্ঞান আৰু আনকি অষ্টাদশ শতিকাৰ ফৰাচী সংস্কৃতিৰ প্ৰখ্যাত পুৰুষ ৰুচ' আদিৰ প্ৰগতিবাদী ধাৰণাসমূহো নিলগত ৰাখিছিল সেই কথা আগতে উল্লেখ কৰা হৈছে। এই নতুন বুদ্ধিজীৱী শ্ৰেণীয়ে চীনা ভাষাৰে অনূদিত হোৱা ফৰাচী আৰু আন আন দেশৰ মনিষীসকলৰ গ্ৰন্থ অধ্যয়ন কৰিছিল আৰু তাৰপৰা আহৰণ কৰা শিক্ষাৰে জনসাধাৰণক সচেতন কৰিবলৈ যত্নপৰ হৈছিল।

স্বভাৱতেই সমাজৰ আন আন ক্ষেত্ৰৰ দৰে সাংস্কৃতিক ক্ষেত্ৰতো স্পষ্টভাৱে দুটা ভাগৰ সৃষ্টি হয়। ফৰাচী শিক্ষা-দীক্ষা পোৱা অংশই ফৰাচীৰ লগত সহযোগ আৰু আপোচৰ যোগে সংস্কাৰ সাধনৰ সপোন দেখিবলৈ ধৰে আৰু নতুনকৈ জন্ম পোৱা প্ৰগতিবাদী বুদ্ধিজীৱী অংশই ৰাজনৈতিক সংগঠন, আনকি প্ৰয়োজন হলে প্ৰকাশ্য বিদ্ৰোহ ঘোষণা কৰিও সাম্ৰাজ্যবাদৰ বিৰুদ্ধে তীব্ৰ ৰাজনৈতিক সংগ্ৰাম চলোৱা পথৰ পোষকতা কৰিবলৈ ধৰে।

নতুন প্ৰেৰণা

এনে সময়তে ৰুচ-জাপান যুদ্ধত জাপানে ১৯০৫ চনত জয়লাভ কৰে। জাপানৰ এই জয়লাভে সমগ্ৰ এচিয়াবাসীৰ মনত এক নতুন প্ৰেৰণাৰ সূচনা কৰে। ইয়াৰ আগলৈকে এচিয়াত ইউৰোপীয় শক্তিৰ অভিযানৰ ইতিহাস আছিল এচিয়াবাসীৰ শোচনীয় পৰাজয় আৰু পশ্চিমীয়া শক্তিৰ বিজয় লাভ। কিন্তু জাপানৰ বিষয়ে প্ৰথমবাৰৰ কাৰণে প্ৰমাণ কৰিলে যে এচিয়াৰ শক্তিয়েও প্ৰতাপী ইউৰোপীয় শক্তিক পৰাজয় কৰিব পাৰে। এই ঘটনাই কেৱল জাপানৰ সন্মানকে বহু ওপৰলৈ তোলা নাছিল। সমগ্ৰ এচিয়াৰ কাৰণে জাপান আদৰ্শ স্বৰূপ হৈ পৰিল। বিশেষকৈ চীন আৰু ইন্দোচীনত জাপানৰ শিক্ষা আহৰণৰ কাৰণে এক তীব্ৰ প্ৰেৰণা প্ৰকাশ পাবলৈ ধৰে আৰু ছাত্ৰসকলৰ মাজত জাপানত শিক্ষা লাভ কৰিবলৈ যোৱাৰ এক অসীম আগ্ৰহ বাঢ়ি উঠে। সেই আগ্ৰহে এক আন্দোলনৰ ৰূপ পাইছিল। সেই আন্দোলনকে ডং যু (পূব মুখী অভিযান) বুলি জনা যায়।

এই সময়ত ইন্দোচীনত ফান্-বয়-চৌ নামৰ এজন প্ৰখ্যাত পণ্ডিতে নতুন ধৰণেৰে এক ৰাজনৈতিক পৰিকল্পনা কাৰ্যকৰী কৰাৰ পথ গ্ৰহণ কৰিছিল। তেওঁ আগতে কান ভং বিদ্ৰোহ (দেশপ্ৰেমিক যুৱৰাজক পুনৰ প্ৰতিষ্ঠাৰ কাৰণে হোৱা আন্দোলন) বা আন আন বিদ্ৰোহত অংশ গ্ৰহণ কৰা সকলৰ তেতিয়াও অৱশিষ্ট থকা সকলক সমবেত কৰে আৰু "জুই তান" (নব চেতনা) নামৰ এক সংগঠন গঢ়ি তোলে। সেই সংগঠনৰ যোগে চীন আৰু জাপানলৈ বহু দেশপ্ৰেমিক তৰুণক শিক্ষা আহৰণৰ অৰ্থে আৰু মুক্তি সংগ্ৰামত জাপানৰ সহায় প্ৰাৰ্থনা কৰি পঠোৱা হয়। কিন্তু জাপানে প্ৰথমতে আশ্বাস দিও পিছত বিশ্বাস-ঘাতকতা কৰে। অৰ্থনৈতিক সুবিধা লাভৰ বিনিময় জাপানে ফৰাচীৰ লগত সন্ধি কৰে আৰু ভিয়েতনামীসকলক বাহিৰ কৰি দিয়ে। ফান-বয়-চৌৱে চীনত আশ্ৰয় লয়।

আনহাতে নতুন বুদ্ধিজীৱীসকলৰ আন এটা অংশই ৰাইজৰপৰা ধন সংগ্ৰহ কৰি ১৯০৭ চনত টঙ্কিং চহৰত ডংকীন-ঘিয়া-থু (Dong kinh nghia thue) নামেৰে এক ৰাজনৈতিক শিক্ষা শিবিৰ গঢ়ি তোলে। অতি অলপ দিনৰ ভিতৰতে ইয়াৰ সভ্য সংখ্যা কেবা হাজাৰো হয়। এই শিবিৰত দৰ্শন, ৰাজনীতি, অৰ্থনীতি, সাহিত্য আদি নিয়মিত বিষয়সমূহৰ শিক্ষা দিয়াৰ উপৰিও ৰাজহুৱা তৰ্কসভা, আলোচনা সভা আদিৰ যোগে অৰ্থনৈতিক আৰু সামাজিক

সমস্যাসমূহৰ আলোচনা সংগঠিত কৰা হৈছিল। এই আলোচনা সভাই ব্যাপক আকাৰ ধাৰণ কৰিছিল। ইতিমধ্যে একাংশ বুদ্ধিজীবীৰ প্ৰচেষ্টাত ভং-ক'-টুং নামেৰে এখনি সমালোচনামূলক পত্ৰিকা প্ৰকাশ কৰা হয়। সেই পত্ৰিকাত সমাজ সংস্কাৰ, অৰ্থনৈতিক উন্নয়ন আদি সম্পৰ্কে বিশদ আলোচনা আৰু পৰামৰ্শ আগবঢ়োৱা হৈছিল। এই আলোচনাৰ বিপুল প্ৰচাৰ হৈছিল। উক্ত শিক্ষা শিবিৰ আৰু আলোচনা এই দুয়োটায়ে আধুনিক বুদ্ধিজীবী শ্ৰেণীৰ চিন্তাধাৰাত ৰূপ দিয়াত যথেষ্ট বৰঙণি যোগায়।

নতুন আন্দোলনৰ সূচনা

নতুন বুদ্ধিজীবী শ্ৰেণীয়ে নতুন নতুন আন্দোলনৰ পথো উদ্ভাবন কৰে। ফান-বয়-চৌৰ আন্দোলন ব্যৰ্থ হোৱাৰ পিছত ফান-চৌ-ত্ৰিনৰ নেতৃত্বত আত্ম সংস্কাৰৰ দাবীত এক আন্দোলন গঢ়ি উঠে। কিন্তু ফৰাচীয়ে সেই আন্দোলনো দমন কৰে।

ইতিমধ্যে কৃষকসকলৰ মাজত অসন্তুষ্টি ব্যাপক আকাৰত বাঢ়ি আহিবলৈ ধৰে আৰু কৃষকসকলৰ মাজত নতুন বুদ্ধিজীবীসকলৰ ধ্যান-ধাৰণাই পোখা মেলিবলৈ ধৰে। বুদ্ধিজীবী শ্ৰেণীয়ে ফৰাচী সাম্ৰাজ্যবাদৰ শোষণ অত্যাচাৰৰ বিৰুদ্ধে তোলা সকলো ধ্বনিকে কৃষকসকলে আগ্ৰহেৰে গ্ৰহণ কৰিছিল আৰু তাৰ লগত নিজৰ দাবী যোগ কৰি লৈছিল। সেই দাবীবিলাক আছিল সাধাৰণতে অতিৰিক্ত খাজনা, কৰ-কাটল লগোৱাৰ বিৰুদ্ধে। এনে দৰেই বিক্ষিপ্ত সশস্ত্ৰ বিদ্ৰোহৰ ঠাইত ঔপনিবেশিক শোষক আৰু জনসাধাৰণৰ মাজত প্ৰত্যক্ষ গণ-সংগ্ৰামৰ সূত্ৰপাত হ'ল।

১৯০৮ চনত "ফৰাচী চৰকাৰক আৰু কৰ দিয়া নহব" আন্দোলনে সমগ্ৰ দেশতে বিপুল সমৰ্থন লাভ কৰে। এই আন্দোলনে বিভিন্ন চহৰৰ ফৰাচী শাসনকৰ্তাৰ কাৰ্যালয়ৰ সমুখত হাজাৰ হাজাৰ কৃষকৰ সমাবেশ ঘটাইছিল। এই আন্দোলন গাঁৱে ভূঞে বিয়পি পৰিছিল। ইন্দোচীনৰ ইতিহাসত প্ৰথমবাৰৰ কাৰণে হাজাৰ হাজাৰ নিৰস্ত্ৰ লোকে নিৰ্দিষ্ট অৰ্থনৈতিক দাবীত দেশজুৰি বিক্ষোভ সংগঠিত কৰাৰ পথ গ্ৰহণ কৰিলে। এই আন্দোলনৰ শক্তি ইমান বাঢ়িছিল যে বহু ঠাইতে বিদেশৰ লগত সহযোগ কৰা জমিদাৰ, ৰাজপৰিয়াল আৰু বুদ্ধিজীবীবিলাকক হত্যা বা ক্ষমতাচ্যুত কৰা হৈছিল। ফৰাচী শাসকৰ কাৰ্যালয় হাজাৰ হাজাৰ জনতাই ২।৩ দিন পৰ্যন্ত আগুৰি ৰাখিছিল।

সাম্রাজ্যবাদীয়ে তাৰ পাশবিক বৰ্বৰতাৰ সম্পূৰ্ণ নমুনাও প্ৰকাশ কৰে এই সময়তে। অস্ত্ৰেৰে যুদ্ধ কৰা সশস্ত্ৰ বিদ্ৰোহীৰ বিৰুদ্ধে অস্ত্ৰ প্ৰয়োগ আগৰপৰাই চলি আহিছিল। কিন্তু সম্পূৰ্ণ নিৰস্ত্ৰ আৰু কেৱল অৰ্থনৈতিক বা সাধাৰণ সংস্কাৰৰ দাবী তোলা জনতাৰ ওপৰত এই প্ৰথমবাৰৰ কাৰণে গুলী-ফাঁচি চলিবলৈ ধৰিলে।

ত্ৰান-কোৱা-কেপ, ফান-চৌ-ত্ৰিন, হুৱেন ঠুক্ থাং প্ৰমুখ্যে দেশপ্ৰেমিক বুদ্ধিজীৱীসকলক হত্যা কৰা হ'ল। অনেকক দ্বীপান্তৰ কৰা হ'ল। বহু গাঁও সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়া হ'ল। হাজাৰ হাজাৰ কৃষকে নিষ্ঠুৰ নিস্পেষণত প্ৰাণ দিব লগা হ'ল।

পাহাৰ এলেকাত এই অৱস্থাৰ মাজতো হোৱাং-হোৱা-থামে প্ৰতিৰোধ-সংগ্ৰাম চলাই যায়। কিন্তু অৱশেষত তেওঁৰ বাহিনীৰ বিৰুদ্ধে ফৰাচীয়ে ১৫০০০ সৈন্যৰ এক শক্তিশালী সশস্ত্ৰ বাহিনী পঠায়। আত্মসমৰ্পণ নকৰি থামে অসীম সাহসেৰে প্ৰতিৰোধ কৰে। কিন্তু ১৯১৩ চনৰ ১০ ফেব্ৰুৱাৰীত তেওঁক এক বিশ্বাসঘাতকে হত্যা কৰে। হোৱাং থামৰ লগতে ব্যক্তিগত নেতৃত্বত চলা সশস্ত্ৰ বিদ্ৰোহৰো যৱনিকা পৰিল।

ফান-বয়-চৌৰ চেষ্টাত পুনৰ "ভিয়েতনাম কোৱাং ফুক" (ভিয়েতনামৰ পুনৰোত্থান) নামেৰে এক নতুন সংগঠনৰ জন্ম হয়। এই সংগঠনে ইন্দোচীনত ঔপনিবেশিক শাসনৰ অবসান ঘটাই ভিয়েতনামক গণৰাষ্ট্ৰ ঘোষণা কৰাৰ দাবী উত্থাপন কৰে। কিন্তু ফৰাচীয়ে যেনে বৰ্বৰভাৱে নিৰস্ত্ৰ জনতাৰ ওপৰত দমন-নীতি চলাইছিল তেনে অৱস্থাত এই আহ্বানত সতকাই জনসাধাৰণে সঁহাৰি দিবলৈ সাহস পোৱা নাছিল।

সেই সময়তে ১৯১১ চনত ছান-য়েৎ-ছানৰ নেতৃত্বত চীনা বিপ্লৱে সফলতা লাভ কৰে। ফান-বয়-চৌ চীনলৈ যায় আৰু তাৰপৰা বিদ্ৰোহ পৰিচালনাৰ পৰিকল্পনা কৰে। স্বভাৱতেই শ্ৰেণী চেতনাহীন সেই আন্দোলনে ব্যক্তিগত সন্ত্ৰাসবাদৰ পথ লবলৈ বাধ্য। কাৰ্যতো ঘটিল সেয়ে। ট্ৰট্স্কিবাদৰ অনুকৰণত বিভিন্ন ঠাইত ব্যক্তিগত সন্ত্ৰাস ব্যাপকভাৱে চলিবলৈ ধৰিলে। ফৰাচীৰ লগত সহযোগ কৰা বিলাকক গোপনে হত্যা কৰা, ফৰাচী গৱৰ্ণৰ বা বিষয়াক গুলী বা বোমাৰে মৃত্যু ঘটোৱা আদি ঘটনা হানয় আৰু দেশৰ বিভিন্ন ঠাইত ঘটিবলৈ ধৰিলে।

নতুন চেতনা

দ্বিতীয় মহাযুদ্ধত ফৰাচীয়ে ভিয়েতনাম আৰু ইন্দোচীনৰপৰা হাজাৰ হাজাৰ

সৈন্ত আৰু কোটি কোটি ধন সংগ্ৰহ কৰি পঠায়। চৰকাৰী হিচাপ মতে সৈন্তৰ সংখ্যা আছিল ৫০ হাজাৰ, বন্দুৰ সংখ্যা আছিল ৪৯ হাজাৰ, ধনৰ পৰিমাণ আছিল ১৮ কোটি ৪ লাখ ফ্ৰাঁ। জনসাধাৰণৰ মাজত ই তীব্ৰ বিক্ষোভৰ সৃষ্টি কৰে। কিন্তু কেন্দ্ৰীয় কোনো নেতৃত্বৰ অভাৱত সেই বিক্ষোভে ৰূপ পাব নোৱাৰিলে।

কোৱাং ফুক আন্দোলনে এক গোপন বিদ্ৰোহৰ চেষ্টা কৰিছিল। সেই-বিদ্ৰোহ দমন কৰা হ'ল। ভিয়েতনাম বুদ্ধিজীৱীসকলে ৭ বছৰীয়া যুয়ী-তান্ নামৰ যুৱৰাজক সিংহাসনত বহুৱাই তেওঁৰ নামত নিৰ্দেশ দি ১৯১৬ চনৰ ৩ মে' তাৰিখে হানয়ত সকলো ঠাইৰপৰা হাজাৰ হাজাৰ লোকৰ সমাবেশ ঘটাই বিদ্ৰোহ ঘোষণাৰ গোপন প্ৰচেষ্টা চলাইছিল। কিন্তু ফৰাচীয়ে আগতেই ষড়যন্ত্ৰৰ কথা গম পাই ৰজাক দ্বীপান্তৰ কৰে। নেতাসকলক ফাঁচী দিয়ে।

তাৰ পিছত বিক্ষিপ্ত ধৰণৰ বহু সংগঠন গঢ়ি উঠে। এই সকলোবে ভিতৰত থিন-ভিয়া-হুই (সবগ আৰু পৃথিৱীৰ সংগঠন) নামৰ সংগঠনটোৱে কিছু ব্যাপকতা লাভ কৰিছিল। এই সংগঠনে প্ৰধানতঃ ধৰ্মৰ আৱৰণেৰে স্বৰ্গীয় ধাৰণা প্ৰচাৰৰ সুযোগত ৰাজনৈতিক প্ৰচাৰ কাৰ্য চলাইছিল। ফৰাচীৰ লগত সহযোগ কৰা বিলাকক নিপাত কৰা আছিল এই আন্দোলনৰ অন্যতম কাৰ্যসূচী।

এনেদৰে বহু ধৰণৰ বিক্ষিপ্ত আন্দোলনৰ সমুখত ফৰাচীয়ে কিছু শাসন সংস্কাৰ সাধন কৰিবলৈ বাধ্য হয়। কিন্তু সেই সংস্কাৰত প্ৰকৃত কামতকৈ প্ৰতিশ্ৰুতিয়েই আছিল বেছি। আন হাতে গৱৰ্ণৰ জেনেৰেলৰ "উদাৰ" শাসন পদ্ধতিৰ নামত কঠোৰ দমননীতি আৰু শোষণনীতি অব্যাহত গতিত চলিবলৈ ধৰে। সমগ্ৰ ইন্দোচীনৰ ৰাজনৈতিক চিন্তাধাৰা বিপ্লৱী কৰ্মক্ষেত্ৰৰ কাৰণে প্ৰস্তুত হৈ পৰে।

ডঃ বি. আৰ. চাটাৰ্জীৰ মতে এই পৰিস্থিতিৰ কাৰণ আছিল :

"ফৰাচী সাম্ৰাজ্যবাদীৰ ভিয়েতনাম জীন নিওৱা পদ্ধতি (এছিমিলেটিভ প্ৰছেচ) জাতীয় চেতনাক নিষ্ঠুৰভাৱে দমন কৰা নীতি, ভিয়েতনামৰ অৰ্থনীতি ভিয়েতনামবাসীৰ প্ৰতিকূলে লৈ যোৱা পদ্ধতি···আদি বিলাকেই হ'ল কাৰণ, যিবিলাকে এজন ফৰাচী ঐতিহাসিকৰ মতেই বিপ্লৱী চেতনাৰ জন্ম নিদিয়াকৈ নোৱাৰে। এনে দৰেই ফৰাচী ইন্দোচীনৰ জাতীয় আন্দোলনে সূচনাৰপৰাই তীব্ৰ ৰূপ ধাৰণ কৰিছিল। ৰুচ-জাপান যুদ্ধৰ ফলাফল আৰু চীনৰ ছান-য়েৎ-ছানৰ সাফল্যই এই চৰম ভাৱধাৰাত ইন্ধন যোগোৱাত সহায় কৰিছিল।"

[ছাউথইষ্ট এচিয়া ইন ট্ৰেনজিচন, পৃঃ ৪২]

৪

উপনিবেশবপৰা সমাজতন্ত্ৰলৈ

"প্ৰত্যেক দেশৰ সৰ্বহাৰা শ্ৰেণীয়ে নিজ নিজ দেশৰ ধনিক শ্ৰেণীৰ বিৰুদ্ধে চলোৱা বিপ্লৱী সংগ্ৰামেই একমাত্ৰ বা মুখ্যতঃ সমাজতান্ত্ৰিক বিপ্লৱ নহয়; সাম্ৰাজ্যবাদৰদ্বাৰা নিষ্পেষিত সকলো উপনিবেশ আৰু পৰাধীন জাতিয়ে আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলোৱা সংগ্ৰামো হ'ল সমাজতন্ত্ৰৰেই সংগ্ৰাম।"

—লেনিন

[লেনিন আৰু মুক্তি সংগ্ৰামৰ সমস্যা
(ইংৰাজী), পৃষ্ঠা ১৪]

মহান অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱে কেৱল ছোভিয়েত ইউনিয়নকে যে জন্ম দিলে তেনে নহয়। মানৱজাতিৰ সন্মুখত এক নতুন যুগৰো এই বিপ্লৱে সূচনা কৰিলে। সেই নতুন যুগ হ'ল মানৱ সমাজ পুঁজিবাদৰপৰা সমাজতান্ত্ৰিক সমাজলৈ আগবঢ়াৰ যুগ।

ছোভিয়েত সমাজতান্ত্ৰিক বিপ্লৱৰ আগলৈকে পৃথিৱীখন আছিল প্ৰধানতঃ ইউৰোপ আৰু আমেৰিকাৰ সাম্ৰাজ্যবাদী দেশবিলাকৰ শোষণৰ লীলাভূমি। এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ প্ৰত্যেক দেশেই হয় প্ৰত্যক্ষ, নহয় পৰোক্ষভাৱে কোনো নহয় কোনো এক সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ শোষণ ভূমি আছিল। ছোভিয়েত সমাজতান্ত্ৰিক বিপ্লৱে এই সকলো পৰাধীন আৰু শোষিত জাতিৰ মাজত এক নতুন প্ৰেৰণাৰ সঞ্চাৰ কৰিলে আৰু তেতিয়াৰপৰাই দেশে দেশে মুক্তিৰ এক নতুন প্ৰবাহ প্ৰবাহিত হ'ল। বিশ্বজোৰা জাতীয় মুক্তি সংগ্ৰাম বিশ্ব সমাজতান্ত্ৰিক সংগ্ৰামৰ এক অপৰিহাৰ্য-অংশত পৰিণত হ'ল।

ভিয়েতনাম বা ইন্দোচীনত ফৰাচী সাম্ৰাজ্যবাদৰ আমোলত জন্ম পোৱা

শ্ৰমিক শ্ৰেণীয়ে ফৰাচী সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু নতুনকৈ জন্ম পোৱা জাতীয় ধনিক শ্ৰেণী—এই তিনিও শক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰি বাঢ়ি আহিছিল আৰু ইতিমধ্যেই দেশৰ ৰাজনীতিত নেতৃত্ব গ্ৰহণ কৰিব পৰা একমাত্ৰ ৰাজনৈতিক শক্তি হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছিল।

ফৰাচী সাম্ৰাজ্যবাদৰ আমোলত ভিয়েতনামত প্ৰধানকৈ দুই ধৰণৰ সামাজিক দ্বন্দ্ব চলিছিল। প্ৰথম হ'ল ফৰাচী সাম্ৰাজ্যবাদ আৰু ভিয়েতনামৰ জনসাধাৰণৰ মাজৰ দ্বন্দ্ব। দ্বিতীয় দ্বন্দ্ব হ'ল এহাতে দেশৰ ভিতৰৰে জমিদাৰ মাটি-মহাজন গোষ্ঠী আৰু আনহাতে জনসাধাৰণ বিশেষকৈ কৃষক জনসাধাৰণৰ মাজৰ দ্বন্দ্ব।

সাম্ৰাজ্যবাদৰ সৃষ্টি এই দ্বন্দ্ব সমাধানৰ কোনো পথ ভিয়েতনামবাসীক আগৰ কোনো দল বা শক্তিয়ে দিব পৰা নাছিল। কাৰণ সেইবিলাক দল বা ৰাজনৈতিক শক্তিৰ পক্ষে আধুনিক সাম্ৰাজ্যবাদৰ চৰিত্ৰ আৰু তাৰ মাজত থকা অন্তৰ্নিহিত দ্বন্দ্বৰ স্বৰূপ ধৰা সম্ভৱ নাছিল। তেওঁলোকৰ কাৰণে এহাতে যেনেকৈ ঔপনিবেশিক ফৰাচী সাম্ৰাজ্যবাদী আৰু ফৰাচী দেশৰ শ্ৰমিক শ্ৰেণী বা সাধাৰণ মানুহৰ মাজত কোনো পাৰ্থক্য দেখা সম্ভৱ নাছিল আৰু সকলো ফৰাচীকেই শত্ৰু বুলি ধৰি লৈছিল। আনহাতে তেনেকৈ দেশীয় সামন্ত শ্ৰেণীৰ মাজত থকা বিৰোধ বা দ্বন্দ্বৰে কোনো ব্যৱহাৰ কৰা সেইসকলৰ পক্ষে সম্ভৱ নাছিল। গতিকেই সেইবিলাক শক্তিৰ সংগ্ৰামো আছিল আগৰ ধৰণৰ।

দেশৰ মাটি-গিৰী শ্ৰেণীয়ে ফৰাচী সাম্ৰাজ্যবাদৰ ওপৰত সম্পূৰ্ণ আত্মসমৰ্পণ কৰিছিল। নতুনকৈ জন্ম পোৱা জাতীয় ধনিক শ্ৰেণী আছিল দুৰ্বল আৰু সেই কাৰণেই আপোচকামী। কৃষক আৰু বুদ্ধিজীৱী শ্ৰেণীয়ে স্বাধীনতাৰ কাৰণে সকলো ত্যাগ কৰিবলৈ সাজু থাকিলেও আদৰ্শগত ফালৰপৰা আছিল অত্যন্ত দুৰ্বল। গতিকে জন্মৰপৰা সংগ্ৰামৰ মাজেদি শক্তি সঞ্চয় কৰি অহা শ্ৰমিক শ্ৰেণীৰ ওপৰতেই সংখ্যাত তাকৰীয়া হলেও ভিয়েতনামৰ জাতীয় মুক্তি সংগ্ৰামৰ পতাকা বহন কৰাৰ ঐতিহাসিক দায়িত্ব আহি পৰিল।

ভিয়েতনাম বা ইন্দোচীনৰ বৃহৎ আকাৰৰ কোনো শিল্প গঢ়ি উঠা নাছিল। গঢ়ি উঠা শিল্পতো প্ৰধান ভূমিকা আছিল ফৰাচীৰ। স্থানীয় বস্তুৰাসকল আছিল প্ৰায় একে অৱস্থাৰ। গতিকেই বৃহৎ শিল্প উদ্যোগত শ্ৰমিক শ্ৰেণীৰ মাজতে এক অংশ মধ্যবিত্ত গঢ়ি উঠাৰ সুবিধা ভিয়েতনামত নঘটাৰ কাৰণে শ্ৰমিক শ্ৰেণীৰ মাজত আন্দোলনত সুবিধাবাদী বিচ্যুতি ঘটাৰে সম্ভাৱনা আছিল কম। তদুপৰি সাম্ৰাজ্যবাদী আৰু দেশী সামন্তবাদে কৃষকসকলক এনেধৰে

নিষ্পেষণ কৰিছিল যে দেশৰ বিপুল অংশ কৃষক আছিল প্ৰায় সৰ্বহাৰা। আমাৰ দেশৰ দৰে মজলীয়া আৰু চহকী খেতিয়কৰ প্ৰাধান্য তাত নাছিল। গতিকে শ্ৰমিক আৰু কৃষকৰ মাজৰ শ্ৰেণী ঐক্যও আছিল প্ৰথমৰপৰাই অতি নিবিড়। তদুপৰি শিল্প গঢ়ি উঠা অঞ্চলবিলাকৰ দূৰত্ব বৰ বেছি নোহোৱাত এঠাইৰ প্ৰতিক্ৰিয়া ওচৰৰ আন এঠাইত সহজে ঘটিব পাৰিছিল। তেনে হোৱাৰ কাৰণে শ্ৰমিক শ্ৰেণীৰ এঠাইৰ আন্দোলনক বিচ্ছিন্নভাৱে দমন কৰা সহজ নাছিল।

এনে অনুকূল পৰিস্থিতিৰ কাৰণেই কেৱল দক্ষিণ-পূব এচিয়াতে নহয় পৃথিৱীৰ সমগ্ৰ ঔপনিবেশিক জগতত ভিয়েতনামতে শ্ৰমিক শ্ৰেণীৰ পাৰ্টি কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত জাতীয় স্বাধীনতা আৰু সমাজতন্ত্ৰ উভয় সংগ্ৰাম পৰিচালিত হয় আৰু সাফল্য লাভ ঘটে। জাতীয় মুক্তি আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম একেলগে চলাৰ উদাহৰণ পৃথিৱীত মাত্ৰ ভিয়েতনাম।

কমিউনিষ্ট পাৰ্টিৰ (বৰ্তমান ভিয়েতনাম ৱাৰ্কাৰ্ছ পাৰ্টি) জন্ম, বিকাশ আৰু সাফল্য লাভৰ ইতিহাস প্ৰধানতঃ এজন মহান পুৰুষৰ নামৰ লগত জড়িত। সেই নামটি হ'ল প্ৰেচিডেণ্ট হ'-চি-মিন।

হ'-চি-মিনৰ ভূমিকা

১৯১৯ চনৰপৰা ১৯৬৯ চনলৈ আধাশতিকাজুৰি ভিয়েতনাম আৰু ইন্দোচীনৰ যুগান্তকাৰী পৰিবৰ্তন ঘটোৱা ইতিহাসৰ নায়ক হ'ল হ'-চি-মিন। কেৱল এইছোৱা কালৰে নহয় ভিয়েতনাম তথা ইন্দোচীনৰ ইতিহাস যিমানেই পুৰণি নহওক লাগে, হ'-চি-মিনৰ স্মৃতি সেই ইতিহাসত কোনো দিনেই পুৰণি নহব।

১৮৯০ চনৰ ১৯ মে' তাৰিখে নাম ডান অঞ্চলৰ হোৱাং-ত্ৰু গাঁৱত হ'-চি-মিনৰ জন্ম। জন্মৰ নাম আছিল নগুয়েন-তাত-থান (Nguyet Tat Thanh)। ৰাজহুৱা জীৱনত, বিপ্লৱী সংগঠনত দেশে-বিদেশে ছদ্মনাম লৈ ঘূৰি ফুৰিব লগা হোৱাত তেখেতে বহু নাম গ্ৰহণ কৰিছিল। তাৰ ভিতৰত বেছি সদৰি হৈছিল নগুয়েন-আই-কক্ (Nguyen Ai Quoc) আৰু হ'-চি-মিন। শেষলৈ হ'-চি-মিন নামেৰেই তেখেত বিশ্ববিশ্ৰুত হ'ল।

হ'-চি-মিন পৰিয়ালৰ তৃতীয় সন্তান আছিল। সৰু কালত স্কুলৰ পাঠ্যৰ উপৰিও দেশপ্ৰেমিক উপন্যাস আৰু কবিতা তেখেতৰ অতি প্ৰিয় পাঠ্য আছিল। দেউতাক এজন দেশপ্ৰেমিক বুদ্ধিজীৱী হোৱাৰ কাৰণে সেই পৰিয়ালত অনবৰত

সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভিয়েতনামৰ বিভিন্ন ঠাইত চলা দেশপ্ৰেমিক সংগ্ৰাম সমূহৰ উল্লেখ আৰু আলোচনা হৈছিল। সেইবিলাক হ'-চি-মিনে একান্তমনে শুনিছিল আৰু মনে মনে ডাঙৰ হলে তেনে দেশপ্ৰেমিক হোৱাৰে সপোন দেখিছিল। চকুৰ আগতে কৰ-কাটল দিব নোৱাৰাৰ কাৰণে দুখীয়া নিচলা খেতিয়কৰ ওপৰত হোৱা অকথ্য অত্যাচাৰ দেখি হ'-চি-মিনৰ কোমল অন্তৰত অতি আঘাত পাইছিল আৰু ডাঙৰ হলে তাৰ প্ৰতিকাৰ কৰাৰ প্ৰতিজ্ঞা গ্ৰহণ কৰিছিল। তেখেত যি ঠাইত জন্ম গ্ৰহণ কৰিছিল সেই ঠাইতে একাধিকবাৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ ঘটিছিল। ১৯০৫-১০ চনত যেতিয়া হ'-চি-মিন হিউ নগৰত কলেজৰ ছাত্ৰ আছিল সেই সময়ত তেখেতে দেশপ্ৰেমিক বুদ্ধি-জীৱীসকলে পৰিচালনা কৰা বিদ্ৰোহ সম্পৰ্কে বিশদভাৱে জানিবলৈ পাইছিল আৰু তেতিয়াই হ'-চি-মিনে ফৰাচী সাম্ৰাজ্যবাদক দেশৰপৰা বাহিৰ কৰি দিয়াৰ সংগ্ৰামত জীৱন উৎসৰ্গ কৰাৰ সংকল্প গ্ৰহণ কৰিছিল। পোন্ধৰ বছৰ বয়সতে তেখেতে গোপন আন্দোলনৰ নেতাসকলৰ চিঠিপত্ৰ অনা নিয়া কামৰ যোগে আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

আগৰ নেতাসকলৰ নেতৃত্বত চলা বিপ্লৱী আন্দোলনসমূহ ইতিমধ্যে ব্যৰ্থ হৈছিল। কাৰণ অসীম সাহস, একাগ্ৰতা আৰু ত্যাগ এই সংগ্ৰামসমূহত আছিল যদিও তাৰ নেতাসকলৰ সন্মুখত সংগ্ৰাম কাৰ বিৰুদ্ধে মূলতঃ পৰিচালিত হব লাগিব আৰু সংগ্ৰামৰ সহযোগী হিচাপে কোন কোন শক্তিক সমবেত কৰিব লাগিব সেই সম্পৰ্কে কোনো ধাৰণা নাছিল। দেশৰপৰা ফৰাচী সাম্ৰাজ্যবাদীক বাহিৰ কৰাৰ সংগ্ৰামত প্ৰধান শক্তি যে বিপুল সংখ্যাৰ কৃষকসকল আৰু জমিদাৰ শ্ৰেণীৰ হাতৰপৰা মাটি আনি সেই কৃষকসকলক দিয়াই যে কৃষকসকলৰ আৰু দেশৰ পক্ষে অতি প্ৰয়োজনীয় কথা আগৰ বিপ্লৱী আন্দোলনৰ কাৰ্যসূচীত তাৰ স্থান নাছিল। গতিকে এই আন্দোলনসমূহে দেশৰ বিপ্লৱ কৃষক বাইজৰপৰা ব্যাপক সঁহাৰি পোৱা নাছিল। আন হাতে ফৰাচী ঔপনিবেশিকবিলাকৰ বিৰুদ্ধে যে ফৰাচী শ্ৰমিক আৰু সাধাৰণ দেশবাসীৰ সমৰ্থন লাভ সম্ভৱ সেই চেতনাও আগৰ বিপ্লৱীসকলৰ নাছিল।

এই পৰিস্থিতিত যুৱক হ'-চি-মিনে নিজৰ ইচ্ছাৰেই দেশৰ বিভিন্ন ঠাইত বিভিন্ন আন্দোলনৰ লগত যোগাযোগ কৰিছিল। কিন্তু সকলোতে তেখেতৰ একে ধৰণৰে অভিজ্ঞতাই লাভ হ'ল। তেখেতৰ মনত পশ্চিমৰ দেশসমূহৰ জনসাধাৰণে কেনে দৰেনো ইমান শক্তিশালী আৰু স্বাধীন হব পাৰিলে সেই

কথা নিজৰ অভিজ্ঞতাৰে জনাৰ কাৰণে ইউৰোপলৈ যোৱাৰ এক প্ৰবল বাসনা হ'ল।

বিদেশ যাত্ৰা

১৯১১ চনত ভেখেতে ছাইগণৰপৰা 'ছাৰ্জেয়াছ ৰেউনিছ' (Chargeurs Reunis) নামৰ এটা ফৰাচী ব্যৱসায়ী প্ৰতিষ্ঠানৰ এডমিৰেল লাটুছি ট্ৰেভেলি নামৰ জাহাজত ৰান্ধনিৰ যোগালী হিচাপে কাম লৈ ফৰাচী দেশলৈ যাত্ৰা কৰে। সেই সময়ত ভেখেতৰ নাম আছিল বা।

১৯১১ চনৰপৰা ১৯২৪ চনলৈ ভেখেতে বিদেশত দিন কটায়। এই কালছোৱাৰ বেছিভাগ ভেখেতে ফৰাচী দেশতে কটায় যদিও ইউৰোপৰ বিভিন্ন দেশ, আফ্ৰিকা আৰু আমেৰিকাৰো বহু ঠাই ভ্ৰমণ কৰে। ভেখেতে ফৰাচী আৰু আন দেশত থকা অৱস্থাত নিজৰ দুবেলা দুমুঠি আহাৰ আৰু জীৱন ধাৰণৰ অন্যান্য প্ৰয়োজনখিনিৰ কাৰণেও অতি দুখ কষ্টেৰে উপাৰ্জন কৰিব লগা হৈছিল। ভেখেতে আঢ্যৱন্ত লোকৰ ঘৰত ফুলনিৰ মালি, জাৰকালি বাজআলিৰ বৰফ গুচোৱা বনুৱা, হোটেলৰ আলধৰা, ফটো তোলা দোকানৰ সাধাৰণ কৰ্মী আদি বহু ধৰণৰ কাম কৰি জীৱিকা মোকলাব লগীয়া হৈছিল।

ফৰাচী দেশত ভেখেতে শ্ৰমিক আন্দোলনত সহযোগ কৰিছিল আৰু আন আন ঠাইতো ভেখেতে সাধাৰণ মানুহৰ মাজতে থাকি পুঁজিবাদী ব্যৱস্থাই সাধাৰণ শ্ৰমিক মানুহৰ ওপৰত নিজৰ দেশতে কেনেদৰে শোষণ চলায় তাৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰিছিল। গাৰ ৰং [illegible] নহওক শ্ৰমিক আৰু সাধাৰণ মানুহক শোষণ নিপীড়ন কৰাৰ ক্ষেত্ৰত যে ব্যৱস্থাৰ কোনো পাৰ্থক্য নাই নিজ চকুৰে দেখা তাৰ কৰুণ কাহিনীয়ে পুঁজিবাদী সমাজৰ প্ৰতি ভেখেতৰ ঘৃণা আগ্ৰহকেও তীব্ৰ কৰি তুলিছিল। ফৰাচী আৰু আন আন দেশৰ শ্ৰমিক-সকলে নিজ নিজ দেশৰ পুঁজিপতিবিলাকৰ বিৰুদ্ধে কৰা তীব্ৰ সংগ্ৰাম দেখি ভেখেতৰ এই বিশ্বাস দৃঢ় হৈছিল যে পুঁজিবাদী দেশৰ শ্ৰমিক আৰু উপনিবেশৰ শ্ৰমিক কৃষক জনসাধাৰণৰ শত্ৰু একেই। কাৰণ নিজৰ দেশত শ্ৰমিক জনসাধাৰণক শোষণ কৰা শ্ৰেণীটোৱেই আন দেশতো পৰাধীন কৰি ঔপনিবেশিক শোষণ পীড়ন চলায়। ফৰাচী দেশৰ শ্ৰমিকে যেতিয়া ইন্দোচীনত ফৰাচী সাম্ৰাজ্য-বাদীৰ শোষণৰ বিৰুদ্ধে মত প্ৰকাশ কৰা শুনে তেতিয়া হ'-চি-মিনৰ মন শ্ৰমিক শ্ৰেণীৰ এই আন্তৰ্জাতিকতা দেখি আনন্দত আপ্লুত হৈ উঠিছিল।

১৯১৭ চনত বিভিন্ন দেশ ভ্ৰমণ কৰি আহি হ'-চি-মিনে পুনৰ ফৰাচী দেশৰ শ্ৰমিক আন্দোলনত সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰে। তেখেতে ফৰাচী দেশৰ ছ'চিয়েলিষ্ট পাৰ্টিত যোগ দিয়ে আৰু ফৰাচী দেশতে ভিয়েতনামী দেশপ্ৰেমিক-সকলৰদ্বাৰা গঠিত হোৱা "এছচিয়েছন অৱ-ভিয়েতনামিজ পেট্ৰিয়টছ" নামৰ এক সংগঠন গঢ়ি তোলে।

ইতিমধ্যে হ'-চি-মিনে সংবাদপত্ৰত প্ৰবন্ধ লিখিবলৈ অভ্যাস কৰে আৰু ফৰাচী দেশৰ বামপন্থী কাকতত ফৰাচী উপনিবেশবাদীৰ শোষণৰ কাহিনী প্ৰকাশ কৰি প্ৰবন্ধ লিখে। ফৰাচীৰ শ্ৰমিক আন্দোলনৰ লগত যুক্ত থকাৰ কালতে তেখেতে বাগ্মিতা সভাত বক্তৃতা দিবলৈ, তৰ্ক প্ৰতিযোগিতাত যোগ দিবলৈ আৰু শ্ৰমিক এলেকাৰ ঘৰুৱা বৈঠক আদিত যোগ দি ইন্দোচীনত ফৰাচী শোষণ-শাসনৰ কাহিনী ফৰাচী দেশৰ শ্ৰমিক শ্ৰেণী আৰু বামপন্থী দলৰ সমাবেশত প্ৰচাৰ কৰিবলৈ ধৰে।

ঠিক এই সময়তে ৰুচ দেশত শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত মহান লেনিনৰ পৰিচালনাত ছোভিয়েত সমাজতান্ত্ৰিক বিপ্লৱে সফলতা লাভ কৰে। হ'-চি-মিনে ৰুচ বিপ্লৱৰ ঘটনাৱলী গভীৰ মনোযোগেৰে লক্ষ্য কৰে। ছোভিয়েত বিপ্লৱ যে বিশ্ব পুঁজিবাদৰ অৱক্ষয় আৰু বিশ্ব সমাজতন্ত্ৰৰ বিজয় অভিযানৰ সূচনা, সেই কথা হ'-চি-মিনে স্পষ্টভাৱেই অনুধাৱন কৰিছিল আৰু সেই বিপ্লৱৰ আদৰ্শত ভিয়েত-নামৰ মুক্তি সংগ্ৰামৰ কাৰণে প্ৰেৰণা লাভ কৰিছিল।

প্ৰথম আন্তৰ্জাতিক ভূমিকা

১৯১৮ চনত যুদ্ধ শেষ হ'ল। বিজয়ী সাম্ৰাজ্যবাদী শক্তিবিলাকে ফৰাচী দেশৰ ভাৰ্চাই চহৰত নিজৰ মাজত পৃথিবীৰ বিভিন্ন দেশ ভগাই লোৱাৰ কাৰণে সন্মিলন পাতিলে। হ'-চি-মিনে সেই সময়ত নিজকে চিনাকি দিছিল নগুয়েন আই-কুৱ নামেৰে। তেনেতে সেই নামেৰেই ভাৰ্চাই সন্মিলনত ভিয়েতনামৰ মুক্তি দাবীৰ ৮ দফীয়া এক দাবী চনদ আলোচনাৰ কাৰণে পঠায়। সেই আঠ দফাৰ ভিতৰত প্ৰধান দাবী আছিল ফৰাচী চৰকাৰে ভিয়েতনামৰ স্বাধীনতা, গণতন্ত্ৰ, সমতা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ অবিলম্বে স্বীকাৰ কৰি লব লাগে। হ'-চি-মিনে জানিছিল যে পৃথিৱীৰ শাহ পৰা দেশসমূহক নিজৰ মাজত ভগাই লোৱাৰ কাৰণে পতা সাম্ৰাজ্যবাদৰ এই মন্ত্ৰণা সভাত তেনে দাবীয়ে কোনো স্বীকৃতিকে পাব নোৱাৰে। তথাপি সাম্ৰাজ্যবাদে বি স্বাধীনতা, গণতন্ত্ৰ, সমতা

আদিৰ কথা কয় সেইবিলাক যে কিমান অৰ্থহীন অন্ততঃ সেই কথাই ইয়াৰদ্বাৰা প্ৰমাণিত হব।

এই আবেদনৰ কথা ফৰাচী দেশৰ কাকতত প্ৰকাশ হ'ল। ফৰাচী সাম্ৰাজ্য-বাদৰ প্ৰতি ই বিনামেঘে বজ্ৰপাতৰ দৰে আছিল। আন হাতে সমগ্ৰ ইন্দোচীনত এই আবেদনে এক নতুন উদ্দীপনাৰ সৃষ্টি কৰিলে। তেতিয়া ফৰাচী দেশত যিমানবিলাক ভিয়েতনামৰ মানুহ, সৈন্য, বনুৱা বা ছাত্ৰ হিচাপে আছিল সেই সকলোৰে মাজত ভিয়েতনামৰ স্বাধীনতাৰ কথাই আলোচনা হবলৈ ধৰিলে আৰু হ'-চি-মিনৰ নাম সকলোৰে প্ৰতি এটি শ্ৰদ্ধা আৰু সন্মানৰ নাম হৈ পৰিল। সমগ্ৰ ভিয়েতনামৰ জনসাধাৰণৰ মাজত হ'-চি-মিনৰ ভাৰ্চাই আবেদনে মুক্তি সংগ্ৰামৰ এক নতুন ৰূপ তুলি ধৰিলে আৰু আগৰ বিক্ষিপ্ত আন্দোলনৰ ঠাইত ফৰাচী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভিয়েতনামৰ স্বাধীনতা আৰু স্বায়ত্বশাসনৰ এক নতুন ধ্বনি দেশজুৰি ধ্বনিত হ'ল। সমগ্ৰ ইন্দোচীনৰ জনসাধাৰণে হ'-চি-মিনৰ নেতৃত্বৰ কাৰণে অভূতপূৰ্ব গৌৰব অনুভৱ কৰিবলৈ ধৰিলে।

কমিউনিষ্ট আন্তৰ্জাতিকৰ নেতৃত্ব

১৯১৯ চনত দ্বিতীয় আন্তৰ্জাতিকৰ সংস্কাৰবাদী সমাজতান্ত্ৰিক শক্তিসমূহৰ ঠাইত লেনিনৰ নেতৃত্ব তৃতীয় কমিউনিষ্ট আন্তৰ্জাতিক মস্কোত অনুষ্ঠিত হয়। কমিউনিষ্ট আন্তৰ্জাতিকে পুঁজিবাদী আৰু উপনিবেশসমূহত থকা পৰাধীন জাতিসমূহৰো মুক্তি সংগ্ৰামৰ কাৰ্যসূচী গ্ৰহণ কৰে। ১৯২০ চনত বহা তৃতীয় আন্তৰ্জাতিকৰ দ্বিতীয় অধিবেশনত লেনিনৰ জাতীয় আৰু ঔপনিবেশিক মুক্তি সংগ্ৰামৰ দলিল গৃহীত হয়। এই দলিলে পৰাধীন ঔপনিবেশিক শাসনৰ জাতি-সমূহৰ সংগ্ৰামৰ মূল গতিধাৰা নিৰ্ধাৰণ কৰি দিয়ে।

লেনিনৰ পৰাধীন আৰু ঔপনিবেশিক শাসনৰ মুক্তি সংগ্ৰাম সম্পৰ্কীয় এই প্ৰখ্যাত দলিলৰ কথা উল্লেখ কৰি হ'-চি মিনে কৈছিল:

> "লেনিনৰ এই অমৰ ৰচনাই মোৰ মনত এনে এক অভূতপূৰ্ব উদ্দীপনা, আগ্ৰহ, আনন্দ আৰু আত্মবিশ্বাসৰ সৃষ্টি কৰিলে যে মই অভিভূত হৈ কান্দি পেলাইছিলোঁ। পঢ়ি উঠি কোঠাটোত মই অকলে আছিলোঁ যদিও, এখন ৰাজহুৱা সভাত বক্তৃতা দিয়াৰ দৰে মই চিঞৰি চিঞৰি কবলৈ ধৰিলোঁ—মোৰ শোষিত দেশবাসীসকল! আমি যি বিচাৰিছিলোঁ তাকে পাইছোঁ, এয়ে হ'ল আমাৰ মুক্তিৰ পথ।"

মাৰ্চেল কাচিন, পল ভেলেন্ট, কাউটিৰৰ, মন ম'ছৌ প্ৰমুখ্যে তেতিয়াৰ ফ্ৰান্সৰ লেনিনপন্থী নেতাসকলৰ লগ লাগি তেখেতে ফৰাচী ছ'চিয়েলিষ্ট পাৰ্টিৰ ১৯২০ চনৰ ২৫ ডিচেম্বৰৰপৰা ৩০ ডিচেম্বৰলৈ বহা ১৮শ কংগ্ৰেছত ভিয়েতনামত ফৰাচী সাম্ৰাজ্যবাদীৰ ঔপনিবেশিক নীতিৰ তীব্ৰ ভাষাত গৰিহণা দিয়ে আৰু ফৰাচী শ্ৰমিক শ্ৰেণীক ভিয়েতনামৰ মুক্তি সংগ্ৰামকে ধৰি সকলো উপনিবেশৰ মুক্তি সংগ্ৰাম সমৰ্থনৰ কাৰণে আহ্বান জনায়। এই কংগ্ৰেছৰ পিছতে তেখেতে ওপৰত উল্লেখ কৰা লেনিনবাদী ফৰাচী নেতাসকলৰ লগ লাগি ১৯২০ চনত ফৰাচী কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠা কৰে।

হ'-চি-মিন ফৰাচী কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাতাসকলৰ অন্যতম আৰু ভিয়েতনামৰ প্ৰথম কমিউনিষ্ট সদস্য। ১৯২১ চনত হ'-চি-মিনে ফৰাচী কমিউনিষ্টসকলৰ সহায়ত পেৰিচতে ঔপনিবেশিক জাতিসমূহৰ কাৰণে "ইউনিয়ন ইণ্টাৰ ক'লনিয়েল" নামেৰে এটি সংঘ প্ৰতিষ্ঠা কৰে আৰু ১৯২২ চনত এই সংঘৰপৰাই লা-পেৰিয়া (অস্পৃশ্য) নামে এখন সংবাদপত্ৰ প্ৰকাশ কৰে। হ'-চি-মিন নিজেই আছিল তাৰ সম্পাদক, প্ৰকাশক আৰু পৰিচালক। ফৰাচী সাম্ৰাজ্যবাদৰ শোষণৰ স্বৰূপ প্ৰকাশ কৰি দি এই কাগতে ইন্দোচীনবাসীক ঐক্যবদ্ধভাৱে সংগ্ৰাম কৰিবৰ কাৰণে অনবৰত আহ্বান জনাইছিল আৰু ফৰাচী শ্ৰমিকসকলৰ সহযোগত এই কাকত সাম্ৰাজ্যবাদৰ চকুত ধূলি দি ইন্দোচীনৰ জনসাধাৰণৰ হাততো পৰিছিলহি।

'লা-পেৰিয়া' কাকতৰ উপৰিও তেখেতে ফৰাচী কমিউনিষ্ট পাৰ্টিৰ মুখপত্ৰ 'লা-হিউমেনাইট' আৰু ফৰাচী শ্ৰমিক ইউনিয়নৰ কেন্দ্ৰীয় মুখপত্ৰ "শ্ৰমিকৰ জীৱন" কাকতত অনবৰত উদ্দীপনাময়ী প্ৰবন্ধ প্ৰকাশ কৰিছিল।

১৯২৩ চনত তৃতীয় আন্তৰ্জাতিকৰ কৃষক শাখাত উপস্থিত থকাৰ কাৰণে হ'-চি-মিন ছোভিয়েতলৈ যায় আৰু উক্ত সংস্থাৰ কাৰ্যকৰী সমিতিৰ সদস্য নিৰ্বাচিত হয়। ১৯২৪ চনৰ ২১ জানুৱাৰী তাৰিখে মহান লেনিনৰ মৃত্যু ঘটে। লেনিনৰ মৃত্যুত হ'-চি-মিনে কৈছিল :

> "জীৱিত অৱস্থাত লেনিন আছিল আমাৰ পিতৃ, শিক্ষাগুৰু, সহকৰ্মী আৰু পথ প্ৰদৰ্শক। এতিয়া লেনিন আমাৰ কাৰণে সমাজতন্ত্ৰৰ পথপ্ৰদৰ্শন কৰা ধ্ৰুৱ তৰাত পৰিণত হ'ল।"

১৯২৪ চনত তেখেতে ফৰাচী কমিউনিষ্ট পাৰ্টিৰ নিৰ্বাচিত প্ৰতিনিধি হিচাপে তৃতীয় অন্তৰ্জাতিকৰ ৫ম কংগ্ৰেছত যোগ দিয়ে আৰু কংগ্ৰেছৰ কাৰ্যাৱলীত

বিশেষভাৱে অংশ গ্ৰহণ কৰে। তেখেতে জাতিসমূহ সম্পৰ্কে লেনিনৰ বৈজ্ঞানিক সিদ্ধান্ত যথাযথভাৱে অনুসৰণ নকৰাৰ কাৰণে ইউৰোপৰ কোনো কোনো দেশৰ শ্ৰমিক আন্দোলনৰ তীব্ৰ সমালোচনা কৰিছিল।

হ'-চি-মিনে জাতীয় মুক্তি সংগ্ৰামত কৃষকৰ ভূমিকা আৰু শক্তি সম্বন্ধে গভীৰভাৱে অধ্যয়ন কৰি কৃষকসকলক সংঘবদ্ধ কৰাৰ ওপৰত বৈপ্লৱিক গুৰুত্ব আৰোপ কৰিছিল। হ'-চি-মিনে ঘোষণা কৰিছিল যে পৰাধীন আৰু ঔপনিবেশিক দেশত য'ত শ্ৰমিক শ্ৰেণী সংখ্যাগত আৰু ৰাজনৈতিক শক্তিৰ ফালৰপৰা দুৰ্বল সেই পাছপৰা আৰু কৃষিভিত্তিক দেশসমূহত জাতীয় স্বাধীনতাৰ সংগ্ৰামেই হব সমাজতন্ত্ৰৰ অভিমুখে আগবাঢ়ি যোৱাৰ প্ৰথম সংগ্ৰাম আৰু স্বাধীনতা লাভৰ পিছত শ্ৰমিক শ্ৰেণী আৰু কৃষকসকল লগ লাগি দেশে পুঁজিবাদী বিকাশৰ স্তৰ অতিক্ৰম নকৰিও সমাজতন্ত্ৰৰ ফালে আগবাঢ়ি যাব পাৰে। সেই কাৰণেই কৃষকসকলৰ বিপ্লৱী সংগঠনৰ ওপৰত তেখেতে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। জাতীয় মুক্তি সংগ্ৰামত ইন্দোচীনৰ আগৰ ইতিহাসত কোনো সময়তে কৃষকৰ ভূমিকা আৰু দাবীৰ ওপৰত এনে গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। হ'-চি-মিনে ইন্দোচীনৰ ইতিহাসত প্ৰথমবাৰৰ কাৰণে কৃষকৰ দাবীসমূহ জাতীয় দাবীৰ লগত যুক্ত কৰিলে আৰু সমগ্ৰ কৃষকৰ মাজত হ'-চি-মিনৰ নাম সদৰি হৈ পৰিল।

স্বদেশলৈ যাত্ৰা

১৯২৪ চনৰ শেষৰ ফালে হ'-চি-মিন ছোভিয়েতৰপৰা চীনলৈ আহে। তৃতীয় আন্তৰ্জাতিকে বৰ'ডিনৰ ওপৰত দক্ষিণ-পূব এচিয়াৰ বিপ্লৱী আন্দোলন পৰিচালনাৰ দায়িত্ব দিছিল। হ'-চি-মিন আছিল বৰ'ডিনৰ সহায়ক। তেতিয়া হ'-চি-মিনৰ নাম আছিল লী-থুৱে। চীন দেশৰ কেণ্টন নগৰীত তেখেত আছিল আৰু তাৰেপৰাই ভিয়েতনামৰ লগত যোগাযোগ স্থাপন কৰি ভিয়েতনামৰ শ্ৰমিকসকলৰ বিপ্লৱী সংগঠন কমিউনিষ্ট পাৰ্টিৰ গঠনৰ প্ৰস্তুতি চলাইছিল।

সেই সময়তে কেণ্টনত ফাম-হং-থাই নামৰ এজন বিপ্লৱী যুৱকে ইন্দোচীনৰ গৱৰ্ণৰ মাৰ্লিন কেণ্টনলৈ যাওঁতে মাৰ্লিনৰ গালৈ বোমা নিক্ষেপ কৰে। মাৰ্লিনৰ মৃত্যু নহ'ল যদিও এই ঘটনাই "টিপচি চৰায়ে বসন্তৰ আগজাননী দিয়া"ৰ দৰেই ইন্দোচীনত এক নতুন সংগ্ৰামৰ সূচনা কৰে। হ'-চি-মিনে সেই বিপ্লৱী তৰুণসকলৰ সাহস আৰু আত্মত্যাগৰ প্ৰেৰণাৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল আছিল যদিও তেওঁলোকৰ ভ্ৰান্ত ব্যক্তিগত সন্ত্ৰাসবাদৰ পদ্ধতি যে কাৰ্যকৰী

নহয় সেই সম্পৰ্কে চীনৰ কেন্টন আৰু আন আন ঠাইত থকা ইন্দোচীনৰ যুৱকসকলৰ লগত দীৰ্ঘ দিন ধৰি আলোচনা কৰে। তেখেতে এক নূতন সংখ্যক যুৱকক মাৰ্ক্সবাদ লেনিনবাদৰ বৈজ্ঞানিক পথ গ্ৰহণ কৰাবলৈ সমৰ্থ হয়। তেখেতে সেইসকল যুৱকক নিজ নিজ ঠাইলৈ ঘূৰি গৈ জনসাধাৰণক উদ্দীপিত আৰু সংগঠিত কৰাৰ কাৰণে পঠায়। তেখেতে "থান-নিয়েন" (যুৱক) নামেৰে এখন আলোচনী প্ৰকাশ কৰি বৈজ্ঞানিক সমাজতন্ত্ৰ আৰু যুৱকৰ কৰ্তব্য সম্পৰ্কে প্ৰচাৰ কৰিছিল।

কেন্টনত তেখেতে ছাত্ৰ-যুৱকসকলৰ আগত দিয়া বক্তৃতাসমূহ "বিপ্লৱী পথ" নাম দি যুৱকসকলে এক পুস্তিকা আকাৰে প্ৰকাশ কৰিছিল। সেই বক্তৃতাসমূহত অতি সহজ সৰল কথাৰে কিয় বিপ্লৱৰ প্ৰয়োজন, বিপ্লৱৰ বাহিৰে কোনো পথেৰে কিয় লক্ষ্যত উপনীত হ'ব পৰা নাযায়, কিয় সকলোৱে অবিলম্বে এই বিপ্লৱত আত্মত্যাগ, ধৈৰ্য আৰু নিবিড় ঐক্য গঢ়ি তুলি যোগ দিয়া প্ৰয়োজন এই সাধাৰণ অথচ অতি প্ৰয়োজনীয় কথাবিলাক কৈছিলাই আলোচনা কৰিছিল। প্ৰকৃত বিপ্লৱীৰ চৰিত্ৰ সম্পৰ্কে তেখেতে কৈছিল যে প্ৰত্যেকজন বিপ্লৱী কৰ্মী কষ্ট সহিষ্ণু, মিতব্যয়ী, ৰাজহুৱা স্বাৰ্থৰ প্ৰতি সকলো উৎসৰ্গ কৰা, স্বাৰ্থহীন, নিজৰ ভুল শুধৰণিৰ কাৰণে [illegible]হীন থকা, অহংকাৰিতা আৰু আকোঁৰগজালি মনোভাৱ নথকা, কথা আৰু কামৰ মাজত সামঞ্জস্য থকা, বিপ্লৱী বিশ্বাসত অবিচল থকা, যি কোনো ত্যাগৰ কাৰণে সাজু থকা, কোনো বৈষয়িক স্বাৰ্থৰদ্বাৰা প্ৰভাৱিত নোহোৱা আদি গুণবিলাকৰ অধিকাৰী হ'ব লাগিব।

হ'-চি-মিনে ইন্দোচীনৰ মুক্তি সংগ্ৰাম যে কেইজনমান সাহসী লোকৰ ব্যক্তিগত বিষয় নহয় বৰং ই সমগ্ৰ ইন্দোচীনবাসীৰেই উমৈহতীয়া বিষয়, সেই ব্যাখ্যা প্ৰচাৰ কৰি ইন্দোচীনৰ সংগ্ৰাম "জনসাধাৰণৰ জাতীয় গণতান্ত্ৰিক বিপ্লৱৰ স্তৰ" বুলি অভিহিত কৰে। তেখেতে ভিয়েতনামৰ বিপ্লৱ যে এক বিচ্ছিন্ন চৰিত্ৰ নহয় ই সমগ্ৰ বিশ্বৰ মুক্তি আৰু সমাজতন্ত্ৰৰ সংগ্ৰামৰে এক অপৰিহাৰ্য অংশ তাৰ তাৎপৰ্য ব্যাখ্যা কৰি বিশ্ব মুক্তি সংগ্ৰামৰ লগত ভিয়েতনামৰ সংগ্ৰাম যুক্ত কৰি বহু প্ৰবন্ধাদি প্ৰকাশ কৰে।

পৃথিৱীৰ অন্যান্য দেশৰ দৰেই ইন্দোচীনতো প্ৰথম অৱস্থাত মাৰ্ক্সবাদ-লেনিনবাদ অনুসৰণকাৰীসকলৰ ভিতৰতে বিক্ষিপ্ত ধৰণে স্থানীয়ভাৱে বিভিন্ন উপদল গঢ়ি উঠিছিল। ভিয়েতনামত স্বকীয়া কমিউনিষ্ট পাৰ্টি গঠন কৰা উচিত নে অনুচিত এই প্ৰশ্নকে কেন্দ্ৰ কৰি বিপ্লৱী যুৱ সংগঠনৰ ভিতৰতে

ইন্দোচীনতো তিনিটা উপদলে তিনিটা কমিউনিষ্ট পার্টি প্ৰতিষ্ঠা কৰে। কিন্তু ১৯২৯ চনত আন্তৰ্জাতিকৰ কৰ্তৃত্ব সহ হ'-চি-মিনে হংকং চহৰৰ ওচৰতে কউলুন্ (Kow loon) নামৰ ঠাইত ১৯৩০ চনৰ ৩ ফেব্ৰুৱাৰীত তিনিওটা উপদলৰ এখন যুটীয়া কংগ্ৰেছ আহ্বান কৰে। তেখেতৰ সভাপতিত্বত হোৱা সেই প্ৰথম কংগ্ৰেছতে ভিয়েতনাম কমিউনিষ্ট পাৰ্টি নামেৰে তিনিটা উপদল লগলাগি এটি মাত্ৰ কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠা হয় আৰু হ'-চি-মিন তেতিয়াৰপৰাই তাৰ সভাপতি হিচাপে সকলোৰে মাজত প্ৰখ্যাত হৈ পৰে।

পার্টি কাৰ্যসূচী, গঠনতন্ত্ৰ, পাৰ্টিত কৌশলগত পদ্ধতি আদি মূল দলিলসমূহ ৰচনা কৰিছিল তেখেতেই। সেই কংগ্ৰেছৰপৰাই এই কথা স্পষ্টভাৱে ঘোষণা কৰা হৈছিল যে ভিয়েতনাম বিপ্লৱৰ স্তৰ হৈছে এক নতুন ধৰণৰ ধনিক গণতন্ত্ৰৰ বিপ্লৱ (পিছলৈ এই বিপ্লৱক জনসাধাৰণৰ জাতীয় গণতান্ত্ৰিক বিপ্লৱ নামেৰে অভিহিত কৰা হয়)। এই বিপ্লৱ সমাজতন্ত্ৰ অভিমুখে আগবাঢ়ি যোৱাৰ বিপ্লৱ। এই বিপ্লৱৰ মুখ্য কৰ্তব্য হ'ল ফৰাচী সাম্ৰাজ্যবাদ আৰু দেশীয় সামন্ত শ্ৰেণীক উচ্ছেদ কৰা, ভিয়েতনামৰ কাৰণে পৰিপূৰ্ণ জাতীয় স্বাধীনতা লাভ কৰা, কৃষকৰ হাতত মাটি দিয়া, শ্ৰমিক-কৃষক আৰু সৈনিকৰ এক চৰকাৰ স্থাপন কৰা, দেশৰ জনসাধাৰণক পৰিপূৰ্ণ গণতান্ত্ৰিক অধিকাৰ প্ৰদান কৰা আৰু শ্ৰমিক-কৃষক মৈত্ৰীৰ এক বিপ্লৱীবাহিনী গঠন কৰা। এই কাৰ্যসূচীৰ ভিত্তিত সভাপতিয়ে সমগ্ৰ দেশৰ প্ৰতি পাৰ্টিক শক্তিশালী কৰাৰ আহ্বান জনায়।

কাৰ্যসূচী, গঠনতন্ত্ৰ, ৰণনীতি গ্ৰহণ আদি মূল দলিলসমূহ গ্ৰহণ কৰাৰ কাৰণেই এই প্ৰতিষ্ঠা সন্মিলনকে পৰিপূৰ্ণ পাৰ্টি কংগ্ৰেছৰ মৰ্যাদা দিয়া হৈছিল আৰু আন্তৰ্জাতিক স্বীকৃতিৰ এক সংগঠনত পৰিণত হৈছিল। ভিয়েতনামত ঐক্যবদ্ধ কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠা ভিয়েতনাম তথা ইন্দোচীনৰ ইতিহাসত এক ঐতিহাসিক ঘটনা। ইয়াৰ আগতে সমগ্ৰ ইন্দোচীনৰ জনসাধাৰণৰ প্ৰতি ঐক্যবদ্ধ, কেন্দ্ৰীভূত আৰু আদৰ্শনিষ্ঠ কোনো সংগঠনে আহ্বান জনোৱা নাছিল। ভিয়েতনাম কমিউনিষ্ট পাৰ্টিৰ আহ্বানে সেই কাৰণেই আৰু সৰ্বোতোপৰি প্ৰত্যক্ষভাৱে কৃষক শ্ৰমিকৰ জীৱনৰ দাবী স্পষ্টভাৱে তুলি ধৰাৰ কাৰণে সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজতই বিপুল প্ৰেৰণাৰ সঞ্চাৰ কৰে।

দ্বিতীয় মহাযুদ্ধ : ভিয়েতনামৰ স্বাধীনতা লাভ

পাৰ্টিৰ আহ্বানত দেশৰ সকলো অংশতে বিপুল উদ্দীপনাৰ সৃষ্টি হয়। দেশৰ

বহু ঠাইত বিপ্লবী সংগঠন গঢ়ি উঠে। পাৰ্টিৰ নেতৃত্বত বহু কৃষক সংগঠন আৰু শ্ৰমিক সংগঠনে ৰূপ লয়। এই সময়তে ছোভিয়েতৰ আদৰ্শত নে-তিন (Nghe-Tinh) অঞ্চলত স্থানীয় বাইজে চৰকাৰী বিষয়াবপৰা ক্ষমতা নিজৰ হাতলৈ আনে আৰু দেশজুৰি ইয়াৰ প্ৰতিক্ৰিয়া হয়। সেই আন্দোলন স্থায়ী হোৱা নাছিল যদিও তাৰ শিক্ষা ভিয়েতনামবাসীৰ এক অমূল্য সম্পদ।

১৯৩১ চনৰপৰা ১৯৩৯ চনলৈ সমগ্ৰ ভিয়েতনামত পাৰ্টিৰ নেতৃত্বত প্ৰবল শ্ৰমিক, কৃষক আৰু যুৱক আন্দোলন চলিবলৈ ধৰে। হ'-চি-মিনৰ বাণী গাঁৱে-ভুঞে প্ৰচাৰিত হবলৈ ধৰে আৰু হ'-চি-মিনৰ নিৰ্দেশত দেশবাসীয়ে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে এক লক্ষ্যত আগবাঢ়ি যোৱাৰ পথ গ্ৰহণ কৰে। ফৰাচী সাম্ৰাজ্যবাদে হ'-চি-মিনৰ ওপৰত চোকা নজৰ ৰাখি তেওঁক আটক বা নিৰ্বাসন দিয়াৰ কাৰণে বহুবাৰ চেষ্টা কৰিছিল। কিন্তু পাৰ্টিৰ নিৰ্দেশত তেওঁতে স্বকীয়া স্বকীয়া নাম লৈ প্ৰায় আত্মগোপন কৰিয়ে কটাইছিল। এবাৰ তেওঁতে হংকং চহৰৰ-পৰা টংভান-ছ' নাম লৈ ভিয়েতনামৰ সংগ্ৰাম পৰিচালনা কৰি থকা অৱস্থাতে বৃটিছ সাম্ৰাজ্যবাদে তেওঁক গ্ৰেপ্তাৰ কৰি নিজান কাটেকত ৰাখিছিল। প্ৰেচিডেণ্ট হ'-চি-মিনৰ গ্ৰেপ্তাৰৰ বাতৰিয়ে সমগ্ৰ দেশত বিক্ষোভ আৰু ধৰ্মঘট তুলিছিল।

১৯৩৭ চনত কমিউনিষ্ট আন্তৰ্জাতিকৰ ৭ম কংগ্ৰেছত ফেচিবাদ বিৰোধী যি ঐক্যৰ আহ্বান আহে, হ'-চি-মিনে সেই আহ্বান ব্যাখ্যা কৰি ফেচিবাদ ধ্বংসৰ লগতে যে ভিয়েতনামৰ মুক্তি জড়িত সেই কথা দেশবাসীৰ মাজত সৰলভাৱে ব্যাখ্যা কৰে। সেই সময়ত তেওঁতে অবিলম্বে জাতীয় মুক্তিৰ দাবীৰ পৰিবৰ্তে গণতান্ত্ৰিক স্বাধীনতা, জনসাধাৰণৰ জীৱন ধাৰণৰ সাধাৰণ দাবী পূৰণ, ৰাজনৈতিক বন্দীসকলৰ মুক্তি আৰু পাৰ্টিয়ে প্ৰকাশ্যভাৱে কাম কৰাৰ দাবী মাথোন তুলি ধৰিছিল আৰু জাতীয় ধনিক শ্ৰেণীয়ে যাতে ফেচিষ্টপন্থীৰ লগ নালাগে তাৰ কাৰণে সচেষ্ট হবলৈ পাৰ্টিক পৰামৰ্শ দিয়ে। ট্ৰট্‌স্কিপন্থী ব্যক্তিগত সন্ত্ৰাসবাদীবিলাকৰ অন্তৰ্ভে তেওঁতে সেইসময়তো ফেচিবাদৰ সহায়কাৰী শক্তি হিচাপেই ব্যাখ্যা কৰি ট্ৰট্‌স্কিপন্থীৰ মত আৰু পথৰ বিৰুদ্ধে তীব্ৰ ৰাজনৈতিক আৰু আদৰ্শগত সংগ্ৰাম চলোৱাৰ আহ্বান জনাইছিল। সেই আহ্বানৰেই অনুকূলে "ভিয়েতমিন ফ্ৰণ্ট" বা সকলো দেশপ্ৰেমিক ভিয়েতনামবাসীৰ জাতীয় ঐক্যৰ শিবিৰ গঢ়ি উঠিছিল।

১৯৩৯ চনৰ ছেপ্টেম্বৰ মাহত দ্বিতীয় মহাযুদ্ধৰ সূচনা হয়। তাৰ দুমাহৰ

পিছতে নৰেৰৰ মাহত ভিয়েতনাম কমিউনিষ্ট পার্টিৰ কেন্দ্ৰীয় কমিটি বহি নির্ভুলভাৱে ঘোষণা কৰে যে হিটলাৰ ফেচিবাদে ফৰাচী দেশ জয় কৰিব আৰু ফৰাচীয়ে আত্মসমর্পণৰ পথ লব। সেই সুযোগতে জাপানে ভিয়েতনাম আক্ৰমণ কৰাৰ আশঙ্কা।

পার্টিৰ সেই বিশ্লেষণ আখৰে আখৰে ফলিয়ালে। ১৯৪০ চনত হিটলাৰে ফৰাচী দেশ আক্ৰমণ কৰে। ফৰাচী ধনিক চৰকাৰে আত্মসমর্পণ কৰে। প্ৰেচিডেণ্ট হ'-চি-মিনে এই সুযোগতে দেশত ক্ষমতা দখলৰ সংগ্ৰাম তীব্ৰ কৰি তোলাৰ আহ্বান জনায়।

ইউৰোপত ফৰাচী চৰকাৰৰ আত্মসমর্পণৰ সুযোগ লৈ জাপানে ১৯৪০ চনৰ আগষ্টত ইন্দোচীন আক্ৰমণ কৰে। ফৰাচীয়ে ইন্দোচীন জাপানৰ হাতত সমর্পণ কৰে। সেই চনৰে নৱেম্বৰ মাহত পার্টিয়ে জাপান আৰু ফৰাচী উভয় সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম পৰিচালনা কৰি ক্ষমতা দখলৰ আহ্বান জনায় আৰু দেশৰ বিভিন্ন ঠাইত গেৰিলা পদ্ধতিৰ আক্ৰমণৰ কাৰণে প্ৰস্তুতি চলায়।

১৯৪০ চনৰ ডিচেম্বৰ মাহত প্ৰেছিডেণ্ট হ'-চি-মিনে চীনৰ সীমা পাৰ হৈ ভিয়েতনাম সোমায় আৰু ১৯৪১ চনৰ ৮ ফেব্ৰুৱাৰীত বৰ্তমানৰ কাও-বাং প্ৰদেশৰ পেক-ব' নামৰ ঠাইত পার্টিৰ কেন্দ্ৰীয় কমিটি আহ্বান কৰি ক্ষমতাদখলৰ বিশদ আঁচনি গ্ৰহণ কৰে।

কেন্দ্ৰীয় কমিটিৰ অধিবেশনৰ পিছত প্ৰেচিডেণ্ট হ'-চি-মিনে সমগ্ৰ দেশবাসীৰ প্ৰতি শ্ৰমিক, কৃষক, যুৱক, মহিলা, সৈন্যবাহিনী, গুপ্ত গেৰিলাবাহিনী সকলোৰে প্ৰতি এই অভাৱনীয় সন্ধিক্ষণত ঐক্যবদ্ধ হৈ ভিয়েতনামৰ মুক্তি সম্ভৱ কৰি তোলাৰ আহ্বান জনায় আৰু সেই আহ্বানে অতি কম সময়ৰ ভিতৰতে সমগ্ৰ দেশতে বিপ্লৱী হেন্দোলনিৰ সৃষ্টি কৰে।

১৯৪২ চনৰ আগষ্টত ডেখেতে প্ৰকাশ্যভাৱে হ'-চি-মিন নাম লৈ চীনৰ জাপান বিৰোধী গেৰিলা যুদ্ধত অভিজ্ঞতা আহৰণৰ কাৰণে যায়। চিয়াং-কাই-শেক চৰকাৰে ডেখেতক গ্ৰেপ্তাৰ কৰি এবছৰ জেলৰ ভিতৰত ৰাখে। ডেখেতে জেলৰ ভিতৰত "জেল-ডায়েৰী" নাম দি বিপ্লৱী কবিতাৰ এখনি পুথি ৰচনা কৰে আৰু এই সময়ত জনসাধাৰণৰপৰা বিচ্ছিন্ন হোৱা আধাতত তাতকৈ মৃত্যুৱেই বাঞ্ছনীয় বুলি আক্ষেপ কৰি অশান্তিত কাল যাপন কৰে।

১৯৪৩ চনৰ ছেপ্টেম্বৰত ডেখেতে চীনা জেলৰপৰা মুক্তি লাভ কৰে। ডেখেতে চীনৰপৰা ঘূৰি আহি জাপ বিৰোধী আৰু ফৰাচী বিৰোধী সকলো

সংগঠনৰ লগত যোগাযোগ কৰে আৰু উভয় সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ৰাজনৈতিক আৰু সামৰিক উভয় সংগ্ৰাম পৰিচালনাৰ আঁচনি প্ৰকাশ কৰে।

প্ৰেছিডেণ্ট হ'-চি-মিনে সমগ্ৰ দেশৰ প্ৰতি পুনৰ এইবুলি আবেদন প্ৰচাৰ কৰে যে ইন্দোচীনৰ জাতীয় মুক্তি জাতিৰ দুৱাৰদলিত উপস্থিত। আন্তৰ্জাতিক আৰু জাতীয় পৰিস্থিতি তাৰ অনুকূল। এই সন্ধিক্ষণত দেশবাসীৰ কৰ্তব্য ফৰাচী আৰু জাপানী সাম্ৰাজ্যবাদক য'তে যেনেদৰে সম্ভৱ তেনেদৰে আঘাত কৰি জাতীয় স্বাধীনতাৰ জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠাৰ কাৰণে অগ্ৰসৰ হোৱা।

প্ৰেছিডেণ্ট হ'-চি-মিনে আজিৰ মুক্তিসেনাৰ অধ্যক্ষ জেনেৰেল গিয়াপক অধিনায়ক নিযুক্ত কৰি দেশজোৰা এক প্ৰচাৰ বাহিনী পঠায় আৰু সেই প্ৰচাৰ বাহিনীয়ে দেশৰ ইমূৰৰপৰা সিমূৰলৈ হ'-চি-মিনৰ বাণী আৰু পাৰ্টিৰ আহ্বান প্ৰচাৰ কৰে। জনসাধাৰণে বিপুল সঁহাৰি জনায়।

পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে এই কথাও দেশবাসীক সঁকিয়াই দিছিল যে ফেচিষ্ট জাপান আৰু ফৰাচী মিলিজুলি বেছি দিন থাকিব নোৱাৰে। অচিৰে এটাৰ লগত আনটোৰ পূৰ্ণ অধিকাৰ আদায়ৰ বিৰোধ আহি পৰিব। বাস্তৱতো ঘটিল সেয়ে। ১৯৪৫ চনৰ ৯ মাৰ্চত জাপান সামৰিক অভ্যুত্থান ঘটাই ক্ষমতা দখল কৰে আৰু ফৰাচীৰ হাতৰপৰা সম্পূৰ্ণ ক্ষমতা কাঢ়ি লয়। পাৰ্টিয়ে সকলো শক্তি জাপানৰ বিৰুদ্ধে প্ৰয়োগ কৰাৰ কাৰণে দেশবাসীলৈ আহ্বান জনায়।

১৯৪৫ চনৰ মে' মাহত প্ৰেছিডেণ্ট হ'-চি-মিনে টান ট্ৰাও অঞ্চললৈ আহে আৰু বিপ্লৱী সংগ্ৰাম পৰিচালনাৰ সম্পূৰ্ণ নেতৃত্ব গ্ৰহণ কৰে। তেখেতে পাৰ্টিৰ কেন্দ্ৰীয় নেতৃত্ব আৰু সামৰিক নেতৃত্বৰ যুটীয়া বৈঠকত অন্যান্য গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ লগতে তেতিয়ালৈকে মুক্তিবাহিনীয়ে মুক্ত কৰা ভিয়েত বাক্ (Viet Bac) অঞ্চল প্ৰতিষ্ঠাৰ আৰু মুক্তিবাহিনী গঠনৰ ঘোষণা কৰে।

এই মুক্ত এলেকাত দহোটা মূল নীতি ঘোষণা কৰা হয়। সেই দহোটা হ'ল—জাপানী শত্ৰুক আৰু দেশদ্ৰোহীৰ বহিষ্কাৰ, আক্ৰমণকাৰী আৰু দেশদ্ৰোহীৰ সম্পত্তি দখল কৰি দুখীয়া বাইজৰ মাজত বিতৰণ, সাৰ্বজনীন ভোটাধিকাৰ আৰু গণতান্ত্ৰিক অধিকাৰ, জনসাধাৰণৰ হাতত অস্ত্ৰ আৰু সকলোৱে গোৰিলা আৰু মুক্তিবাহিনীলৈ সমৰ্থন, ভূমি সংস্কাৰ কৰি কৃষকৰ হাতত মাটি দিয়া, আত্মনিৰ্ভৰশীল অৰ্থনীতি, খাজনা, কৰ-কাটলৰ ভাৰ লঘু কৰা, নিৰক্ষৰতাৰ বিৰুদ্ধে অভিযান, জনসাধাৰণৰ মাজত ৰাজনৈতিক শিক্ষা প্ৰচাৰ, সকলো জাতি, সম্প্ৰদায়ৰ আৰু পুৰুষ-তিৰোতাৰ সমান অধিকাৰ।

এই মুক্ত এলেকাৰ বাণীয়ে সমগ্ৰ দেশত-চেতনাক আগতকৈও বেছি সমৃদ্ধ কৰি তোলে। দেশত এক বিপ্লৱী পৰিস্থিতি ৰচিত হয়।

দ্বিতীয় বিশ্ব যুদ্ধ ফেচিবাদৰ সমাধি ঘটাই ওৰ পৰিল। জাৰ্মান আৰু ইটালীৰ ফেচিষ্ট বাহিনীয়ে ছোভিয়েত আৰু মিত্ৰবাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰে। জাপানী সমৰবাদীবো উত্তৰ চীনত ছোভিয়েতবাহিনীৰ হাতত সম্পূৰ্ণৰূপে পৰাজয় ঘটে। ইন্দোচীনত জাপানী দখলকাৰী সৈন্য বিমোৰ হৈ পৰে। এই অৱস্থাতে প্ৰেছিডেণ্ট হ'-চি-মিনে ক্ষমতা দখলৰ চূড়ান্ত আহ্বান জনায়।

১৯৪৫ চনৰ ১৫ আগষ্টত পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ আধিবেশনত ক্ষমতা দখলৰ চূড়ান্ত আঁচনি গৃহীত হয় আৰু পিছদিনাই আগৰ সিদ্ধান্ত অনুসৰি আহ্বান কৰি ৰখা জাতীয় কংগ্ৰেছত সেই আঁচনি গৃহীত হয়। ক্ষমতা দখলৰ বিশদ কাৰ্যসূচীৰ ভিতৰত প্ৰধানতঃ এক লক্ষ্যত মনোনিবেশ, ঐক্যবদ্ধভাবে আঘাত কৰা আৰু ঠিক সময়ত আঘাত কৰা এই তিনিটা মূল কথাৰ প্ৰতি লক্ষ্য ৰাখি অভ্যুত্থানৰ আহ্বান জনোৱা হয়।

এই আহ্বানত আগষ্ট মাহৰ এপৰ ধৰি সমগ্ৰ দেশত তুমুল সংগ্ৰাম চলে আৰু বিপ্লৱী বাহিনীয়ে দেশৰ বিভিন্ন অঞ্চল দখল কৰাৰ লগতে ৰাজধানী হানয় দখল কৰে। ভিয়েতনামৰ স্বাধীন সূৰ্য পুনৰ উদিত হ'ল।

ক্ষমতা হস্তগত হোৱাৰ পিছত প্ৰেছিডেণ্ট হ'-চি-মিনৰ পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় কমিটিয়ে অস্থায়ী চৰকাৰ সম্প্ৰসাৰিত কৰিবলৈ আৰু দেশে স্বাধীনতা লাভ কৰাৰ বিজয় উৎসৱ পালন কৰাৰ উদ্দেশ্যে ৰাজধানী হানয়ত এক বিশাল সমাবেশৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি ১৯৪৫ চনৰ ২ ছেপ্টেম্বৰত হানয়ত এক অভূতপূৰ্ব জনসমাবেশ হয়।

লাখ লাখ জনতাৰ এই সমাবেশত প্ৰেছিডেণ্ট হ'-চি-মিনে তেখেতৰ ঐতিহাসিক ঘোষণা পাঠ কৰে। সেই ঘোষণাৰদ্বাৰা তেখেতে ভিয়েতনামত ঔপনিবেশিক আৰু সামন্তবাদী শোষণৰ ওৰ পেলাই ভিয়েতনামবাসীয়ে এক নতুন গণতান্ত্ৰিক গণৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ কথা, ভিয়েতনামবাসীয়ে নিজৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব প্ৰতিষ্ঠাৰ বিজয় লাভৰ কথা বিশ্ববাসীক জনাই দিয়ে।

প্ৰেছিডেণ্ট হ'-চি-মিনৰ সেই ঘোষণা কেৱল ভিয়েতনামবাসীৰে শ শ বছৰৰ পৰাধীনতাৰ শিকলি ছিঙি ভিয়েতনামবাসীৰ কাৰণে অভূতপূৰ্ব বিজয় লাভৰ প্ৰথম ঘোষণা নহয়; সেই ঘোষণা সমগ্ৰ ঔপনিবেশিক জগতৰ কাৰণেই সাম্ৰাজ্যবাদৰপৰা মুক্ত হৈ স্বাধীনতা, শান্তি আৰু সমাজতন্ত্ৰৰ ফালে আগবঢ়াৰো প্ৰথম ঘোষণা।

৫

জাতীয় মুক্তিৰ নতুন পৰ্যায়

"আমাৰ জনসাধাৰণ অবিভক্ত। ভিয়েতনাম অখণ্ড। আমাৰ জনসাধাৰণে অৱশ্যেই সকলো বাধা-বিঘিনী অতিক্ৰম কৰিব আৰু যি কোনো মূল্য দি হলেও দেশক পুনৰ লগ লগাব—উত্তৰ দক্ষিণ উভয়কে একে আচ্ছাদনৰ তললৈ আনিব।"

—প্ৰেচিডেণ্ট হ'-চি-মিন

সন্তজাত ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰই জন্মৰ দিন ধৰি এফালে বাহিৰৰ শত্ৰুৰ আক্ৰমণ আৰু আনফালে দেশৰ ভিতৰত অৰ্থনৈতিক পৰিস্থিতি পুনৰ গঠনৰ বিৰাট সঙ্কটৰ সমুখ হব লগা হৈছিল। দ্বিতীয় মহা যুদ্ধৰ কালছোৱাৰ ভিতৰত জাপানী আৰু ফৰাচী সাম্ৰাজ্যবাদীৰ শোষণ পীড়নৰ ফল স্বৰূপে ভিয়েতনামৰ এক বিৰাট এলেকাত দুৰ্ভিক্ষ আৰু মহামাৰীয়ে দেখা দিছিল। হাজাৰ হাজাৰ মানুহ মৃত্যুৰ মুখত পৰিছিল। তাৰ পিছতে আহি পৰিল এটা অকলত ব্যাপক বানপানী আৰু আন ফালে তীব্ৰ খৰাং। চাৰিওফালে উৎপাদন প্ৰায় বন্ধ। খাদ্য আৰু অন্যান্য বস্তুৰ অভাৱ। সকলো ঠাইতে হাহাকাৰ।

ঠিক এনে অৱস্থাতে ভূতৰ ওপৰত দানহৰ দৰে চীনৰপৰা চিয়াং কাই শেকে পঠোৱা ২০০ ০০০ সৈন্যই উত্তৰৰপৰা ভিয়েতনামলৈ জোৰ কৰি সোমাই আহে। প্ৰচাৰ কৰা হৈছিল যে সেই সৈন্য মিত্ৰবাহিনীৰ নিৰ্দেশ ক্ৰমে ইন্দোচীনত থকা জাপানী সৈন্যক নিৰস্ত্ৰ কৰাৰ কাৰণেহে আহিছিল। আচলতে কিন্তু চিয়াং কাই শেকৰ বাহিনী আহিছিল আমেৰিকান সাম্ৰাজ্যবাদৰ বহুতীয়া সৈন্য হিচাপে। চিয়াংকাই শেকৰ সৈন্যবাহিনীৰ গোপন উদ্দেশ্য আছিল ভিয়েতনামত কমিউনিষ্ট প্ৰাধান্য শেষ কৰা, ভিয়েতমিন জাতীয় ঐক্য শিবিৰ

ভাঙি দিয়া আৰু ভিয়েতনামৰ প্ৰতিক্ৰিয়াশীল চক্ৰক নয় প্ৰতিষ্ঠিত চৰকাৰ ওকৰাই দিয়াৰ কাৰণে সহায় কৰা যাতে আমেৰিকাৰ পুতলা চৰকাৰ এটা তাৰ ঠাইত প্ৰতিষ্ঠা হ'ব পাৰে। দক্ষিণৰপৰাও জাপানী নিৰস্ত্ৰ কৰাৰ নামত মিত্ৰ বাহিনীৰ পক্ষৰপৰা বৃটিছ সৈন্য আগবাঢ়ি আহিল। বৃটিছে সহায় কৰিছিল ফৰাচীবাহিনীক। বৃটিছৰ সহায়ত ফৰাচীয়ে নাম-ব' আৰু ট্ৰং ব' অঞ্চল দখল কৰি সমগ্ৰ ইন্দোচীন পুনৰ দখলৰ সপোন দেখিছিল। দেশৰ ভিতৰত জমিদাৰ শ্ৰেণীৰ অৱশিষ্ট বা অন্যান্য প্ৰতিক্ৰিয়াশীল গোষ্ঠীয়ে চিয়াংবাহিনী, বৃটিছবাহিনী আৰু ফৰাচীবাহিনীক সহায় কৰিবলৈ ধৰিলে।

এনে পৰিস্থিতিত ১৯৪৫ চনৰ ২৫ নৱেম্বৰত পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে প্ৰতিৰোধ সংগ্ৰাম শক্তিশালী কৰাৰ কাৰণে আৰু দেশৰ পুনৰ গঠনৰ কৰ্তব্য সম্পাদন কৰাৰ কাৰণে দেশবাসীলৈ আহ্বান জনায়। এই নীতিৰ প্ৰতি দেশবাসীৰ সমৰ্থন লাভৰ কাৰণে পাৰ্টি আৰু চৰকাৰে এনে পৰিস্থিতিৰ মাজতে ১৯৪৬ চনৰ ৬ জানুৱাৰীত সাধাৰণ নিৰ্বাচন ঘোষণা কৰে।

নিৰ্বাচনত সাম্ৰাজ্যবাদী আৰু প্ৰতিক্ৰিয়াশীল শক্তিয়ে সশস্ত্ৰ পন্থাৰে প্ৰতিৰোধ দিবলৈ চেষ্টা কৰিছিল। নাম-ব' প্ৰদেশতে নিৰ্বাচনী প্ৰচাৰত ৪২ জন দেশ সেৱকে প্ৰাণ দিব লগীয়া হৈছিল। অথচ জাতীয় ঐক্যৰ শিবিৰে বিপুল বিজয় লাভ কৰে। কেন্দ্ৰীয় জাতীয় পৰিষদলৈ আৰু স্থানীয় জন প্ৰতিনিধিমূলক সংস্থাসমূহলৈ জাতীয় ঐক্য শিবিৰৰ প্ৰাৰ্থীসকল বিপুল ভোটত নিৰ্বাচিত হ'ল। হ'-চি-মিন সভাপতি, ফাম-ভান্-ডং প্ৰধান মন্ত্ৰী আৰু নগুৱেন গিয়াপ্ পুনৰ সেনাধ্যক্ষৰ পদত অধিষ্ঠিত হয়।

নিৰ্বাচনৰ পিছত প্ৰশাসন আৰু বেছি দৃঢ় কৰাৰ মানসেৰে ভিয়েতমিন ফ্ৰণ্ট বা জাতীয় ঐক্য শিবিৰৰ ভিতৰত যি কোনো কাৰণতে নথকা দেশপ্ৰেমিক শক্তিসমূহকো যাতে দেশ গঠন কামত অংশ গ্ৰহণ কৰাব পৰা যায় তাৰ কাৰণে ১৯৪৬ চনৰ মে' মাহত "লিয়েন ভিয়েত" বা ভিয়েতনাম জাতীয় ঐক্য সংস্থা গঠন কৰা হ'ল আৰু এয়ে ব্যাপক জনসাধাৰণৰ ক্ষমতা ৰক্ষাৰ সংগঠন স্বৰূপ হৈ পৰে।

১৯৪৬ চনৰ ৯ নৱেম্বৰত ভিয়েতনাম গণৰাষ্ট্ৰই ভিয়েতনামৰ কাৰণে নতুন সংবিধান ঘোষণা কৰে। এই সংবিধান আছিল সমাজতন্ত্ৰৰ পথত আগবঢ়াৰ সংবিধান।

এনেদৰে জনসাধাৰণৰ বিপুল সমৰ্থন লাভ কৰি বিপ্লৱী চৰকাৰে প্ৰথম

বছৰৰ ভিতৰতে বিবিলাক প্ৰধান সাফল্য লাভ কৰিছিল তাৰ ভিতৰত হ'ল আগৰ তুলনাত চাৰিভাগৰ এভাগ খাজনা বেহাই, ফৰাচী আৰু দেশদ্ৰোহী ভিয়েতনামীবিলাকৰ মাটি বাজেয়াপ্ত আৰু সেই মাটি ভূমিহীন কৃষকৰ মাজত বিতৰণ, চৰকাৰী মাটি সকলোৰে মাজত সম-বিতৰণ, দিনে ৮ ঘণ্টা কাম, শ্ৰমিকৰ অধিকাৰ ৰক্ষাৰ ব্যৱস্থা। লগে লগে দুৰ্ভিক্ষ, নিৰক্ষৰতা আৰু বিদেশী আক্ৰমণৰ বিৰুদ্ধে অভিযান চলোৱা। দেশবাসীৰ পৰিপূৰ্ণ সহযোগৰ ফলত এবছৰৰ ভিতৰতে দেশত প্ৰচুৰ খাদ্য উৎপন্ন হ'ল। দুৰ্ভিক্ষ দূৰ হ'ল। সাংস্কৃতিক, শিক্ষা, স্বাস্থ্য, আদি বিষয়ত প্ৰাধান্য দিয়া হ'ল। এবছৰৰ ভিতৰতে ২০ লাখতকৈও অধিক নিৰক্ষৰ লোকক লিখা-পঢ়া কৰিব পৰাৰ শিক্ষা দি সচেতন নাগৰিক হোৱাৰ ব্যৱস্থা কৰা হ'ল।

উত্তৰৰপৰা চিয়াং-কাই-শেকৰ বাহিনী আৰু দক্ষিণৰপৰা ফৰাচীবাহিনীৰ আক্ৰমণৰ মাজত জাতীয় পুনৰ্গঠনৰ দায়িত্ব পালনৰ লগতে নতুন চৰকাৰে উভয় ফালৰ আক্ৰমণ প্ৰতিহত কৰাৰ কাৰ্যকৰী নীতি গ্ৰহণ কৰে। সেই সময়ত চীনতো কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত বিপ্লৱ সাফল্যৰ ফালে আগ বঢ়াত চিয়াং-চক্ৰ যে প্ৰধান শত্ৰু নহয় ফৰাচীহে প্ৰধান শত্ৰু সেই কথা সোঁৱৰাই দি পাৰ্টিয়ে ফৰাচীৰ কবলত থকা দক্ষিণ ভিয়েতনাম মুক্ত কৰাৰ কাৰণে অভিযান চলোৱাৰ আহ্বান জনায়।

চিয়াংকাই-শেকে নিজৰ দেশৰ অৱস্থা শোচনীয় হৈ পৰাত ১৯৪৬ চনৰ ফেব্ৰুৱাৰীত আমেৰিকাৰ নিৰ্দেশত ফৰাচীৰ লগত চুক্তি কৰে আৰু সেই চুক্তি অনুসৰি চীনা সৈন্যৰ ঠাই ফৰাচী সৈন্যই অধিকাৰ কৰে। এনে অৱস্থাত বিপ্লৱী চৰকাৰে প্ৰস্তুতিৰ সময় লোৱাৰ কাৰণে ১৯৪৬ চনৰ ৬ মাৰ্চত ফৰাচীৰ লগত আলোচনাৰ চৰ্ত আগ বঢ়ায়। তাৰ ৪ মাহৰ পিছত জুলাইৰ ৬ তাৰিখে আৰু ছেপ্টেম্বৰ মাহৰ ১৪ তাৰিখে ফৰাচীৰ লগত দুখন চুক্তি হয়।

এই চুক্তিৰদ্বাৰা লাভ হৈছিল এয়ে যে ফৰাচী দেশত প্ৰগতিবাদী জনসাধাৰণে বিপ্লৱী চৰকাৰৰ প্ৰচেষ্টাত সমৰ্থন জনাইছিল আৰু বিপ্লৱী চৰকাৰেও প্ৰস্তুতিৰ কাৰণে সময় পাইছিল। সেয়ে নহলে দুয়োফালৰ আক্ৰমণত সদ্যজাত বিপ্লৱী চৰকাৰ হয়তো তিষ্ঠি থকাই টান হৈ পৰিলহেঁতেন। চুক্তিৰ এই সিদ্ধান্ত আছিল সেই কাৰণেই অতি বিচক্ষণ কৌশলৰ।

ফৰাচীয়েহে দুমাহ পিছতে চুক্তি ভংগ কৰে। ১৯৪৬ চনত ডিচেম্বৰ মাহৰ ২০ তাৰিখে ফৰাচীয়ে পুনৰ আক্ৰমণ কৰে আৰু বিপ্লৱী চৰকাৰেও সমগ্ৰ দেশজুৰি

সুদীৰ্ঘ প্ৰতিৰোধ সংগ্ৰামৰ কাৰণে আহ্বান জনায়। সকলো ঠাইতে ফৰাচীৰ লগত খণ্ডযুদ্ধ চলে আৰু উভয় পক্ষই চূড়ান্ত বিজয়ৰ কাৰণে চেষ্টা চলায়।

১৯৪৭ চনৰ জাৰকালি ভিয়েত বাক্ প্ৰদেশত ফৰাচীয়ে ব্যাপক আৰু তীব্ৰ আক্ৰমণ আৰম্ভ কৰিছিল। কিন্তু বিপ্লবী চৰকাৰৰ কৌশল আৰু দেশপ্ৰেমিক বীৰসকলৰ আত্মত্যাগৰ কাৰণে ভিয়েত বাকৃত (Viet Bac) দেশপ্ৰেমিক বাহিনীৰ বিজয় ঘটে। এই বিজয়ৰ পিছত ভিয়েতনামৰ সকলো ঠাইতে একালে বিপ্লবী চৰকাৰৰ ওপৰত আস্থা আৰু আন ফালে শত্ৰুৰ বিৰুদ্ধে একতা বাঢ়ি আহে আৰু মুক্তিবাহিনীৰ অগ্ৰগতিও ক্ৰমে বাঢ়ি যায়।

যুদ্ধৰ ব্যাপকতাৰ মাজতো পাৰ্টি আৰু বিপ্লবী চৰকাৰে "যুদ্ধ সীমান্ত বিজয়ৰ অৰ্থেই সকলো" কৰ্তব্য পালন কৰাৰ নীতি গ্ৰহণ কৰি জনসাধাৰণৰ অৰ্থনৈতিক বিকাশৰ কাৰণে ৰাষ্ট্ৰীয় পৰিকল্পনা, ৰাষ্ট্ৰৰ অধীনত উদ্যোগ গঢ়ি তোলা, দেশৰ সকলো লোকবল আৰু সম্পদ সম্পূৰ্ণৰূপে প্ৰয়োগ কৰাৰ আঁচনি বাস্তৱত ৰূপায়িত কৰি তোলে। এই সময়ছোৱাৰ ভিতৰত প্ৰেছিডেণ্ট হ'-চি-মিনে "কামৰ পদ্ধতি" নামেৰে এখন পুস্তিকা লিখে। সেই পুস্তিকা সকলো দেশপ্ৰেমিকৰ হাতে হাতে দেখা গৈছিল।

সাম্ৰাজ্যবাদৰ দালালবিলাকে সেই সময়ত মুক্তিবাহিনীৰ অস্ত্ৰ-শস্ত্ৰ নোহোৱা অৱস্থাটোৰ প্ৰতি তাচ্ছিল্য কৰি প্ৰচাৰ চলাইছিল যে মুক্তিবাহিনীৰ আক্ৰমণ হাতীৰ ছালত ফৰিঙৰ কামোৰৰ দৰে। সি হাতীৰ কাঁহি পাতেও গা নাকাটে। সেই দাস মনোবৃত্তিৰ দুৰ্বলচিতীয়া মানুহবিলাকৰ পটন্তৰৰ উত্তৰত পাৰ্টিৰপৰা কোৱা হৈছিল যে সঁচা বৰ্তমান আমাৰ আক্ৰমণ হাতীৰ গাত ফৰিঙৰ কামোৰ হব পাৰে। কিন্তু এদিন পৰাক্ৰমী বনৰজা ঢেকীয়াপতীয়া বাঘৰ আক্ৰমণত সেই হাতীৰো নাড়ি-ভুৰি বাহিৰ ওলাবলৈ বেছি দিন নাই।

পাৰ্টিৰ দ্বিতীয় কংগ্ৰেছ

১৯৪৯ চনৰ অক্টোবৰ মাহত চীনত বিপ্লৱে সফলতা লাভ কৰে আৰু চীনৰ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত চীনা জনগণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা হয়। ১৯৫০ চনৰ জানুৱাৰী মাহত ছোভিয়েত ইউনিয়ন আৰু উভয়ে ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰৰ স্বীকৃতি প্ৰদান কৰে আৰু কূটনৈতিক সম্পৰ্ক স্থাপন কৰে। এই দুই সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰপৰা ভিয়েতনামৰ বিপ্লবী চৰকাৰে সকলো প্ৰকাৰৰ সাহায্য পাবলৈ ধৰে।

যুদ্ধৰ সৰ্বাত্মক প্ৰস্তুতি আৰু জাতীয় পুনৰ্গঠনৰ ক্ৰম্ভ কাৰ্যসূচী নিৰ্ধাৰণৰ কাৰণে ১৯৫১ চনৰ ফেব্ৰুৱাৰী মাহত ভিয়েতনাম কমিউনিষ্ট পাৰ্টিৰ দ্বিতীয় কংগ্ৰেছ অনুষ্ঠিত হয়। এই পাৰ্টি কংগ্ৰেছত গৃহীত প্ৰতিবেদনত এই কথা কোৱা হয় যে ভিয়েতনামৰ দৰে ঔপনিবেশিক দেশত ধনিক গণতান্ত্ৰিক বিপ্লৱৰ চৰিত্ৰ জাতীয় আৰু সমগ্ৰ জনসাধাৰণৰ গণতান্ত্ৰিক বিপ্লৱ। এই বিপ্লৱত কৰ্তব্য হ'ল কেৱল সাম্ৰাজ্যবাদ আৰু সামন্তবাদক উচ্ছেদ কৰাই নহয় শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত ই সমূহ জনসাধাৰণৰ কাৰণে এক গণতান্ত্ৰিক শাসন প্ৰৱৰ্তন কৰিব লাগিব আৰু সমাজতান্ত্ৰিক সমাজৰ বীজ ৰোপণ কৰি তাক সমাজতন্ত্ৰলৈ বিকশিত কৰিব লাগিব। পাৰ্টি কংগ্ৰেছে সাম্ৰাজ্যবাদৰ উচ্ছেদ আৰু দেশৰ কাৰণে পৰিপূৰ্ণ স্বাধীনতা লাভ সৰ্বপ্ৰথম কৰ্তব্য হিচাপে স্থিৰ কৰি দেশবাসীলৈ আহ্বান জনায়। এই আহ্বানত দেশে জনোৱা বিপুল সঁহাৰিৰ চিন স্বৰূপেই ভিয়েতমিন আৰু লিয়েন ভিয়েত নামৰ যি দুই গণ প্ৰতিষ্ঠান আছিল, শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত এই দুয়োটা সংগঠন চামিল হয়। দ্বিতীয় পাৰ্টি কংগ্ৰেছৰ পিছত পাৰ্টিৰ সভ্যসংখ্যা দ্ৰুতগতিত বাঢ়ি আহে আৰু পাৰ্টিৰ ভিতৰত কঠোৰ শৃংখলা প্ৰয়োগ কৰি পাৰ্টিক যি কোনো অৱস্থাৰ সমুখ হব পৰা ধৰণে গঢ়ি তোলা হয়। "নাঙল যাৰ মাটি তাৰ" নীতি সম্পূৰ্ণৰূপে কামত লগোৱা হয়। অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত বহু কাৰ্যকাৰী পদ্ধতি অনুসৰণ কৰা হয়। ইয়াৰ ফলতে সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজত দৃঢ়তা, একতা আৰু প্ৰতিৰোধ শক্তি বিপুলভাৱে বাঢ়ি যায়।

দিয়েন-বিয়েন-ফুৰ ঐতিহাসিক বিজয়

ইতিমধ্যে কোৰিয়াত আমেৰিকান ফৌজৰ বিপৰ্যয় ঘটে। চীনত আগতেই (১৯৪৯ চনত) কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বৰ জনগণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা হৈছে। ছোভিয়েত ইউনিয়ন, চীন, কোৰিয়া আৰু ভিয়েতনামত সমাজতন্ত্ৰৰ বিজয় অগ্ৰগতিয়ে আমেৰিকান সাম্ৰাজ্যবাদক ভীত কৰি তোলে। সেই কাৰণেই ভিয়েতনামত 'কমিউনিষ্ট অগ্ৰগতি' বন্ধ কৰাৰ ব্যৰ্থ অভিপ্ৰায়েৰে আমেৰিকাই ফৰাচী বাহিনীক সকলো প্ৰকাৰৰ সাহায্য আৰু পৰামৰ্শ দিবলৈ ধৰে।

আমেৰিকাৰ পৰামৰ্শমতে ১৯৫৩ চনৰ মাজভাগত নাভেৰেক সেনাধ্যক্ষ নিযুক্ত কৰি ১৯৫৪ চনৰ ডিচেম্বৰৰ ভিতৰত সমগ্ৰ ভিয়েতনাম পুনৰ দখলৰ আঁচনি প্ৰস্তুত কৰে আৰু সেই অনুসাৰেই দেশৰ সমতল, পাহাৰ, উপকূল আদিলৈ যুদ্ধৰ সম্প্ৰসাৰণ ঘটায়।

শত্ৰুৰ এই ১৮ মহীয়া পৰিকল্পনাৰ বিৰুদ্ধে পাৰ্টিয়ে এক বছৰৰ পৰিকল্পন গ্ৰহণ কৰে আৰু শত্ৰু য'তে দুৰ্বল তাতে প্ৰবল আক্ৰমণ চলাই শত্ৰুৰ ঘাঁটি দখল কৰাৰ পৰিকল্পনা কৰে। দেশজুৰি গেৰিলা যুদ্ধক উৎসাহ দিয়া হয়।

১৯৫৩ চনৰ নৱেম্বৰ মাহত ফৰাচী অধিনায়ক নাভেৰে দিয়েন-বিয়েন-ফু নামৰ ঠাইত কেন্দ্ৰীয় ছাউনি পাতি তাৰে পৰাই যুদ্ধ পৰিচালনাৰ পৰিকল্পনাৰে ৫০০০ সৈন্য আকাশীযানৰপৰা পেৰাচুটেৰে নমায়। তাৰ অলপ দিনৰ ভিতৰতে কেউফালৰপৰা বিপুল সৈন্য আনি দিয়েন-বিয়েন-ফুক সমগ্ৰ ইন্দোচীনৰ আক্ৰমণ চলোৱাৰ প্ৰধান ঘাঁটি হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰে।

পাৰ্টি নেতৃত্বই শত্ৰুৰ এই চক্ৰান্ত যথাসময়ত বুজিব পাৰে আৰু ভিয়েতনাম গণবাহিনীৰ সেনাধ্যক্ষ জেনেৰেল নগুৱেন গিয়াপক দিয়েন-বিয়েন-ফুৰ বিৰুদ্ধে অভিযানৰ দায়িত্ব অৰ্পণ কৰে। পাৰ্টিয়ে সমূহ পাৰ্টিসদস্য, সৈন্যবিভাগ আৰু জনসাধাৰণক অতি কম সময়ৰ ভিতৰত দিয়েন-বিয়েন-ফুৰ বিজয় যাতে সম্ভৱপৰ হয় তাৰ কাৰণে আহ্বান জনায়। সেই আহ্বানত পাৰ্টি, সৈন্যবাহিনী আৰু দেশবাসীয়ে এনে অভাৱনীয় ঐক্যৰে সঁহাৰি জনায় যে সাধাৰণ কোব-কুঠাৰ, দা, খাঠি আদিৰে দিয়েন-বিয়েন-ফুলৈ কেউফালে ঘেৰা পৰ্বতৰ অটব্য হাবিৰ মাজেদি অলপ দিনৰ ভিতৰতে শ শ মাইল আলিবাট বান্ধি উলিয়ায়, শত্ৰুৰ আক্ৰমণৰ মাজতে আক্ৰমণৰপৰা ৰক্ষা পোৱাৰ কাৰণে অসংখ্য গড়খাৱৈ খানি উলিয়ায় আৰু কেউফালৰ জনসাধাৰণে নিজৰ হাতৰ খাঠি-জোং, আধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু খাদ্য সামগ্ৰী যুদ্ধ ক্ষেত্ৰলৈ আনিব পৰা কৰে। ২০০০০০ দেশপ্ৰেমিকে দিনে ৰাতিয়ে কাম কৰি নিচেই কম দিনৰ ভিতৰতে প্ৰাথমিক প্ৰস্তুতি সম্পূৰ্ণ কৰে। হাজাৰ হাজাৰ চাইকেল, ম'হৰ গাড়ী, ঘোঁৰা গাড়ী, গৰু গাড়ী, নাও, ৰচদ-পাতি, অস্ত্ৰ-শস্ত্ৰ আৰু মানুহ অনা-নিয়াৰ কাৰণে ব্যৱস্থা সম্পূৰ্ণ কৰা হ'ল। কেবা হাজাৰো যুৱক আৰু কাৰিকৰী শিক্ষা পোৱা বৈজ্ঞানিকে শত্ৰুৱে বাটত পোতা সময়বোমা ফুটুটা কৰা বা শত্ৰুৰ অন্যান্য কৌশল ব্যৰ্থ কৰাৰ কামত আৰু প্ৰতিৰোধ দিয়াত আত্মনিয়োগ কৰিছিল।

গাঁও এলেকাত ফৰাচী আৰু দেশীয় জমিদাৰ শ্ৰেণীৰ বিৰুদ্ধে "নাঙল যাৰ মাটি তাৰ" ধ্বনিয়ে কৃষকসকলক স্বতঃস্ফূৰ্তভাৱে ঐক্যবদ্ধ কৰি তুলিছিল আৰু কৃষকে নিজৰ যথাসৰ্বস্ব দি মুক্তিবাহিনীৰ সহায় কৰিছিল। মুক্তিবাহিনীৰ সমূহ সৈনিক আছিল কৃষকসকলৰ মাজৰপৰাই আত্মত্যাগৰ সংকল্পৰে ওলাই অহা বীৰ সন্তান।

প্ৰায় দুমাহ (৫৫ দিন) দিনে ৰাতিয়ে চলা তত্মাময়া যুদ্ধৰ পিছত ১৯৫৪ চনৰ মে' মাহৰ ৭ তাৰিখে মুক্তিবাহিনীয়ে সম্পূৰ্ণ বিজয় লাভ কৰে। ফৰাচী সেনাধ্যক্ষ ডি কাষ্ট্ৰিজক (De Castries) আগত লৈ বগা কাপোৰ উৰুৱাই ১৬০০০ ফৰাচী সৈন্যই আত্মসমৰ্পণ কৰে। দিয়েন-বিয়েন-ফু দখল হয়। এই যুদ্ধত শত্ৰু পক্ষৰ ১১২০০০ সৈন্য নিহত হয়।

প্ৰতিৰোধ সংগ্ৰামত দিয়েন-বিয়েন-ফুৰ বিজয়েই হ'ল সকলোতকৈ বেছি গৌৰৱৰ, সকলোতকৈ বেছি গুৰুত্বৰ। দিয়েন-বিয়েন-ফুৱে আমেৰিকা আৰু ফৰাচীৰ যুটীয়া ষড়যন্ত্ৰ ব্যৰ্থ কৰি পাৰ্টিৰ অনুসৃত নীতি বিশ্বৰ সমুখত নিৰ্ভুল প্ৰমাণিত কৰিলে আৰু নাভেৰে পৰিকল্পনা ধূলিস্মাৎ কৰি সমগ্ৰ বিশ্বৰ মুক্তি সংগ্ৰামৰ প্ৰতি এক নতুন প্ৰেৰণাৰ সৃষ্টি কৰে।

জেনেভা সন্মিলন

দিয়েৰ-বিয়েন-ফুৰ ঐতিহাসিক বিজয়ৰ পিছত ফৰাচীয়ে বিপ্লৱী চৰকাৰৰ লগত সন্ধি চুক্তি কৰিবলৈ সন্মত হয় আৰু সেই অনুসাৰেই ১৯৫৪ চনৰ ২৬ এপ্ৰিলত জেনেভাত বৃহৎ শক্তিসমূহৰ সন্মিলন বহে। আঢ়ৈ মাহ (৭৫ দিন) জোৰ আলোচনাৰ পিছত জেনেভা সন্মিলন সমাপ্ত হয়। আৰু তাৰ ফলাফল বিজয়ী ভিয়েতনামৰ অনুকূলে গৃহীত হয়।

জেনেভা চুক্তি অনুসৰি ফৰাচীয়ে ভিয়েতনাম, লাওচ আৰু কাম্বডিয়াৰ আঞ্চলিক অখণ্ডতা, একতা আৰু স্বাধীনতা স্বীকাৰ কৰি লৈ ইন্দোচানত শান্তি প্ৰতিষ্ঠাৰ কাৰণে সন্মত হয়। সিদ্ধান্ত হয় যে আন্তৰ্জাতিক পৰ্যবেক্ষকৰ উপস্থিতিত ২ বছৰৰ ভিতৰত (১৯৫৬ চনৰ ২০ জুলাই) সমগ্ৰ ইন্দোচীনত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হব। এই তিনিওখন ৰাজ্যত কোনো বিদেশী সৈন্য নাথাকিব, কোনো দেশে অস্ত্ৰ-শস্ত্ৰৰ যোগান নধৰিব, কোনো সামৰিক জোঁটৰ লগত এই তিনি দেশৰ এখনো জড়িত নাথাকিব আৰু ইয়াৰ কোনো ঠাইতে বিদেশী সৈন্যৰ ঘাঁটি স্থাপনো হব নোৱাৰিব। ১৯৫৫ চনৰপৰাই তিনিও দেশৰ মাজত নিৰ্বাচনৰ প্ৰস্তুতি চলিব। নিৰ্বাচন পৰ্যবেক্ষণ কৰাৰ কাৰণে ভাৰত, পোলেণ্ড আৰু কানাডাক লৈ এক আয়োগ গঠিত হয় আৰু ভাৰত সেই আয়োগৰ সভাপতি নিৰ্বাচিত হয়।

ভিয়েতনামৰ ঐক্য তৌতয়াই স্বীকৃত নহলেও সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিত নিৰ্বাচন হোৱাৰ প্ৰতিশ্ৰুতিত ভিয়েতনামে জেনেভা চুক্তি মানি লয়। জেনেভা

চুক্তিয়ে ভিয়েতনাম গণৰাষ্ট্ৰক বিশ্বজনীন স্বীকৃতি প্ৰদান কৰে আৰু প্ৰায় ৯ বছৰ ধৰি চলা যুদ্ধৰ পৰিসমাপ্তি ঘটাই দেশ পুনৰ্গঠনৰ কামত আত্মনিয়োগ কৰাৰ কাৰণে কিছু সময় নিয়ে। আনহাতে জেনেভা সম্মিলনে আৰু এটি নতুন অধ্যায়ৰো সূচনা কৰিলে। সেই অধ্যায় হ'ল দক্ষিণ-পূব এচিয়াত ফৰাচী উপনিবেশিকবাদৰ অৱসানৰ লগে লগে নব-উপনিবেশবাদৰ নীতিৰে ভিয়েতনামত আমেৰিকাৰ প্ৰত্যক্ষ হস্তক্ষেপ আৰম্ভ হ'ল।

৬

আমেৰিকাৰ নৱ-উপনিবেশবাদ ঃ বৰ্বৰতাৰ নমুনা

"জাপানী, ফ্ৰাচী আৰু আমেৰিকান এই সকলোৱেই ভিয়েতনামবাসীক বশ্যতা স্বীকাৰ কৰোৱাৰ কাৰণে চেষ্টা চলাই আহিছে। অৱশ্যে সকলো চেষ্টাই ব্যৰ্থ হৈছে। কিন্তু বৰ্বৰতাৰ ফালৰপৰা ভিয়েতনামবাসীৰ ওপৰত আমেৰিকানে যি বৰ্বৰতা চলাইছে তাৰ লগত ফ্ৰাচী বা জাপানীয়ে চলোৱা বৰ্বৰতাৰ কোনো তুলনাই নহয়।"

—বাৰ্ট্ৰাণ্ড ৰাছে'ল

[ভিয়েতনাম সংহতি সন্মিলনৰ বক্তৃতা, লণ্ডন ৪ জুন, ১৯৬৬]

জেনেভা চুক্তিৰ লগে লগেই আমেৰিকাই প্ৰত্যক্ষভাৱে হস্তক্ষেপৰ কাৰণে আগ বাঢ়ি আছে। জেনেভা চুক্তি চহী কৰাৰ সময়ত আমেৰিকা তাৰপৰা বিৰত আছিল। আমেৰিকাৰ প্ৰতিনিধি মিঃ বেডেল স্মিথে ঘোষণা কৰিছিল যে আমেৰিকাই জেনেভা সন্মিলনৰ সিদ্ধান্তসমূহ কাৰ্যকৰী হোৱাত যাতে কোনো ব্যাঘাত নহয় তাৰ কাৰণে ভীতি প্ৰদৰ্শন বা শক্তি প্ৰয়োগৰপৰা বিৰত থাকিব। কিন্তু জেনেভা চুক্তি স্বাক্ষৰিত হোৱাৰ (১৯৫৪ চনৰ ২০ জুলাইত) পিছৰপৰাই আমেৰিকাই সেই চুক্তি যাতে ব্যৰ্থ হয় তাৰ কাৰণে আন কৌশল চলাবলৈ ধৰে।

চুক্তি কাৰ্যকৰী কৰাৰ উদ্দেশ্যত উত্তৰ আৰু দক্ষিণ ভিয়েতনামৰ জনসাধাৰণৰ মাজত ব্যাপক যোগাযোগ আৰু শান্তি প্ৰচেষ্টা আৰম্ভ হয়। আমেৰিকান সাম্ৰাজ্যবাদে এই আন্দোলনৰ যাতে সম্প্ৰসাৰণ নঘটে তাৰ কাৰণে দক্ষিণ ভিয়েতনামৰ ডিয়েম চৰকাৰক উচটাবলৈ ধৰে। আমেৰিকাই আগৰে মাহৰপৰাই

দাবী তুলিবলৈ ধৰে যে প্ৰস্তাৱিত নিৰ্বাচন হব লাগিব জাতিসংঘৰ পৰ্যবেক্ষকৰ উপস্থিতিত। জেনেভা সন্মিলনত হোৱা সিদ্ধান্ত অনুসৰি গঠিত হোৱা আয়োগৰ উপস্থিতিত নহয়। আমেৰিকাই লগতে আৰু দাবী তুলিলে যে উত্তৰ ভিয়েতনামত কমিউনিষ্টৰ একনায়কত্ববাদী ক্ষমতা চলি আছে। তাত প্ৰকৃত গণতন্ত্ৰ নাই। গতিকে নিৰ্বাচন আয়োগৰ পৰ্যবেক্ষণৰ তলত নহৈ জাতিসংঘৰ পৰ্যবেক্ষণৰ তলত হব লাগিব। (কাৰণ জাতিসংঘত তেতিয়া আমেৰিকাৰ পুতলা স্বৰূপ ৰাষ্ট্ৰৰ সংখ্যা আছিল বেছি)।

ভিয়েতনামত আমেৰিকাৰ স্বাৰ্থ

আমেৰিকাৰ আচল ভয়ৰ কাৰণ হ'ল জেনেভা চুক্তি মতে বিভক্ত হোৱা উত্তৰ আৰু দক্ষিণ ভিয়েতনামৰ জনসংখ্যাৰ বেছিভাগ পৰিছে উত্তৰ ভিয়েতনামত। তদুপৰি প্ৰেছিডেণ্ট হ'-চি-মিনৰ নেতৃত্বত তাত প্ৰতিষ্ঠিত হোৱা ৰাষ্ট্ৰ ব্যৱস্থা জনসাধাৰণৰ মাজত ইমান প্ৰিয় হৈ পৰিছিল যে আনকি আমেৰিকাৰো কোনো কোনো সংবাদপত্ৰই গণভোট হলে যে হ'-চি-মিনৰ নেতৃত্বই বিপুল সাফল্য লাভ কৰিব সেই বিষয়ে সন্দেহ নথকাৰ কথা প্ৰকাশ কৰিছিল। বৃটিছ পাৰ্লামেণ্টৰ ছ'চিয়েলিষ্টৰ সদস্য উইলিয়াম ৱাৰ্‌বিয়ে তেখেতৰ প্ৰখ্যাত "ভিয়েতনাম দি ট্ৰুথ" নামৰ গ্ৰন্থত উল্লেখ কৰিছে :

> "বাস্তৱিকতে হ'-চি-মিন আৰু তেখেতৰ অনুগামীসকল তেওঁলোকে স্বাধীনতাৰ কাৰণে চলোৱা দৃঢ় সংগ্ৰামৰ যোগে এনে দৰে জনপ্ৰিয় হৈ উঠিছিল যে পশ্চিমৰ সকলোবিলাক চোৰাংচোৱা বিভাগে কৰা ভৱিষ্যত বাণী মতে নিৰ্বাচন হলে দক্ষিণৰ নগ-দিম-দিয়েনৰ যি কোনো 'মুক্ত' এলেকাত পোৱা ভোটৰ প্ৰত্যেক চাৰিটাৰ ভিতৰত হ'-চি-মিনে পাব তিনিটা আৰু নগ'-দিয়েমে পাব এটা।"

কমিউনিষ্টৰ বন্ধু নহলেও বাস্তৱ সত্যক স্বীকাৰ কৰা ডঃ বি. আৰ. চাটাৰ্জীয়েও সেই সময়ৰ ঘটনা উল্লেখ কৰি কৈছে :

> "ছিয়াটোৰ দৰে সংগঠনসমূহৰ উদ্দেশ্য হ'ল জনসাধাৰণৰ ইচ্ছাৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰসমূহক কমিউনিষ্টৰ প্ৰভাৱৰপৰা ৰক্ষা কৰা। কিন্তু যদি কোনো জাতিয়ে গণতান্ত্ৰিক পদ্ধতিৰে সাম্যবাদৰ পথ গ্ৰহণ কৰে তেন্তে সেই ক্ষেত্ৰত ব্যৱস্থা কি হব? উত্তৰ ভিয়েতনামত বছৰৰ পিছত বছৰ ধৰি সাম্যবাদীসকলে প্ৰকৃত দেশপ্ৰেমৰ অগ্ৰগামী

বাহিনী হিচাপে কাম কৰি আছিছে। সমগ্ৰ ভিয়েতনামত যদি সাধাৰণ নিৰ্বাচনত অনুষ্ঠিত হয় তেন্তে তাৰ ফলাফল হ'ব ভিয়েতমিনৰ পক্ষে বিপুল বিজয়।" [ছাউথ্ ইষ্ট এচিয়া ইন্ ট্ৰেনজিছন, পৃঃ ৫০]

গতিকে ভিয়েতনামৰ নিৰ্বাচন কোনো প্ৰকাৰে যাতে হ'ব নোৱাৰে তাৰ কাৰণে আমেৰিকাই সকলো কালবপৰা অপচেষ্টা চলাবলৈ ধৰিলে। প্ৰশ্ন হয় ভিয়েতনামত নিৰ্বাচন হোৱা নোহোৱাক কেন্দ্ৰ কৰি আমেৰিকাৰ ইমান চিন্তা-ভাবনা কিহৰ ?

সেই প্ৰশ্নৰ উত্তৰ হ'ল আমেৰিকাৰ ৰাজনৈতিক মতবাদ আৰু সেই মতবাদ অনুসৰি চলোৱা অভিযান। সাম্ৰাজ্যবাদী শক্তিৰ পক্ষে কেঁচামাল সংগ্ৰহৰ কাৰণে নিজৰ দেশত উৎপন্ন হোৱা শিল্পজাত বস্তু বিক্ৰী কৰাৰ বজাৰ দখলৰ কাৰণে উপনিবেশৰ প্ৰয়োজন। কিন্তু দ্বিতীয় মহাযুদ্ধৰ পিছত যেনে দৰে জাতীয় মুক্তিৰ চেতনাই উপনিবেশৰ জাতিসমূহৰ মাজত বিকাশ লাভ কৰিলে তাৰ পটভূমিত আগৰ দৰে সম্পূৰ্ণ ৰাজনৈতিক আধিপত্য প্ৰতিষ্ঠা কৰি প্ৰত্যক্ষ শাসন আৰু শোষণ চলোৱা সাম্ৰাজ্যবাদৰ পক্ষে সম্ভৱ নোহোৱা হৈ পৰিল। প্ৰয়োজন আহি পৰিল ৰাজনৈতিক হস্তক্ষেপ আৰু তাৰ যোগেই চলোৱা নিৰ্মম শোষণ ব্যৱস্থাৰ। সেই উদ্দেশ্যতে সাম্ৰাজ্যবাদে সাম্যবাদৰ সম্প্ৰসাৰণ প্ৰতিৰোধ আৰু "গণতন্ত্ৰ" স্বাধীনতা "নিৰাপত্তা" আদি ৰক্ষাৰ নামত পাছ পৰি থকা জাতিসমূহৰ শাসক গোষ্ঠীৰ একাংশক হাত কৰি নতুন ধৰণৰ ঔপনিবেশিক শোষণ ব্যৱস্থাৰ আশ্ৰয় লয়। হস্তক্ষেপৰ যোগে শোষণৰ এনে নীতিয়েই হ'ল নব-উপনিবেশবাদ ভিয়েতনাম তথা দক্ষিণ-পূব এচিয়াত নিজৰ কাৰণে অবাধ শোষণৰ ক্ষেত্ৰ নিৰাপদ কৰি ৰখাই হ'ল আমেৰিকাৰ "গণতন্ত্ৰ" ৰক্ষাৰ নামত চলোৱা সকলো অপ-প্ৰচাৰ আৰু অপ-কৰ্মৰ আচল উদ্দেশ্য।

এই উদ্দেশ্য আমেৰিকাই গোপন কৰিও ৰখা নাছিল। আমেৰিকাৰ প্ৰখ্যাত সংবাদপত্ৰ আৰু আমেৰিকাৰ ৰাষ্ট্ৰনেতাসকলৰ উক্তিতে সেই কথা প্ৰকাশ পাইছিল। আমেৰিকাৰ অন্যতম বৃহৎ সংবাদপত্ৰ "নিউয়ৰ্ক টাইম্‌ছ্" কাকতে ১৯৫০ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে মন্তব্য কৰি লিখিছিল :

> "ইন্দোচীন হৈছে বহু টকাৰ বাজি ৰাখি খেলিব পৰা জুৱা খেল (Large gamble)। ইয়াৰ উত্তৰ ফালে আছে আবিষ্কাৰ কৰিব পৰা টিন, টাংষ্টেন, মেংগেনিজ, কয়লা, লোহাৰ আৰু চাউল, ৰবাৰ, চাহ, জালুক, চামৰা আদিৰ প্ৰচুৰ সম্ভাৱনা। দ্বিতীয় মহাযুদ্ধৰ আগতো

আনকি ইন্দোচীনৰপৰা বছৰি ৩০ কোটি ডলাৰ পৰিমাণৰ লাভ হৈছিল।"

১৯৫৩ চনত আমেৰিকাৰ সভাপতি নিৰ্বাচিত হৈয়ে আইছেনহাৱাৰে ঘোষণা কৰিছিল:

"ইন্দোচীনক আমি যদি হেৰুৱাও তেন্তে তাৰ পৰিণতি কি হব? ইন্দোচীন যদি যায় তেন্তে আমাৰ কাৰণে অতি প্ৰয়োজনীয় টিন আৰু টাংষ্টেন আমাৰ দেশলৈ অহা বন্ধ হব। ইন্দোচীন আৰু দক্ষিণ পূব এচিয়াৰ অঞ্চলসমূহৰপৰা আমি যি বিচাৰোঁ তাক সংগ্ৰহ কৰিব পৰা আমাৰ ক্ষমতা হেৰুৱাৰ দৰে ভয়াবহ এটা পৰিস্থিতি যাতে নঘটে তাৰ কাৰণে আমি আটাইতকৈ সহজ পথ অৱলম্বন কৰিব লাগিব।"

[ইউনাইটেড ষ্টেট্‌ছ এগ্ৰেশ্যন ইন্ ইন্দোচাইনা, পৃ: ৯]

আমেৰিকাৰ তেল বিশেষজ্ঞ মি: জেমছ গাউন্টে (James Gauntt) অলপতে মন্তব্য কৰি কৈছিল:

"অহা ৫ বছৰৰ ভিতৰতে দক্ষিণ ভিয়েতনাম, থাইলেণ্ড, কাম্বডিয়া, মালয়া আৰু ইন্দোনেচিয়াত থকা তেলৰ সম্পদসমূহে যিমান তেলৰ যোগান ধৰিব পাৰিব তাৰ পৰিমাণ অ-সমাজতান্ত্ৰিক দুনিয়াৰ সমুদায় তেলৰ পৰিমাণতকৈও বেছি হব।" [নিউএজ ; বছৰ ২০, সংখ্যা ১২]

সেই কাৰণেই দক্ষিণ ভিয়েতনাম তথা দক্ষিণ-পূব এচিয়াক 'মুক্ত দুনীয়া'ৰ ভিতৰত ৰখা 'পৱিত্ৰ' সংকল্প লৈ আমেৰিকাই ভিয়েতনামত দ্বিতীয় যুদ্ধৰপৰাই চক্ৰান্ত কৰি ফৰাচীৰ হাতৰ পৰা নিজৰ হাতলৈ নিয়ে। প্ৰথমতে ফৰাচীক সহায় কৰাৰ চলাহ দিছিল। কিন্তু জেনেভা সম্মিলনৰ পিছৰপৰা সম্পূৰ্ণৰূপে নিজে হস্তক্ষেপ কৰিবলৈ ধৰে।

১৯৫৪ চনৰ জুলাই মাহত হোৱা জেনেভা সম্মিলনৰ দুমাহ পাছ নৌহওঁতেই জেনেভা সম্মিলনত তাৰ বিৰুদ্ধে যোৱা কোনো কাম কৰিবলৈ প্ৰতিশ্ৰুতি দিয়া আমেৰিকাই ৮ ছেপ্টেম্বৰত দক্ষিণ-পূব এচিয়াৰ বহতীয়া চৰকাৰ কেইটামানক লৈ 'ছিয়াটো' (দক্ষিণ-পূব এচিয়া চুক্তি সংস্থা) নাম দি মেনিলাত এটা সংগঠন স্থাপন কৰে। এই সংগঠনৰ সভ্য আছিল আমেৰিকা, গ্ৰেট বৃটেইন, ফ্ৰান্স, অষ্ট্ৰেলিয়া, থাইলেণ্ড, ফিলিপাইন আৰু পাকিস্তান। দক্ষিণ ভিয়েতনাম, লাওচ, আৰু কাম্বডিয়াক ইয়াৰ 'ৰক্ষিত অঞ্চল' (প্ৰটেক্টৰেট) হিচাপে ৰখা হ'ল।

সংস্থাৰ নাম হ'ল দক্ষিণ-পূব এচিয়া চুক্তি সংস্থা। অথচ তাৰ পূৰ্ণ সদস্য হ'ল দক্ষিণ-পূব এচিয়াৰ মাত্র দুটা পুতলা চৰকাৰ। থাইলেণ্ড আৰু ফিলিপাইন, (লক্ষ্য কৰিব লগা কথা যে যোৱা জুন মাহত বহা এই সংস্থাৰ সভাত এবছৰমানলৈকেহে ইয়াৰ, অস্তিত্ব ৰক্ষাৰ সিদ্ধান্ত গৃহীত হৈছে) ফ্রান্স আৰু পাকিস্তানে এই সংস্থাত কোনো দিনেই সক্রিয় অংশ গ্রহণ কৰা নাই। বেছি ভাগ ক্ষেত্রত অনুপস্থিত। তাৰ অন্যতম কাৰণ হয়তো এয়ে যে এই সংস্থাৰ প্রকৃত উদ্দেশ্য হ'ল দক্ষিণ-পূব এচিয়াত কমিউনিষ্ট সম্প্রসাৰণ ঘটাত বাধা দিয়া আৰু সেই অৰ্থেই চীনৰ বিৰোধী। আনহাতে চীনৰ লগত পাকিস্তানৰ গভীৰ বন্ধুতা। ফৰাচীৰ কাৰণেও কোনো লাভৰ সম্ভাৱনা নাছিল।

১৯৫৪ চনৰ ২০ নৱেম্বৰত আমেৰিকাৰ তেতিয়াৰ ৰাষ্ট্র সচিব জন ফষ্টাৰ ডালেছে ফৰাচী প্রধানমন্ত্রী মিঃ মেন্দেছ ফ্রান্সক জনাই দিলে যে সেই তাৰিখৰপৰা আমেৰিকাৰ সকলো সাহায্য ফৰাচীবাহিনীৰ যোগে নহৈ পোনপটীয়াভাৱে দক্ষিণ ভিয়েতনামৰ দিয়েম প্রশাসনৰ প্রতিহে যাব।

জেনেভা সম্মিলনৰ সময়ত আমেৰিকাৰ আজিৰ সভাপতি নিক্সন আছিল আমেৰিকাৰ সহকাৰী সভাপতি। সেই সময়ত তেওঁ ভিয়েতনাম বা দক্ষিণ-পূব এচিয়া সম্পৰ্কে দিয়া মন্তব্য আদিৰ পৰিপ্রেক্ষিত বিশেষ মন কৰিব লগীয়া। তেতিয়া তেওঁ কৈছিল:

"ফৰাচীসকল যদি ভিয়েতনামৰপৰা আঁতৰি আহে তেন্তে সমগ্র ইন্দোচীন এমাহৰ ভিতৰত কমিউনিষ্ট প্রভাৱৰ তললৈ যাব।......

"মুক্ত দুনীয়াৰ নেতা হিচাপে যুক্তৰাষ্ট্রই এচিয়াত পিছ হুঁহকি যোৱাৰ নীতি আৰু অনুসৰণ কৰিব নোৱাৰে। আশা কৰা যায়, যুক্তৰাষ্ট্রই সৈন্য পঠাব লগা নহব, কিন্তু যদি চৰকাৰৰ পক্ষে সি অপৰিহাৰ্য হৈ পৰে তেন্তে যুক্তৰাষ্ট্রৰ প্রশাসনে অৱস্থাৰ উপযোগী ব্যৱস্থাকে নিতান্ত গ্রহণ কৰিব আৰু প্রয়োজন হলে সৈন্য পঠাব। কাৰণ একমাত্র আমাৰ দেশেইহে এ'চয়াক ৰক্ষা কৰিব পৰা ধৰণে শক্তিশালী।

"এই কথাত যথেষ্ট গুৰুত্ব দিয়াৰ প্রয়োজন আছে যে যদিহে ইন্দোচীন কমিউনিষ্ট হৈ যায় তেন্তে মালয়, থাইলেণ্ড আৰু ইন্দোনেচীয়াতো কমিউনিষ্ট প্রভাৱ বাঢ়িবলৈ বাধ্য। কোৰিয়াৰ দৰেই ইন্দোচীনৰ কমিউনিষ্টৰ লক্ষ্য হ'ল জাপান। জাপানৰ অৰ্থনৈতিক কাৰণে অতি প্রয়োজনীয় এই অঞ্চল কমিউনিষ্টে দখল কৰাৰ অৰ্থ হ'ল জাপানক ছোভিয়েত ইউনিয়নৰ বহতীয়া অৱস্থালৈ ৰূপান্তৰিত কৰা।"

গতিকে এচিয়াক কমিউনিষ্ট মতবাদৰপৰা 'ৰক্ষা' কৰাৰ কাৰণে দক্ষিণ ভিয়েতনামৰ দিয়েম চৰকাৰক আমেৰিকাই 'পৰামৰ্শদাতা' পঠাবলৈ সিদ্ধান্ত ললে। *প্ৰথম বছৰতে এই 'পৰামৰ্শদাতা'ৰ সংখ্যা বাঢ়ি ২০,০০০ পালেগৈ!*

আমেৰিকান বৰ্বৰতা

প্ৰথমে দক্ষিণ ভিয়েতনামত নিজৰ প্ৰাধান্য প্ৰতিষ্ঠা কৰি সমগ্ৰ ইন্দোচীনত আমেৰিকাৰ নতুন উপনিবেশলৈ ৰূপান্তৰিত কৰা আৰু তাৰেপৰাই সমাজতান্ত্ৰিক শিবিৰৰ বিৰুদ্ধে অৰ্থাৎ প্ৰধানকৈ চীন আৰু ছোভিয়েতৰ বিৰুদ্ধে আক্ৰমণৰ ঘাঁটি হিচাপে ইন্দোচানক ব্যৱহাৰ কৰাই আছিল আমেৰিকাৰ বিশ্বজোৰা সমাজতন্ত্ৰ বিৰোধী প্ৰতিবিপ্লবী চক্ৰান্ত। সেই চক্ৰান্ত কাৰ্যকৰী কৰাৰ প্ৰথম প্ৰয়োজনীয় কথা হ'ল দক্ষিণ-পূব এচিয়াৰ মুক্তি সংগ্ৰাম দমন কৰা আৰু সমাজতান্ত্ৰিক চিন্তাধাৰাৰ বিকাশত বাধা দিয়া।

এই উদ্দেশ্যতে আমেৰিকান সাম্ৰাজ্যবাদে ভিয়েতনামত প্ৰথমতে ফৰাচীক সাহায্য কৰাৰ নামত আৰু ফৰাচী সাম্ৰাজ্যবাদক ভিয়েতনামৰপৰা বাহিৰ কৰি দিয়াৰ পিছত দক্ষিণ ভিয়েতনাম আমেৰিকাৰ পুতলা দিয়েম চৰকাৰক সহায় কৰাৰ নামত নিজৰ প্ৰাধান্য প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰে। তাৰ লগে লগে জেনেভা চুক্তিৰ চৰ্তসমূহ নাকচ কৰাৰ কাৰণে আৰু দক্ষিণ-পূব এচিয়ালৈ সম্প্ৰসাৰণ ৰোধ কৰাৰ নামত অন্যান্য সাম্ৰাজ্যবাদী শক্তিবিলাকৰ সাহায্য 'ছিয়াটো' সংস্থাৰ যোগে আদায় কৰাৰ চেষ্টা চলাবলৈ ধৰিলে।

১৯৫৫ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে আমেৰিকান সেনাধ্যক্ষ অ'. ডেনিয়েলে ফৰাচীৰ হাতৰপৰা দক্ষিণ ভিয়েতনামৰ সৈন্যৰ শিক্ষা আৰু পৰিচালনাৰ ভাৰ গ্ৰহণ কৰে। সেই দিনৰপৰা প্ৰত্যক্ষভাৱে আমেৰিকাৰ পৰিচালনাত দক্ষিণ ভিয়েতনামৰ জনসাধাৰণৰ ওপৰত বৰ্বৰ অত্যাচাৰ আৰম্ভ হয়। নাগান ছন, ছি টান্ ছ' দ'ক', বীণ টান আদি ঠাইত হাজাৰ হাজাৰ জনসাধাৰণক কমিউনিষ্ট সন্দেহত হত্যা কৰা হ'ল। জেলত ৰখা হ'ল। ১৯৫৮ চনৰ ফেব্ৰুৱাৰী মাহত ৬০০০ জন বিপ্লৱীক বন্দী কৰি ৰখা ফু-লই বন্দী শিবিৰত খাদ্যৰ লগত বিহ মিহলায়। তাত ১০০০ জনৰো বেছিৰ মৃত্যু হয়। বাকীসকলক গুলিয়াই হত্যা কৰে। সমগ্ৰ বিশ্বজুৰি ইয়াৰ প্ৰতিবাদ হয়।

১৯৫৯ চনত দক্ষিণ ভিয়েতনামৰ চৰকাৰে আমেৰিকাৰ নিৰ্দেশত ১০-৫৯

নামৰ আইন জাৰি কৰে যাৰ বলেৰে দেশপ্ৰেমিকসকলক শিৰচ্ছেদ কৰি আৰু মধ্যযুগীয় বৰ্বৰতাৰে হত্যা কৰা আইন সঙ্গত ঘোষণা কৰে।

১৯৫৭ চনৰ মে' মাহত দক্ষিণ ভিয়েতনামৰ শাসক নগ'দিয়েম আমেৰিকালৈ যাওঁতে নিৰ্লজ্জভাৱে ঘোষণা কৰিছিল—"আজি আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ সীমা ১৭শ সমান্তৰাল ৰেখালৈকে বিস্তৃত হৈ পৰিছে।"

১৯৬০ চনৰ ভিতৰত দক্ষিণ ভিয়েতনামত আমেৰিকাৰ সহায়ত গঢ়ি তোলা সৈন্যবাহিনীৰ সংখ্যা আছিল এনে ধৰণৰ—নিয়মিত সৈন্যবাহিনীত ১৫০,০০০ নিৰাপত্তা ৰক্ষীবাহিনী ৬০,০০০, পুলিচবাহিনী ৪৫,০০০, গণ-আত্মৰক্ষাবাহিনী ১০০,০০০।

১৯৬১ চনৰ মে' মাহত আমেৰিকাৰ তেতিয়াৰ সহকাৰী সভাপতি জনছন দক্ষিণ ভিয়েতনামলৈ যায় আৰু 'বিশেষ যুদ্ধ' চলোৱাৰ নামত 'কনচেছন', 'ষ্ট্ৰেটেজিক হেমলেট', 'এগ্ৰভিলছ' আদি নামেৰে বিভিন্ন এলেকাত দেশপ্ৰেমিক-সকলক ৰাখি অত্যাচাৰ চলোৱাৰ নীতি কাৰ্যকৰী কৰায়।

১৯৬৩ চনত বিশ্ব ট্ৰেড ইউনিয়ন ফেডাৰেছনৰ কাৰ্যকৰী সমিতিত দক্ষিণ ভিয়েতনামৰ শ্ৰমিক সংগঠনৰপৰা দাখিল কৰা প্ৰতিবেদন মতে ১৯৫৪ চনৰপৰা ১৯৬২ চনৰ শেষলৈকে ১ লাখ ৫০ হাজাৰ দেশপ্ৰেমিকক হত্যা কৰা হৈছিল, ২৫০০ জনক পঙ্গু কৰা হৈছিল। ইয়াৰ উপৰিও বিভিন্ন ঠাইত আনকি হস্পিতাল আদিতো বোমা দি অগণন সাধাৰণ নাগৰিকক হত্যা কৰা হৈছিল।

১৯৬৩ চনৰ ১৮ জানুৱাৰী তাৰিখৰ 'চিকাগো ডেইলি' কাকতত এই বৰ্বৰতা সম্পৰ্কে উল্লেখ কৰা হৈছিল এই বুলি:

"দক্ষিণ ভিয়েতনামৰ চৰকাৰে হস্পিতালসমূহৰ ওপৰত বোমা পেলোৱা সুবিধাজনক লক্ষ্য বুলি ধৰি লয়।"

'দি নেছন' নামৰ কাকতখনে ১৯৬৩ চনৰ ১৯ জানুৱাৰীৰ সংখ্যাত মন্তব্য কৰিছিল এই বুলি "আচল সত্য হৈছে যে ১০,০০০ মাইল দূৰৰপৰা গৈ আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ সৈন্যবাহিনীয়ে এক প্ৰকাণ্ড বৰ্বৰ একনায়কত্ববাদী চৰকাৰ এটাক এখন অঘোষিত যুদ্ধ চলোৱাত সহায় কৰিছে, যি সহায়ৰ কাৰণে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছৰপৰা কোনো অনুমোদন লোৱা হোৱা নাই।"

দক্ষিণৰ জাতীয় মুক্তিবাহিনী

দিয়েম পুতলা চৰকাৰক শিখণ্ডী হিচাপে লৈ চলোৱা বৰ্বৰতাই দক্ষিণ ভিয়েত-

নামৰ দেশপ্ৰেমিকসকলক প্ৰতিৰোধ সংগ্ৰাম ব্যাপকভাৱে গঢ়ি তোলাৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ কৰি তুলিলে। ফৰাচী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যিসকল বুদ্ধিজীৱী, যুৱক, ছাত্ৰ-শ্ৰমিকে প্ৰতিৰোধ গঢ়ি তুলিছিল সেইসকলে দিয়েম চৰকাৰৰ অত্যাচাৰত ছাইগণ বা অন্যান্য নগৰ এৰি উত্তৰ ভিয়েতনাম আৰু কাম্বডিয়াৰ সীমাৰ ফালে থকা অটব্য হাবিত সোমাই প্ৰতিশোধ শিবিৰ গঢ়ি তোলাৰ পথ গ্ৰহণ কৰিলে। হাবিৰ মাজতে তেওঁলোকে উত্তৰৰ ভিয়েতমিনবাহিনীৰ লগত যোগাযোগ স্থাপন কৰে আৰু যুটীয়াভাৱে দিয়েম শাসন উচ্ছেদ কৰাৰ আঁচনি গ্ৰহণ কৰে।

এই উদ্দেশ্যতে ১৯৫৯ চনৰ ডিচেম্বৰ মাহত দক্ষিণৰ বিপ্লৱীসকলে জাতীয় মুক্তিৰ শিবিৰ (নেছনেল ফ্ৰণ্ট অব লিবাৰেছন) গঠন কৰে। জাতীয় মুক্তি বাহিনীৰ প্ৰচাৰ আৰু সংগঠনৰ ব্যাপকতা এনেদৰে বাঢ়ি আহিল যে এবছৰৰ ভিতৰতে মুক্তিবাহিনীয়ে প্ৰকাশ্যভাৱে নিজৰ সংগঠন আৰু উদ্দেশ্যৰ কথা ঘোষণা কৰিব পৰা অৱস্থাৰ সৃষ্টি হ'ল। ১৯৬০ চনৰ ডিচেম্বৰ মাহত বহা ইয়াৰ প্ৰথম কংগ্ৰেছত আমেৰিকাৰ বন্দী শিবিৰৰপৰা পলাই যোৱা ডেকা আইনজীৱী নগুয়েন হু থ' (Ngnyen Huu Tho) ইয়াৰ সভাপতি নিৰ্বাচিত হয় আৰু তেখেতৰেই নেতৃত্বত সমগ্ৰ দক্ষিণ ভিয়েতনামজুৰি মুক্তি শিবিৰৰ ধ্বনি প্ৰচাৰিত হয়।

কৃষকসকলৰপৰা এই জাতীয় মুক্তি শিবিৰে বিপুল সমৰ্থন লাভ কৰে আৰু শত্ৰুৰ হাতৰপৰা ক্ৰমে নতুন নতুন এলেকা মুক্ত কৰিবলৈ সমৰ্থ হয়। দুবছৰৰ ভিতৰত পৰিস্থিতি এনে হৈ পৰিল যে আমেৰিকাৰ বহতীয়া দিয়েম চৰকাৰৰ শাসন কেৱল ছাইগণ আৰু সাগৰৰ দাঁতিৰ নগৰসমূহৰ বাহিৰে আনৰপৰা প্ৰায় উঠি গ'ল।

১৯৬১ চনৰ শেষত আমেৰিকাৰ তেতিয়াৰ ৰাষ্ট্ৰপতি কেনেডিয়ে অৱস্থা অতি শোচনীয় বুলি জানি আমেৰিকাৰ জাতীয় নিৰাপত্তা পৰিষদত (নেছনেল চিকিওৰিটি কাউন্সিল) বিষয়টো পৰ্যালোচনা কৰে আৰু ৰাষ্ট্ৰপতিৰ ৰাজনৈতিক, সামৰিক আৰু গুপ্তচৰ বিভাগৰ সকলো পৰামৰ্শদাতাই এই পৰামৰ্শকে আগ বঢ়ালে যে আমেৰিকাই যদি দিয়েম চৰকাৰক ৰক্ষা কৰিব খোজে আৰু সমগ্ৰ দক্ষিণ-পূব এচিয়া কমিউনিষ্টৰ হাতৰপৰা ৰক্ষা কৰিব খোজে তেন্তে দিয়েমৰ প্ৰতি ধনৰ সহায় আৰু আমেৰিকাৰপৰা জনবলৰ সহায় অবিলম্বে বঢ়াব লাগিব।

এই মন্ত্ৰণা সভাতে 'বিশেষ যুদ্ধ'ৰ (স্পেচিয়েল ৱাৰ) তত্ত্ব বাহিৰ

কৰা হয়। মিঃ মেক্‌নামাৰাৰ পৰামৰ্শক্ৰমেই 'বিশেষ যুদ্ধ'ৰ নীতি অনুসৰণ কৰা হয়। 'বিশেষ যুদ্ধ'ৰ অৰ্থ হ'ল ইয়াৰ আগলৈকে 'আনবিক যুদ্ধ' (নিউক্লিয়াৰ ৱাৰ) আৰু চিৰাচৰিত যুদ্ধৰ (কনভেনছনেল ৱাৰ) লগতে চিৰাচৰিত নোহোৱা (আন কনভেনছনেল) গেৰিলা বিদ্ৰোহ দমন কৰা 'বিশেষ যুদ্ধ'ৰ প্ৰথম সূচনা দক্ষিণ ভিয়েতনামত কৰা হয়। তাৰ কাৰণে সেই বছৰতে ২৩০০০ সশস্ত্ৰ আমেৰিকান সৈন্য দক্ষিণ ভিয়েতনামলৈ পঠোৱা হ'ল। ভিয়েতনামবাসীৰ মাজতে যুদ্ধ চলা বুলি ভিয়েতনামাইজেছন বি অপপ্ৰচাৰ কৰা হৈছিল তাৰ ঠাইত প্ৰকাশ্যভাবে আমেৰিকাৰ হস্তক্ষেপে যুদ্ধলৈ ই ৰূপান্তৰিত হ'ল।

দিয়েম অপসাৰিত

১৯৬৩ চনৰ ১ নবেম্বৰ তাৰিখে দিয়েম আৰু দক্ষিণ ভিয়েতনামত এক সামৰিক 'অভ্যুত্থান' ঘটে, দিয়েম আৰু তেওঁৰ ভায়েকক্‌ হত্যা কৰি দং ভান মিনে (Duong Van Minh) ক্ষমতা দখল কৰে। আমেৰিকাত প্ৰকাশিত তথ্য-পাতিৰপৰাই প্ৰমাণ যে দিয়েমক আমেৰিকাৰ তেতিয়াৰ ৰাষ্ট্ৰপতি কেনেডিৰ পৰামৰ্শতে হত্যা কৰোৱা হৈছিল। কাৰণ কেনেডিৰ মতে "দক্ষিণ ভিয়েতনামত এনে এক শাসকৰ প্ৰয়োজন হৈছিল বি বৌদ্ধ, খৃষ্টান, কৃষক-শ্ৰমিক, বামপন্থী-দক্ষিণপন্থী, আনকি কমিউনিষ্টবো একাংশক তেওঁৰ তলত সমাৱেশ কৰাব পাৰিব আৰু তেনে এজন লোক পালেই দিয়েমৰপৰা সমৰ্থন প্ৰত্যাহাৰ কৰা উচিত হব।"

সেই সময়ত কেনেডি নীতিৰ বিৰুদ্ধে আমেৰিকাৰ সামৰিক জোঁটৰ (জুণ্টা) অসন্তুষ্টি বাঢি যায়। কাৰণ তেওঁলোকৰ মতে দক্ষিণ-পূব এচিয়াত আমেৰিকাৰ সম্মান কমি গৈছিল আৰু তাৰ পুনৰুদ্ধাৰৰ কাৰণে ভিয়েতনামত দৃঢ় নীতি অৱলম্বন কৰা ৰাষ্ট্ৰপতিৰ আৱশ্যক। লক্ষ্য কৰিব লগা কথা যে দিয়েমক হত্যা কৰোৱাৰ তিনি সপ্তাহ পিছতে আমেৰিকাত কেনেডিকো হত্যা কৰোৱা হয়।

আজিৰ আমেৰিকাৰ সভাপতি নিক্সনৰ সেই সময়ত কেনেডিৰ নীতি সম্পৰ্কে ধাৰণা কেনে ধৰণৰ আছিল তালৈ লক্ষ্য কৰিলেই নিক্সনৰ প্ৰকৃত উদ্দেশ্য বুজা সহজ। তেওঁ তেতিয়া ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী। ১৯৬৫ চনৰ ১৫ মাৰ্চত তেওঁ নিউইয়ৰ্কত ঘোষণা কৰিছিল :

> "ভিয়েতনামত দিয়েমক সামৰিক বিজয় লাভ হোৱাৰ আগতেই অপসৰণ কৰা নীতি লোৱা আমাৰ পক্ষে আছিল আটাইতকৈ ডাঙৰ ভুল।

অৱশ্যে এই কথা ঠিক যে কোনো কোনো সময়ত দিয়েমৰ লগত আমাৰ তীব্ৰ মতানৈক্য ঘটিছিল। কিন্তু যেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰই দিয়েমক হত্যাকৰাৰ পৰ্যায়লৈ যোৱা এটা সামৰিক অভ্যুত্থানক সমৰ্থন দিলে সি কেৱল ভিয়েতনামৰ ভিতৰতে নহয়, সমগ্ৰ দক্ষিণ-পূৰ এচিয়াত এক তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।"

[ইউনাইটেড্ ষ্টেটছ্ এগ্ৰেছন ইন ইন্দোচাইনা, পৃঃ ২২]

নিক্সনৰ এই উক্তিৰপৰা দিয়েমক হত্যা কৰোৱাৰ পাছত কাৰ হাত আছিল সেই কথা বুজা কঠিন নহয়। কিন্তু কেৱল দিয়েমক হত্যা কৰাতে দক্ষিণ ভিয়েতনামৰ আমেৰিকাৰ এক পুতলা ওপৰলৈ তোলা আৰু তললৈ পেলাই দিয়া ভেকো ভাৱনাৰ শেষ নহ'ল। ১৯৬৩ চনৰ ১ নৱেম্বৰত দিয়েমক কৰা হত্যাৰপৰা ১৯৬৫ চনৰ ১১ জুনলৈ ১৯ মাহৰ ভিতৰত দক্ষিণ ভিয়েতনামত ১১ বাৰ 'অভ্যুত্থান' ঘটে। ইয়াৰ প্ৰত্যেকটো 'অভ্যুত্থান' আছিল কোনো বহতীয়া শাসকৰ ক্ষেত্ৰত অপমান দেশবাসীৰ প্ৰতি সদয় ভাব থকাৰ গম পালেই আমেৰিকাই সেই শাসকক দূৰ কৰাই ন:ন বহতীয়াৰ হাতত চৰকাৰ তুলি দিছিল।

আনহাতে ১৯৬২ চনৰপৰা ১৯৬৫ চনৰ দুবছৰৰ ভিতৰতে জাতীয় মুক্তি বাহিনীৰ নেতৃত্বত দক্ষিণ ভিয়েতনামৰ বহুতো ঠাই জনসাধাৰণে মুক্ত কৰে, আমুল সৃষ্টি সংস্কাৰ আৰু সামাজিক সংস্কাৰ সাধন কৰি জীৱন মৰণ যুদ্ধৰ মাজতো জনসাধাৰণৰ মাজত ৰাজনৈতিক সংগঠন আৰু অৰ্থনৈতিক ব্যৱস্থা গঢ়ি তোলে। ১৯৬৪ চনৰ ১ জানুৱাৰীত জাতীয় মুক্তি শিবিৰৰ দ্বিতীয় কংগ্ৰেছত শিবিৰৰ সভাপতি নগুৱেন হু থ'ই কৈছিল:

"দুবছৰৰ আগতে আমাৰ শক্তি আছিল আমি সমুখ হোৱা প্ৰত্যেকখন যুদ্ধত আমাৰ পক্ষে শত্ৰুপক্ষৰ ৩০ টা বা ৪০ টা সৈন্য নিহত কৰা, মাত্ৰ ২।৪ খন বোমাৰু বিমান বা হেলিকপ্টাৰ মাটিলৈ পেলোৱাহে সম্ভৱ আছিল। কিন্তু আজি আমাৰ শক্তি আগতকৈ ১০ গুণৰপৰা ২০ গুণ পৰ্যন্ত বৃদ্ধি পাইছে। আজি একোখন যুদ্ধত চাৰিশৰপৰা পাঁচশ শত্ৰু সৈন্য নিহত কৰিব পৰা আৰু ১০ খনৰপৰা ১৫ খন পৰ্যন্ত বোমাৰু বিমান বা হেলিকপ্টাৰ মাটিত পেলাব পৰাৰ শক্তি আমাৰ আছে।"

জাতীয় মুক্তিবাহিনীৰ এই দ্বিতীয় কংগ্ৰেছে সমগ্ৰ ভিয়েতনামবাসীৰ ঐক্যৰ কাৰণে আৰু নিজৰ ভিতৰত থকা বিৰোধ নিজৰ ভিতৰতে মীমাংসাৰ যোগে

সিদ্ধান্ত কৰাৰ নীতিৰে শত্ৰুৰ সমুখ হবলৈ আহ্বান জনাই আবেদন প্ৰচাৰ কৰে। ই জনসাধাৰণৰপৰা বিপুলভাৱে সঁহাৰি পায়।

দেশবাসীৰ মাজত জাতীয় মুক্তিবাহিনীৰ আবেদনে পোৱা বিপুল সঁহাৰিত আমেৰিকান সাম্ৰাজ্যবাদ শঙ্কিত হৈ পৰে। গতিকে সেই আবেদন প্ৰকাশ হোৱাৰ কেইদিনমানৰ পিছতে তেতিয়া ৰাষ্ট্ৰপতি জনছনৰ কথামতে মেক্‌নামাৰাই ভিয়েতনামৰ দায়িত্ব লৈ আছে আৰু তেওঁ ১৯৬৪ চনৰ ২৭ জানুৱাৰীৰ দিনা 'সামৰিক বিভাগ'ৰ মুখ্যসকলৰ সভাত ঘোষণা কৰে:

> "দক্ষিণ ভিয়েতনামত এক স্বাধীন চৰকাৰৰ অস্তিত্ব ৰক্ষা কৰিব পৰাটো কেৱল দক্ষিণ-পূব এচিয়াৰ কাৰণেই নহয় সমগ্ৰ মুক্ত দুনীয়াৰ কাৰণে ইমান প্ৰয়োজনীয় যে দক্ষিণ ভিয়েতনামত কমিউনিষ্ট বিজয় প্ৰতিৰোধৰ কাৰণে আমাৰ পক্ষে সম্ভৱপৰ সকলো উপায় অৱলম্বন কৰাৰ বাহিৰে মই কোনো সুকীয়া পথ দেখা নাই।"
>
> [ইউনাইটেড ষ্টেটছ এগ্ৰেছন...পৃ: ২৪]

উত্তৰ ভিয়েতনামলৈ যুদ্ধ সম্প্ৰসাৰণ

'মুক্ত দুনীয়াক ৰক্ষা' কৰাৰ নামত আমেৰিকাই উত্তৰ ভিয়েতনামলৈ যুদ্ধ সম্প্ৰসাৰণ কৰাৰ চেলু বিচাৰিবলৈ ধৰিলে। কাৰণ আমেৰিকাই এই কথা ভালদৰে জানিছিল যে উত্তৰ ভিয়েতনামৰ সমাজতান্ত্ৰিক ব্যৱস্থাৰ লগত যোগাযোগ ৰাখিয়ে দক্ষিণ ভিয়েতনামৰ মুক্তিসংগ্ৰাম চলিছে আৰু দক্ষিণ ভিয়েতনামৰ পুতলা চৰকাৰক যদি ৰক্ষা কৰাৰ কিবা উপায় আছে তেন্তে সি হৈছে দক্ষিণৰ লগতে উত্তৰৰো কমিউনিষ্ট পাৰ্টিক ধ্বংস কৰা। সেই কাৰণে উত্তৰ ভিয়েতনামক আক্ৰমণ কৰাৰ এটা চেলু লোৱাৰ কাৰণে ১৯৬৪ চনৰ ২ আগষ্টত পুঁজিবাদী বিশ্বৰ সংবাদ সৰবৰাহ কৰা প্ৰতিষ্ঠানসমূহৰ যোগে ঘোষণা কৰা হ'ল যে সেই দিনা হেনো টঙ্কিং উপসাগৰত আমেৰিকাৰ মাড্ডক্স (Maddox) আৰু এছ. এছ. টাৰ্ণাৰ (S. S. Turner.) নামৰ দুখন ক্ৰুইজাৰ জাহাজ উত্তৰ ভিয়েতনামে নিজৰ সীমাৰপৰা ৬৫ মাইল দূৰত গুলিয়াই আক্ৰমণ কৰিছে। এই প্ৰচাৰৰ অৰ্থ হ'ল যে এনে দৰে জোকাই লোৱা উত্তৰ ভিয়েতনামৰ বিৰুদ্ধে আমেৰিকাই যদি প্ৰতি-আক্ৰমণ চলায় তেন্তে সেই কাম নিত্যান্তই সমৰ্থন যোগ্য।

কেৱল সমাজতান্ত্ৰিক শিবিৰেই নহয়—এই প্ৰচাৰ যে সত্য নহয় সেই কথাত বিভিন্ন দেশৰ গণতান্ত্ৰিক জনমতেও সন্দেহ প্ৰকাশ কৰিছিল। কিন্তু ই যে

সম্পূর্ণ এক পৰিকল্পিত চক্ৰান্ত আছিল সেই কথা উক্ত জাহাজত কাম কৰা কৰ্মচাৰী লেফ্টেনাণ্ট জন হোৱাইট্ নামৰ এজনে 'নিউ হেভেন ৰেজিষ্ট্ৰাৰ' নামৰ আমেৰিকাৰ এখন কাকতলৈ পঠোৱা এখন চিঠিত ১৯৬৮ চনত লিখিছিল এই বুলি :

"উত্তৰ ভিয়েতনামীয়ে আমাৰ জাহাজলৈ গুলী চলোৱাও নাছিল আৰু টৰ্পেড'ৰ সহায়তো আক্ৰমণ কৰা নাছিল।"

তাতকৈও স্পষ্ট উক্তি হ'ল সেই সময়ত যুক্তৰাষ্ট্ৰৰ সহকাৰী সচিব হৈ থকা মিঃ উইলিয়াম বাণ্ডিয়ে ১৯৬৮ চনৰ ৭ জানুৱাৰীত যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছৰ এক উপ-সংমতিৰ আগত দিয়া সাক্ষ্য। সেই সাক্ষ্যত তেওঁ স্বীকাৰ কৰিছিল যে সমগ্ৰ ভিয়েতনামত সামৰিকবাহিনী যাতে অবাধে নিয়োগ কৰিব পৰা যায় তাৰ কাৰণে উপযুক্ত সময়ত প্ৰকাশ কৰিব পৰাকৈ তেনে এক ব্যৱস্থা প্ৰকৃততে কেইবা সপ্তাহৰো আগৰপৰাই ঠিক কৰি ৰখা হৈছিল। [ইউ. এছ. এগ্ৰেছন···পৃঃ ২৬]

গতিকে টঙ্কিং উপসাগৰত উত্তৰ ভিয়েতনামে আগধৰি আক্ৰমণ চলোৱাৰ মিছা চেলু উলিয়াই আমেৰিকাই জেনেভা চুক্তি সম্পূৰ্ণৰূপে উলঙ্ঘা কৰি ১৯৬৪ চনৰ ৫ আগষ্টত যুদ্ধ সম্প্ৰসাৰণ দুৰভিসন্ধিৰে উত্তৰ ভিয়েতনামত আমেৰিকাৰ প্ৰথম বোমা বৰ্ষিত হ'ল। ১৯৬৫ চনৰ ২৪ ফেব্ৰুৱাৰীত যুক্তৰাষ্ট্ৰৰ বিমান বাহিনীৰপৰা দক্ষিণ ভিয়েতনামৰ মুক্তিবাহিনীৰ ওপৰতো প্ৰথম বিমান আক্ৰমণ চলোৱা বুলি ঘোষণা কৰা হ'ল।

এই ঘটনাই তেতিয়ালৈকে 'পৰামৰ্শদাতা' হিচাপেহে থকা বুলি জাহিৰ কৰি অহা আমেৰিকান প্ৰচাৰৰ মুখা দলিয়াই আমেৰিকাই পোনপটীয়াভাৱে ভিয়েতনাম যুদ্ধত লিপ্ত হোৱা কথা বিশ্ববাসীৰ সমুখত স্পষ্ট কৰি দিলে। আমেৰিকাই ভাবিছিল আধুনিক বিমান আক্ৰমণে ভিয়েতনামবাসীৰ মনোবল ভাঙি দিব, যি সমাজতান্ত্ৰিক নিৰ্মাণব্যৱস্থা চলিছে তাক ব্যাহত কৰিব, অৰ্থনীতিৰ বিপৰ্যয় ঘটিব, জনসাধাৰণৰ মাজত বিভেদ সৃষ্টি কৰিব আৰু তাৰেই সুযোগ নিজৰ নতুন ঔপনিবেশিক শোষণৰ জাল বহলকৈ মেলি দি মুনাফাৰ পাহাৰ গঢ়ি তুলিব। তাৰেই সপোন দেখি আমেৰিকাই অপপ্ৰচাৰ চলাইছিল যে দক্ষিণৰ অঞ্চলসমূহত যে ক্ৰমে বেছি পৰিমাণে বিদ্ৰোহ ঘটিবলৈ ধৰিছে সেই বিদ্ৰোহবিলাক সফল হোৱাৰ মূল কাৰণ হ'ল উত্তৰ ভিয়েতনামৰপৰা পোৱা সাহায্য। গতিকে উত্তৰ ভিয়েতনামৰ বিৰুদ্ধে যুদ্ধ তীব্ৰতৰ কৰিবই লাগিব। কিন্তু আমেৰিকাৰ দুৰ্ভাগ্য যে এহাতে দক্ষিণ ভিয়েতনামৰ বহতীয়া

ভিয়েতনামত মাৰ্কিনী বৰ্বৰতাৰ চিকাৰ

দক্ষিণ ভিয়েতনামৰ বেসামৰিক গাঁওবাসীৰ ওপৰত মাৰ্কিন দস্যুৰ নিৰ্দয় আক্ৰমণৰ নমুনা।

মুক্তিবাহিনীৰ এজনী নাৰী যোদ্ধা

কুৱাংট্ৰিত অগ্ৰসৰ হোৱাৰ সময়ত মাৰ্কিন

শবত সহস্র গণ-মুক্তিবাহিনীয়ে আক্রমণ চলাইছে



মুক্তিবাহিনীৰ কোবাং ত্ৰি অভিযান

কাষত বন্দুক থৈ খেতিয়কসকলে খেতিৰ কাম কৰিব ধৰিছে

ভিয়েতনামী মুক্তিফৌজে কামানৰ ছেলত ইস্তাহাৰ ভৰাই চায়গনৰ ফালে নিক্ষেপ কৰিছে

• স্থানীয় জনগণ আৰু গণমুক্তিবাহিনীৰ এটা ইউনিটৰ 'ছেপাৰ'ৰ ফলে
মুক্তিবাহিনীয়ে অভিযান চলোৱাত পথ পৰিষ্কাৰ কৰিছে

চৰকাৰক যি অস্ত্র দিয়ে সেই অস্ত্র পৰেগে মুক্তিবাহিনীৰ হাতত আৰু সেই আমেৰিকান অস্ত্রই পুনৰ ঘূৰি আহে আমেৰিকানৰ বুকুলৈ। আনহাতে আমেৰিকাৰ চৰকাৰে উত্তৰ ভিয়েতনামৰ বিৰুদ্ধে যিবিলাক অপপ্রচাৰ জাহিৰ কৰে প্রথমতে আমেৰিকাৰ সংবাদ পত্রতে তাৰ প্রকৃত কাহিনী প্রকাশ কৰি সেইবিলাক যে জনসাধাৰণক দিয়া ছলাহ তাৰ প্রমাণসহ সেই সংবাদবিলাক আমেৰিকান চৰকাৰৰ বিৰুদ্ধেই ব্যৱহৃত হৈ পৰে।

উত্তৰ ভিয়েতনামে দক্ষিণ ভিয়েতনামত বিদ্রোহৰ উচটনি দিয়া বুলি জাহিৰ কৰা অপপ্রচাৰো যে মিছা সেই কথাও প্রমাণ কৰি ডঃ বেঞ্জামিন নামৰ এজনে ১৯৬৪ চনৰ ২৩ মাৰ্চত নিউয়ৰ্ক টাইমছ্ কাকতত লিখিছিল যে দক্ষিণত ঘটা সংঘৰ্ষ দক্ষিণ ভিয়েতনামীসকলৰ ভিতৰত ঘটা সংঘৰ্যহে।

ধ্বংসৰ মাজত সৃষ্টি

আমেৰিকাই আশা কৰিছিল উত্তৰ ভিয়েতনামলৈ যুদ্ধৰ সম্প্রসাৰণ ঘটাই য'তে ত'তে বোমা বৰ্ষণ কৰিব, গাঁও-নগৰ, স্কুল-কলেজ, হাস্পাতাল, ধৰ্ম মন্দিৰ, খেতিপথাৰ, কল-কাৰখানা একাকাৰ ধ্বংস কৰি দিব, জনজীৱন নাশ কৰিব আৰু দেশৰ অৰ্থনীতি পঙ্গু কৰি দিব। সেয়ে হলেই পৰাজয় স্বীকাৰ নকৰিলেও উত্তৰ ভিয়েতনামক অন্ততঃ সপ্তদশ অক্ষৰেখাৰ উত্তৰতে আবদ্ধ ৰাখিব পাৰিব আৰু দক্ষিণ ভিয়েতনামত আমেৰিকাই ইচ্ছামতে শোষণ পীড়ন চলাই নতুন উপনিবেশৰ খোপনি পুতিব পাৰিব।

আমেৰিকাৰ সেই আশা পূৰণ নহ'ল। উত্তৰ ভিয়েতনামে কমিউনিষ্ট পাৰ্টি আৰু তাৰ নেতা হ'-চি-মিনৰ নেতৃত্বত আমেৰিকাই চলোৱা বৰ্বৰ আক্রমণৰ মাজতে কৃষি, শিল্প, শিক্ষা, জনস্বাস্থ্য আদি জনজীৱনৰ প্রত্যেক ক্ষেত্রতে সমাজতান্ত্রিক আদৰ্শত দেশ পুনৰ্গঠনৰ কাম এনে দ্রুত গতিত আগবঢ়াই নিছিল যে ঔপনিবেশিক শোষণৰ এখন সৰু দেশে পৃথিৱীৰ সকলোতকৈ শক্তিশালী সাম্রাজ্যবাদী দেশখনৰ প্রবল আক্রমণৰ বিৰুদ্ধে স্বাধীনতাৰ জীৱন-মৰণ যুদ্ধ চলাই থাকিও লগে লগেই সমাজতান্ত্রিক নিৰ্মাণ কাৰ্য চলোৱাৰ এনে উদাহৰণ পৃথিৱীৰ ইতিহাসত অদ্বিতীয় আৰু অত্যন্ত বিস্ময়কৰ।

প্রেছিডেণ্ট হ'-চি-মিনে ১৯৭০ চনৰ ফেব্রুৱাৰী মাহত ভিয়েতনামৰ শ্রমজীৱী জনসাধাৰণৰ পাৰ্টিৰ (কমিউনিষ্ট পাৰ্টি) ত্রিংশতিতম প্রতিষ্ঠা বাৰ্ষিকীত ভাষণত কৈছিল:

"আজিৰ পৰিস্থিতিত ভিয়েতনামৰ বিপ্লৱৰ সমুখত মূল কৰ্তব্য হৈছে দুটা। প্ৰথম, উত্তৰ ভিয়েতনামত সমাজতন্ত্ৰ সুপ্ৰতিষ্ঠিত কৰা আৰু দ্বিতীয়, দক্ষিণ ভিয়েতনামত জাতীয় গণতান্ত্ৰিক বিপ্লৱ সুসম্পন্ন কৰা। এই দুই কৰ্তব্য সম্পাদনেই শান্তি শক্তিশালী কৰিব স্বাধীনতা আৰু গণতন্ত্ৰৰ ভিত্তিত দুয়ো ভিয়েতনাম পুনৰ ঐক্যবদ্ধ হোৱাৰ পথ প্ৰশস্ত কৰিব।......

......অৰ্থনৈতিকভাৱে পাছপৰি থকা আমাৰ দেশৰ পৰিবৰ্তন সাধনৰ এই মধ্যকালীন কালছোৱাৰ আটাইতকৈ বেছি লক্ষ্য কৰিব লগীয়া চৰিত্ৰ হ'ল পুঁজিবাদী বিকাশৰ স্তৰৰ মাজেদি অতিক্ৰম কৰিব নলগাকৈ সমাজক পোনপটীয়াভাৱে সমাজতান্ত্ৰিক অগ্ৰগতিৰ অভিমুখে আগবঢ়াই নিয়াটো।"

[অন লেনিন এণ্ড লেনিনিজম্, পৃঃ ১২৩]

১৯৫৫-৫৭ চনৰ ভিতৰত অৰ্থনৈতিক পুনৰ্গঠনৰ নীতি কাৰ্যকৰী কৰা হয়। দেশৰ শিল্প আৰু কৃষিৰ উন্নতি দ্বিতীয় মহাযুদ্ধৰ আগৰ সমান হয়। ১৯৫৭ চনৰ শেষত উত্তৰ ভিয়েতনামৰ খাদ্য উৎপাদন হয় ৪০ লাখ টন। যুদ্ধৰ আগত আছিল ২৫ লাখ টন।

আমূল ভূমি সংস্কাৰ আৰু উৎপাদন সম্পৰ্কৰ পৰিবৰ্তন সাধন পিছৰ দুবছৰৰ মূল নীতি হিচাপে গ্ৰহণ কৰা হয়। ১ কোটি ২০ লাখ কৃষকৰ মাজত মাটি বিতৰণ কৰা হয়। অৰ্থনৈতিক ক্ষেত্ৰত থকা সাম্ৰাজ্যবাদীৰ একচেটিয়া ক্ষমতাৰ বিলোপ সাধন কৰা হয়। ছোভিয়েত ইউনিয়ন আৰু চীনৰ সহায়ত ২৯টা পুৰণি প্ৰধান শিল্পৰ পুনৰ্গঠন কৰা হয় আৰু ৫৫ টা ডাঙৰ শিল্প প্ৰতিষ্ঠান নতুনকৈ প্ৰতিষ্ঠা কৰা হয়। কৃষকৰ মাজত ব্যাপকভাৱে পাৰস্পৰিক সাহায্য সমিতি, সমবায় সমিতি আদি সমাজতান্ত্ৰিক অৰ্থনীতিৰ বীজ নিহিত ব্যৱস্থা-বিলাকৰ পৰীক্ষামূলকভাৱে প্ৰচলন কৰা হয়। শিল্প আৰু বাণিজ্যত ব্যক্তিগত প্ৰাধান্যৰ পৰিবৰ্তে ৰাষ্ট্ৰীয় পুঁজিৰ পৰিচালনাৰ পৰ্যায়লৈ অনা হয়। কৃষি আৰু শিল্প উভয় ক্ষেত্ৰতে জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সহযোগ বিপুলভাৱে বাঢ়ি যায়।

সমাজতান্ত্ৰিক গঠনৰ প্ৰথম পৰ্যায়ত জাতীয় ধনিক শ্ৰেণীক সমাজতান্ত্ৰিক নিৰ্মাণৰ কামত লগাব পৰাটো আছিল ভিয়েতনাম কমিউনিষ্ট পাৰ্টিৰ এক বিশেষ সাফল্য। ওপৰত উদ্ধৃতি দিয়া প্ৰেছিডেণ্ট হ'-চি-মিনৰ বক্তৃতাতে তেখেতে ঘোষণা কৰিছিল "এই সময়ৰ আন এটা অতি গুৰুত্বপূৰ্ণ তাৎপৰ্যৰ কাম আছিল

শান্তিপূর্ণভাৱে জাতীয় ধনিক শ্ৰেণীক সমাজতান্ত্ৰিক পদ্ধতিৰ সাঁচত গঢ়ি তোলাটো।” [উল্লিখিত গ্ৰন্থ, পৃঃ ১২৬] অৰ্থনৈতিক ক্ষেত্ৰত জাতীয় ধনিক শ্ৰেণীৰ সম্পত্তি সম্পূৰ্ণ বাজেয়াপ্ত কৰাৰ পৰিবৰ্তে ক্ষতিপূৰণ দিয়াৰ যোগে জাতীয় ধনিক শ্ৰেণীৰ হাতত থকা উৎপাদনৰ আহিলাসমূহ ৰাষ্ট্ৰৰ হাতলৈ অনা হৈছিল। ৰাজনৈতিক ক্ষেত্ৰত জাতীয় ধনিক শ্ৰেণীক স্পষ্ট আৰু সীমাবদ্ধ অধিকাৰসহ দেশপ্ৰেমিক শিবিৰৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

সাংস্কৃতিক ক্ষেত্ৰত সাধন কৰা সংস্কাৰ আছিল বিশেষ সাফল্যৰ। ফৰাচী শাসকৰ তলত দেশৰ শতকৰা ৮৫ জন লোক আছিল নিৰক্ষৰ। ১৯৬০ চনৰ ভিতৰত নিৰক্ষৰতা সম্পূৰ্ণৰূপে দূৰ কৰা হয়।

১৯৩৯ চনত সমগ্ৰ ইন্দোচীনত বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল মাত্ৰ ৫৮২ জন। ১৯৬০ চনত তাৰ সংখ্যা হ’ল ৭৫১৮ জন। মাধ্যমিক স্কুলৰ ছাত্ৰ সংখ্যাও সেইদৰেই ১৯৩৯ চনৰ ৫৩০,০০০ জনৰ ঠাইত ১৯৬০ চনত হ’ল ১,৫২২,০০০ জন।

১৯৩৯ চনৰ সমগ্ৰ ভিয়েতনামত থকা মাত্ৰ ৫৪ টা হাস্পাতালৰ ঠাইত ১৯৬০ চনত হৈছিল ১৩৮টা পূৰ্ণাঙ্গ হাস্পাতাল কেবা হাজাৰো প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু ১৬৯,০০০ জন চিকিৎসা বিভাগত কাম কৰা চিকিৎসক আৰু বিভিন্ন কৰ্মী।

এনে ধৰণৰ বহুমুখী কৰ্ম প্ৰচেষ্টাৰ যোগেই উত্তৰ ভিয়েতনামত অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত বিপুল অগ্ৰগতি সাধন কৰা হয়। এই ব্যৱস্থাই ঐক্যবদ্ধ জাতীয় শিবিৰ নিখুঁতভাৱে আৰু শক্তিশালীভাৱে গঢ়ি তোলাত সহায় কৰে।

১৯৬৬ চনত সেই অগ্ৰগতিৰ পৰিমাণ আছিল শিল্পৰ ক্ষেত্ৰত ১৯৬০ চনৰ তুলনাত ১০১'৬ ভাগ, কুটিৰ শিল্পৰ সম্প্ৰসাৰণ ঘটে শতকৰা ১১৫ ভাগ আৰু কৃষিৰ ক্ষেত্ৰত দেশৰ সমূহ কৃষকৰ শতকৰা ৯২'৫ জন সমবায় ব্যৱস্থাত যোগ দিয়ে। সেই বছৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হয় ৩০ লাখ। এই সংখ্যা আগৰ বছৰৰ তুলনাত শতকৰা ১৪ ভাগ আৰু ১৯৩৯ চনৰ তুলনাত মুঠ ৬ গুণবেছি। হাস্পাতালৰ সংখ্যা হয় ৭১০ খন আৰু গাঁও অঞ্চলৰ শতকৰা ৯০ ভাগত প্ৰাথমিক চিকিৎসা কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়।

আনহাতে ১৯৬৪ চনৰপৰা ১৯৬৬ চনলৈ এই দুবছৰৰ ভিতৰত উত্তৰ ভিয়েতনামত আমেৰিকাই বোমা বৰ্ষণ কৰি ২২৬ খন স্কুল, ৮০ খন হাস্পাতাল, ৮০টা গীৰ্জা, ৩০টা বৌদ্ধ মন্দিৰ (পেগোডা) আৰু বিস্তৰ পৰিমাণে শস্যক্ষেত্ৰ, নদীৰ মথাউৰি, দলং, পুল আদি ধ্বংস কৰে। এনে ধ্বংসলীলাৰ মাজতো সমাজ-

তান্ত্ৰিক নিৰ্মাণ কাৰ্য চলাই ধ্বংসৰ মাজত সৃষ্টিৰ এক অভূতপূৰ্ব নিদৰ্শন ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰই পৃথিবীৰ সমুখত তুলি ধৰে।

১৯৬৭-৬৮ চনলৈকে হোৱা গঠনমূলক কামৰ পূৰ্ণ বিৱৰণী প্ৰকাশ হৈছে। তাৰ পিছত ১৯৬৯-৭০ চনৰ সাৰ্মগ্ৰিক তথ্য একেলগে পোৱা সম্ভৱ নহলেও বিভিন্ন সূত্ৰৰপৰা পোৱা তথ্য মতে উত্তৰ ভিয়েতনামত জাতীয় গণতান্ত্ৰিক বিপ্লৱৰ কৰ্তব্য সম্পন্ন কৰা হৈছে আৰু ভিয়েতনামৰ জনসাধাৰণে সেই সমাজতান্ত্ৰিক পথত আগবঢ়া দায়িত্ব সম্পন্ন কৰাৰ যোগেই আমেৰিকান বৰ্বৰতাক পৰাস্ত কৰাৰ বৈষয়িক প্ৰস্তুতি লাভ কৰিব পাৰিছে।

আমেৰিকাৰ বৰ্বৰতাৰ নমুনা

যুদ্ধ সম্প্ৰসাৰণ নীতিৰ ব্যৰ্থতাই আমেৰিকান সাম্ৰাজ্যবাদক গণতন্ত্ৰৰ মুখা দলিয়াই চৰম বৰ্বৰতাৰ পথ লবলৈ বাধ্য কৰে। উত্তৰ ভিয়েতনাম কমিউনিষ্টসকলৰ প্ৰতাৰণৰপৰা দক্ষিণ ভিয়েতনামক "মুক্ত" আৰু সমগ্ৰ দক্ষিণ-পূব এচিয়াক "ৰক্ষা" কৰাৰ কাৰণে দক্ষিণ ভিয়েতনামৰ যিবিলাক এলেকা ছাইগণৰ পুতলা চৰকাৰৰ সৈন্য আৰু আমেৰিকান সৈন্য লগ লাগি দখল কৰিছিল সেইবিলাক এলেকাত আমেৰিকাই যেনে অমানুষিক অত্যাচাৰ আৰম্ভ কৰিছিল তাৰ কাহিনীয়ে আজি বিশ্ব মানৱক স্তম্ভিত কৰিছে, মানুহ নামধাৰী প্ৰাণীও কেনেদৰে পশুতকৈও অধম হব পাৰে তাৰ নমুনা তুলি ধৰিছে। আমেৰিকাৰ এই অন্তহীন বৰ্বৰতাৰ সকলো কাহিনী উল্লেখ কৰা সম্ভৱ নহয়। পিছত আত্মসমৰ্পণ কৰা প্ৰত্যক্ষ দৰ্শীৰপৰা জনা কেইটামান ঘটনায়ে তাৰ আভাস দিব।

১৯৬৬ চনৰ ১৯ নৱেম্বৰৰপৰা ৫ ডিচেম্বৰলৈ ছন-টিন্ (Sontinh) নামৰ জিলাত আমেৰিকান সৈন্য আৰু ছু-লাইৰপৰা অনা নৰখাদক ভাৰাটীয়া সৈন্যই ব্যাপক আক্ৰমণ চলায়। ভিন-লক্, ন-থুৱেট, দিয়েন-নিয়েন আদি কেইখনমান গাঁও সিহঁতে দখল কৰে। দখল কৰা গাঁও কেইখনত সিহঁতে সাধাৰণ মানুহৰ ওপৰত চলোৱা অত্যাচাৰ আছিল এনে ধৰণৰ :

একোটা ঘৰত হৈঁচি-ঠেলি সুমুৱাব পৰালৈকে পুৰুষ-তিৰোতা ধিমান ধৰে সুমুৱায়। দুৱাৰ বন্ধ কৰে আৰু বাহিৰৰপৰা গুলীয়াই একেলগে হত্যা কৰে। তাৰ মাজতো যদি কোনো মানুহ জীয়াই থাকে তেন্তে ঘৰটোত জুই লগাই দি পুৰি মাৰে। আন ঠাইলৈ নিয়াৰ নামত কেঁচুৱা, তিৰোতা আৰু বুঢ়া মানুহক একেলগ কৰি বন্দুকধাৰী সৈন্যই লৈ যায় আৰু বাটতে বিষাক্ত গেচ দি

বুঢ়া আৰু ল'ৰাবিলাকক হত্যা কৰে। গৰ্ভৱতী তিৰোতাকো বাদ নিদিয়াকৈ সকলো তিৰোতাৰ ওপৰত পাশৱিক অত্যাচাৰ কৰে। তাৰ পিছত গৰ্ভৱতী তিৰোতাৰ পেট ফালি সন্তানটো বাহিৰ কৰে। সন্তানটো কাটে। কোনো কোনো তিৰোতাৰ ভুয়োটা স্তন কাটে। কোনো কোনো তিৰোতাক পাশৱিক অত্যাচাৰ কৰাৰ পিছত গুপ্তাঙ্গত জোৰেৰে বাঁহৰ লাঠি হেঁচি সুমুৱাই দি হত্যা কৰে আৰু সেই দৃশ্য চাই আমেৰিকান সৈন্যই ৰঙত কিৰিলি পাৰে। মাকৰ বুকুৰপৰা কেঁচুৱা কাঢ়ি নি প্ৰথমতে মাকৰ আগতে কেঁচুৱাটি কাটে। তাৰ পিছত কাটে মাকক।

সেই দ্বিপাত চলোৱা আক্ৰমণৰ শেষৰ দিনা অৰ্থাৎ ৫ ডিচেম্বৰৰ দিনা ৰবৰ্থাদৰ পাক্-জং-হি বাহিনীয়ে বিন-কাই নামে গাঁৱৰ সমুদায় ৪০০ মানুহ গ্ৰেপ্তাৰ কৰে। ল'ৰা, তিৰোতা, বুঢ়া আদি বেলেগ বেলেগ ভাগত ৩০।৪০ জনকৈ ভাগ কৰে আৰু সকলোকে প্ৰথমতে হাত বন্দুকেৰে হত্যা কৰে। এনেদৰে হত্যা কৰাৰ পিছত সিহঁতে তিৰোতা আৰু ল'ৰা-ছোৱালীৰ মৰাশবিলাক বাছি উলিয়ালে, পেট ফালিলে আৰু আমঠুবিলাক উলিয়াই উলিয়াই খালে।

[নতুন দিল্লীৰ ভিয়েতনাম দূতাবাসৰপৰা প্ৰকাশিত
'ভিয়েতনাম পত্ৰিকা', ৭ম বছৰ ২য় সংখ্যা]

এই বৰ্বৰতাৰ শেহতীয়া তথ্য এতিয়াও প্ৰকাশ পোৱা নাই। কিন্তু ১৯৭০ চনৰ শেষলৈকে এটি পৰিসংখ্যা বিশ্ব শান্তি পৰিষদে প্ৰকাশ কৰিছে। সেই পৰিসংখ্যা অনুসৰি :

'১৯৭০' চনৰ শেষলৈকে দক্ষিণ ভিয়েতনামত নিচেই কমেও ৫০০০০০ নাগৰিকক হত্যা কৰা হৈছে। আমেৰিকাৰ ভগনীয়া সংস্থাপন ছিনেট ছাব কমিটিয়ে দাখিল কৰা প্ৰতিবেদন মতেই সৰ্বমুঠ আহত লোকৰ সংখ্যা ১০ লাখৰ ওপৰ। তাৰ ভিতৰত মৃত্যুৰ সংখ্যা ৩ লাখৰ বেছি। আনহাতে এডৱাৰ্ড এছ. হাৰ্মেনৰ লিখিত "ভিয়েতনামত বৰ্বৰতা" (এট্ৰ'ছিটিজ ইন্ ভিয়েতনাম) নামৰ গ্ৰন্থৰ মতে ভিয়েতনাম যুদ্ধত হতাহতৰ সংখ্যা ২০ লাখৰ বেছি আৰু নিহত হোৱাৰ সংখ্যা হব ১০ লাখ। টেলফ'ৰ্ড টেইলৰ নামৰ লেখকৰ "নুৰেমবাৰ্গ আৰু ভিয়েতনাম" গ্ৰন্থৰ তথ্য মতে বছৰি ১৫০,০০০ মানুহক ভিয়েতনামত হত্যা কৰা হৈছে। সেই অনুসৰি ১৯৬৫ চনৰপৰাই ১৯৭০ চনলৈ হয় ৯ লাখ। সকলো সূত্ৰই এই প্ৰমাণ কৰে যে মৃত্যুৰ বেছি অংশই হৈছে আমেৰিকান অস্ত্ৰৰ আঘাতত হোৱা মৃত্যু।

উল্লিখিত ছিনেট ছাব কমিটিৰ তথ্য মতেই ১৯৬৪ চনৰপৰা ৬০ লাখ মানুহক

গৃহহীন কৰা হৈছে। তাৰ ভিতৰত ৫ লাখ হৈছে ১৯৭০ চনৰ প্ৰথম ছমাহত গৃহহীন হোৱা। ছাইগণৰ জনসংখ্যা ২ লাখ ৫০ হাজাৰৰপৰা ৩ লাখ ৫০ হাজাৰলৈ বৃদ্ধি পাইছে আৰু দক্ষিণ ভিয়েতনামৰ নগৰসমূহত বৰ্তমান বেশ্যাৰ সংখ্যা ৪ লাখৰ বেছি।..."এভিয়াৰ্লৈকে পোৱা তথ্য মতে যুদ্ধৰ আৰম্ভণিৰেপৰা ভিয়েতনামত ৮,২০০,০০০ (আশীলাখ অৰ্থাৎ সমুদায় জনসংখ্যাৰ প্ৰায় আধা) মানুহৰ হয় মৃত্যু ঘটিছে, নহয় আহত হৈছে, নাইবা চিৰদিনৰ কাৰণে পঙ্গু হৈছে।

১৯৭০ চনত দাখিল কৰা আমেৰিকাৰ ছিনেট ছাব কমিটিৰ প্ৰতিবেদনৰ তথ্য অনুসৰি লাওচত ১৯৬৪ চনৰপৰা ১৯৭০ চনৰ ভিতৰত ২ লাখ মানুহক হত্যা কৰা হৈছে, ৭ লাখৰ অধিক মানুহক গৃহহীন কৰা হৈছে। লাওচৰ জনসংখ্যা মাত্ৰ ৩০ লাখ। তাৰে প্ৰায় ৮ লাখ অৰ্থাৎ প্ৰায় তিনিভাগৰ এভাগ মানুহক হত্যা, পঙ্গু আৰু গৃহহীন কৰা হৈছে।

উক্ত ছিনেট ছাব কমিটিৰ প্ৰতিবেদনতে কাম্বডিয়াত মৃত্যু, গৃহহীন আৰু পঙ্গুৰ সংখ্যা ১০ লাখৰ অধিক বুলি হিচাপ দিয়া হৈছে। নংপে নগৰৰ জনসংখ্যা ৭ লাখৰপৰা বাঢ়ি ১৫ লাখ পাইছেগৈ।

আমেৰিকাৰ 'টাইম' পত্ৰিকাৰ (মে' ২৫, ১৯৭০) মতে আমেৰিকাই ভিয়েতনামত ১৭ লাখ ৫০ হাজাৰ গেলন বিষাক্ত গেচ শস্য পথাৰত ঢালিছে আৰু ৫০ লাখ একৰ মাটিত অৰ্থাৎ ভিয়েতনামৰ শতকৰা ১২ ভাগ মাটিৰ শস্য ধ্বংস কৰিছে। ইয়াৰ ফলত খাদ্যৰ অভাৱত মৃত্যু হৈছে শিশু আৰু তিৰোতা।

ওপৰত উল্লেখ কৰা এছ. হাৰ্মেনে তেওঁৰ 'ভিয়েতনামত বৰ্বৰতা' নামৰ গ্ৰন্থত স্বীকাৰ কৰিছে "ইন্দোচীনত আমি ৯,০০০,০০০ টন অৰ্থাৎ শত্ৰুৰ ৪৫০ গুণ বেছি আগ্নেয়াস্ত্ৰ প্ৰয়োগ কৰিছোঁ।"

[বিশ্ব শান্তি পৰিষদৰ মুখপত্ৰ 'নিউ পাৰস্পেক্টিভ' ডিচেম্বৰ ১৯৭১]

১৯৬৪ চনৰ ৩১ ডিচেম্বৰৰপৰা ১৯৭১ চনৰ ৩০ অক্টোবৰলৈ আমেৰিকান তথ্য মতেই মৃত্যু হোৱা আমেৰিকানৰ সংখ্যা হ'ল ১৮,৭৮৬ জন। নিক্সনৰ প্ৰশাসনৰ কালছোৱাত ১ কোটি ৩০ লাখ টন বোমা পেলোৱা হৈছে আৰু এই পৰিমাণ দ্বিতীয় মহাযুদ্ধত পৃথিৱীৰ সকলো দেশত পেলোৱা বোমাৰ পৰিমাণতকৈ বহুতো বেছি।

ভিয়েতনাম যুদ্ধত আমেৰিকাই ২০০ বিলিয়ন অৰ্থাৎ ২০০০০ কোটি ডলাৰ (টকাৰ হিচাপত ১ লাখ ২০ হাজাৰ কোটি টকা) এভিয়ালৈকে খৰচ কৰিছে।

['মেইনষ্ট্ৰীম,' ৮ জুলাই ১৯৭২]

১৯৬৭ চনৰ অক্তোবৰ মাহলৈকে ইণ্ডোচীনৰ বুকুত হোৱা মৃত্যুৰ সংখ্যা ২ কোটি লোকৰো বেছি হৈছে। ১৭১০ খন নগৰ ধ্বংস আৰু ৩০,০০০ শিল্প উদ্যোগ বিনষ্ট হৈছে।

[অক্তোবৰ বিপ্লৱৰ সোণালী জয়ন্তীলৈ পঠোৱা
হ'-চি-মিনৰ শুভেচ্ছা বাণী, পৃঃ ১৮০]

পৰাজয়ৰ গ্লানি

ইতিহাসৰ এই জঘন্যতম বৰ্বৰতা চলায়ো আমেৰিকাই ভিয়েতনামবাসীৰ মনোবল ভঙ্গ কৰিব পৰা নাই। বৰং আমেৰিকাই নিজে পৰাজয়ৰ পিছত নতুন পৰাজয়ৰ গ্লানিৰ সমুখ হব লগা হৈছে।

১৯৬৭ চনৰ শেষৰ ফালে আমেৰিকান সৈন্যৰ সংখ্যা বঢ়াই ৫৫০,০০০ কৰা হ'ল। আধুনিক বি-৫২ বোমাৰু বিমান, বিষাক্ত গেচৰ বোমা, অধিক পৰিমাণে প্ৰয়োগ কৰা হ'ল। ছাইগণৰ বহতীয়া সৈন্যৰ সংখ্যা ৮০০০০০ লৈ বঢ়োৱা হ'ল। তথাপি পৰাজয়ৰ গ্লানিত আমেৰিকাই নিজৰ দেশতে তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'ল। বিশ্বজুৰি হোৱা প্ৰতিক্ৰিয়া, নিজৰ দেশত হোৱা বিক্ষোভ, আমেৰিকান সৈন্যই শিবিৰ এৰি পলোৱা, চুটিত ঘৰলৈ গৈ ঘূৰি নহা আদিৰ সংখ্যা দ্ৰুতগতিত বাঢ়ি আহিবলৈ ধৰিলে।

এনে পৰিস্থিতিতে তেতিয়াৰ ৰাষ্ট্ৰপতি জনছনে গতি বিষম দেখি ১৯৬৮ চনৰ মাৰ্চ মাহত ঘোষণা কৰিলে যে, তেওঁ সেই বছৰৰে নৱেম্বৰ মাহত হব লগা ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন প্ৰাৰ্থী নহয় আৰু তেওঁ বোমাবৰ্ষণ সীমিত কৰিব। অৱশ্যে তেওঁ বোমাবৰ্ষণৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাছিল।

জনছনৰ এই বিশ্বাসঘাতকতাত বিশ্বজুৰি তীব্ৰ প্ৰতিক্ৰিয়া বাঢ়ি আহিল। আমেৰিকাৰ সন্মান দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰিলে। বাধ্য হৈ ১৯৬৮ চনৰ ৩১ অক্তোবৰত ঘোষণা কৰিলে যে ভিয়েতনামত বোমাবৰ্ষণ তেওঁ বন্ধ কৰিব আৰু আমেৰিকাই শান্তি আলোচনাত বহাৰ কাৰণে সন্মত হ'ল।

আমেৰিকাৰ বিৰুদ্ধে ভিয়েতনামৰ এই জয়ে মুক্তিবাহিনীৰ সন্মান বহুদূৰ বৃদ্ধি কৰিলে আনহাতে আমেৰিকাৰ কাৰণে ই আছিল অত্যন্ত গ্লানিজনক পৰাজয়ৰ তুল্য।

দক্ষিণৰ অস্থায়ী বিপ্লৱী চৰকাৰ

শান্তি আলোচনা পেৰিচ চহৰত হোৱাৰ সিদ্ধান্ত হ'ল। ভিয়েতনাম

গণতান্ত্রিক গণৰাষ্ট্ৰ দাবী আছিল শান্তি আলোচনাত দক্ষিণৰ বিপ্লবী মুক্তিবাহিনীৰ প্ৰতিনিধিৰো উপস্থিতি স্বীকাৰ কৰি লব লাগিব। দক্ষিণৰ চৰকাৰৰ প্ৰতিবাদ আৰু নিজৰ অনিচ্ছা সত্বেও আমেৰিকাই অৱশেষত সেই দাবী মানি লব লগাত পৰে। কমিউনিষ্টৰ অনুপ্ৰবেশ দক্ষিণ ভিয়েতনাম আৰু দক্ষিণ-পূব এচিয়াত ৰোধ কৰাৰ কাৰণেই অযুত নিযুত ডলাৰ খৰচ কৰি লাখ লাখ আমেৰিকান আৰু পুতলা চৰকাৰৰ সৈন্য বলি দি আমেৰিকাই পেৰিচ আলোচনাত দক্ষিণ ভিয়েতনামৰ বিপ্লবী বাহিনীকো স্বীকাৰ কৰি লব লগা হ'ল।

এই সাফল্যই সমগ্ৰ দক্ষিণ ভিয়েতনামৰ জনসাধাৰণৰ মাজত এক বিপুল উদ্দীপনাৰ সৃষ্টি কৰে। দক্ষিণৰ জনসাধাৰণৰ মাজত বিপ্লবীবাহিনীৰ প্ৰতি শ্ৰদ্ধা আৰু পুতলা চৰকাৰৰ প্ৰতি ঘৃণা দ্ৰুত গতিত বাঢ়ি যায়।

এনে পৰিস্থিতিতে ১৯৬৯ চনৰ জুন মাহৰ ৬ তাৰিখে দক্ষিণ ভিয়েতনামৰ মুক্ত অঞ্চলৰ জনসাধাৰণৰ এক মহাসম্মিলনত (কংগ্ৰেছ) দক্ষিণ ভিয়েতনামৰ অস্থায়ী বিপ্লবী চৰকাৰ গঠিত হয় ডঃ নগুয়েন হুয়ে থ'ৰ নেতৃত্বত। সেই কংগ্ৰেছৰে বিপ্লবী চৰকাৰক পৰামৰ্শ দিয়াৰ কাৰণে এক জাতীয় উপদেষ্টা সমিতিও গঠিত হয়।

অস্থায়ী বিপ্লবী চৰকাৰে দক্ষিণ ভিয়েতনামৰ ১ কোটি ৪০ লাখ জনসাধাৰণৰ প্ৰতিনিধিত্ব দাবী কৰি অবিলম্বে সেই চৰকাৰক স্বীকাৰ কৰি লৈ ভিয়েতনামৰপৰা আমেৰিকান সৈন্যকে ধৰি সকলো বিদেশী সৈন্য অপসাৰণ, পুতলা চৰকাৰ ভঙ্গ, জেনেভা চুক্তি অনুসৰি নিৰ্বাচন আদি ৰাজনৈতিক দাবী আৰু "কৃষকৰ হাতত মাটি" "যুদ্ধ সীমান্তৰ কাৰণে সকলো", "ভিয়েতনামবাসীৰ সমস্যা ভিয়েতনাম-বাসীয়ে সমাধান কৰিব" আদি জনপ্ৰিয় ধ্বনি তোলে। জনসাধাৰণে এই দাবীসমূহ আগ্ৰহেৰে গ্ৰহণ কৰে আৰু অস্থায়ী চৰকাৰৰ পিছত বিপুল সমৰ্থন জনায়।

অস্থায়ী বিপ্লবী চৰকাৰৰ প্ৰতি সমৰ্থন জনাই প্ৰেছিডেণ্ট হ'-চি-মিনে দিয়া অভিনন্দন বাণীত তেখেতে কৈছিল—"অস্থায়ী বিপ্লবী চৰকাৰৰ জন্মই এই কথাই প্ৰমাণ কৰিলে যে এটা জাতি যিমানেই সৰু নহওক সেই জাতিৰ মাজত যদি ঐক্য নিবিড়তম হয়, ৰাজনৈতিক আৰু সামৰিক নীতি বিশুদ্ধ হয় তেন্তে সেই জাতিয়ে সমাজতন্ত্ৰৰ শিবিৰ আৰু বিশ্বৰ প্ৰগতিশীল জনসাধাৰণৰ সমৰ্থনত সাম্ৰাজ্যবাদৰ দুৰ্দাৰ আমেৰিকান সাম্ৰাজ্যবাদকে ধৰি সকলো সাম্ৰাজ্যবাদক পৰাস্ত কৰিব পাৰে।"

আমেৰিকাৰ শঠতা

বিশ্বৰ আৰু আমেৰিকাৰ নিজৰ দেশৰে জনসাধাৰণৰ বাঢ়ি অহা বিক্ষোভৰ সমুখত জনছনে বোমাবৰ্ষণ বন্ধ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও জনছনৰ ঠাইত নিক্সন নিৰ্বাচিত হোৱাৰ লগে লগে সেই প্ৰতিশ্ৰুতি দলিয়াই দি পুনৰ আক্ৰমণ আৰম্ভ কৰে। নিৰ্বাচনৰ আগত নিক্সনে প্ৰতিশ্ৰুতি দিছিল আমেৰিকাৰ সৈন্য দেশলৈ ঘূৰাই আনিব, যুদ্ধৰ অচিৰে এক সু-সমাধান কৰিব। কিন্তু নিৰ্বাচনী যুদ্ধত নিক্সনে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী জনছন সমৰ্থিত হুবাৰ্ট হামফ্ৰে জনছনৰ নীতিৰে অনুসৰণকাৰী বুলি প্ৰমাণ কৰিবলৈকে মাথোন তেনে ছলাহী কথা কৈছিল। সেই কাৰণে নিৰ্বাচনত হামফ্ৰেক সামান্য ভোটত পৰাজিত কৰি জয়ী হোৱাৰ পিছতেই আমেৰিকান সাম্ৰাজ্যবাদী পুঁজিপতি গোষ্ঠীৰেই প্ৰতিনিধি নিক্সনে জনছনৰ যুদ্ধক নিক্সনৰ যুদ্ধলৈ ৰূপান্তৰ কৰিলে।

নিক্সন ক্ষমতাৰ গাদীত বহাৰ দুসপ্তাহ পিছতে ১৯৬৯ চনৰ ৬ ফেব্ৰুৱাৰীত প্ৰতিৰক্ষা সচিব লেয়াৰ্ডে ঘোষণা কৰিছিল, আমেৰিকান চৰকাৰে শান্তি আলোচনাৰ লগে লগেই সামৰিক শক্তিৰ হেঁচাও বঢ়াই নি থাকিব। এপ্ৰিল মাহত নিক্সনে নিজেই ঘোষণা কৰিলে "আমেৰিকাৰ সামৰিক শক্তি কমোৱাৰ কাৰণে মই কোনো নিৰ্দেশ দিয়া নাই আৰু তেনে কোনো নিৰ্দেশ দিয়াৰ কাৰণে মই ইচ্ছাও কৰা নাই।" দক্ষিণ ভিয়েতনামৰ মুক্তি বাহিনীয়ে আমেৰিকানবিলাকৰ ওপৰত চলোৱা অতৰ্কিত আক্ৰমণ বাঢ়ি অহাৰ কাৰণেই এনে সিদ্ধান্ত কৰা বুলি নিক্সনে ঘোষণা কৰিছিল। কিন্তু জনছনৰ দিনত পেৰিচ শান্তি আলোচনাত আমেৰিকাৰ প্ৰতিনিধিত্ব কৰা হেৰিমেনে তেওঁৰ ঠাই কেবটলজে দখল কৰাৰ পিছত ঘোষণা কৰিছিল যে সেই কথা সঁচা নহয়; মুক্তিবাহিনীয়ে দক্ষিণ ভিয়েতনামত আমেৰিকান সৈন্যৰ অত্যাচাৰৰ প্ৰত্যুত্তৰ হিচাপেহে মাথোন আক্ৰমণ চলাইছিল।

দক্ষিণ ভিয়েতনামৰ দেশপ্ৰেমিক যোদ্ধাসকলে এই আক্ৰমণৰ প্ৰত্যুত্তৰত ১৯৬৯ চনৰ ২২ ফেব্ৰুৱাৰীৰপৰা পুনৰ ব্যাপক আৰু তীব্ৰ আক্ৰমণ চলায়। আমেৰিকাই স্বীকাৰ কৰা মতেই ১০ দিনৰ ভিতৰত ছাইগণ সৈন্যকে ধৰি মুঠ ৪৫০০০ সৈন্যই মুক্তিবাহিনীৰ হাতত প্ৰাণ দিয়ে আৰু ঘূণীয়া হয়।

এই ঘটনাত নিক্সনৰ বিৰুদ্ধে আমেৰিকাত তীব্ৰ বিক্ষোভৰ সৃষ্টি হয়। ১৯৬৯ চনৰ ৫ এপ্ৰিলত নিউয়ৰ্ক চহৰত ৭০,০০০ মানুহে নিক্সনৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰে আৰু বিক্ষোভকাৰীসকলে বুকুত '৩৩০০০' সংখ্যাটো ক'লা কাপোৰত

লিখি লৈছিল। সেই সংখ্যাটো আছিল ভিয়েতনামত আমেৰিকাৰ হোৱা শেহতীয়া মৃত্যুৰ সংখ্যা। ছান ফ্ৰান্সিছকো, চিকাগ', লছ্‌ এঞ্জেলছ আদি মহা নগৰীতো "যুদ্ধ বন্ধ কৰক", "আমেৰিকাৰ ল'ৰা আমেৰিকলৈ ঘূৰাই আনক", "আমেৰিকান সাম্ৰাজ্যবাদ ধ্বংস হওক" আদি ধ্বনিৰে হাজাৰ হাজাৰ লোকৰ বিক্ষোভ হৰলৈ ধৰিলে।

এই বিক্ষোভৰ সমুখত নিক্সনে ১৪ মে' তাৰিখে পুনৰ শান্তিকামীৰ মুখা পিন্ধি ঘোষণা কৰে :

"আমি যেতিয়া দক্ষিণ ভিয়েতনামক ৰক্ষাৰ কাৰণে সহায় কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিলোঁ দক্ষিণ ভিয়েতনামৰ অযুত নিযুত পুৰুষ, তিৰোতা আৰু কেঁচুৱাই আমাৰ ওপৰতে সম্পূৰ্ণ ভৰসা স্থাপন কৰিছিল। এতিয়া যদি সেই দায়িত্ব পৰিহাৰ কৰিবলৈ হয় তাৰ পৰিণতিত এনে এক ব্যাপক হত্যাকাণ্ড অনুষ্ঠিত হব যে মানুহক জীৱনক মূল্য দিয়া পৃথিৱীৰ যি কোনো লোককে সি আতঙ্কত সিয়ঁৰি উঠা অৱস্থা কৰিব।"

"………মই এই যুদ্ধৰ অৱিলম্বে অৱসান ঘটাবলৈ বিচাৰোঁ। কিন্তু তাকে আমি কৰিবলৈ বিচাৰোঁ স্থায়ীভাৱে আৰু যাতে ভিয়েতনামৰ আমাৰ ভ্ৰাতৃপ্ৰতীম যোদ্ধাসকলে পৃথিৱীৰ কোনো ঠাইতে আন এখন ভিয়েতনাম যুদ্ধত লিপ্ত হব লগা নহয়।"

[ইউনাইটেড ষ্টেটছ এগ্ৰেছন ইন ইন্দোচাইনা : পৃঃ ৪১]

অৰ্থাৎ নিক্সনে ভিয়েতনামীসকলক এনে দৰে 'শিক্ষা' দি যুদ্ধ শেষ কৰিবলৈ বিচাৰে পৃথিৱীত যাতে আৰু কোনেও আমেৰিকাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি স্বাধীনতাৰ সংগ্ৰাম চলাবলৈ সাহস কৰিব নোৱাৰে। নিক্সন প্ৰশাসনৰ নীতি ঘোষণাৰ এই প্ৰধান বক্তৃতাতে তেওঁ এই কথাও ঘোষণা কৰিছিল যে কোনো এখন দেশো বাদ নপৰাকৈ অ-কমিউনিষ্ট দেশৰ নেতাসকলৰ প্ৰত্যেকেই আমেৰিকাই এক পক্ষীয়ভাৱে সৈন্য অপসৰণ কৰিলে তাক তেওঁলোকে নিজৰ নিজৰ ৰাষ্ট্ৰৰ নিৰাপত্তাৰ কাৰণেই বিপজ্জনক বুলি বিবেচনা কৰাৰ কথা হেনো তেওঁক কৈছিল।

নিক্সনে তেওঁৰ পিছত প্ৰায় সকলো অ-কমিউনিষ্ট এচিয়াবাসীৰ সমৰ্থন থকা বুলি কোৱা কথা কিমান মিছা আছিল ভাৰত, বৰ্মা, আফগানিস্তান, নেপাল, সিংহল আদি ৰাষ্ট্ৰই আমেৰিকাৰ ভিয়েতনাম নীতিৰ প্ৰকাশ্যে বিৰোধিতা কৰাই

তাৰ প্ৰমাণ। অথচ দক্ষিণ কোৰিয়া, ফৰমোচা, থাইলেণ্ড আদি কেইখনমান জনসংখ্যাত নিচেই তাকৰীয়া ৰাষ্ট্ৰৰ কথা উল্লেখ কৰিয়ে সমগ্ৰ এচিয়াৰ দোহাই তেওঁ দিছিল।

বহুতীয়া ছাইগণ চৰকাৰ

অহা নৱেম্বৰ (১৯৭২) মাহত হব লগা আমেৰিকাৰ ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ কাৰণে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী হিচাপে নাম মনোনীত হোৱা ছিনেটৰ মেক্‌গভাৰ্ণে ১৯৬৯ চনৰ ছেপ্টেম্বৰ মাহত 'প্ৰগ্ৰেছিভ' নামৰ আমেৰিকান আলোচনী এখনত লিখিছিল, "ভিয়েতনামীসকলে প্ৰেছিডেণ্ট থিউ আৰু সহসভাপতি কাউ-কাইক দেশপ্ৰেমিক বুলি নাভাবে। ভাবে এই বুলি যে এওঁলোকে হ'ল বাহিৰৰ শক্তিৰ বলত কৃত্ৰিমভাৱে প্ৰতিষ্ঠিত হোৱা চৰকাৰৰ যি তেওঁলোকক পুহিৰখা প্ৰভুৱে দিয়া অকৃপণ সাহায্য পাই থকাৰ কাৰণে নিজৰ দেশৰ মানুহ হত্যা কৰিবলৈ সাজু।"

বৰ্তমান ছাইগণ চৰকাৰৰ সভাপতি থিউৱে ১৯৪৫ চনত ফৰাচীবাহিনীত সোমায়। ১৯৫৪ চনলৈকে ফৰাচীবাহিনীৰ হুকুমত নিজৰ দেশৰ জনসাধাৰণৰ মুক্তি সংগ্ৰামৰ বিৰুদ্ধে ফৰাচীক সহায় কৰে। ১৯৫৪ চনত ফৰাচীৰ পতনৰ পিছত তেতিয়াৰ দক্ষিণ ভিয়েতনামৰ দিয়েমক সকলো প্ৰকাৰে সহায় কৰে। ১৯৫৯ চনত থিউক দিয়েমৰ বিৰুদ্ধে হোৱা বিদ্ৰোহ দমন কৰাৰ কামত লগোৱা হয়।

১৯৬৪ চনত কাউ-কাই আমেৰিকালৈ যায়। বোমাৰু বিমানৰ চালক হৈ ঘূৰি আহে। কাউ-কায়ে স্পষ্টভাৱেই ঘোষণা কৰিছিল তেওঁৰ আদৰ্শ পুৰুষ হ'ল হিটলাৰ। প্ৰয়োজন হলে তেওঁলোকৰ চৰকাৰ ৰক্ষাৰ কাৰণে অযুত নিযুত ভিয়েতনামীক হত্যা কৰিবলৈও তেওঁ সাজু।

এই চৰকাৰৰ তলত দক্ষিণ ভিয়েতনামৰ শাসন কেনে হব পাৰে অনুমান কৰা কঠিন নহয়। ১৮৫৬ চনত জেনেভা চুক্তি অনুসৰি হব লগা নিৰ্বাচন আমেৰিকাই বাতিল কৰিছিল এই বুলি যে উত্তৰ ভিয়েতনামৰ কমিউনিষ্ট চৰকাৰ চলি থাকিলে তাত 'গণতান্ত্ৰিক' নিৰ্বাচন সম্ভৱ নহয়। কিন্তু ১৯৬৭ চনত হোৱা দক্ষিণ ভিয়েতনামৰ নিৰ্বাচন সম্পৰ্কে আমেৰিকাৰে জে. উইলিয়াম লে'ডাৰাৰ নামৰ এজনে তেওঁৰ "আমাৰ নিজৰে নিকৃষ্ট শত্ৰু" (আৱাৰ ঱'ন বৰ্ষ্ট এনিমি) নামৰ গ্ৰন্থত এই নিৰ্বাচন কেনেদৰে নিজৰ দেশৰে নিৰ্বাচনী আইনৰ বিৰোধী, ঠগ, প্ৰৱঞ্চনা আৰু ছল-চাতুৰীৰে ভৰা আছিল সেই কথা প্ৰকাশ্যে ঘোষণা

কৰিছে। তেওঁ আনকি সেই সময়ৰ ৰাষ্ট্ৰপতি জনছনে নিৰ্বাচন পৰ্যবেক্ষণ কৰিবলৈ পঠিওৱা দলটোকো এটা অনুধৰণৰ ছলাহি বুলিহে ব্যাখ্যা কৰিছিল। তেওঁ থিউ আৰু অন্যান্যবিলাকে নিৰ্বাচনৰ আগতে চৰকাৰী আইন মতে পদত্যাগ নকৰি কেনে দৰে চৰকাৰী ক্ষমতাত থাকিয়ে ভীতি প্ৰদৰ্শন, সন্দেহজনক ভোট বাতিল, টকাৰে ভোট কিনা, জাল ভোট দিয়া ব্যৱস্থা অবাধে নিৰ্বাচনত চলাইছিল তাৰ উল্লেখ কৰি মন্তব্য কৰিছে যে এই চৰকাৰৰ পিছত জনসাধাৰণৰ কোনো সমৰ্থন নাই। বৰং শতকৰা ৯৫ জন ভিয়েতনামবাসীয়ে সুবিধা পালেই আমেৰিকান সৈন্যৰ ডিঙি কাটিবলৈ সাজু।

১৯৬৯ চনৰ ছেপ্টেম্বৰ মাহত নিক্সনৰ নিৰ্দেশত থিউ খিয়েম প্ৰধান মন্ত্ৰী হয়। কিন্তু অৱস্থাৰ সলনি নহ'ল। অলপতে এই বছৰতো দক্ষিণ ভিয়েতনামত নিৰ্বাচন হৈ গৈছে। সেই নিৰ্বাচন সম্পৰ্কে ভাৰতৰ সংবাদপত্ৰতে জনসাধাৰণৰ কোনো সহযোগ নথকাৰ কথা প্ৰকাশ পাইছিল। এনে এটা চৰকাৰৰ তলত দেশৰ জনসাধাৰণৰ ওপৰত অত্যাচাৰ আৰু অনাচাৰ কিমান ব্যাপক হব পাৰে তাক সহজে অনুমান কৰিব পৰা যায়।

সকলো সন্দেহজনক লোকক বন্দী কৰি 'বিশেষ গাঁও' নামৰ অধিক নজৰৰ শিবিৰবিলাকত অত্যাচাৰ কৰা হ'ল। এনে বিশেষ গাঁওৰ সংখ্যা অলেখ। ভিয়েতনামৰপৰা আমেৰিকান সৈন্য সম্পূৰ্ণভাৱে অপসৰণ কৰা নীতিৰ সমৰ্থক বৈদেশিক সম্পাদক জে. ৰবাৰ্ট মুস্কিনৰ তথ্য মতে দক্ষিণ ভিয়েতনামত প্ৰত্যেক ১২ জন লোকৰ মাজত এজন গৃহহীন (মুঠ গৃহহীনৰ সংখ্যা ১২৪০০০) দেশৰ আধাতকৈও কম মাটিত খেতি হয়, ৫৪০০০ মানুহৰ মাজত মাত্ৰ এজন ডাক্তৰ। থিউ চৰকাৰে ৩০ হাজাৰৰো ওপৰ দেশপ্ৰেমিক, ৰাজনৈতিক, শিক্ষাবিদ, বুদ্ধিজীৱীক জেলত ৰাখিছে আৰু অকথ্য অত্যাচাৰ চলাইছে। কোনো কোনো বন্দী শিবিৰত বন্দীক পানীৰ সলনি নিজৰ প্ৰস্ৰাৱকে খাবলৈ বাধ্য কৰা হয়।

জনমেক্‌ক্ৰিমছনৰ লেখা "তাত কৰা আমাৰ পাপ" (আৱাৰ ক্ৰাইন্‌ছ ডেয়াৰ) গ্ৰন্থত তেওঁ হিচাপ দিছে ছাইগণ চহৰত চৰকাৰীভাৱে নামজাৰী কৰা বেশ্যাৰ সংখ্যা হ'ল ৩৪০০০। তাতে একেবাৰে সৰু ছোৱালীৰ বয়স ১২ বছৰো নহয়। নামজাৰী নকৰা অথচ হোটেল, দোকান, আদিত সকলোৱে জনা ধৰণেই দেহ বিক্ৰী কৰা গাভৰু ছোৱালীৰ সংখ্যা ৬০ হাজাৰৰ বেছি। একোজনী ছোৱালীয়ে মাহেকত ২০০ ডলাৰ পৰ্যন্ত উপাৰ্জন কৰে। কিন্তু নিজে ৫০ ডলাৰৰ বেছি নাপায়। বাকী ১৫০ ডলাৰেই যায় ছাইগণৰ পুলিচ, অসৎ ব্যৱসায়ৰ এজেন্ট,

হোটেলৰ মালিক আদিৰ পকেটলৈ। ১৯৭০ চনৰ ১৬ ফেব্ৰুৱাৰীত ছাইগণৰ "হৰা বুই" নামৰ কাকতে হিচাপ দিছিল সমগ্ৰ দক্ষিণ ভিয়েতনামত দেহ বিক্ৰী কৰা গাভৰুৰ সংখ্যা ৩০০০০০ জনীৰ কম নহয়। প্ৰত্যেকে মাহে ৫০ ডলাৰকৈ উপাৰ্জন কৰিলেও হয় ১৫,০০০,০০০ ডলাৰ। মাহে ১৫ লাখ ডলাৰ বৈদেশিক মুদ্ৰা উপাৰ্জন কৰাৰ ক্ষেত্ৰত থিউ চৰকাৰৰ কাৰণে ই এক লাভজনক ব্যৱসায় হৈ পৰিছে। অৱশ্যে কেলিফৰ্ণিয়াৰ এখন কাকতৰ মতে এই দেহোপজীৱিনীৰ মাজত কেৱল টকাৰ কাৰণে দেহ বিক্ৰী কৰা ছিৰোতাই যে আছে তেনে নহয়। বেশ্যাৰ ভেশচন কৰি গোপনে অস্ত্ৰ ৰাখি শত্ৰুৰ ওপৰত পোতক তোলা সাহসী বীৰাঙ্গনাও আছে।

বহতীয়া থিউ চৰকাৰে দেশক এক বেশ্যাগাৰলৈ পৰিণত কৰিছে।

৭

ছোভিয়েত আৰু সমাজতান্ত্রিক শিবিৰৰ অৱদান

"মহান লেনিন আৰু মহান অক্টোবৰ বিপ্লৱৰ প্ৰদৰ্শিত পথ অনুসৰণ কৰিয়ে ভিয়েতনামৰ জনসাধাৰণে এনে গৌৰৱ মণ্ডিত সাফল্য লাভ কৰিব পাৰিছে। সেই কাৰণেই গৌৰৱোজ্জ্বল অক্টোবৰ বিপ্লৱ, লেনিন আৰু ছোভিয়েত জনসাধাৰণৰ প্ৰতি ভিয়েতনামবাসীৰ অনুভূতি অতি গভীৰ আৰু আকৰ্ষণ অতি তীব্ৰ…।
ভিয়েতনামৰ জনসাধাৰণে এই কথা কোনোদিনেই নাপাহৰে যে তেওঁলোকৰ বিজয় ছোভিয়েত ইউনিয়ন, চীনা জনগণতন্ত্ৰ, আন আন সমাজতান্ত্রিক ৰাষ্ট্ৰ আৰু বিশ্বৰ প্ৰগতিবাদী জাতিসমূহে আগবঢ়োৱা অপৰিসীম অৱদানৰ লগত অবিচ্ছেদ্যভাৱে জড়িত।"

—অক্টোবৰ বিপ্লৱৰ ৫০ তম বাৰ্ষিকীলৈ হ'-চি-মিনৰ বাণী
[হ'-চি-মিন অন লেনিন এণ্ড লেনিনিজম, পৃঃ ১৯০]

অক্টোবৰ সমাজতান্ত্রিক বিপ্লৱে কেৱল যে সমাজতান্ত্রিক ৰাষ্ট্ৰ ছোভিয়েত ইউনিয়নৰে বিশ্বত প্ৰথম প্ৰতিষ্ঠা কৰিলে তেনে নহয়। তাৰ আগলৈকে পৃথিৱীজুৰি থকা সাম্ৰাজ্যবাদৰ 'বেলি মাৰ নোযোৱা' ঔপনিবেশিক শোষণৰ তলত থকা দেশসমূহৰ মুক্তি সংগ্ৰামতো এক নতুন প্ৰেৰণাৰ সঞ্চাৰ কৰিলে।

অক্টোবৰ বিপ্লৱ সংঘটিত হৈছিল ১৯১৭ চনৰ নৱেম্বৰ মাহত। সাম্ৰাজ্যবাদৰ লৌহ আৱৰণী সত্বেও সেই বাতৰি বনজুইৰ দৰে বিশ্বত বিয়পি পৰিল। সাধাৰণ শ্ৰমিক কৃষকে প্ৰবল প্ৰতাপী অত্যাচাৰী জাৰ সম্ৰাট আৰু ধনিক শ্ৰেণীৰ আসন

শোষণৰ ওৰ পেলাই নিজে চৰকাৰ চলোৱাৰ দায়িত্ব লোৱাৰ বাতৰিয়ে পৃথিৱীৰ সকলো পৰাধীন, শোষিত আৰু দলিত জনসাধাৰণৰ মাজত এক অদম্য আত্ম-বিশ্বাস, প্ৰবল প্ৰেৰণা আৰু শক্তিশালী সংগ্ৰামী সংগঠনৰ সৃষ্টি কৰিলে। তাৰেই প্ৰতিফলন দেখা যায় অক্টোবৰ বিপ্লৱৰ ঠিক পিছৰ তিনি বছৰত ১৯১৮ চনৰ পৰা ১৯২১ চনলৈ চীন, ভাৰত, ইজিপ্ট, তুৰ্কিস্তান, দক্ষিণ আফ্ৰিকা আদিত জাতীয় মুক্তি আন্দোলনে লাভ কৰা নতুন আৰু ব্যাপক চৰিত্ৰৰ মাজেদি। ১৯১৮ চনত চীনৰ ৪ মে'ৰ বিখ্যাত ছাত্ৰ জাগৰণ, ১৯১৯ চনৰ ৬ এপ্ৰিলত জালিয়ানৱালা বাগৰ হত্যাকাণ্ডই ভাৰতৰ জাতীয় মুক্তি আন্দোলনত, খিলাফৎ আন্দোলনে মুছলমান জগতত এক নতুন স্তৰৰ সংগ্ৰামৰ সূচনা কৰে।

ছোভিয়েত ইউনিয়নে জন্মৰপৰাই পৃথিৱীৰ সকলো দেশৰে শ্ৰমিক আৰু অন্যান্য দুখকাৰী জনসাধাৰণৰ শ্ৰেণী সংগ্ৰামত, শোষিত আৰু দলিত জাতিসমূহৰ মুক্তি সংগ্ৰামত সম্ভৱপৰ সকলো উপায়েৰে সাহায্য কৰি আহিছে। কাৰণ পৃথিৱীৰ প্ৰথম সমাজতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপেই ছোভিয়েত ইউনিয়নৰে আন্তৰ্জাতিক কৰ্তব্য আৰু ছোভিয়েত ইউনিয়নে অবিচলিতভাৱে সেই কৰ্তব্য একমাত্ৰ বিশ্ব-মুক্তিৰ স্বাৰ্থতে পালন কৰি আহিছে। পৃথিৱীৰ সকলো জাতি শোষণ-শাসনৰ পৰা মুক্ত হৈ সুখ-সমৃদ্ধিৰ সমাজ গঢ়ি উঠাই ছোভিয়েতৰ একমাত্ৰ আদৰ্শসঙ্গত কাম্য। সেই উদ্দেশ্যেই ছোভিয়েতে বিভিন্ন জাতিৰ মুক্তিৰ সংগ্ৰামত প্ৰথমৰ-পৰাই নৈতিক আৰু সম্ভৱপৰ সকলো সাহায্য আগবঢ়াই আহিছে। ভাৰতৰ মুক্তি সংগ্ৰামতো ছোভিয়েতৰ অবদানৰ কথা তেতিয়াৰ প্ৰগতিবাদী কংগ্ৰেছ নেতা যাক ভাৰতৰ জাতীয় আন্দোলনৰ জনক বুলি কোৱা হয় সেই বাল গঙ্গাধৰ তিলকৰপৰা আৰম্ভ কৰি মহাত্মা গান্ধী, পণ্ডিত নেহৰু, বৰ্তমানৰ প্ৰধানমন্ত্ৰীলৈকে জাতীয় আৰু চৰকাৰী নেতাসকলৰদ্বাৰা স্বীকৃত। জাতীয় মহাফেজত (নেছনেল আৰ্কিভ) পোৱা তথ্য অনুসৰি সেই সময়ত ভাৰতৰ ওপৰত ছোভিয়েতৰ প্ৰভাৱ কেনেদৰে পৰিছিল বৃটিছ সাম্ৰাজ্যবাদৰ দলিলৰপৰাও তাৰ প্ৰমাণ পোৱা যায়। চীনা বিপ্লৱত ছোভিয়েতৰ অৱদান চীনৰ কমিউনিষ্ট পাৰ্টি আৰু চৰকাৰী সূত্ৰতে স্বীকৃত। হিটলাৰ ফেছিবাদক পৰাস্ত কৰি বিশ্বৰ স্বাধীনতা আৰু গণতন্ত্ৰ ৰক্ষাৰ সংগ্ৰামত ছোভিয়েত ইউনিয়নৰ অৱদান কি পৰ্যায়ৰ আছিল ফেছিবাদৰ কৱলৰপৰা মধ্য ইউৰোপৰ দেশসমূহ মুক্ত হৈ সমাজতন্ত্ৰৰ পথ গ্ৰহণ কৰাই তাৰ একমাত্ৰ প্ৰমাণ নহয়। ছোভিয়েত ইউনিয়নৰ অবিহনে যে হিটলাৰ মুছোলিনী-টজ চক্ৰই সমগ্ৰ বিশ্বক পুনৰ গ্ৰাস কৰি নিকৃষ্টতম শোষণ অত্যাচাৰৰ

একনায়কত্ব প্ৰতিষ্ঠা কৰিলেহেঁতেন সেই কথা সৰ্বজন স্বীকৃত। প্ৰধানতঃ ছোভিয়েত ইউনিয়নৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সাহায্যৰ কাৰণেই দ্বিতীয় মহাযুদ্ধৰ পিছৰপৰা এতিয়ালৈকে ৫০ খনৰো অধিক নতুন দেশে স্বাধীনতা লাভ কৰি সমাজ প্ৰগতিৰ নতুন পথত আগবঢ়া সম্ভৱপৰ হৈছে। লেনিনৰ শিক্ষা আৰু আদৰ্শত ছোভিয়েত ইউনিয়নে আন্তৰ্জাতিক কৰ্তব্য কেনেদৰে সম্পন্ন কৰি আহিছে সেই সম্পৰ্কে উল্লেখ কৰি ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে যোৱা ২ ফেব্ৰুৱাৰী তাৰিখে এই বছৰৰ ৩১ ডিচেম্বৰত পালন কৰিব লগীয়া ছোভিয়েত ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ ৫০ তম বাৰ্ষিকী উৎসৱ উপলক্ষে গ্ৰহণ কৰা প্ৰস্তাৱত কৈছে :

> "বিশ্ব সমস্যাসমূহৰ ক্ষেত্ৰত ছোভিয়েত ইউনিয়ন হৈছে এনে এক শক্তি যি নিৰৱছিন্নভাৱে শান্তি আৰু বন্ধুতাৰ নীতি অনুসৰণ কৰি জাতিসমূহৰ সমতা সম্পৰ্কে লেনিনীয় মূল নীতিৰ প্ৰতি অবিচলিত থাকি দৃঢ়ভাৱে উপনিবেশবাদ নব-উপনিবেশবাদ, উগ্ৰজাতীয়তাবাদ আৰু সকলো ধৰণৰ জাতীয় অত্যাচাৰৰ বিৰোধিতা কৰি আহিছে। সাম্ৰাজ্যবাদ আৰু প্ৰতিক্ৰিয়াৰ আক্ৰমণমুখী কৌশলবিলাক প্ৰতিহত কৰাৰ ক্ষেত্ৰত আৰু আনক পদানত কৰাৰ উদ্দেশ্যে চলোৱা যুদ্ধৰ বিৰুদ্ধে পৰিচালিত হোৱা সংগ্ৰামত এক কাৰ্যকৰী আহিলা (ইন্‌ষ্ট্ৰুমেণ্ট) হিচাপে ছোভিয়েত ইউনিয়নে সদায়ে প্ৰাধান্য লাভ কৰি আহিছে। জাতিসমূহৰ স্বাধীনতা আৰু সামাজিক প্ৰগতিৰ কাৰণে ছোভিয়েত ইউনিয়নে অনৱৰত অৱদান আগবঢ়াই আহিছে।"
>
> [অন প্ৰিপাৰেছনচ ফৰ দি ফিফ্‌টিয়েথ্‌ এনিভাৰছেৰী অব ফৰ্মেছন অব ইউ. এছ. এছ. আৰ., পৃঃ ২১]

ভিয়েতনামৰ প্ৰতি অৱদান

ভাৰত, চীন, ইজিপ্ত আদিত ছোভিয়েত ইউনিয়নৰ জন্মৰ আগতেই জাতীয় মুক্তি আন্দোলনত জাতীয় ধনিক শ্ৰেণীৰ নেতৃত্ব প্ৰতিষ্ঠা হৈছিল। কিন্তু ভিয়েতনামত ফৰাচী সাম্ৰাজ্যবাদৰ শাসনৰ কাল সম্ভৱতঃ কম হোৱাত আৰু প্ৰথমৰপৰাই স্থানীয়ভাৱে তীব্ৰ বিৰোধিতাৰ সমুখ হব লগীয়া হোৱাত শিল্প-শিক্ষাৰ বিকাশ প্ৰায় নঘটাৰ দৰেই। সেই কাৰণেই ভিয়েতনামত দেশজোৱা প্ৰভাৱৰ জাতীয় ধনিক নেতৃত্বও গঢ়ি উঠা নাছিল। ফৰাচী সাম্ৰাজ্যবাদৰ

বিৰুদ্ধে যি বিক্ষিপ্ত সংগ্ৰাম গঢ়ি উঠিছিল তাৰ চৰিত্ৰ আছিল মূলতঃ সামন্ত আৰু উপজাতীয় নেতৃত্বৰ।

ভিয়েতনামৰ মুক্তি সংগ্ৰাম সম্পূৰ্ণৰূপে মাৰ্ক্সবাদী লেনিনবাদী আদৰ্শত অনুপ্ৰাণিত আৰু ছোভিয়েতৰ নেতৃত্বৰ সমাজতান্ত্ৰিক শিবিৰ আৰু বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ সমৰ্থনত পৰিচালিত। প্ৰেছিডেণ্ট হ'-চি-মিনে নিজেই একাধিকবাৰ সেই কথা উল্লেখ কৰি কৈছিল যে লেনিনৰ ঔপনিবেশিক মুক্তি সংগ্ৰামৰ দলিলেই তেখেতক এক নতুন পথৰ সন্ধান দিয়ে আৰু ছোভিয়েত ইউনিয়নৰ, কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত কমিউনিষ্ট আন্তৰ্জাতিকৰ ঔপনিবেশিক মুক্তি সংগ্ৰামৰ নিৰ্ধাৰিত পথ অনুসৰণ কৰিয়ে ভিয়েতনাম মুক্তি যুদ্ধই উত্তৰোত্তৰ সাফল্য লাভৰ কাৰণে সমৰ্থ হৈছে। ছোভিয়েতৰ আদৰ্শ আৰু ফৰাচী শ্ৰমিক শ্ৰেণীৰ সহায়ত হ'-চি-মিনে ১৯১৯ চনত ভাৰ্চাই সন্মিলনত ভিয়েতনামৰ মুক্তি দাবী প্ৰথমে উত্থাপন কৰিছিল আৰু তাৰ পিছৰপৰাই হ'-চি-মিনৰ নেতৃত্বত পৰিচালিত কমিউনিষ্ট পাৰ্টিৰ আহ্বানত সমগ্ৰ ভিয়েতনামজুৰি ইতিহাসৰ অভূতপূৰ্ব জাতীয় মুক্তি সংগ্ৰাম পৰিচালিত হৈ আহিছে।

দিয়েন-বিয়েন-ফুৰ বিজয়ৰ পিছত প্ৰতিষ্ঠিত ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰক ছোভিয়েত ই নিয়নে প্ৰথমে স্বীকৃতি দিয়ে। তেতিয়াৰপৰাই ভিয়েতনাম গণৰাষ্ট্ৰৰ প্ৰতি ছোভিয়েত ইউনিয়নে সকলো প্ৰকাৰৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামৰিক সমৰ্থন আগবঢ়াই আহিছে। এই কথা সকলোৱেই জানে যে পৃথিৱীৰ বৃহত্তম সাম্ৰাজ্যবাদী ৰাষ্ট্ৰ আমেৰিকাৰ বিৰুদ্ধে যুঁজ কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ সমুখ হব পৰাকৈ আধুনিক অস্ত্ৰৰ যোগান ধৰাত, যুদ্ধৰ ধ্বংসলীলাৰ মাজতে সমাজতান্ত্ৰিক পুনৰ্গঠন সম্ভৱ কৰি তোলাৰ কাৰণে আৰ্থিক আৰু কাৰিকৰী সাহায্য আগবঢ়োৱাত আৰু সৰ্বোপৰি আধুনিক বিমান বা অস্ত্ৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত দেশপ্ৰেমিক বীৰসকলক বৈজ্ঞানিক পদ্ধতিৰে শিক্ষিত কৰি তোলাত ছোভিয়েতৰ বহুমুখী সাহায্যৰ অবিহনে ভিয়েতনামে লাভ কৰা সাফল্য কোনো প্ৰকাৰেই সম্ভৱ নহ'লহেঁতেন। অধ্যায়ৰ আৰম্ভণিতে উল্লেখ কৰা প্ৰেছিডেণ্ট হ'-চি-মিনৰ উদ্ধৃতিত সেই কথাই স্পষ্টভাৱে প্ৰকাশ পাইছে।

ছোভিয়েতৰ সাহায্য উত্তৰ আৰু দক্ষিণ ভিয়েতনামৰ বিপ্লৱী যোদ্ধাসকলে কেনেদৰে গ্ৰহণ কৰে আৰু ছোভিয়েত ইউনিয়নৰ প্ৰতি ভিয়েতনামৰ জনসাধাৰণৰ শ্ৰদ্ধা কিমান গভীৰ তাৰ স্পষ্ট প্ৰমাণ পোৱা যায় ছোভিয়েত

ইউনিয়নৰ কমিউনিষ্ট পার্টিৰ ত্ৰয়োবিংশ অধিবেশনত ব্যক্তিগতভাৱে উপস্থিত থাকি উত্তৰ ভিয়েতনামৰ শ্ৰমিক পার্টিৰ প্ৰধান সম্পাদক লী-ডুৱান আৰু দক্ষিণ ভিয়েতনামৰ মুক্তি বাহিনীৰ কেন্দ্ৰীয় কমিটিৰ হৈ নগুৱেন থী বিনে ২৩তম কংগ্ৰেছক অভিনন্দন জনাই দিয়া ভাষণত। ছোভিয়েত ইউনিয়নৰ বহুমুখী সাহায্য আৰু অৱদানৰ কথা কৃতজ্ঞতাৰে স্বীকাৰ কৰি লী-ডুৱানে কৈছিল :

> "আমি ভিয়েতনামৰ কমিউনিষ্টসকলৰ কাৰণে মাতৃভূমি দুখন। ভিয়েতনাম আৰু ছোভিয়েত ইউনিয়ন।"
>
> [আৱাৰ ফ্ৰেণ্ডছ টেক্ দি ফ্ল'ৰ, চি. পি. এছ. ইউ. ২৩ কংগ্ৰেছ, পৃঃ ৩৭]

দক্ষিণ ভিয়েতনামৰ মুক্তি যুঁজাৰুসকলৰ হৈ অভিনন্দন জনাই নগুয়েন থী-বিনে কৈছিল :

> "২৩তম পার্টি কংগ্ৰেছৰ এই মহান মঞ্চৰপৰা মই ছোভিয়েত ইউনিয়নৰ জনসাধাৰণৰ প্ৰতি তেখেতসকলে আমাৰ উদ্দেশ্যে আগ বঢ়োৱা, ৰাজনৈতিক, তত্বগত আৰু বিপুল বৈষয়িক সাহায্যৰ কাৰণে দক্ষিণ ভিয়েতনামৰ মুক্তিবাহিনীৰ হৈ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। দক্ষিণ ভিয়েতনামৰ জনসাধাৰণে প্ৰত্যেক দিনেই ছোভিয়েত ইউনিয়নে পঠোৱা সাহায্যৰ বাতৰি অতি আগ্ৰহেৰে শুনে আৰু এই কথা দেখি অসীম আনন্দ লাভ কৰে যে তেওঁলোকৰ এই জটিল আৰু গৌৰৱপূৰ্ণ সংগ্ৰামৰ সময়ত ছোভিয়েত ইউনিয়নে সদায়ে সাহায্যৰ যোগান ধৰি থাকিব।" [আৱাৰ ফ্ৰেণ্ডছ টেক্ দি ফ্ল'ৰ, পৃঃ ১২৭]

ছোভিয়েত ইউনিয়নৰ বিপুল সাহায্যৰ লগত তুলনা নহলেও আন আন সমাজতান্ত্ৰিক ৰাষ্ট্ৰসমূহেও ইন্দোচীনৰ মুক্তি সংগ্ৰামত সকলো প্ৰকাৰে সাহায্য কৰিছে আৰু ইন্দোচীনৰ জনসাধাৰণে সকলো সময়তে তাৰ অকুণ্ঠ স্বীকৃতি দি ছোভিয়েত আৰু সমাজতান্ত্ৰিক শিবিৰৰ সাহায্যৰ অবিহনে এই বিজয় যে সম্ভৱ নহ'লহেঁতেন সেই কথা ঘোষণা কৰি আহিছে। উভয় ভিয়েতনাম লাওচ আৰু কাম্বডিয়াৰ সংগ্ৰামী জনতাৰ পক্ষৰপৰা দিয়া সকলো প্ৰধান ঘোষণাতো সেই স্বীকৃতি আছে।

সমাজতান্ত্ৰিক শিবিৰত বিচ্ছেদ

ভিয়েতনামৰ মুক্তি সংগ্ৰামৰ সফল অগ্ৰগতি আৰু তাৰ মাজে মাজে ঘটা

বিভেদৰ প্ৰশ্নও জড়িত। ভিয়েতনামৰ সাম্প্ৰতিক ঘটনাই তাৰ প্ৰমাণ।

প্ৰথম মহাযুদ্ধৰ পিছত পৃথিৱীত মাত্ৰ এখন সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা হৈছিল। সেই ৰাষ্ট্ৰ ছোভিয়েত ইউনিয়ন।

দ্বিতীয় মহাযুদ্ধৰ পিছত পোলেণ্ড, হাঙ্গেৰি, যুগোশ্লাভিয়া, ৰুমানিয়া, হাঙ্গেৰি, আলবেনিয়া আৰু চেক'শ্লভাকিয়াই সম্পূৰ্ণভাৱে সাম্ৰাজ্যবাদ ফেচিবাদৰ কবলৰ-পৰা মুক্ত হৈ সমাজতন্ত্ৰৰ পথ গ্ৰহণ কৰিলে। জাৰ্মানী খণ্ডিত হ'ল। পূব জাৰ্মানী সমাজতান্ত্ৰিক শিবিৰৰ ভিতৰুৱা হ'ল।

তাৰ অলপ দিনৰ পিছতে চীন, মঙ্গোলীয়া আৰু কিউবা সমাজতান্ত্ৰিক শিবিৰত লগ লাগিল। কোৰিয়া আৰু ভিয়েতনাম খণ্ডিত হৈ দুয়ো দেশৰে উত্তৰ খণ্ডই সমাজতান্ত্ৰিক অগ্ৰগতিৰ পথ গ্ৰহণ কৰে। পশ্চিমে ইউৰোপৰ ৰাইন নদীৰপৰা পূবে ভিয়েতনামৰ মেকং নদীলৈকে ইউৰোপ এচিয়াৰ গোটেই উত্তৰ অংশত সমাজতন্ত্ৰৰ বিজয় অগ্ৰগতিৰ অভিযান আৰম্ভ হ'ল।

এই সময় আছিল বিশ্বৰ কমিউনিষ্ট আন্দোলনৰ মাজত নিবিড় ঐক্য আৰু সংহতিৰ সময়। তাৰেই পটভূমিত ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰৰ জন্ম আৰু সাম্ৰাজ্যবাদে পৰাজয় স্বীকাৰ কৰি জেনেভা চুক্তি মানি লৈ গা-বচাবলৈ বাধ্য হয়।

১৯৬০ চনত মস্কো চহৰত অনুষ্ঠিত হোৱা বিশ্ব কমিউনিষ্ট মহাসম্মিলনৰ পিছত যুদ্ধ আৰু শান্তি, বৰ্তমান যুগৰ মূল বিৰোধ আদি কিছু প্ৰশ্নত আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলন আৰু ছোভিয়েতৰ নেতৃত্বৰ সমাজতান্ত্ৰিক শিবিৰৰ লগত অমিল ঘটি চীনৰ কমিউনিষ্ট পাৰ্টি ফালৰি কাটি যায় আৰু বিভিন্ন দেশৰ কমিউনিষ্ট আৰু শ্ৰমিক পাৰ্টিসমূহত বিভেদ ঘটোৱাৰ অপচেষ্টা আৰম্ভ কৰে। অপ্ৰাসঙ্গিক অনুমান হলেও সেই বিৰোধৰ উল্লেখ অপৰিহাৰ্য। কাৰণ ভিয়েতনাম যুদ্ধৰ লগত তাৰ গভীৰ সম্পৰ্ক।

বিশ্ব কমিউনিষ্ট আন্দোলনৰ মতে পৃথিৱীত সমাজ প্ৰগতিৰ মূল দ্বন্দ্ব আজি সাম্ৰাজ্যবাদ আৰু সমাজতন্ত্ৰৰ শিবিৰৰ মাজৰ দ্বন্দ্ব। সাম্ৰাজ্যবাদৰ সকলো চেষ্টা-চক্ৰান্ত হ'ল এখন নতুন বিশ্ব যুদ্ধৰ সৃষ্টি কৰি বিজ্ঞানৰ আধুনিক মাৰণাস্ত্ৰৰ সহায়ত সমাজতন্ত্ৰৰ শিবিৰ ধ্বংস কৰা, পৃথিৱীক পুনৰ সাম্ৰাজ্যবাদৰ শোষণৰ খলিত পৰিণত কৰা। কমিউনিষ্ট আন্দোলন আৰু সমাজতন্ত্ৰৰ শিবিৰৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় বিষয় হ'ল শান্তি। যুদ্ধ নহয়।' আজিৰ বিজ্ঞানৰ

আৱিষ্কৃত একোটা আনৱিক বোমাই একোখন যুগ যুগ ধৰি গঢ়ি উঠা নগৰ নিমিষৰ ভিতৰত ধ্বংস কৰিব পৰা অৱস্থাত যুদ্ধৰ পোষকতা কৰাৰ অৰ্থ মানৱ সমাজৰ দ্ৰোহ আচৰণ কৰা। গতিকেই আজিৰ আটাইতকৈ ডাঙৰ প্ৰশ্ন হৈছে সাম্ৰাজ্যবাদৰ যুদ্ধ প্ৰচেষ্টাক ব্যৰ্থ কৰা আৰু তাৰেই কাৰণে শান্তিপূৰ্ণ সহঅৱস্থান, শান্তিপূৰ্ণ পৰিৱেশত অৰ্থনৈতিক প্ৰতিযোগিতা চলোৱা। বিশ্ব কমিউনিষ্ট আন্দোলনৰ মতে যিহেতু আজি সাম্ৰাজ্যবাদ ঐতিহাসিকভাৱে ক্ষয়িষ্ণু আগৰ দৰে ইচ্ছা কৰিলেই বিশ্ব যুদ্ধ লগাব নোৱাৰে, আনহাতে সমাজতান্ত্ৰিক শিবিৰ বিজ্ঞান, অৰ্থনীতি, প্ৰযুক্তি বিদ্যা সকলোতে বিপুল অগ্ৰগতি লাভ হৈছে, গতিকে যুদ্ধক অপৰিহাৰ্য বুলি নধৰি শান্তিপূৰ্ণ পৰিস্থিতিৰ মাজতে পুঁজিবাদৰপৰা সমাজতন্ত্ৰলৈ সমাজৰ ৰূপান্তৰ ঘটোৱা সম্ভৱ। অৱশ্যে সাম্ৰাজ্যবাদে যদি ইচ্ছা কৰি যুদ্ধ লগায় তেন্তে দ্বিতীয় মহাযুদ্ধৰ পৰিণতিত ফেছিবাদৰ বিলুপ্তি আৰু সাম্ৰাজ্যবাদে ধ্বংসমুখী অৱস্থা পোৱাৰ দৰেই তৃতীয় মহাযুদ্ধৰ পিছতো সাম্ৰাজ্যবাদৰ শেষ সমাধি ৰচনাৰ কাৰণে বিশ্ব সাজু থাকিব লাগিব।

বিশ্বৰ এই প্ৰধান দ্বন্দ্বৰ লগতে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে পৰাধীন জাতিসমূহৰ মুক্তি সংগ্ৰামৰ যি বিৰোধ সেই বিৰোধ সাম্ৰাজ্যবাদ আৰু সমাজতন্ত্ৰৰ বিৰোধৰ পিছতে গুৰুত্বপূৰ্ণ বিৰোধ। বিশ্বমুক্তিৰ কাৰণে আৰু সাম্ৰাজ্যবাদৰ বিলুপ্তিৰ কাৰণে জাতীয় মুক্তিৰ সংগ্ৰামক তীব্ৰতৰ কৰি নিব লাগিব।

মূলতঃ এই দুটা প্ৰশ্নতে সমাজতান্ত্ৰিক শিবিৰৰ লগত চীনৰ বিৰোধ। চীনৰ কমিউনিষ্ট পাৰ্টিৰ মতে পৃথিৱীৰ মূল বিৰোধ সাম্ৰাজ্যবাদ আৰু সমাজতন্ত্ৰৰ মাজৰ বিৰোধ নহয়। মূল বিৰোধ হ'ল সাম্ৰাজ্যবাদ আৰু জাতীয় মুক্তি সংগ্ৰামৰ মাজৰ বিৰোধ। গতিকে তাকে কেন্দ্ৰ কৰি প্ৰয়োজন হলে বিশ্ব যুদ্ধৰ কাৰণে সাজু হব লাগিব আৰু সাম্ৰাজ্যবাদক যদি অবিলম্বে শেষ কৰিব লাগে তেন্তে সোনকালেই যুদ্ধ লগাই উচিত। কাৰণ সেই যুদ্ধত সাম্ৰাজ্যবাদ শেষ হব, এখন নতুন বিশ্বই জন্ম লব। তাৰ কাৰণে প্ৰয়োজন হলে চীনে নিজৰ আধা অধিবাসী যুদ্ধৰ বলি হিচাপে আগ বঢ়াবলৈও সাজু।

কোৱা বাহুল্য যে প্ৰথমতে চীনৰ নীতিৰ অনুকূলে ইন্দোনেচীয়া, আলবেনিয়া আদি দেশত সম্পূৰ্ণভাৱে আমাৰ ভাৰত, নিউজিলেণ্ড প্ৰমুখ্যে একাধিক দেশৰ কমিউনিষ্ট পাৰ্টিৰ মাজত আংশিকভাৱে বিভেদৰ সৃষ্টি হৈছিল। কিন্তু এই নীতিৰ পৰিণতি হিচাপে অ-সমাজতান্ত্ৰিক দেশৰ কমিউনিষ্ট পাৰ্টিসমূহৰ ভিতৰত সৰ্ববৃহৎ ইন্দোনেচীয়াৰ ৩০ লাখ সদস্যৰ কমিউনিষ্ট পাৰ্টিত ঘটা চৰম বিপৰ্যয়ৰ

পিছত চীনৰ কমিউনিষ্ট পাৰ্টিৰ ভুল নীতি সম্পৰ্কে বিভিন্ন দেশৰ কাৰ্লৰি কাটি যোৱা উপদলসমূহৰ মাজতো নতুন চিন্তা আৰম্ভ হৈছে। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰপৰা কাৰ্লৰি কাটি যোৱা মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি প্ৰথম অৱস্থাত চীনৰ কমিউনিষ্ট পাৰ্টিৰ একান্ত অনুগত আছিল যাৰ কাৰণে ১৯৬২ চনত চীনে প্ৰত্যক্ষভাৱে ভাৰত আক্ৰমণ কৰা সত্বেও উক্ত দলে চীনক আক্ৰমণকাৰী বুলি অভিহিত কৰিবলৈ অস্বীকাৰ কৰি প্ৰধানতঃ সেই প্ৰশ্নকে বিবোধৰ অন্যতম প্ৰধান প্ৰশ্ন হিচাপে লৈ ভাৰতৰ কমিউনিষ্ট আৰু শ্ৰমিক আন্দোলনত বিভেদ ঘটাইছিল। কিন্তু আজি উক্ত দলেও চীনৰ মৌলিক নীতিবপৰা আঁতৰি অহা নাই যদিও প্ৰকাশ্যভাৱেই চীনৰ নীতিৰ বিৰুদ্ধে ঘোষণা কৰিছে।

উভয়ৰ ভিয়েতনামতো বিভেদৰ কাৰণে চীনে যথেষ্ট অপচেষ্টা কৰিছিল। কিন্তু সেই অপচেষ্টা ব্যৰ্থ হোৱাত চীনে আগৰ দৰে সক্ৰিয় সমৰ্থন নীতি পৰিহাৰ কৰি ভিয়েতনামৰ প্ৰতি 'লেজুত ধৰি বল নিদিয়া' নীতি অনুসৰণ কৰিবলৈ ধৰে।

তাৰেই আনুসঙ্গিক কৌশল হিচাপে চীনে এহাতে ছোভিয়েত আৰু সমাজতান্ত্ৰিক শিবিৰৰ অন্যান্য ৰাষ্ট্ৰসমূহৰ সাহায্য যাতে স্থল পথেৰে ভিয়েতনামলৈ আহিব নোৱাৰা ধৰণে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিবলৈ ধৰে আৰু আনহাতে সাম্ৰাজ্যবাদ হৈছে কাগজৰ বাঘ, ভিয়েতনামী বীৰসকলে অকলৈয়ে সেই বাঘ নিপাত কৰিব পাৰিব" আদি ধৰণৰ আতুৱাভৰা প্ৰচাৰ কৰিবলৈ ধৰে। লক্ষ্য কৰিব লগীয়া কথা যে এই সময়ৰ ভিতৰতে চেংগিছ খাঁ, মাঞ্চু গোষ্ঠীৰ সম্ৰাট কাং ছী বা পুৰণি চীনৰ সম্প্ৰসাৰণবাদী সামন্ত সম্ৰাটবিলাকৰ জন্ম দিবস পালন কৰি উগ্ৰজাতিয়তাবাদৰ আদৰ্শ প্ৰচাৰ কৰা আৰু চিয়াংকাই শেকৰ আমোলৰ মানচিত্ৰ পুনৰ প্ৰকাশ কৰি লাওচ, ভিয়েতনাম, কাম্বডিয়া, ব্ৰহ্মদেশ, ভাৰত আদি ৰাষ্ট্ৰৰ এলেকা নিজৰ দেশৰ ভিতৰত বুলি প্ৰমাণৰ অপচেষ্টা চলাবলৈ ধৰে আৰু সেই উপজাতিয়তাবাদৰ সম্প্ৰসাৰণ নীতিৰেই প্ৰকাশ্য পৰিণতি ১৯৬২ চনত ভাৰতৰ লগত সংঘৰ্ষ। ভিয়েতনাম তথা দক্ষিণ পূব এচিয়াও মাওবাদী চীনৰ শ্যেন দৃষ্টিৰপৰা মুক্ত নহয় বুলিয়ে বহুতৰ বিশ্বাস। ছোভিয়েতৰ নভষ্টি প্ৰেছৰপৰা প্ৰকাশিত " পিকিং এণ্ড দি নেছনেল লিবাৰেছন ষ্ট্ৰাগল্" নামৰ পুস্তিকাৰ বহু অকাট্য প্ৰমাণ সহ চীনৰ সম্প্ৰসাৰণ নীতিৰ কথা ব্যাখ্যা কৰা হৈছে। ১৯৫৪ চনত পঞ্চশীল নীতিত বান্দুং চহৰত ১৯ খন ৰাষ্ট্ৰৰ যি জোঁট নিৰপেক্ষ সন্মিলন অনুষ্ঠিত হৈছিল বান্দুং সন্মিলনৰ যোগানকাৰী ৰাষ্ট্ৰসমূহৰ বেছি ভাগে ভিয়েতনাম সমস্যাক কেন্দ্ৰ কৰিয়ে ১৯৬৫ চনত আলজিৰিয়াৰ চহৰত দ্বিতীয় বান্দুং

শক্তিৰ সম্মিলন আহ্বানৰ সপক্ষে মত প্ৰকাশ কৰিছিল। কিন্তু চীনৰ বিভেদ আৰু প্ৰতিবাদ নীতিৰ কাৰণেই আলজিৰিয়াছ' সম্মিলন অনিৰ্দিষ্ট কাললৈ স্থগিত হ'ল।

সমাজতান্ত্ৰিক শিবিৰত ঘটোৱা বিভেদৰ উপৰিও বিশ্ব কমিউনিষ্ট আৰু প্ৰগতিশীল আন্দোলনৰ পক্ষে আটাইতকৈ বেছি ক্ষতি সাধন কৰা চীনৰ দুষ্কাৰ্য হ'ল ছোভিয়েত ইউনিয়নক আমেৰিকাৰ লগত কৰা তুলনা। চীনৰ মতে ছোভিয়েত ইউনিয়নে বিশ্বত প্ৰাধান্য প্ৰতিষ্ঠাৰ কাৰণেই আমেৰিকাৰ লগত প্ৰতিদ্বন্দ্বিতা চলাইছে আৰু সেয়ে আমেৰিকাৰ দৰেই ছোভিয়েত ইউনিয়নো হ'ল এক "ছুপাৰ পাৱাৰ" বা অতিশক্তি। চীনৰ এই অপপ্ৰচাৰ মাৰ্ক্সবাদ, লেনিন-বাদ বা শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিকতাবাদৰ সম্পূৰ্ণ বিৰোধী কথা। বিশ্বৰ প্ৰথম আৰু শক্তিশালী সমাজতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে অন্যান্য সমাজতান্ত্ৰিক ৰাষ্ট্ৰ সমূহক, নাইবা সদ্যমুক্ত আৰু মুক্তি প্ৰয়াসী জাতিসমূহক আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনৰ সৰ্বসন্মত সিদ্ধান্ত অনুসৰি ছোভিয়েত ইউনিয়নে নিজৰ কোনো স্বাৰ্থ নথকাকৈ আগবঢ়োৱা এই সাহায্যৰ বিৰুদ্ধে এনে অপপ্ৰচাৰে কেৱল সমাজতন্ত্ৰৰ শত্ৰুকেই বেছি সাহায্য কৰে। সকলোৱে জানে দ্বিতীয় বিশ্ব যুদ্ধত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হোৱা ছোভিয়েত ইউনিয়নে সম্পূৰ্ণভাৱে নতুনকৈ গঢ়ি তোলা অনুপম অৰ্থনৈতিক সাফল্যৰে নিজৰ দেশৰ সুখ-সমৃদ্ধি বহুগুণ বঢ়াই তুলিব পাৰিলেহেঁতেন যদিহে বিভিন্ন দেশৰ প্ৰগতি আৰু সমাজতন্ত্ৰৰ শক্তিসমূহৰ প্ৰতি ছোভিয়েত ইউনিয়নে বৰ্তমানৰ দৰে বিপুল সাহায্য আগ বঢ়াব লগা নহ'ল-হেঁতেন। আনহাতে এই কথাও আজি ভিয়েতনামৰ ৰাষ্ট্ৰপতি হ'-চি-মিনৰ দৰেই পৃথিৱীৰ প্ৰকৃত স্বাধীনতা, শান্তি আৰু সমাজতন্ত্ৰৰ সকলো ব্যক্তি আৰু শক্তিয়েই স্বীকাৰ কৰিব যে ছোভিয়েতৰ সাহায্যৰ অবিহনে ভিয়েতনামৰ মুক্তি, কিউবাৰ মুক্তি নাইবা ভাৰতৰ দৰে ৰাষ্ট্ৰসমূহৰ স্বাধীন অৰ্থনীতি গঢ়ি তোলা কোনো প্ৰকাৰেই সম্ভৱ নহ'লহেঁতেন। সেই বাস্তৱ সত্য পৃথিৱীৰ আটাইবোৰ প্ৰগতিশীল জনসাধাৰণৰদ্বাৰা স্বীকৃত কাৰণেই চীনৰ এনে অপপ্ৰচাৰে বৰং চীনৰ নিজৰহে অনিষ্ট সাধন কৰিছে বেছি।

সমাজতান্ত্ৰিক শিবিৰত চীনে ঘটোৱা এই বিভেদৰ সুযোগ সাম্ৰাজ্যবাদে সম্পূৰ্ণৰূপে গ্ৰহণ কৰে আৰু ১৯৬৪ চনত মিছা চেলু উঠিয়াই উত্তৰ ভিয়েতনামৰ ওপৰত অতৰ্কিত আক্ৰমণ চলায়। আমেৰিকাই ভালদৰে জানে যে সমাজতান্ত্ৰিক শিবিৰৰ বিৰোধ যিমান তীব্ৰ হব সাম্ৰাজ্যবাদৰ বিশ্বগ্ৰাসী সপোন পুনৰ প্ৰতিফলন

হোৱাৰ দিনো সিমানেই চমুৱাই আহিব। চীন ছোভিয়েত বিৰোধৰ অৰ্থ চীনৰ স্থল পথেদি ভিয়েতনামলৈ সমাজতান্ত্ৰিক শিবিৰৰ সাহায্য অহাত ব্যাঘাত ঘটিব আৰু সেয়ে হলেই আমেৰিকাৰো উদ্দেশ্য পূৰণৰ পথ সহজ হব। কাৰ্য-ক্ষেত্ৰতো চীনৰ মাজেদি ছোভিয়েত ইউনিয়ন আৰু অন্যান্য দেশৰ সাহায্য পঠোৱাত চীনে সৃষ্টি কৰা প্ৰতিবন্ধকতাৰ কথা সংবাদ-পত্ৰৰ পৃষ্ঠাতেই প্ৰকাশ পাইছে।

যোৱা ফেব্ৰুৱাৰী মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিক্সনৰ চীন ভ্ৰমণ আৰু চীনৰ নেতাসকলৰ লগত গোপন আলোচনাৰ পিছত নিক্সনে প্ৰকাশ্যভাৱে ঘোষণা কৰিছিল চীনা নেতৃত্বৰ লগত তেওঁৰ আলোচনা হোৱা সেই সাতোটা দিন পৃথিৱীৰ পৰিবৰ্তন ঘটোৱা দিন আৰু পৃথিৱীৰ ভবিষ্যত চীন আমেৰিকাৰ হাততে বুলি। সকলো প্ৰধান সংবাদ-পত্ৰত সেই সংবাদ প্ৰকাশ পাইছিল।

নিক্সনৰ ভ্ৰমণৰ আগতে কৰাচীৰ এটি সংসদী প্ৰতিনিধি দল চীন আৰু ভিয়েতনাম ভ্ৰমণৰ কাৰণে যায়। সেইদলত যোৱা ডি গল পন্থী সদস্য দিদিয়াৰ জুলিয়াৰ মতে চীনৰ প্ৰধান মন্ত্ৰী চৌ এন লায়ে ভিয়েতনাম সম্পৰ্কে প্ৰতিনিধি দলে প্ৰশ্ন কৰাত উত্তৰ দিছিল এই বুলি :

> "হানয়ক আপোনাসকলে স্পষ্টভাৱে জনাই দিব ৰাষ্ট্ৰপতি নিক্সনৰ লগত ভিয়েতনাম সম্পৰ্কে আমি কোনো আলোচনা নকৰোঁ। সেই সমস্যা হ'ল ভিয়েতনাম আৰু আমেৰিকাৰ মাজৰ সমস্যা; আমাৰ মূৰ ঘমোৱাৰ কোনো গৰজ নাই। আমি কোনো প্ৰকাৰে তাত হস্তক্ষেপ নকৰোঁ।"

[পেট্ৰিয়ত, ১০ ফেব্ৰুৱাৰী ১৯৭২]

লক্ষ্য কৰিব লগীয়া কথা হ'ল যে নিক্সন ভ্ৰমণৰ পিছৰপৰাই ভিয়েতনামত আমেৰিকান আক্ৰমণৰ তীব্ৰতা বাঢ়ি আহিছে। বহুত সংবাদ-পত্ৰত চীনৰ গোপন সমৰ্থন লাভ কৰিয়ে আমেৰিকাই এনে সাহস কৰিছে বুলি প্ৰকাশ।

নতুন চীনৰ জন্মৰ একুৰি দুবছৰ হ'ল। ইমান দিনে আমেৰিকা, বৃটেইন, জাপান, পশ্চিম জাৰ্মেনী আদি সাম্ৰাজ্যবাদী দেশৰ লগত চীনৰ সম্পৰ্ক সমূলে বন্ধুতাসুলভ নাছিল। সাম্প্ৰতিকে প্ৰত্যেকখন সাম্ৰাজ্যবাদী দেশৰ লগতে চীনে সম্পৰ্ক সহজ কৰি তোলাৰ পথ লৈছে।

পশ্চিম জাৰ্মানীৰ "জুংগে ৱেল্ট" নামৰ সংবাদ-পত্ৰখনে ১৯৭০ চনৰ ১ মাৰ্চ তাৰিখে সংবাদ প্ৰকাশ কৰিছিল যে কেইজনমান চীনা বিশেষজ্ঞই পশ্চিম

জার্মেনীয়ে আকাশলাত ৰকেট পৰীক্ষা কৰা পৰ্যবেক্ষণ কৰিছিল। পশ্চিম জার্মেনীৰ লগত ব্যৱসায়ো বৃদ্ধি পাইছে।

সেই সিদিনা মাত্র ২২ জুলাই (১৯৭২) তাৰিখে ২২ বছৰৰ মূৰত চীনে বৃটেইনৰ লগত কূটনৈতিক সম্পৰ্ক নতুন পৰ্যায়লৈ তুলিছে। চীনলৈ বহু বৃটিছ সামগ্ৰীৰ আমদানি হোৱাৰ খবৰো বিভিন্ন সংবাদ-পত্ৰতে প্ৰকাশ পাইছে।

জাপানৰ নতুন প্ৰধান মন্ত্ৰীয়ে তেখেতৰ প্ৰথম কৰ্তব্য হিচাপে ঘোষণা কৰা অন্যতম কৰ্তব্য হ'ল চীনৰ লগত সম্পৰ্ক সহজ কৰা। ইতিমধ্যে তাৰ প্ৰস্তুতিও চলিছে।

বিভিন্ন ৰাষ্ট্ৰৰ সম্পৰ্ক পৰস্পৰ মধুৰ হোৱা সকলোৰে কাম্য। কিন্তু সমাজ-তন্ত্ৰৰ শিবিৰত বিভেদ ঘটাই, ছোভিয়েতৰ বিৰুদ্ধে কুৎসা ৰটনা কৰি সাম্ৰাজ্যবাদী শিবিৰৰ লগত এনে মিত্ৰতাৰ উদ্দেশ্য যে অন্ততঃ ভিয়েতনাম, সমাজতন্ত্ৰ আৰু মুক্তিৰ শিবিৰৰ সহায়ক নহয় সেয়ে হৈছে লক্ষ্য কৰিব লগা বিষয়।

চীনে হয়তো আশা কৰিছে চীনৰ এনে নীতিৰ ফলত হয় ভিয়েতনামৰ মনোবল ভাগি যাব, আমেৰিকাৰ চৰ্তত সন্ধি কৰিব ; নহয় ভিয়েতনামক কেন্দ্ৰ কৰি চীনৰ ৰাজনৈতিক বিশ্লেষণ অনুসৰিয়ে তৃতীয় মহাযুদ্ধৰ সূচনা হব আৰু যিটোৱে নহওক তাৰ পৰিণতিত দক্ষিণ-পূব এচিয়াত চীনৰ প্ৰাধান্য বিস্তাৰ সহজ সম্ভৱ হব ; ছেঙ্গিছ খাঁৰ সপোন দিঠকত পৰিণত হব।.

চীনৰ এই নীতিৰ সহায়ক হিচাপেই জনসাধাৰণৰ মাজত বিভ্ৰান্তি প্ৰচাৰৰ কাৰণে আমাৰ ভাৰততো কোনো কোনো তথাকথিত বামপন্থী দলে চেষ্টাৰ ত্ৰুটি কৰা নাই। চীনৰ নীতিৰ অনুসৰণ কৰিয়ে ভাৰতৰ কমিউনিষ্ট আৰু শ্ৰমিক আন্দোলনত বিভেদ ঘটোৱা মাৰ্ক্সবাদী কমিউনিষ্ট দলে চীনে তেওঁলোকক দিয়া স্বীকৃতি প্ৰত্যাহাৰ কৰাৰ পিছত আগতে ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েতৰ কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে চলোৱা অপপ্ৰচাৰৰ লগতে বৰ্তমান চীনৰ বিৰুদ্ধেও মন্তব্য প্ৰকাশ কৰিবলৈ লৈছে যদিও ভিয়েতনামত ছোভিয়েত ইউনিয়নৰ কমিউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে যে শুদ্ধ নীতি অনুসৰণ কৰা নাই তাক আঙুলিয়াই দি ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে গ্ৰহণ কৰিব লগা পথৰ নিৰ্দেশ অনবৰত দিব লাগিছে। অলপতে হৈ যোৱা উক্ত দলৰ মাদুৰাই কংগ্ৰেছতো তেনে প্ৰস্তাৱেই গৃহীত হৈছে। সেই প্ৰস্তাৱৰ যোগে উক্ত দলে ছোভিয়েত ইউনিয়ন বা চীনৰ কমিউনিষ্ট পাৰ্টিয়ে তেওঁলোকৰ নিৰ্দেশলৈকে বাট চাই আছে বুলি হয়তো নিতান্তই ভবা নাই। সেই প্ৰস্তাৱৰ উদ্দেশ্য বিশ্ব

কমিউনিষ্ট আন্দোলনে পৰিত্যাগ কৰা চীনৰ নীতিৰ লগতে ছোভিয়েত ইউনিয়নৰ নীতিৰ প্ৰতিও পাৰিলে জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰা।

কলিকতাৰ এক সংবাদত প্ৰকাশ প্ৰধানতঃ পশ্চিম বঙ্গতে অস্তিত্ব থকা আন এটি বাম পন্থী দলৰো (এছ. ইউ. চি.) এজন নেতাই ছোভিয়েত ইউনিয়নলৈ চিকিৎসাৰ কাৰণে যোৱাৰ সুযোগত ছোভিয়েত ইউনিয়নৰ নেতৃত্ব আমেৰিকাৰ সাম্প্ৰতিক ভিয়েতনাম অৱৰোধৰ বিৰুদ্ধে টঙ্কিং উপসাগৰত প্ৰত্যক্ষভাৱে আমেৰিকাৰ সমুখ হোৱাৰ উপদেশ দিছিল। কিন্তু ছোভিয়েত নেতৃত্বই সেই পৰামৰ্শত কোনো গুৰুত্বকে নিদিয়ে বুলি নেতাজনে ১৭ মে' তাৰিখে কলিকতাৰ এক ৰাজহুৱা সভাত আক্ষেপ কৰিছিল।

ভিয়েতনাম যুদ্ধত ছোভিয়েত ইউনিয়নৰ প্ৰত্যক্ষ অংশ গ্ৰহণৰ অৰ্থ যে লগে লগেই স্থানীয় যুদ্ধক বিশ্ব যুদ্ধলৈ ৰূপান্তৰিত কৰা আৰু এচিয়াতে তৃতীয় বিশ্ব যুদ্ধৰ সৃষ্টি কৰা সেই কথা উক্ত নেতাজনেও নজনা নহয়। তথাপি ছোভিয়েতক হেয় প্ৰতিপন্ন কৰাৰ অপচেষ্টাৰে, জনসাধাৰণক বিভ্ৰান্ত কৰাৰ অভিলাসেৰে তেনে অপযশ ৰটনা কৰিয়ে এই বিভেদকাৰী শক্তিবিলাকেও পৰোক্ষভাৱে সাম্ৰাজ্যবাদকেই সাহায্য কৰিছে।

৮

ভাৰতৰ ভূমিকা

" ··আজিও পুৰণি সাম্ৰাজ্যবাদেই চলি থাকিব লাগিছে। ইন্দোনেচীয় আৰু ইন্দোচীনৰ সাম্প্ৰতিক ঘটনা হ'ল সেই দৃশ্য পটৰে শেহতীয়া দৃশ্য।···স্বাধীনতাৰ বাহিৰে আন কোনো ভিত্তিৰ ওপৰতেই ভাৰত তথা এচিয়াৰ শান্তি প্ৰতিষ্ঠা হব নোৱাৰে।"

—পণ্ডিত জৱাহৰলাল নেহৰু

[পৰিশিষ্ট "ভাৰত আবিষ্কাৰ"]

কলিঙ্গ বিজয়ৰ পিছত যুদ্ধৰ ধ্বংস লীলা দেখি মহাৰাজ অশোকে সমাজৰপৰা যুদ্ধৰ বিভীষিকা দূৰ কৰাৰ অভিপ্ৰায়েৰে শান্তি আৰু সম্প্ৰীতিৰ বাণী শিলৰ ৰেখাত কাটি প্ৰচাৰ কৰিছিল। পৃথিৱীৰ ইতিহাসত ভাৰতৰ সেই বাণীয়েই হ'ল শান্তি আৰু সম্প্ৰীতিৰ অৰ্থে চলোৱা প্ৰথম ব্যাপক অভিযান। সেয়া খৃষ্ট জন্মৰো আগৰ কথা।

তেতিয়াৰপৰা বিশ্বত বহু যুদ্ধ সংঘটিত হলেও শান্তি সম্প্ৰীতিৰ বাণীয়েই ভাৰতৰ মৰ্মবাণী হৈ ৰৈ আহিছে। পৃথিৱীয়ে আজি কেৱল মানৱপ্ৰেমী শান্তিবাণী প্ৰচাৰতে আৱদ্ধ হৈ থকা নাই। যুদ্ধ আৰু হত্যাৰ মূল কাৰণ সামাজিক শোষণৰ উচ্ছেদ সাধন কৰি শোষণ মুক্ত আৰু সকলোৰে সমান অধিকাৰৰ বৈজ্ঞানিক সমাজতন্ত্ৰত স্থায়ী শান্তিৰ ফালে আগ বাঢ়িছে। গতিকে আগৰ অশোক বা খৃষ্টৰ কেৱল মানৱীয় অনুভূতিৰ শান্তি বাণীৰ (পেচিফিষ্ট) ঠাইত আজিৰ শান্তি সংগ্ৰাম যুদ্ধ প্ৰতিৰোধৰ প্ৰস্তুতিৰে মানৱ দৰ্শনৰ যুক্তি আৰু মানৱ বিজ্ঞানৰ প্ৰযুক্তি সম্পদেৰে সমৃদ্ধ হৈ যুদ্ধৰ মূলোচ্ছেদ কৰা বিশ্বজনীন সক্ৰিয় সংগ্ৰামলৈ ৰূপান্তৰিত হৈছে। এই সংগ্ৰামত ভাৰতৰ ভূমিকা প্ৰত্যেক দেশপ্ৰেমিক ভাৰতবাসীৰ পক্ষেই অত্যন্ত গৌৰৱৰ।

শান্তি আৰু মুক্তিৰ ঐতিহ্য

ভাৰতৰ জাতীয় মুক্তি আন্দোলনৰ আটাইবোৰ ইতিহাস সেই গৌৰৱজনক ঐতিহ্যৰ পটভূমিতে গঢ়ি উঠে আৰু বাঢ়ি আছে। পৰাধীন জাতিৰ মুক্তি আৰু বিশ্ব শান্তিৰ দাবী, বিশ্বৰ মুক্তি সংগ্ৰামীসকলৰ লগত ভাৰতৰ ভাতৃত্বমূলক সংহতি প্ৰকাশ ভাৰতৰ জাতীয় আন্দোলনৰ অন্যতম বৈশিষ্ট্য। দক্ষিণ আফ্ৰিকাৰ জনসাধাৰণৰ সংগ্ৰামত মহাত্মা গান্ধীৰ প্ৰত্যক্ষ সহযোগৰপৰা আৰম্ভ কৰি পৃথিৱীৰ পৰলো দেশৰ মুক্তি সংগ্ৰামৰ প্ৰতি জাতীয় ভাৰতৰ পূৰ্ণ সমৰ্থন জ্ঞাপন, জাপানৰ বিৰুদ্ধে চীনৰ মুক্তি সংগ্ৰামত ভাৰতে "মেডিকেল মিছন" পঠোৱা, স্পেইনৰ মুক্তি সংগ্ৰামীসকলৰ লগত সহৃদয়তা প্ৰকাশৰ কাৰণে ১৯৩৬ চনত পণ্ডিত নেহৰু বাৰ্চলোনাত নিজে গৈ উপস্থিত হোৱা, অষ্ট্ৰিয়াত ফেচিষ্ট আক্ৰমণক তীব্ৰ ভাষাত নিন্দা কৰি অষ্ট্ৰিয়া, ইথিয়পিয়াৰ প্ৰতি জনোৱা অকুণ্ঠ সমৰ্থনলৈকে পৰাধীন অৱস্থাতে ভাৰতৰ জাতীয় আন্দোলনে যেনে ধৰণৰ গৌৰৱজনক আন্তৰ্জাতিক সংহতি প্ৰকাশ কৰি আহিছিল সমাজতন্ত্ৰত বিশ্বাস কৰা সকলৰ শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিকতাৰ বাহিৰে পৃথিৱীত তেনে উদাহৰণ বিৰল।

স্বাধীনতাৰ পিছতো ভাৰতে মূলতঃ সেই ঐতিহ্যকে বহন কৰি আহিছে। বহু উদাহৰণৰ লগতে যোৱা বছৰ (১৯৭১) বাংলাদেশৰ মুক্তি সফল কৰি তোলাত ভাৰতৰ ভূমিকা হ'ল তাৰ শেহতীয়া নিদৰ্শন।

ইন্দোচীন সম্পৰ্কেও ভাৰতে প্ৰথমৰপৰাই তেনে নীতিকে অনুসৰণ কৰি আহিছে। দ্বিতীয় যুদ্ধৰ পিছত ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতেই পণ্ডিত নেহৰুৱে সেই সময়ত জাপানৰ সৈন্য অপসৰণ কৰাৰ নামত বৃটিছ সাম্ৰাজ্যবাদে বৃটিছ আৰু ফৰাচী সাম্ৰাজ্যবাদক এচিয়াত পুনৰ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যত বিভিন্ন ঠাইত ৰখা ভাৰতীয় সৈন্য অবিলম্বে ঘূৰাই অনাৰ দাবী তোলে আৰু বিশেষকৈ ইন্দোচীন আৰু ইন্দোনেচীয়াত ভাৰতীয় সৈন্যৰ প্ৰয়োগে ভাৰতবাসীৰ তীব্ৰ ঘৃণাৰ উদ্ৰেক কৰাৰ কথা ঘোষণা কৰিছিল। [ভাৰত আৱিষ্কাৰ, পৰিশিষ্ট]

১৯৪৬ চনৰ ছেপ্টেম্বৰ মাহৰ তৃতীয় সপ্তাহত ভাৰতত লৰ্ড মাউণ্টবেটেনৰ নেতৃত্বত চৰকাৰ গঠিত হয়। জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগে সহযোগ কৰে। পণ্ডিত নেহৰুৱে সহকাৰী ৰাষ্ট্ৰ প্ৰধান হিচাপে তাৰ কেইদিনমানৰ পিছতে ২৯ ছেপ্টেম্বৰ তাৰিখে ঘোষণা কৰে :

"অন্য দেশৰ নীতি নিৰ্ধাৰণত হস্তক্ষেপ কৰাৰ আমি বিৰোধী।

বিশেষকৈ আমি অন্য কোনো দেশৰ মুক্তি আন্দোলনৰ বিৰুদ্ধে ভাৰতৰ সম্পদ, ধনবল আৰু জনবল ব্যৱহাৰ কৰাৰ ঘোৰ বিৰোধী। পৃথিৱীৰ য'তেই ভাৰতীয় সৈন্য নাথাকক সেই সকলোকে আমি অবিলম্বে ঘূৰাই অনাৰ দাবী কৰোঁ।"

তাৰ কেই মাহমানৰ পিছত ১৯৪৭ চনৰ ৭ জানুৱাৰী তাৰিখে পণ্ডিত নেহৰুৱে ভিয়েতনামত ফৰাচী সাম্ৰাজ্যবাদৰ আক্ৰমণক উদ্দেশ্য কৰি ঘোষণা কৰে:

"ইন্দোচীনৰ জাতীয় মুক্তি সংগ্ৰাম ধ্বংস কৰাৰ কাৰণে ফৰাচী সাম্ৰাজ্যবাদে চলোৱা অপচেষ্টাই সকলো অংশৰে মুক্তি কামনা কৰা ভাৰতবাসীৰ অন্তৰত এক তীব্ৰ ঘৃণাৰ উদ্ৰেক কৰিছে।"

[নিউ এ'জ, ২।৮।৫৮]

১৯৪৭ চনৰ ২১ জানুৱাৰী তাৰিখে নিখিল ভাৰত ছাত্ৰ ফে'ডাৰেচন আৰু নিখিল ভাৰত কংগ্ৰেছে সুকীয়াভাৱে একে দিনাই ভাৰতজুৰি ভিয়েতনাম দিৱস পালনৰ আহ্বান জনায় আৰু সমগ্ৰ ভাৰতত বিপুল বিক্ষোভ প্ৰকাশ পায়। কলিকতাত ছাত্ৰৰ লগত হোৱা পুলিচ সংঘৰ্ষত ২০০ জনতকৈও বেছি ছাত্ৰ আহত হয়। ৮৬ জনৰ গাত বন্দুকৰ গুলিৰ আঘাত আছিল। আহতসকলৰ ভিতৰত সুখেন্দু বিকাশ নাথ নামৰ এটি সক ল'ৰা আৰু ধীৰঞ্জন সেন নামৰ ১৮ বছৰীয়া এজন ছাত্ৰৰ মৃত্যু ঘটে। ভিয়েতনামৰ দাবীত ভাৰতৰ মাটি তেজেৰে ৰাঙলি হ'ল। ইয়াৰ প্ৰতিবাদত নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সাধাৰণ সম্পাদক এছ. এ. ডাঙ্গেৰ আহ্বানত কলিকতা আৰু ভাৰতৰ বিভিন্ন ঠাইত বিৰাট বিক্ষোভ সমদল হয়। কলিকতাত ১৫০০০০ জনতাৰ সমদল যাত্ৰাত পুলিচে লাঠি চলায়।

ইয়াৰ মাত্ৰ কেইমাহমানৰ পিছতে নেহৰুৰ উদ্যোগত নতুন দিল্লীত প্ৰথম এছিয়-আফ্ৰিকা সন্মিলন হয় আৰু ১১ খন এচিয়াস্থ ছোভিয়েত ৰাষ্ট্ৰই প্ৰথম বাৰৰ কাৰণে উপস্থিত থাকে। সেই সন্মিলনতে এচিয়াৰ মৰ্মবাণী ঘোষণা কৰি পণ্ডিত নেহৰুৱে দৃপ্ত কণ্ঠে কয়, "এচিয়াৰ জনসাধাৰণ কাৰো হাতত পুতলা হৈ থাকিবলৈ সাজু নহয়।"

দ্বিতীয় মহাযুদ্ধৰ পিছত পৃথিৱীত এক নতুন যুগৰ সূচনা হয়। সেই যুগ হ'ল মানৱ সমাজে পুঁজিবাদৰপৰা সমাজতন্ত্ৰৰ গুৰলৈ আগ বঢ়াৰ যুগ। সেই যুগ হ'ল ঔপনিবেশিক শোষণৰ শিকলি চিঙি মানৱ সমাজে মুক্তিৰ বিজয় অভিযান

আগ বঢ়াই নিয়াৰ যুগ। ফেছিবাদক নির্মূল কৰি সমাজতান্ত্রিক শিবিৰৰ জন্ম আৰু যুদ্ধৰ পিছত স্বাধীনতা লাভ কৰা জাতিসমূহৰ ইতিহাসে সেই কথাকেই প্ৰমাণ কৰে।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে। পৃথিবীৰ ইতিহাসত ভাৰতৰ এই স্বাধীনতা লাভে সমগ্ৰ পৰাধীন জাতিৰ কাৰণেই মুক্তিৰ সিংহদ্বাৰ মুকলি কৰি দিলে। আয়ৰলেণ্ডৰ বাহিৰে ভাৰতৰ আগতে কোনো জাতিয়ে সাম্রাজ্যবাদৰ কবলৰপৰা মুক্ত হোৱা নাছিল আৰু আয়ৰলেণ্ড প্ৰকৃত অৰ্থত সাম্রাজ্যবাদৰ উপনিবেশো নাছিল। গতিকে ভাৰতৰ এই স্বাধীনতা লাভ এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ আটাইবোৰ পৰাধীন জাতিৰ কাৰণেই এক নতুন আদৰ্শ আৰু প্ৰেৰণাৰ থল হৈ পৰিল।

দ্বিতীয় মহাযুদ্ধৰ পিছত পৃথিৱী সমাজতান্ত্রিক আৰু পুঁজিবাদী এই দুই প্ৰধান শিবিৰত ভাগ হৈ পৰিছিল। কিন্তু এচিয়া, আফ্ৰিকা লেটিন আমেৰিকাৰ কোটি কোটি জনসাধাৰণ এই দুই শিবিৰৰ কোনোটোৰে লগত প্ৰত্যক্ষভাৱে জড়িত নাছিল। এই বিশাল এলেকাৰ জাতিসমূহে সাম্রাজ্যবাদৰ শোষণ শাসনৰপৰা মুক্ত হবলৈ অনবৰত সংগ্ৰাম চলাব লাগিছে। গতিকে এই দেশসমূহৰ জনসাধাৰণ সাম্রাজ্যবাদী শিবিৰৰ বিৰোধী। আন হাতে সাম্রাজ্যবাদৰ শোষণ আৰু অসমান শিল্প-বিকাশ নীতিৰ ফলত এই দেশসমূহৰ বহুক্ষেত্ৰত শ্ৰমিক শ্ৰেণীৰ জন্মই সম্ভৱ হোৱা নাই আৰু অৰ্থনীতিও আধা সামন্ত অৱস্থাৰ। স্বভাৱতেই তাৰ ৰাজনৈতিক চেতনাৰ স্তৰে সমাজতান্ত্রিক সমাজৰ অনুকূল হৈ উঠা নাই। ভাৰতৰ স্বাধীনতা লাভে এই সদ্যমুক্ত আৰু মুক্তি প্ৰয়াসী জাতিসমূহৰ মাজত জোঁট নিৰপেক্ষ আৰু সহাৱস্থানৰ তৃতীয় এক শিবিৰৰ জন্ম দিলে। প্ৰধানতঃ ভাৰতৰ আৰু ইজিপ্টৰ উদ্যোগতে এই শিবিৰে ১৯৫৪ চনৰ বান্দুং আৰু ১৯৫৮ চনৰ কাইৰো সম্মিলনৰ যোগে নিজৰ আত্মপ্ৰকাশ কৰিছিল।

জাতি সংঘৰ পঞ্চদশ অধিবেশনত ভাৰতে ছোভিয়েত ইউনিয়নৰ লগ লাগি বিশ্বৰ পৰাধীন জাতিসমূহৰ মুক্তিৰ অধিকাৰ ঘোষণা কৰিছিল। তেতিয়াৰ-পৰাই জাতিসংঘত ভাৰতে সদায়ে জাতিসমূহৰ মুক্তিৰ পক্ষ সমৰ্থন কৰি আহিছে।

ভিয়েতনামৰ সমৰ্থনত

ভিয়েতনামৰ ক্ষেত্ৰতো প্ৰথমৰপৰাই ভাৰতৰ অকুণ্ঠ সমৰ্থন জনাই আহিছে। ঐতিহাসিক দিয়েন-বিয়েন ফুৰ বিজয়ৰ পিছত সাম্রাজ্যবাদী গোষ্ঠী লগ হৈ

ভিয়েতনামৰ বিৰুদ্ধে মিলিত অভিযান চলাব নোৱাৰে সেই অপচেষ্টা ব্যৰ্থ কৰাৰ উদ্দেশ্যে আৰু ভিয়েতনামৰ স্বাধীন সত্তা বিশ্বই স্বীকাৰ কৰি লোৱাৰ বাস্তৱ ভিত্তি ৰচনাৰ কাৰণে ভাৰতৰ হৈ সেই ক্ষেত্ৰতো প্ৰধান মন্ত্ৰী নেহৰুৱে গ্ৰহণ কৰা ভূমিকাৰ তাৎপৰ্য উপেক্ষনীয় নহয়। বিশ্ব জনসাধাৰণে ভিয়েতনামত যুদ্ধ বিৰতিৰ দাবী কৰিছিল। কিন্তু আমেৰিকাৰ সাম্ৰাজ্যবাদে যুদ্ধ চলাই যোৱাত গুৰুত্ব আৰোপ কৰিছিল। সেই সময়তে মাৰ্শ্বেল দ্বীপত আমেৰিকাই হাইড্ৰজেন বোমাৰ পৰীক্ষা কৰি নিজৰ অসীম শক্তিৰ কথা জাহিৰ কৰিছিল।

এনে পৰিস্থিতিতে পণ্ডিত নেহৰুৱে এহাতে ১৯৫৪ চনৰ ২৪ এপ্ৰিল তাৰিখে লোক সভাত ৬দফীয়া এক শান্তি চুক্তিৰ চৰ্ত আগ বঢ়াই ভিয়েতনামত যুদ্ধ বিৰতিৰ আহ্বান জনায়, আনহাতে জাতিসংঘত কৃষ্ণ মেননৰ যোগে জেনেভা সম্মিলনৰ সাফল্যৰ কাৰণে প্ৰচেষ্টা চলায়। সেই সম্মিলন যাতে চীনা জনগণতন্ত্ৰকো ধৰি বৃহৎ পঞ্চ শক্তিৰ ভিতৰতে আবদ্ধ ৰখা হয় সেই পৰামৰ্শও আগ বঢ়াব। জেনেভা সম্মিলনত ভাৰত তথা পণ্ডিত নেহৰুৰ এই ভূমিকাৰ কথা স্বীকাৰ কৰি বৃটিছ পাৰ্লামেণ্টৰ সেই সময়ৰ ছ'চিয়েলিষ্ট সদস্য ইউলিয়াম ৱাৰ্বিয়ে তেখেতৰ প্ৰখ্যাত "ভিয়েতনাম দি ট্ৰুথ" নামৰ গ্ৰন্থত লিখিছে :

> "জেনেভা সম্মিলনৰ গৃহীত চুক্তিৰ মূল ভিত্তি আছিল আচলতে নেহৰুৱে আগ বঢ়োৱা পৰামৰ্শসমূহেই—ঠিক যেনেকৈ সম্মিলন কাৰ লৈ গঠিত হব সেই সম্পৰ্কেও অৱশেষত নেহৰুৰ পৰামৰ্শকে সকলোৱে গ্ৰহণ কৰিব লগাত পৰিছিল।
>
> "৮ মে' তাৰিখে যেতিয়া সম্মিলনৰ পূৰ্ণাঙ্গ অধিৱেশন অনুষ্ঠিত হয় তাৰ আগতে বৃটেইন, চীন আৰু ছোভিয়েতৰ মাজত ইতিমধ্যেই দক্ষিণ পূব এচিয়াত গ্ৰহণ কৰিব লগা নীতি সম্পৰ্কে সাধাৰণভাৱে ঐক্যমতত উপস্থিত হব পৰা এক অৱস্থাৰ সৃষ্টি হৈছিল ; এই ক্ষেত্ৰতো নেহৰু আৰু নেহৰুৰ প্ৰতিনিধি কৃষ্ণমেননৰ প্ৰচেষ্টাই আছিল শালাগৰ পাত্ৰ।"
>
> [ইউনাইটেড ষ্টেটছ্ এগ্ৰেছন ইন ইন্দোচাইনা, পৃঃ ১১]

ইয়াৰ পিছতে সাম্ৰাজ্যবাদৰ চক্ৰান্তত গঠিত হোৱা দক্ষিণ-পূব এচিয়া চুক্তি সংস্থা (ছিয়াট') আৰু উত্তৰ অট্‌লাণ্টিক চুক্তি সংস্থা (নাট') আদি যুদ্ধ জোঁটৰ লগত জড়িত নহৈ বৰং তাৰ বিৰুদ্ধে জোঁট নিৰপেক্ষ, শান্তি, স্বাধীনতা আৰু সহাৱস্থান নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত মৈত্ৰীৰ কাৰণে ভাৰতৰ অৱদান সমগ্ৰ

শান্তিকামী বিশ্বৰদ্বাৰা স্বীকৃত। ভাৰতৰ সেই ভূমিকা স্বীকাৰ কৰিয়ে ১৯৫৮ চনৰ জানুৱাৰী মাহত ছোভিয়েত ইউনিয়নৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী বুলগানিনে "এচিয়া তথা বিশ্বৰ অন্যতম বৃহৎ আৰু শান্তিকামী মহান ৰাষ্ট্ৰ" ভাৰতৰ প্ৰধান-মন্ত্ৰী নেহৰুলৈ আণৱিক বোমাৰ প্ৰয়োগ আৰু পৰীক্ষা নিষিদ্ধ কৰাৰ বিশ্ব নিৰস্ত্ৰীকৰণ সম্মিলন আহ্বানৰ উদ্যোগ গ্ৰহণৰ কাৰণে অনুৰোধ জনাই চিঠি লিখিছিল আৰু নেহৰুৱে সেই অনুৰোধ মৰ্যাদা সহকাৰে ৰক্ষা কৰিছিল।

ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ অলপ দিনৰ পিছতে ভাৰতৰ প্ৰধান মন্ত্ৰী পণ্ডিত নেহৰু আৰু ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণ উভয়ে উত্তৰ ভিয়েতনামত নিজে উপস্থিত থাকি উত্তৰ ভিয়েতনামক দিয়া স্বীকৃতিক বাস্তৱ ৰূপ দিছিল আৰু ভাৰতৰ অভিনন্দন জ্ঞাপন কৰি আহিছিল। ১৯৫৫ চনৰ এপ্ৰিল মাহত উত্তৰ ভিয়েতনামৰ প্ৰধানমন্ত্ৰী ফান ভান দং নতুন দিল্লীলৈ আহি সেই বন্ধুত্ব আৰু দৃঢ় কৰে।

জেনেভা চুক্তি অনুসৰি গঠিত হোৱা 'আন্তৰ্জাতিক পৰ্যবেক্ষক আৰু নিয়ন্ত্ৰণ-কাৰী আয়োগ'ৰ ভাৰত, পোলেণ্ড আৰু কানাডা আছিল সদস্য। ভাৰত আছিল তাৰ সভাপতি। উক্ত আয়োগৰ একাধিক প্ৰতিবেদনত ভাৰত আৰু পোলেণ্ড একমত হৈ দক্ষিণ ভিয়েতনামৰ পুতলা চৰকাৰৰ অসহযোগ আৰু বাধা সৃষ্টিৰ কাৰণেই উত্তৰ ভিয়েতনামে সকলো চৰ্ত পূৰণ কৰা সত্বেও ১৯৫৬ চনত হব লগীয়া নিৰ্বাচন নোহোৱা বুলি মতামত প্ৰকাশ কৰিছিল। মাত্ৰ এবাৰ দক্ষিণ ভিয়েতনামৰ গেৰিলাবাহিনীক উত্তৰ ভিয়েতনামৰপৰা সাহায্য দিয়া হৈছে বুলি উত্তৰ ভিয়েতনাম সম্পৰ্কে (১৯৬২) মন্তব্য দিয়াৰ বাহিৰে উত্তৰ ভিয়েতনামৰ পক্ষে সদায়ে অনুকূল মনোভাৱকে প্ৰকাশ কৰি আহিছে।

হ'-চি-মিনৰ ভাৰত ভ্ৰমণ

ভাৰত আৰু ভিয়েতনামৰ বন্ধুত্বৰ চৰম আৰু পৰম মুহূৰ্ত হ'ল প্ৰেছিডেন্ট হ'-চি-মিনৰ ভাৰত ভ্ৰমণ। ১৯৫৮ চনৰ ফেব্ৰুৱাৰীৰ মাজভাগত নতুন দিল্লীলৈ অহা এই সৰল অথচ সিংহ সাহসৰ বীৰজনক নতুন দিল্লীত আদৰণি জনাই পণ্ডিত নেহৰুৱে কৈছিল "ভাৰতে এজন ব্যক্তিকে আদৰণি জনোৱা নাই, আদৰণি জনাইছে ইতিহাসৰ এটি উজ্জল অধ্যায়কো।"

থকা ঠাইৰপৰা ৰাষ্ট্ৰপতি ভৱনলৈ খোজ কাঢ়ি গৈ, ভাৰতৰপৰা দিয়া কাশ্মীৰী কাৰ্পেট টৰ উপহাৰ কান্ধ পাতি গ্ৰহণ কৰি, প্ৰথম অভ্যৰ্থনাৰ কাৰণে আয়োজিত সভাত তেখেতৰ কাৰণে ৰখা বিশেষ আসনত নবহি নেহৰু আৰু দিল্লী মহানগৰীৰ মেয়ৰৰ বহাৰ লগতে সাধাৰণ আসনত বহা আদি সৰু সৰু ঘটনাৰে আৰু অতি সহজ সৰল ব্যক্তিগত ব্যৱহাৰৰদ্বাৰা সকলোকে মোহিত কৰাৰ উপৰিও তেখেতে ভিয়েতনামৰ প্ৰতি ভাৰতৰ অৱদান অকুণ্ঠভাৱে স্বীকাৰ কৰিছিল। সাংবাদিক সন্মিলনত তেখেতৰ বক্তৃতাৰ পিছত যেতিয়া এজন সাংবাদিকে কাশ্মীৰ আৰু গোৱা সম্পৰ্কে (তেতিয়া কাশ্মীৰ আৰু গোৱাৰ প্ৰশ্নই ভাৰতত প্ৰাধান্য লাভ কৰিছিল) প্ৰশ্ন কৰিছিল তেখেতে কৈছিল "সেই সম্পৰ্কে কব লগা কি আছে মই নাজানো। কাৰণ মোৰ প্ৰতি বম্বে, বাঙ্গালোৰ বা কলিকতা যেনেদৰে ভাৰতৰ নগৰ, কাশ্মীৰ বা গোৱাও তেনেদৰে ভাৰতৰে ভিতৰুৱা।"

দিল্লী ভ্ৰমণৰ পিছত কলিকতা ভ্ৰমণৰ সময়ত তেখেতক নাগৰিক সম্বৰ্ধনা জনোৱা হৈছিল আৰু কলিকতাৰ মেয়ৰ শ্ৰীত্ৰিগুণা সেনে তেখেতক "মানৱ মুক্তিৰ মহান নায়ক" বুলি অভিহিত কৰি অভ্যৰ্থনা জনাইছিল। সেই সম্বৰ্ধনা সভাত যেতিয়া কমিউনিষ্ট পাৰ্টিৰ দৈনিক মুখপত্ৰ "কালান্তৰ" কাকতৰ এজন কৰ্মী শ্ৰীৰণমিত্ৰ সেনক তেওঁ ১৯৪৭ চনৰ ২১ ফেব্ৰুৱাৰীৰ ভিয়েতনাম দিৱসত গুৰুতৰ আহত হৈ সাম্ৰাজ্যবাদৰ কাৰাগাৰ ভোগ কৰাৰ কথা কৈ শ্ৰীত্ৰিগুণা সেনে প্ৰেছিডেণ্ট হ'-চি-মিনৰ লগত পৰিচয় কৰাই দিছিল হ'-চি-মিনে উঠি আহি শ্ৰীৰণমিত্ৰ সেনক বুকুত সাৱটি লৈ দুয়োগাল চুমাৰে ওপচাই দিছিল আৰু তেখেতক নিজৰ ওচৰতে বহুৱাই ভিয়েতনাম দিৱসৰ কাহিনীৰ টোকা লৈছিল। ভিয়েতনামৰ হৈ ৰক্তদান কৰা ভাৰতীয় ছাত্ৰ-যুৱকৰ প্ৰতি "মানৱমুক্তিৰ মহান নেতা" গৰাকীয়ে অন্তৰৰ শ্ৰদ্ধা আৰু শুভ কামনা জনাই গৈছে।

১৯৬৪ চনত যেতিয়া ভিয়েতনামত আমেৰিকাই পুনৰ বোমা বৰ্ষণ আৰম্ভ কৰে তাৰ প্ৰতিবাদতো ভাৰতত ইয়ুৱৰপৰা সিমুৱলৈ ব্যাপক প্ৰতিবাদ বিক্ষোভ প্ৰদৰ্শিত হৈছিল। ভাৰত চৰকাৰৰ তৰফৰপৰাও অবিলম্বে জেনেভা চুক্তিৰ ভিত্তিত ভিয়েতনাম সমস্যাৰ সমাধান দাবী কৰা হয়। ১৯৬৫ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে ভিয়েতনাম সম্পৰ্কে ভাৰতবাসীৰ মনোভাৱকে ব্যক্ত কৰি ভিয়েতনামত অবিলম্বে বোমা বৰ্ষণ বন্ধৰ দাবী কৰিছিল। তাৰেই পোতক তোলাৰ আপাহতে আমেৰিকাই প্ৰধানমন্ত্ৰী শাস্ত্ৰীৰ সেই ঘোষণাৰ লগে লগে তেখেতক আমেৰিকা ভ্ৰমণৰ কাৰণে জনোৱা নিমন্ত্ৰণ প্ৰত্যাহাৰ কৰিছিল।

আমেৰিকাই হয়তো পাহৰি গৈছিল যে ভাৰতক তেনেদৰে ব্যৱহাৰ কৰি শিকনি দিয়াৰ দিন বহু আগতেই উকলি গৈছে। আমেৰিকাৰ তেনে কামে আমেৰিকাৰ প্ৰতি ভাৰতবাসীৰ ঘৃণা বেছিহে কৰিলে।

সম্প্ৰতি ভিয়েতনামৰ লগত ভাৰতৰ সম্পৰ্ক আৰু বেছি সম্প্ৰসাৰিত হৈছে। এই বছৰৰ জোৱণিতে ভিয়েতনাম গণৰাষ্ট্ৰৰ দূতাবাসক পূৰ্ণ পৰ্যায়লৈ উন্নীত কৰা হৈছে, ভিয়েতনামৰ সমৰ্থনে জনতাৰ স্বতঃস্ফূৰ্ত আন্দোলনবপৰা ৰাষ্ট্ৰীয় সমৰ্থনৰ পৰ্যায় লাভ কৰিছে। পাৰ্লামেণ্ট, কেবাখনো ৰাজ্যৰ বিধান সভাত আমেৰিকান বৰ্বৰতাৰ নিন্দা কৰি আৰু ভিয়েতনামৰ জনসাধাৰণৰ লগত সম্পূৰ্ণ সংহতি প্ৰকাশ কৰি সৰ্বসম্মত প্ৰস্তাৱ গৃহীত হৈছে।

সুখৰ কথা যে আমাৰ অসমৰ বিধান সভাতো যোৱা ২১ জুলাই (১৯৭২) তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই আমেৰিকাৰ দুষ্কাৰ্য নিন্দা কৰি আৰু ভিয়েতনামৰ বীৰ যোদ্ধাসকললৈ সমৰ্থন জনাই প্ৰস্তাৱ উত্থাপন কৰে। কমিউনিষ্ট সহ সকলো দলৰ সদস্যৰ পূৰ্ণ সমৰ্থনত সেই প্ৰস্তাৱ সৰ্বসম্মতি ক্ৰমে গৃহীত হয়।

এনেদৰেই সদনৰ বাহিৰে ভিতৰে দেশজুৰি ভিয়েতনামৰ সমৰ্থনত আৰু দক্ষিণ ভিয়েতনামৰ অস্থায়ী বিপ্লৱী চৰকাৰক স্বীকৃতি দিয়াৰ দাবীত ব্যাপক সমাৱেশ সমদল যাত্ৰা, আমেৰিকান দূতাবাসৰ সমুখত বিক্ষোভ আদি হবলৈ ধৰিছে। দিল্লী, কলিকতা, বম্বে, প্ৰভৃতি মহানগৰীত আৰু অন্যান্য ঠাইত শাসক কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ যুটীয়া প্ৰচেষ্টাত বিৰাট বিক্ষোভ সংগঠিত হৈছে। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সভাপতি এছ. এ. ডাঙ্গেৰ নেতৃত্বত দিল্লীত থকা আমেৰিকান দূতাবাসৰ সমুখত অভূতপূৰ্ব বিক্ষোভ প্ৰদৰ্শনৰ উপৰিও পাৰ্টিৰ আহ্বানত ভাৰতজুৰি শ্ৰমিক, ছাত্ৰ, মধ্যবিত্ত, মহিলা, কৃষক আৰু সকলো অংশ জনসাধাৰণৰ মাজত ভিয়েতনামৰ দাবীত বিপুল সমাৱেশ সংগঠিত হৈছে। ভাৰতৰ ছাত্ৰ ফেডাৰেছনে যুৱক সংঘ আৰু অন্যান্য ছাত্ৰ যুৱকৰ সংগঠনে ভিয়েতনামৰ যুৱকৰ কাৰণে ৰক্তদান, ঔষধ সংগ্ৰহ আৰু ভিয়েতনামৰ অমৰ যুৱক ভান ত্ৰয়ৰ নামত হবলৈ ধৰা হাস্পাতালৰ কাৰণে ২৫০০০ টকা সংগ্ৰহ কৰিছে। এনেদৰেই ভিয়েতনামত শান্তি প্ৰতিষ্ঠাৰ দাবী আজি ভাৰতৰ জাতীয় দাবীত পৰিণত হৈছে। ভাৰতবাসীৰ সেই দাবীকে ধ্বনিত কৰি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ২৪ মে' (১৯৭২) তাৰিখে নতুন দিল্লীত অনুষ্ঠিত এচিয়ান ট্ৰেড ইউনিয়ন ছেমিনাৰ উদ্বোধন প্ৰসঙ্গত ধ্বনিত কৰি কৈছিল :

"ভিয়েতনাম হ'ল পুৰণি উপনিবেশবাদে নতুনকৈ হুস্তক্ষেপৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ চিৰায়ত (ক্লাছিক) নিদৰ্শন। কিন্তু ভিয়েতনামত এচিয়াবাসীৰ বিৰুদ্ধে এচিয়াবাসীয়ে যুদ্ধ কৰোৱাৰ নীতি ব্যৰ্থ হৈছে। এই বিষয়ত মোৰ তিলমানো সন্দেহ নাই যে ভিয়েতনামৰ জনসাধাৰণে অৱধাৰিতভাৱেই জয়লাভ কৰিব আৰু সেই বিজয়ো লাভ হব অচিৰেই।"

[পেট্ৰিয়ট, ২৫ এপ্ৰিল, ১৯৭২]

৯

ভিয়েতনাম আৰু বিশ্ব মানৱতা

"ভিয়েতনামত আজি তেজৰ সোঁত ব'ব লাগিছে। সাম্ৰাজ্যবাদী বৰ্বৰবিলাকে সিহঁতৰ জঘন্য যুদ্ধৰ যোগে তিৰোতা, কেঁচুৱা আৰু বুঢ়া মানুহকো হত্যা কৰিছে, খেতিয়কৰ গাঁও আৰু পথাৰ পুৰি ছাই কৰি দিছে, নগৰ-চহৰ বোমাৰ আঘাতত ধূলিস্মাৎ কৰিছে। আজি কাৰ অন্তৰত—মই সৎ লোকসকলৰ অন্তৰৰ কথাই কৈছো—ভিয়েতনামী জনসাধাৰণৰ এই ঘাবিলাকৰপৰা টোপ টোপকৈ তেজৰ টোপাল বাগৰি আহি পৰা নাই? আজি কাৰ অন্তৰত আমেৰিকাই নাপালম বোমাৰে জলাই দিয়া ভিয়েতনামীসকলৰ শান্তিপূৰ্ণ সংসাৰৰ জুই আগুনি আহি খুন্দা মৰাহি নাই?"

—ছল'খভ

[১৯৬৬ চনৰ বাকুত বহা শিল্পী সংহতি সন্মিলনলৈ দিয়া বাণী]

বিশ্ব বিশ্ৰুত ৰুছ ঔপন্যাসিক মিখেইল ছল'খভৰ অন্তৰতে কেৱল ভিয়েতনামৰ বেদনা এনেদৰে আজি অনুভূত হোৱা নাই। যেখেতে কোৱাৰ দৰেই ভিয়েতনামত আজি যি ঘটিছে যি সমগ্ৰ বিশ্ব মানৱতাক আঘাত কৰিছে। সেয়ে বিশ্বৰ মানৱপ্ৰেমী বৈজ্ঞানিক, দাৰ্শনিক, লেখক, শিল্পী, শ্ৰমিক সংগঠন, কৃষক সংগঠন, ছাত্ৰ-যুৱকৰ সংগঠন, মহিলা আৰু শান্তিৰ সংগঠনসমূহৰপৰা ভিয়েতনামত আমেৰিকাই চলোৱা বৰ্বৰতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ উঠিছে।

সংস্কৃতি সেৰীৰ সমৰ্পণ

১৯৬৬ চনত ২৯ আগষ্টৰপৰা ১ ছেপ্টেম্বৰলৈ এছিয়া-আফ্ৰিকা লেখক সংঘৰ লগত সঙ্গতি ৰাখি ছোভিয়েত লেখকসকলৰ এখন বিশেষ সম্মিলন ভিয়েতনামৰ লগত সংহতি প্ৰকাশৰ কাৰণেই বহে। সেই সম্মিলনত ছোভিয়েত লেখকসকলৰ উপৰিও ভিয়েতনামৰ হাবিত বন্দুক লৈ মুক্তি সংগ্ৰাম চলাই থকাৰপৰা ভিয়েত-নামৰ প্ৰখ্যাত ঔপন্যাসিক ঙ্গান থিৰ নেতৃত্বত ভিয়েতনাম লেখকৰ এটি দল, ভাৰতৰ ললিত কলা একাডেমিৰ সভাপতি মূলক ৰাজ আনন্দৰ নেতৃত্বত ভাৰতৰ এটি দল, তেনেদৰে জাপান, কেনিয়া, ইজিপ্ট, দক্ষিণ আফ্ৰিকা, বৃটেইন, ফিনলেণ্ড আদি মুঠতে এচিয়া, আফ্ৰিকা, ইউৰোপ, আমেৰিকা আৰু লেটিন আমেৰিকাৰ ৩০ খনৰো বেছি দেশৰ প্ৰতিনিধি উপস্থিত আছিল। আমেৰিকাৰপৰা উপস্থিত আছিল জোছেফ্ নৰ্থ। অৱশ্যে চীন আৰু পাকিস্তানৰ প্ৰতিনিধিৰ অনুপস্থিতি সকলোৱে দুখেৰে লক্ষ্য কৰিছিল।

এই লেখক সম্মিলনৰপৰা বিশ্বৰ লেখকসকলৰ প্ৰতি লেখকৰ একমাত্ৰ অস্ত্ৰ মানুহৰ মন আৰু অন্তৰ জয় কৰিব পৰা লেখনীৰে সাম্ৰাজ্যবাদৰ এই বৰ্বৰতা আৰু অন্ধকাৰময় পৰিস্থিতিৰ বিৰুদ্ধে সকলো শক্তিৰে থিয় দিবলৈ আহ্বান জনোৱা হয়। এই সম্মিলনলৈকে ছল'খভে ওপৰত দিয়া উদ্ধৃতিৰে এটি বাণী পঠাইছিল। তাৰ পিছত দিল্লী আৰু কাইৰোত হোৱা সম্মিলনেও অনুৰূপ আহ্বানকে জনাইছিল।

১৯৬৮ চনৰ ১৪ জানুৱাৰী তাৰিখে হাভানাত বহা বিশ্ব সাংস্কৃতিক সম্মিলনে ভিয়েতনাম সম্পৰ্কে লোৱা প্ৰস্তাৱত ভিয়েতনামৰ আন্তৰ্জাতিক চৰিত্ৰ নিৰ্ণয় কৰিছিল এনেদৰে "ভিয়েতনামৰ যুদ্ধ হ'ল বিশ্বৰ জনসাধাৰণে আমেৰিকান সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যি বিপ্লৱী সংগ্ৰাম চলাইছে তাৰেই পতাকা স্বৰূপ, মধ্যমণি স্বৰূপ আৰু সমুখৰ ধ্বজাবাহী বাহিনী স্বৰূপ।"

বিশ্ব বিশ্ৰুত বৃটিছ দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলে ১৯৬৬ চনত বিশ্বৰ প্ৰতি আমেৰিকান সাম্ৰাজ্যবাদৰ প্ৰতিৰোধ কৰা সংগ্ৰামৰ যোগেই বিশ্বত শান্তি প্ৰতিষ্ঠাৰ আহ্বান জনাই কৈছিল :

> "ভিয়েতনামৰ জনসাধাৰণ হ'ল বীৰসন্তান : তেওঁলোকৰ সংগ্ৰাম হ'ল মহাকাব্য অৰ্থাৎ মহান উদ্দেশ্যত মানুহে জীৱনাহুতি দি বিশ্বাস কৰিব নোৱাৰা যি আত্মবল (স্পিৰিট) লাভ কৰে তাৰেই প্ৰেৰণাপ্ৰদ আৰু স্থায়ী এক গৌৰৱণী। আহক সেই ভিয়েতনামৰ প্ৰতি আমি নতশিৰে শ্ৰদ্ধা জনাওঁ।" [ইউনাইটেড্ ষ্টেটছ এগ্ৰেছন ইন ইন্দোচাইনা, পৃঃ ১]

শ্ৰমিক শ্ৰেণীৰ বিশ্ব সংহতি

১৯৬৬ চনৰ অক্টোবৰ মাহত বিশ্ব ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ ৬ষ্ঠ অধিবেশন অনুষ্ঠিত হৈছিল পোলেণ্ডৰ ৱাৰ্ছ চহৰত। ইউৰোপ, আমেৰিকা, এচিয়া, আফ্ৰিকাৰ বিভিন্ন দেশৰ প্ৰতিনিধিৰ এই সম্মিলনত ভিয়েতনামৰ শ্ৰমিক আৰু সংগ্ৰামী জনসাধাৰণৰ প্ৰতি সকলো প্ৰকাৰৰ সাহায্য আগ বঢ়োৱাৰ আহ্বান জনোৱা হয়। এই সম্মিলনতে উত্তৰ ভিয়েতনামৰ সংগ্ৰামী শ্ৰমিকৰ সংগঠনৰ সভাপতি হোৱাং ক'ভিয়েতে ভিয়েতনামৰ সংগ্ৰামৰ আন্তৰ্জাতিক তাৎপৰ্য ব্যাখ্যা কৰি বিশ্ব সংহতিৰ আহ্বান জনাইছিল এই বুলি :

> "আমেৰিকাৰ বৰ্বৰতাৰ সমুখত নতি স্বীকাৰ কৰা বা আমেৰিকানৰ আক্ৰমণৰ সমুখত পিছ হুঁহকি অহাৰ অৰ্থ কেৱল ভিয়েতনামৰ বৰ্তমান আৰু ভবিষ্যতৰ বংশধৰসকলে অবৰ্ণনীয় আত্মত্যাগ আৰু লাঞ্ছনা ভোগ কৰাই নহব, ই সাম্ৰাজ্যবাদী আৰু আমেৰিকান আক্ৰমণকাৰী-বিলাকক বৰ্তমানতকৈও ব্যাপক আৰু অধিক অবাধ গতিত দুঃসাহসিক সামৰিক অভিযান চলাই শান্তি ব্যাহত কৰাৰ কাৰণে আৰু বিশ্বজুৰি সিহঁতৰ প্ৰাধান্য প্ৰতিষ্ঠাৰ নীতিক আগবঢ়াই নিয়াৰ কাৰণে সাহস যোগাবলৈ সুবিধা দিয়া হব।"
>
> [এগেইনষ্ট ক'লনিয়েলিজম্ এণ্ড এগ্ৰেছন ইন ভিয়েতনাম, পৃঃ ৫৮]

বিশ্ব ট্ৰেড ইউনিয়নৰ অন্তৰ্ভুক্ত সকলো দেশতে থকা ট্ৰেড ইউনিয়নসমূহৰ উপৰিও বিশ্ব ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অন্তৰ্ভুক্তি নোহোৱা ট্ৰেড ইউনিয়ন সমূহেও বিভিন্ন দেশত ভিয়েতনামৰ সমৰ্থনত দাবী তুলিছে, সাহায্য আগ-বঢ়াইছে। নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ, ভাৰতীয় জাতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছ প্ৰমুখ্যে সংগঠনৰ নেতৃত্বত ভাৰতৰ শ্ৰমিক শ্ৰেণীয়ে ভাৰতৰ বিভিন্ন নগৰত আমেৰিকান দূতাবাসৰ সমুখত শ্ৰমিক-কৃষক-ছাত্ৰৰ বিপুল বিক্ষোভ প্ৰদৰ্শন কৰিছে।

শান্তি সংসদৰ প্ৰচেষ্টা

বৰ্তমান পৃথিৱীৰ আটাইতকৈ ব্যাপক আৰু বৃহৎ সংগঠন হ'ল নিখিল বিশ্ব শান্তি পৰিষদ। পৃথিৱীৰ সকলো দেশৰ শান্তিবাদী দাৰ্শনিক, বৈজ্ঞানিক, শিল্পী সাহিত্যিক, ৰাজনীতিবিদ আদি সমাজৰ সকলো স্তৰৰ লোকসকলৰ এই বিশ্ব সংগঠনে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ কাৰণে, বিভিন্ন ঠাইত হোৱা মুক্তি সংগ্ৰামত

সমৰ্থন দিয়াৰ কাৰণে আৰু বিভিন্ন জাতিৰ মাজত সমান মৰ্যাদাৰ সম্পৰ্ক স্থাপনৰ কাৰণে ক্ৰমবৰ্ধমান সফলতাৰে চেষ্টা চলাই আহিছে। বাংলা দেশৰ সমস্যাক যথাযথভাৱে বিশ্ববাসীৰ আগত তুলি ধৰাত বিশ্বশান্তি পৰিষদৰ শেহতীয়া অৱদান যেনেদৰে উল্লেখযোগ্য, তেনেদৰেই ভিয়েতনামৰ প্ৰতি বিশ্বশান্তি পৰিষদৰ প্ৰচেষ্টা তাতোকৈও বেছি তাৎপৰ্যৰে সমৃদ্ধ। কাৰণ বাংলাদেশৰ সমস্যাই গুৰুতৰ আকাৰ ধাৰণ কৰিছিল মাত্ৰ অলপ দিনৰ কাৰণে। কিন্তু ভিয়েতনামৰ সমস্যা বিশ্বৰ সৰ্ব বৃহৎ সুদীৰ্ঘ সমস্যা। সেয়ে ভিয়েতনামৰ সমস্যাক কেন্দ্ৰ কৰি বিশ্ব শান্তি সংসদে অনবৰত বিশ্বজোৰা প্ৰচাৰ অভিযান চলাব লাগিছে। যোৱা ১৯৭১ চনৰ এপ্ৰিল আৰু ডিচেম্বৰৰ ভিতৰতে বিশ্বশান্তি পৰিষদে ১১ বাৰ ভিয়েতনাম সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু বিশ্ববাসীৰ প্ৰতি ভিয়েতনাম সম্পৰ্কে সক্ৰিয় অংশ গ্ৰহণৰ আহ্বান জনায়। ভিয়েতনামৰ প্ৰশ্নত বিশ্বশান্তি পৰিষদে ইমান গুৰুত্ব দিয়াৰ অৰ্থ হ'ল ভিয়েতনাম বিশ্বশান্তি সংগ্ৰামৰ বৰ্তমান কেন্দ্ৰ বিন্দু। বিশ্বশান্তি পৰিষদৰ আহ্বানত পৃথিৱীৰ দেশে দেশে আজি ভিয়েতনামৰ আন্দোলন সম্প্ৰসাৰিত হৈ বিশ্বৰ বৃহত্তম আন্দোলনত পৰিণত হৈছে।

বিশ্বত শান্তি প্ৰতিষ্ঠাৰ এই কেন্দ্ৰ বিন্দু ভিয়েতনাম সমস্যা সম্পৰ্কে বিশ্বশান্তি পৰিষদৰ সাধাৰণ সম্পাদক শ্ৰীৰমেশ চন্দ্ৰই বিশ্বৰ দুজন বিশিষ্ট প্ৰধান মন্ত্ৰীৰ লগত সাক্ষাত কৰিছিল। এগৰাকী হ'ল ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী আৰু আনজন হ'ল ছোভিয়েত ইউনিয়নৰ প্ৰধান মন্ত্ৰী কছিগিন।

১৯৭১ চনৰ ২৬ আগষ্ট তাৰিখে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ লগত সাক্ষাত প্ৰসঙ্গত শ্ৰীৰমেশ চন্দ্ৰই দক্ষিণ-পূৱ এচিয়াত শান্তি প্ৰতিষ্ঠাৰ সম্ভাব্য উপায় কি বুলি প্ৰশ্ন কৰাত প্ৰধান মন্ত্ৰীয়ে উত্তৰ দিছিল এই বুলি :

> "দক্ষিণ-পূৱ এচিয়াৰ শান্তি নিৰ্ভৰ কৰিছে ভিয়েতনাম, লাওচ আৰু কাম্বোডিয়াৰ সমস্যা সমাধানৰ ওপৰত। এই তিনিওৰে সমস্যা পৰস্পৰ জড়িত। সেয়ে হলেও দক্ষিণ ভিয়েতনামৰ সমস্যাৰ সমাধান হবই লাগিব। এই কথাই আজি ক্ৰমে বাঢ়ি অহা স্বীকৃতি লাভ কৰিছে যে এই প্ৰশ্নৰ কোনো সামৰিক সমাধান হব নোৱাৰে। সাম্প্ৰতিকে দক্ষিণ ভিয়েতনামৰ অস্থায়ী চৰকাৰে সমাধানৰ কেইটামান চৰ্ত আগ বঢ়াইছে। সেই ক্ষেত্ৰত মূল প্ৰশ্ন হৈছে ভিয়েতনামৰপৰা বিদেশী সৈন্য আৰু বিশেষকৈ আমেৰিকান সৈন্য প্ৰত্যাহাৰ কৰা। এই বিষয়ত মোৰ কোনো সন্দেহ নাই যে যদি এক নিৰ্দিষ্ট সময়ৰ

ভিত্তৰত এই বিদেশী সৈন্তৰ সম্পূৰ্ণ অপসৰণ সংঘটিত হয় তেন্তে দক্ষিণ ভিয়েতনামে বাহিৰত কোনো সামৰিক বা ৰাজনৈতিক হস্তক্ষেপ নোহোৱাকৈ নিজৰ সমস্যা নিজে সমাধান কৰিব পাৰিব। অচিৰেই এনে ভিত্তিতেই ভিয়েতনাম সমস্যাৰ সমাধান হওক বা বিলম্বেই হওক বিচাৰিব লাগিব।"

তাৰ কিছু দিনৰ পিছতে শ্ৰীৰমেশ চন্দ্ৰই ১৯৭১ চনৰ ৯ আগষ্টত সম্পাদিত ভাৰত-ছোভিয়েত চুক্তিৰ পৰিপ্ৰেক্ষিত বিশ্বশান্তি প্ৰতিষ্ঠাৰ সমস্যা সম্পৰ্কে ছোভিয়েত প্ৰধান মন্ত্ৰী কছিগিনৰ লগত হোৱা সাক্ষাত প্ৰসঙ্গত শ্ৰীচন্দ্ৰৰ প্ৰশ্নৰ উত্তৰত ছোভিয়েত প্ৰধান মন্ত্ৰীয়ে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ মতামতৰ অনুকূলেই মত প্ৰকাশ কৰে। তেখেতে কয়:

"বৰ্তমান সময়ত পৃথিৱীৰ সকলো ৰাষ্ট্ৰৰে স্বাৰ্থত আঘাত কৰা আটাইতকৈ জটিল আন্তৰ্জাতিক সমস্যা হৈছে ইন্দোচীনৰ সমস্যা। ইন্দোচীনৰ সমস্যা সমাধানৰ বাস্তৱ সম্ভাৱনা আছে।

ভিয়েতনাম, লাওচ আৰু কাম্বোডিয়াৰ জনসাধাৰণে আমেৰিকান জনসাধাৰণৰ আক্ৰমণ প্ৰতিহত কৰাৰ মাজেদি বিপুল ক্ষতি আৰু কষ্টভোগ কৰিব লগা সত্বেও তেওঁলোকৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ নিশ্চয়তাৰ কাৰণে আৰু তেওঁলোকৰ নিজৰ ভৱিষ্যত নিজে নিৰ্ধাৰণ কৰাৰ অধিকাৰ সুৰক্ষা কৰিবৰ কাৰণে এতিয়াও দৃঢ় প্ৰতিজ্ঞ। এই ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিসকলে বাৰে বাৰে ঘোষণা কৰিছে যে তেওঁলোক সমস্যাৰ এটা ৰাজনৈতিক সমাধানৰ কাৰণে সাজু। এইটো সকলোৰে জনা কথা যে ভিয়েতনাম যুদ্ধৰ গধুৰ বোজা ক্ৰমে বাঢ়ি অহা ভাৱে আমেৰিকাৰ ওপৰতেই পৰিব লাগিছে। আক্ৰমণকাৰীও আজি এই বিষয়ত নিঃসন্দেহ যে ইন্দোচীনৰ সংগ্ৰামী জনসাধাৰণৰ ওপৰত শক্তি বা ছল-বুদ্ধিৰে বাহিৰৰপৰা কাৰো ইচ্ছাক জাপি দিব পৰা সম্ভৱ নহয়।

গতিকে আজি সমস্যা হৈছে বাস্তৱ সম্ভাৱনাক বা প্ৰকৃত ৰাজনৈতিক সমাধানলৈ ৰূপান্তৰিত কৰা। তাৰ কাৰণে কাৰ্যকাৰী পথ প্ৰশস্ত হৈ পৰিছে। সেই পথ হৈছে দক্ষিণ ভিয়েতনামৰ অস্থায়ী বিপ্লৱী চৰকাৰে আগবঢ়োৱা আৰু উত্তৰ ভিয়েতনামে সমৰ্থন কৰা সাত দফীয়া চৰ্ত। এই চৰ্তসমূহেই দক্ষিণ পূব-এচিয়াত শান্তি প্ৰতিষ্ঠাৰ ভিত্তি তুলি ধৰিছে। এয়ে যুক্তি সম্মত আৰু সুবিবেচক ৰাজনৈতিক সমাধান। আমেৰিকা যুক্তৰাষ্ট্ৰই ইয়াৰ কোনো উত্তৰ দিয়া নাই। লগে লগে আমেৰিকা যুক্তৰাষ্ট্ৰই পেৰিচ আলোচনাৰ যোগেদি আৰু-

ভিয়েতনামৰ জনসাধাৰণৰ প্ৰতিনিধিৰ সহযোগৰ মাজেদি সমস্যাৰ সমাধান কৰিবলৈ বিচৰা নাই। বিচাৰিছে সেইসকলক বাদ দি, সেইসকলক উপেক্ষা কৰি। সি যি নহওক এই কথা ঠিক যে ইন্দোচীনৰ সংঘৰ্ষৰ ৰাজনৈতিক সমাধান সম্ভৱ একমাত্ৰ দক্ষিণ ভিয়েতনামৰ অস্থায়ী চৰকাৰ আৰু ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰৰ প্ৰতিনিধিৰ লগত আলোচনাৰ যোগেদিহে। অন্য কাৰো লগত আলোচনাৰ যোগে নহয়। 'অন্য উপায়েৰে' এই সমস্যা সমাধানৰ সকলো অপচেষ্টাই ব্যৰ্থ হবলৈ বাধ্য।"

ভিয়েতনাম জনসাধাৰণৰ মুক্তি সংগ্ৰাম বিশ্বশান্তি সংগ্ৰামৰ ইতিহাসত এক অভূতপূৰ্ব ব্যাপক আৰু সুদীৰ্ঘ উদাহৰণ। সেই স্বীকৃতিকে প্ৰদান কৰি যোৱা ১৯৭১ চনৰ ২ ছেপ্তেম্বৰত ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাৰ্ষিকী উৎসৱ উপলক্ষে অভিনন্দন জনাই পঠোৱা বাণীত বিশ্বশান্তি সংসদৰ তৰফৰপৰা কোৱা হৈছিল:

> "প্ৰথমতে ফৰাচী উপনিবেশবাদীৰ বিৰুদ্ধে মুক্তিৰ বিপ্লৱী সংগ্ৰাম পৰিচালনা কৰি আৰু তাৰ পিছত ২০ বছৰ ধৰি আমেৰিকাৰ আক্ৰমণমূলক যুদ্ধ প্ৰতিৰোধৰ মাজেদি ভিয়েতনামৰ জনসাধাৰণে মানৱ সমাজৰ মুক্তিৰ ইতিহাসত তেওঁলোকৰ তেজেৰে চিৰ উজ্জ্বল এক সোণালী অধ্যায়ৰ ৰচনা কৰিছে আৰু আমাৰ সকলোৰে সন্মুখত আমাৰ আদৰ্শৰ অপৰাজেয় সম্পৰ্কে নতুন আস্থা আৰু আশাৰ প্ৰতীক স্বৰূপ হৈ পৰিছে। বাস্তৱিক পক্ষে ভিয়েতনামৰ বিপ্লৱী জনসাধাৰণৰ ওচৰত বিশ্ব মানৱতা আজি কৃতজ্ঞতা পাশত যেনেদৰে আবদ্ধ, তাৰ পৰিশোধ কৰা কোনো দিনেই সম্ভৱ নহব।"

শান্তি সংসদৰ এই বাণীয়েই বিশ্বৰ সকলো শান্তিকামী সৎলোকৰো বাণী। ভিয়েতনামৰ যুদ্ধ বিশ্বশান্তিৰ কাৰণে মুক্তি যুদ্ধ।

১০

শেষ নোহোৱা সমাপ্তি

"যুদ্ধ হয়তো ৫ বছৰ, ১০ বছৰ, ২০ বছৰ যাইবা তাতকৈয়ো দীঘলীয়া দিন ধৰি চলিব পাৰে। হানয়, হাইফং আৰু বহু নগৰ, বহু কাৰখানা হয়তো ধ্বংস কৰা হ'ব পাৰে; কিন্তু ভিয়েতনামৰ জনসাধাৰণক কদাপিও ভয় খুৱাব নোৱাৰিব। মুক্তি আৰু স্বাধীনতাতকৈ মূল্যবান একোৱেই হ'ব নোৱাৰে। বিজয় লাভৰ পিছত আমি আমাৰ দেশ পুনৰ নতুন ধৰণেৰে গঢ়ি তুলিম আৰু বৰ্ত্তমানতকৈও আমাৰ দেশ বেছি সুন্দৰ আৰু বিশাল হৈ উঠিব।"

—হ'-চি-মিন

[দেশ বাসীৰ প্ৰতি আবেদন : আবাৰ প্ৰেছিডেণ্ট, পৃঃ ১৭১]

ভিয়েতনামৰ যুদ্ধ শেষ হোৱা নাই। নতুন স্তৰ আৰম্ভ হৈছে। সেই স্তৰ হৈছে মাৰ্কিন সাম্ৰাজ্যবাদে বিশ্বৰ আৰু প্ৰধানকৈ নিজৰ দেশৰ বিপুল প্ৰতিবাদৰ সমুখত পেৰিচ শান্তি আলোচনাত অংশ গ্ৰহণ নকৰাৰ সিদ্ধান্ত পৰিহাৰ কৰি পুনৰ আলোচনাত বহিবলৈ বাধ্য হৈছে। যোৱা ১৩ জুলাইৰপৰা (১৯৭২) সেই আলোচনাৰ নতুন সূচনা হৈছে।

এই বছৰৰে ৭ নৱেম্বৰত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নতুন নিৰ্বাচন হ'ব। আমেৰিকাৰ নিৰ্বাচনত দুটা প্ৰধান ৰাজনৈতিক দল ৰিপাব্লিকান আৰু ডেম'ক্ৰেটিক দলৰে প্ৰাৰ্থী সদায়ে থাকে আৰু এইবাৰো আছে। ৰিপাব্লিকান দলৰ প্ৰাৰ্থী বৰ্ত্তমান ৰাষ্ট্ৰপতি নিক্সন। ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী জৰ্জ মেকগভাৰ্ণ।

আইছেনহাৱাৰৰ দিনৰপৰাই ভিয়েতনামেই হৈ আহিছে আমেৰিকাৰ নিৰ্বাচনৰ প্ৰধান বিষয়। নিৰ্বাচনৰ সময় ওচৰ চাপি অহাৰ লগে লগে প্ৰত্যেক সভাপতিয়ে প্ৰতিশ্ৰুতি দিয়ে ভিয়েতনামৰপৰা আমেৰিকান সৈন্য ঘূৰাই আনিব, যুদ্ধৰ মীমাংসা কৰিব; কিন্তু নিৰ্বচিত হোৱাৰ লগে লগে সেই প্ৰতিশ্ৰুতি ভঙ্গ কৰি তীব্ৰতৰ কৰাই হৈ আহিছে আমেৰিকাৰ এই দুয়ো দলৰ মূখ্যনীতি।

১৯৫৪ চনৰ জেনেভা চুক্তিৰ সময়ত আমেৰিকাৰ পক্ষৰপৰা প্ৰতিশ্ৰুতি দিয়া হৈছিল যে চুক্তিৰ বিৰুদ্ধে যোৱা কোনো কাম আমেৰিকাই নকৰে। কিন্তু তাৰ কেইদিনমান পিছতে ৰাষ্ট্ৰপতি আইছেনহাৱাৰ সভাপতিত্বতে আমেৰিকাৰ নেছনেল ছিকিউৰিটি কাউন্সিলে ভিয়েতনামত প্ৰত্যক্ষ হস্তক্ষেপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু চোৰাংচোৱা বিভাগৰ প্ৰধান কৰ্ণেল লেন্সডেলক ভিয়েতনামলৈ পঠায়। লেন্সডেলে বাওদাইকে অপসৰণ কৰি দিয়েমক পুতলা চৰকাৰৰ প্ৰধান হিচাপে শাসনৰ গাদীত বহুৱায়। দিয়েমে ঘোষণা কৰে জেনেভা চুক্তি অনুসৰি ১৯৫৬ চনত হব লগা সাধাৰণ নিৰ্বাচন 'নহব' বুলি।

আইছেনহাৱাৰৰ ভিয়েতনাম নীতিৰ সমালোচনা কৰিয়ে কেনেডীয়ে জনপ্ৰিয় লাভ কৰি ৰাষ্ট্ৰপতি হয়। 'জনপ্ৰিয়' কেনেডীৰ আমোলতে দক্ষিণ ভিয়েতনামত আমেৰিকান 'উপদেষ্টা'ৰ সংখ্যা ৫০ হাজাৰলৈ বৃদ্ধি পায় আৰু সেই কেনেডীয়েই চক্ৰান্ত কৰাই দিয়েমক হত্যা কৰায়।

কেনেডীৰ পিছত জনছন ৰাষ্ট্ৰপতি হয় 'ভিয়েতনামৰ পিতনি'ৰপৰা আমেৰিকাৰ যুৱকসকলক ঘূৰাই অনাৰ প্ৰতিশ্ৰুতি দি। কিন্তু তেওঁৰ শাসন শেষ হয় আমেৰিকাৰ 'সন্মান' ৰক্ষা আৰু দক্ষিণ ভিয়েতনামৰ প্ৰতি 'কৰ্তব্য' পালনৰ কাৰণে আগৰ সৈন্যৰ সংখ্যা দহগুণ বৃদ্ধি কৰাত, মিছাছেলুত উত্তৰ ভিয়েতনামৰ বিৰুদ্ধে পুনৰ বোমা বৰ্ষণ আৰম্ভ কৰাত।

নিক্সনে দিয়েমক অপসৰণ কৰা কেনেডী নীতিৰ সমালোচনা কৰিয়ে জনছনৰ মনোনীত প্ৰাৰ্থী হামফ্ৰেক সামান্য ভোটত পৰাজিত কৰি ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। কিন্তু নিক্সনে ভিয়েতনামত যুদ্ধ আৰু বেছি ব্যাপক কৰিহে তুলিলে। 'জনছনৰ যুদ্ধ' 'নিক্সনৰ যুদ্ধ'লৈ ৰূপান্তৰিত হ'ল।

নিক্সনে ভিয়েতনামৰ যুদ্ধক 'ভিয়েতনামী কৰণ' অৰ্থাৎ দক্ষিণ ভিয়েতনামৰ পুতলা চৰকাৰৰ সৈন্য সংখ্যা বৃদ্ধি কৰি ভিয়েতনামীৰ বিৰুদ্ধে ভিয়েতনামীৰ যুদ্ধ হিচাপে চলাই নিয়াৰ ফন্দি কৰিছিল। কিন্তু নিক্সনৰ সেই চক্ৰান্ত সম্পূৰ্ণৰূপে ব্যৰ্থ হ'ল। আনহাতে ভিয়েতনাম যুদ্ধত আমেৰিকাৰ সংবাদপত্ৰত

প্ৰকাশ হোৱা তথ্য মতেই জনছন-নিক্সনৰ আমোলত কিমান খৰচ পৰিছে আমেৰিকাৰ কৰ্ণেল বিশ্ববিদ্যালয়ৰ "ইণ্টাৰ নেছনেল ষ্টাডিজ ছেণ্টাৰ"ৰ যোগে সম্প্ৰতি তাৰ এক হিচাপ প্ৰকাশ হৈছে।

সেই হিচাপ মতে ১৯৬৫ জানুৱাৰী মাহৰপৰা ১৯৬৮ চনৰ অক্টোবৰ পৰ্যন্ত মাৰ্কিন সামৰিক বাহিনীয়ে উত্তৰ ভিয়েতনামতে ২ লাখ ৫ হাজাৰ বাৰ বিমান আক্ৰমণ চলাইছে আৰু ৫ লাখ ৩২ হাজাৰ টন বোমা পেলাইছে।

১৯৬৫ আৰু ১৯৬৬ চনৰ এই দুবছৰৰ ভিতৰতে কেৱল বোমা বৰ্ষণৰ খৰচেই আছিল আমেৰিকাৰ ১·৭ বিলিয়ন অৰ্থাৎ এক হাজাৰ তিনিশ যাঠি কোটি টকা। বাকী কেইবছৰৰ খৰচ ধৰিলে তাৰ পৰিমাণ হয় প্ৰায় ৮ কোটি টকা।

১৯৬৮ চনত তেতিয়াৰ প্ৰতিৰক্ষা সচিব মেক্‌নামাৰাই দিয়া হিচাপ মতে উত্তৰ ভিয়েতনামত তেতিয়ালৈকে হোৱা হতাহতৰ সংখ্যা ৫৬০০০ জন। তাতে শতকৰা ৮০ জন অ-সামৰিক লোক।

আমেৰিকাৰ হিচাপ মতে ১৯৬৪-৬৮ চনৰ ভিতৰত আমেৰিকাৰ ৯২৮ খন বিমান ধ্বংস হৈছিল। কিন্তু ভিয়েতনামৰ হিচাপত ধ্বংস হোৱা আমেৰিকান বিমানৰ সংখ্যা ৩০০ খনবো বেছি আৰু সিমানখিনি বিমান ধ্বংস কৰাৰ যথেষ্ট প্ৰমাণ তেওঁলোকৰ হাতত থকা বুলিও ভিয়েতনামৰ পক্ষৰপৰা দাবী কৰা হয়।

[দিলীপ মালাকৰৰ প্ৰকাশিত তথ্য : ১৭ মে ১৯৭২]

আমেৰিকাৰ 'ছিনেট ফৰেইন ৰিলেছনচ কমিটি"য়ে ১৯৭০ চনৰ ৩১ ডিচেম্বৰলৈকে ভিয়েতনামৰ যুদ্ধৰ এটা পৰিসংখ্যা বাহিৰ কৰিছে। সেই পৰিসংখ্যা মতে ভিয়েতনামত আমেৰিকাই সৰ্বমুঠ ১১৪৪৪৫৩৩ বাৰ মাৰণাস্ত্ৰ প্ৰয়োগ কৰিছে (বিমান, স্থলবাহিনী আৰু নৌবাহিনী সকলো আক্ৰমণ ধৰি) আৰু এই পৰিমাণ হ'ল দ্বিতীয় মহাযুদ্ধত সমগ্ৰ পৃথিৱীত ব্যৱহৃত হোৱা মাৰণাস্ত্ৰৰ মুঠ পৰিমাণৰ দুগুণতকৈও বেছি।

এই যুদ্ধত ৫৫০০০ আমেৰিকান সৈন্য আৰু সামৰিক বিষয়াৰ মৃত্যু ঘটিছে, ৩০০০০০ ঘূণীয়া হৈছে আৰু ছাইগণৰ পুতলা চৰকাৰৰ হানি হৈছে ৪৭০,০০০ সৈন্য। ১৯৬৫ চনৰপৰা ৭০ চনলৈকে দক্ষিণ ভিয়েতনামত ৩২৫০০০ অ-সামৰিক লোকৰ মৃত্যু ঘটিছে আৰু ৭২৫০০০ ঘূণীয়া হৈছে। ইয়াৰে তিনিভাগৰ এভাগ হ'ল শিশু। আমেৰিকাই হস্তক্ষেপ কৰিবলৈ ধৰাৰপৰা সৰ্বমুঠ ৫০ লাখ লোকৰ আশ্ৰয়হীন হৈ নিজ ঠাই এৰি গুচি যাব লগা হৈছে।

[নিউ এ'জ ২৯ আগষ্ট '৭১]

উত্তৰ ভিয়েতনামত প্ৰথম বোমা বৰ্ষণ আৰম্ভ হয় জনছনৰ নিৰ্দেশত ১৯৬৪ চনৰ ৫ আগষ্টত। এৰা ধৰা কৰি বহুবাৰ সেই বোমা বৰ্ষণ চলে আৰু নিৰ্বাচনৰ আগে আগে ১৯৬৮ চনৰ ৩১ অক্টোবৰত জনছনে তেওঁৰ প্ৰাৰ্থী হামফ্ৰেক জয়ী কৰাৰ আশাত বোমা বৰ্ষণ বন্ধৰ হুকুম দিয়ে কিন্তু আশা নফলিল।

নিক্সনেও ঠিক একে নীতিকে অনুসৰণ কৰি যোৱা চাৰি বছৰে ভিয়েতনাম যুদ্ধৰ সম্প্ৰসাৰণ ঘটাই আহিছিল। কিন্তু নিক্সনৰ দুৰ্দশা হ'ল আগৰ কেইজন ৰাষ্ট্ৰপতিতকৈও বেছি। নিক্সনৰ আমোলতে দক্ষিণ ভিয়েতনামৰ চাৰি ভাগৰ তিনিভাগ অঞ্চল আৰু ১ কোটি ১৭ লাখ অধিবাসীৰ ১ কোটিৰো বেছি লোকৰ সমৰ্থন লাভ কৰি দক্ষিণ ভিয়েতনামত অস্থায়ী বিপ্লৱী চৰকাৰ গঠন হয় (৯ জুন ১৯৬৯) আৰু নিক্সনে বিশ্ব জনমতৰ সমুখত বাধ্য হৈ সেই অস্থায়ী চৰকাৰৰ প্ৰতিনিধিৰ লগতো পেৰিচ শান্তি আলোচনাত বহিব লগা হয়। আমেৰিকাৰ সন্মান কোনো দিনে নোহোৱা পৰ্যায়লৈ নামি যায়।

নিক্সনৰ এই নীতিৰ বিৰুদ্ধে আৰু ভিয়েতনামৰপৰা ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰাই অনাৰ দাবীত আমেৰিকাত এনে ধৰণৰ ব্যাপক ছাত্ৰ আৰু গণবিক্ষোভ হবলৈ ধৰে যে বাধ্য হৈ নিক্সনে ভিয়েতনামৰপৰা এবছৰৰ ভিতৰত সৈন্য অপসৰণৰ ঘোষণা দিব লগা হয়। কিন্তু লগে লগে উত্তৰ ভিয়েতনামৰ বিৰুদ্ধে আক্ৰমণৰ তীব্ৰতাও বঢ়াই নিয়ে।

জনসাধাৰণক শান্তিৰ হকে চেষ্টা চলোৱা বুলি ছলাহ দিয়াৰ কাৰণে নিক্সনে ১৯৭১ চনৰ জুলাই মাহত ঘোষণা কৰে যে তেওঁ চীন ভ্ৰমণ কৰিব আৰু পিছত ছোভিয়েত ভ্ৰমণৰ ইচ্ছাও প্ৰকাশ কৰে। নিক্সনে একাধিকবাৰ উত্তৰ ভিয়েতনামে 'আক্ৰমণ' বন্ধ কৰিলেহে আমেৰিকান সৈন্য ঘূৰাই অনাৰ আৰু 'আন্তৰ্জাতিক' পৰ্যবেক্ষণৰ ব্যৱস্থাৰে শান্তিৰ মীমাংসা কৰাৰ চৰ্ত আগ বঢ়ায়। কিন্তু উত্তৰ আৰু দক্ষিণ ভিয়েতনামৰ বিপ্লৱী চৰকাৰে তাক ঘৃণাৰে প্ৰত্যাখ্যান কৰে।

১৯৭২ চনৰ ২০ জানুৱাৰী তাৰিখে নিক্সনে জাতিৰ প্ৰতি দিয়া নতুন বছৰৰ ভাষণত কয় "১৯৬০-৭০ চনৰ দশকটো আছিল সমগ্ৰ পৃথিবীৰ কাৰণে যুদ্ধৰ নিকৰুণ দুখ-দুৰ্দশা, অন্য দেশৰ ভিতৰত অনুপ্ৰবেশ, দ্ৰুত গতিত বাঢ়ি অহা হত্যা, নগৰ চহৰৰ ধ্বংস, আশাহত আৰু শতাব্দীৰ ভিতৰৰে নিকৃষ্টতম বিবাদ বৃদ্ধিৰ দশক। এই দশকত ভিয়েতনাম যুদ্ধই আমেৰিকাৰ মনোজগতত যথেষ্ট আত্মিক (স্পিৰিচুৱেল) সঙ্কট আৰু অৰ্থনৈতিক সমস্যাৰ সৃষ্টি কৰিছে।" তেওঁ হেনো তাৰ সামাধানৰ চেষ্টা কৰিব খোজে।

এমাহ পিছত নিক্সন চীনলৈ যায় আৰু চীনৰ নেতাসকলৰ লগত গোপন আলোচনাৰ পিছত ঘোষণা কৰে, আলোচনাত সেই সপ্তাহটো হৈছে আছিল "দুনীয়া পৰিবৰ্তন কৰা সপ্তাহ" আৰু "পৃথিৱীৰ ভৱিষ্যত আমেৰিকা আৰু চীনৰ হাতত" নিৰ্ভৰ কৰিছে বুলি।

চীন ভ্ৰমণৰ পিছতে নিক্সনে উত্তৰ ভিয়েতনামত বোমা বৰ্ষণৰ তীব্ৰতা বঢ়াই নিয়ে আৰু ৮ মে' তাৰিখে টংকিং উপসাগৰ অৱৰোধ কৰি উত্তৰ ভিয়েতনামলৈ বাহিৰৰ কোনো প্ৰকাৰৰ সাহায্য স্থল পথেদি যাব নোৱাৰা কৰা হৈছে বুলি ঘোষণা কৰে। সেই ঘোষণাৰ লগতে নিক্সনে সম্ভৱতঃ তেওঁৰ আমোলৰ আটাইতকৈ দীঘলীয়া আৰু অন্তৰত পৰাজয়ৰ গ্লানি আৰু বাহিৰত নিষ্ফল ভাবুকিৰ বিবৃতি জাহিৰ কৰে। সেই দীঘলীয়া বিবৃতিৰ সাৰমৰ্ম হ'ল তেওঁৰ আমোলত তেওঁ ৫০০০০০ আমেৰিকান সৈন্য ঘূৰাই আনিছে। এতিয়া বাকী আছে ৬০০০০ মাত্ৰ। সেইখিনিও ঘূৰাই অনাৰ কাৰণে তেওঁ চেষ্টা কৰিছে। কিন্তু ১ কোটি ১৭ লাখ দক্ষিণ ভিয়েতনামীৰ বিৰুদ্ধে উত্তৰ ভিয়েতনামৰ 'আন্তৰ্জাতিক দস্যু' (ইণ্টাৰ নেছনেল আউটলজ) বিলাকে যি আক্ৰমণ চলাইছে তাক প্ৰতিৰোধ কৰি পৃথিৱীৰ দেশসমূহৰ গণতন্ত্ৰ ৰক্ষাৰ কাৰণে আমেৰিকাৰ দায়িত্ব আছে। সেই দায়িত্ব আমেৰিকাই পৰিহাৰ কৰিব নোৱাৰে। ভিয়েতনামত আমেৰিকাৰ পৰাজয় অৰ্থ হ'ল আমেৰিকাৰ বিশ্বত থকা সন্মান বিসৰ্জন দিয়া আৰু দক্ষিণ-পূব এচিয়াত কমিউনিষ্ট অগ্ৰগতি হবলৈ এৰি দিয়া। গতিকে আমেৰিকাই তেনে যুদ্ধ যাতে আৰু পৃথিৱীত হব নোৱাৰে তাৰ কাৰণে প্ৰতিৰোধমূলক যুদ্ধ চলাইছে। তেওঁৰ মতে ভিয়েতনামৰ যুদ্ধৰ ওৰ পেলাই চাৰি মাহৰ ভিতৰত সকলো সৈন্য ঘূৰাই আনি শান্তি প্ৰতিষ্ঠা কৰাৰ এটা উপায় আছে—যদি উত্তৰ ভিয়েতনামৰ 'আন্তৰ্জাতিক দস্যু'বিলাকক অস্ত্ৰ-শস্ত্ৰৰ যোগান পোৱা বন্ধ কৰিব পৰা যায়। তাৰ কাৰণেই তেওঁ টংকিং অৱৰোধ ঘোষণা কৰিছে। তেওঁ যুদ্ধ সমাপ্তিৰ দুটা চৰ্ত দিয়ে। প্ৰথম উত্তৰ ভিয়েতনামত থকা আমেৰিকান বন্দীবিলাক ঘূৰাই দিব লাগিব। দ্বিতীয় সমগ্ৰ ইন্দোচীনত আন্তৰ্জাতিক পৰ্যবেক্ষণৰ তত্ত্বাৱধানত যুদ্ধ বিৰতি কাৰ্যকৰী হব লাগিব। তাকে কৰা হলেহে চাৰি মাহৰ ভিতৰতে শান্তি প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি দিয়ে; কিন্তু উক্ত চৰ্ত সম্পূৰ্ণ নোহোৱালৈকে তেওঁ শান্তি আলোচনাত নবহে। লগে লগে তেওঁ ছোভিয়েত ইউনিয়নৰ প্ৰতি ছোভিয়েতৰ কোনো সৈন্য যে ভিয়েতনামত বিপদত পৰা নাই, পৰিছে আমেৰিকান সৈন্য সেই কথা সোঁৱৰাই দি উভয় দেশৰ

মাজত বন্ধুত্বৰ নতুন সম্ভাৱনাই বিশ্ব প্ৰগতিত কেনেদৰে সহায় কৰিব তাৰ কথা বৰ্ণনা কৰে। সৰ্বশেষত তেওঁ আমেৰিকানবাসীৰ প্ৰতি তেওঁৰ এই শান্তি প্ৰচেষ্টাত সকলো প্ৰকাৰে সহায় কৰিবলৈ আহ্বান জনায় আৰু পৰমেশ্বৰৰ অনুগ্ৰহত সেই মহান শান্তি তেওঁ প্ৰতিষ্ঠা কৰিব পাৰিব বুলি বিশ্বাস কৰে।

[ষ্টেট্‌ছমেন, ১০ মে ১৯৭২]

বোমা বৰ্ষণ বন্ধ আৰু আমেৰিকান সৈন্য অপসৰণৰ প্ৰথম প্ৰতিশ্ৰুতি নিদিয়াকৈ আৰু আন্তৰ্জাতিক পৰ্যবেক্ষকৰ তত্ত্বাৱধানত যুদ্ধ বিৰতিৰ নামত থিউ চৰকাৰ আৰু আমেৰিকান প্ৰাধান্য ৰক্ষাৰ চক্ৰান্তত এই প্ৰতাৰণামূলক শান্তি চুক্তি উভয় ভিয়েতনামৰ স্বাধীন চৰকাৰে প্ৰত্যাখ্যান কৰে। বিশ্বৰ জনসাধাৰণৰ মাজত আনকি আমেৰিকাৰ মাজতো তাৰ অনুকূলে কোনো প্ৰতিক্ৰিয়া নহ'ল।

আনহাতে ছোভিয়েত ইউনিয়ন আৰু আন আন সমাজতান্ত্ৰিক ৰাষ্ট্ৰই অৱৰোধ উপেক্ষা কৰি সাহায্য পঠাবলৈ ধৰে। ছোভিয়েত ইউনিয়নে অৱৰোধ ধ্বংসী জাহাজ পঠায়। কাৰ্যতঃ দেখা গ'ল, সেই অৱৰোধৰ বেতাঁৰ বাতৰিৰ বাহিৰে বাস্তৱত ক'তো অৱস্থান নাথাকিল। এসপ্তাহৰ পিছত সি নিজে নিজেই 'কামত নহা' হব বুলি ঘোষণা কৰা হ'ল।

২২ মে তাৰিখে তেওঁ ছোভিয়েত ভ্ৰমণ কৰে। ছোভিয়েত ভ্ৰমণৰ সময়ত এসপ্তাহ বোমা বৰ্ষণ বন্ধ কৰি শান্তিৰ আগ্ৰহ দেখুৱাৰ ভেকোভাৱনা কৰে। নিক্সনৰ ছোভিয়েত ভ্ৰমণৰ আগত আৰু পিছতো ছোভিয়েত ইউনিয়নে এই কথা স্পষ্টভাৱে ঘোষণা কৰে যে ভিয়েতনাম সম্পৰ্কে মস্কোত কোনো মীমাংসা হব নোৱাৰে আৰু নহয়। তাৰ মীমাংসা হব লাগিব পেৰিচত। ভিয়েতনামৰ সমস্যা সমাধানৰ দায়িত্ব ভিয়েতনামবাসীৰ ওপৰত এৰি দি আমেৰিকাই সৈন্য ঘূৰাই অনাৰ প্ৰতিশ্ৰুতিৰে পেৰিচ বৈঠকত ৰাজনৈতিকভাৱে ইয়াৰো সমাধান বিচাৰিব লাগিব। অস্ত্ৰৰ যোগে ইয়াৰ সমাধান সম্ভৱ নহয়। ছোভিয়েত ইউনিয়নে এই কথাত স্পষ্টভাৱে জনাই দিয়ে যে ভিয়েতনামৰ প্ৰতি সমৰ্থন বা সাহায্য প্ৰেৰণ অব্যাহত গতিত চলি থাকিব।

নিক্সনৰ ছোভিয়েত ইউনিয়ন ভ্ৰমণৰ পিছতে ছোভিয়েত ইউনিয়নৰ ৰাষ্ট্ৰপতি পডগৰ্ণিয়ে জুন মাহৰ মাজ ভাগত ভিয়েতনাম গণতান্ত্ৰিক গণৰাষ্ট্ৰ ভ্ৰমণ কৰে আৰু তাৰপৰা ঘূৰি অহাৰ পথত ১৮ জুন তাৰিখে দমদম বিমান কোঁঠত ঘোষণা কৰে যে অলপতে পেৰিচত শান্তি আলোচনা পুনৰ আৰম্ভ হব। তাৰ

পিছতে হানয় আৰু দক্ষিণ ভিয়েতনামৰ বিপ্লৱী চৰকাৰৰ পক্ষৰপৰাও আলোচনাৰ কাৰণে আগৰ দৰেই সাজু বুলি ঘোষণা কৰা হয় আৰু জুন মাহৰ ১২ তাৰিখে পেৰিচত আমেৰিকাৰ আলোচনাকাৰীসকলৰ নেতা উইলিয়াম পর্টাৰে ঘোষণা কৰে যে আমেৰিকাই শান্তিৰ উদ্দেশ্যে পেৰিচ আলোচনাত অংশ গ্ৰহণ কৰিবলৈ সাজু।

নিক্সনৰ শেষৰ ছলাহ

নির্বাচনত জয়ী হোৱাৰ আশাৰে নিক্সনে তেওঁৰ চর্ত উত্তৰ ভিয়েতনামে অগ্ৰাহ্য কৰা সত্বেও পেৰিচ আলোচনাতে পুনৰ বহিবলৈ সন্মত হৈছে। নিক্সনে নিজে চীন আৰু ছোভিয়েত ভ্ৰমণ কৰি আৰু তেওঁৰ নতুন প্ৰিয় পুত্ৰ জৰ্জ কনেলীক ভাৰত আৰু অন্যান্য ঠাইলৈ পঠাই ভিয়েতনাম সমস্যা আৰু নির্বাচনী সঙ্কটৰপৰা উদ্ধাৰ পোৱাৰ কাৰণে সকলো প্ৰকাৰৰ চেষ্টাই চলাইছে। অৱশ্যে এই কথা ঠিক যে আমেৰিকাৰ আগৰ সকলো ভেম বাদ দি নিক্সনেই আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে প্ৰথমে ছোভিয়েত ইউনিয়ন ভ্ৰমণ কৰি ছোভিয়েত ইউনিয়নৰ সগত সম্পৰ্ক উন্নত কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ কাৰণে তেওঁ আমেৰিকা তথা বিশ্বৰ শান্তিকামী জনসাধাৰণৰ মাজত আগৰ তুলনাত কিছু আস্থা লাভৰ কাৰণে সক্ষম হৈছে। কাৰণ ছোভিয়েত মাৰ্কিণ আলোচনাই বিশ্ব শান্তিত যথেষ্ট বৰঙণি আগ বঢ়াইছে বুলি সকলোৰে ধাৰণা। ছোভিয়েত ভ্ৰমণৰ যোগে উদ্ধাৰ হোৱা কিছু জনপ্ৰিয়তাৰ লগতে যোৱা ২৫ জুলাই তাৰিখে নিক্সন প্ৰশাসনে এই বছৰৰ অৰ্থাৎ ১৯৭২ চনৰ ১ অক্টোবৰৰ ভিতৰতে ভিয়েতনামত থকা সকলো আমেৰিকান সৈন্য ঘূৰাই অনা হব বুলিও আশ্বাস দিছে। আনহাতে নিক্সনে উত্তৰ ভিয়েতনামত নিৰ্বিচাৰে বোমা বৰ্ষণ কৰি নদীৰ মথাউৰি, বান্ধ আদিৰ ব্যাপক ক্ষতি সাধনৰ প্ৰতিবাদত আনকি জাতিসংঘৰ সাধাৰণ সম্পাদক ৱাল্ড হাইমেও ২৪ জুলাই তাৰিখে বিবৃতি দিবলৈ বাধ্য হৈছে। তেওঁ স্পষ্টভাৱেই কৈছে যে পৰ্যবেক্ষণৰ ব্যৱস্থা হোৱা নাই যদিও তেওঁ পোৱা খবৰ মতে সেই কথা সত্য। অৱশ্যে আমেৰিকাৰ পৰৰাষ্ট্ৰ সচিব ৰজাৰ্ছে পিছদিনাই সেই কথা 'মিছা' বুলি প্ৰতিবাদ কৰিছে। নিক্সনেও জাতিসংঘৰ সচিব প্ৰধানে কমিউনিষ্ট প্ৰচাৰত ভোল যোৱা বুলি অভিযোগ তুলিছে। কিন্তু পিছত চৰকাৰীভাৱেই তাক স্বীকাৰ কৰা হৈছে। আনহাতে বিখ্যাত আমেৰিকান

চিত্ৰতাৰকা জেন ফণ্ডাই উত্তৰ ভিয়েতনাম ভ্ৰমণৰ পিছত দৃঢ়তাৰে সৈতে এই কথা ঘোষণা কৰিছে যে তেওঁ বান্ধ, মথাউৰি আদি ব্যপকভাৱে ধ্বংস কৰাৰ কথা আলোক চিত্ৰ আৰু আন তথ্যৰদ্বাৰাও প্ৰমাণ কৰিবলৈ প্ৰস্তুত। নিক্সনে হয়তো ভাবিছে যে নিৰ্বাচনৰ আগতে এহাতে মথাউৰি আদি ভাঙি দিয়াৰ ফলত বাৰিষা হোৱা ব্যাপক বানপানী আৰু আনহাতে হানয় প্ৰভৃতি নগৰত তীব্ৰ বোমা বৰ্ষণ কৰি ভিয়েতনামবাসীক তেওঁৰ চৰ্ত মানি লবলৈ বাধ্য কৰিব পাৰিব।

নিক্সনৰ বিৰুদ্ধে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী জৰ্জ মেক্ গভাৰ্ণে ঘোষণা কৰিছে তেওঁ সভাপতি নিৰ্বাচিত হলে প্ৰথম দিনাই বোমা বৰ্ষণ বন্ধ কৰিব আৰু তাৰ ৯০ দিনৰ ভিতৰত ভিয়েতনামত থকা আমেৰিকাৰ সকলো সৈন্য ঘূৰাই আনিব, শতকৰা ২০ ভাগ প্ৰতিৰক্ষা খৰচ কমাব, ১০০০ ডলাৰৰ বেছি দান নিৰ্বাচনৰ কাৰণে গ্ৰহণ নকৰে, প্ৰত্যেক আমেৰিকানে বছৰি ১০০০ ডলাৰ সাহায্য পাব পৰা ব্যৱস্থা কৰিব ইত্যাদি। অৱশ্যে লগে লগে তেওঁ এই কথাও ঘোষণা কৰিছে তেওঁ আমেৰিকাক দ্বিতীয় শ্ৰেণীৰ শক্তি হবলৈ নিদিয়ে, যি কোনো আক্ৰমণৰ সমূখ হব পৰাকৈ তেওঁ এক শক্তিশালী প্ৰতিৰক্ষা বাহিনী ৰক্ষা কৰিব যাতে আমেৰিকাৰ সহায়ৰ ওপৰত নিৰ্ভৰ কৰা সকলোৰে নিৰাপত্তা নিশ্চিত হব পাৰে। অৰ্থাৎ আমেৰিকাৰ আগন্তুক নিৰ্বাচনত হাতী আৰু গাধাৰ (ৰিপাব্লিকান দলৰ নিৰ্বাচনী প্ৰতীক হাতী আৰু ডেম'ক্ৰেটিক দলৰ গাধা) যুদ্ধত যেয়ে জয়লাভ নকৰক তাৰদ্বাৰা আমেৰিকাৰ সাম্ৰাজ্যবাদী নীতিৰ কোনো সলনি নহয়। অৱশ্যে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী আগৰ জনপ্ৰিয় ৰাষ্ট্ৰপতি কেনেডিৰ বন্ধু, তুলনামূলক কম বয়সৰ আৰু সৰবৰহী মেক্ গভাৰ্ণক এইবাৰ আমেৰিকাৰ বিপুল সংখ্যক তৰুণ প্ৰতিনিধিয়ে সমৰ্থন জনাইছে। যোৱা ১০ জুলাইত হোৱা ডেম'ক্ৰেটিক দলৰ অভিবৰ্তনত দেখা গৈছিল প্ৰতিনিধিসকলৰ শতকৰা ৮০ জন আছিল নতুন প্ৰতিনিধি, শতকৰা ২৫ জনৰ বয়স ৩০ বছৰৰ কম আৰু শতকৰা ১০ গৰাকী আছিল মহিলা প্ৰতিনিধি। দলৰ ৰক্ষণশীল নেতৃত্বই মেক্‌গভাৰ্ণে যাতে মনোনয়ন নাপায় তাৰ কাৰণে সকলো প্ৰকাৰৰ চেষ্টা কৰিছিল। আনকি কেলিফৰ্নিয়াৰ ১৫১ টা প্ৰাথমিক ভোট নাকচৰ ষড়যন্ত্ৰও কৰিছিল। কিন্তু তৰুণ সম্প্ৰদায়ৰ বিপুল সমৰ্থনত দলৰ গোড়া নেতৃত্বৰ চক্ৰান্ত ব্যৰ্থ হ'ল। নিৰ্বাচনত যদি দলৰ নেতৃত্বই বিশ্বাসঘাতকতা নকৰে মেক্‌গভাৰ্ণৰ কাৰণেও জয়ৰ সম্ভাৱনা নথকা নহয়।

আমেৰিকাত নতুন কণ্ঠস্বৰ

আমেৰিকাৰ এইবাৰ নিৰ্বাচনত নতুন কথা হৈছে আমেৰিকাৰ যুক্ত ৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক গাছ হাল আৰু কৃষ্ণাঙ্গ শ্ৰমিক নেতা জাভিছ টাইনাৰে ক্ৰমে সভাপতি আৰু সহকাৰী সভাপতিৰ কাৰণে প্ৰকাশ্যে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলোৱাটো। কমিউনিষ্ট পাটিৰ সদস্য বুলি জানিলেই আদালতত ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত বিচাৰ কৰি জেল, জৰিমনা আৰু অন্যান্য নিষ্পেষণৰ সন্মুখ হব লগা মেকাৰ্থি আইনৰ যোগে বামপন্থী আন্দোলন ধ্বংস কৰিবলৈ কেনেদৰে অনবৰত চেষ্টা চলোৱা হৈ আহিছিল সেই কথা সকলোৰে জনাজাত। কৃষ্ণাঙ্গী অধ্যাপিকা এঞ্জেলা ডেভিছৰ কাহিনী তাৰ শেহতীয়া উদাহৰণ। সেই সকলো প্ৰতিবন্ধক অতিক্ৰম কৰি আমেৰিকাৰ গণতান্ত্ৰিক আৰু বামপন্থী আন্দোলনে প্ৰকাশ্যে প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰ্যায়লৈ অহাৰ ঐতিহাসিক তাৎপৰ্য অনস্বীকাৰ্য।

নিৰ্বাচনত অৱশ্যে কমিউনিষ্ট প্ৰাৰ্থীৰ জয়ৰ কোনো সম্ভাৱনা নাই। তথাপি তুলনামূলক প্ৰগতিবাদী মেক্‌গভাৰ্ণৰ সমৰ্থনত কমিউনিষ্ট পাৰ্টিয়ে প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ নকৰে কিয় বুলি তোলাৰ প্ৰশ্নত কমিউনিষ্ট প্ৰাৰ্থী গাছ হালে উত্তৰ দিছে যে ভিয়েতনাম সমস্যাৰ প্ৰকৃত সমাধান ৰিপাব্লিকান আৰু ডেমক্ৰেটিক কোনো দলেই কৰিব নোখোজে। তেওঁলোকে মাথোন জনসাধাৰণক আতুৰা ভাবিবহে খোজে। প্ৰকৃততে যদি ভিয়েতনাম সমস্যাৰ সমাধান তেওঁলোকে বিচাৰিলেহেঁতেন তেন্তে তাৰ কাৰণে ইমান দীঘলীয়া দিনৰ আঁচনিৰ কোনো প্ৰয়োজনেই নাই। প্ৰয়োজন কেৱল হোৱাইট হাউছৰপৰা (আমেৰিকাৰ চৰকাৰী ভৱন) ফোনটো তুলি লৈ ছাইগণৰ থিউ চৰকাৰক মাথোন জনাই দিয়া যে তেওঁৰ ব্যক্তিগত যি লাম-লাকটু আছে বান্ধি লৈ তেওঁ যেন অৱিলম্বে ছুইজাৰলেণ্ডলৈ গুচি আহে। তেতিয়া হলেই ভিয়েতনামত আমেৰিকান সৈন্য পোহাৰো কোনো প্ৰয়োজন নহব, একেদিনাই যুদ্ধ শেষ হব আৰু নিৰ্বাচনৰ যোগে ভিয়েতনামবাসীয়ে নিজৰ সকলো সমস্যা নিজে সমাধান কৰি লব পাৰিব। কিন্তু কোনো দলৰ প্ৰাৰ্থীয়ে সেই প্ৰতিশ্ৰুতি দিয়া নাই। আনহাতে বহু শুনিবলৈ ভাল লগা কথা মেক্‌গভাৰ্ণে ঘোষণা কৰিলেও সাম্ৰাজ্যবাদক অটুট ৰখাৰ কাৰণে তেওঁৰ যি আঁচনি তাত কমিউনিষ্ট পাৰ্টি বা সচেতন শ্ৰমিক শ্ৰেণীয়ে কোনো প্ৰকাৰে সমৰ্থন দিব নোৱাৰে। গতিকে আমেৰিকাৰ আভ্যন্তৰীণ আৰু বৈদেশিক উভয় ক্ষেত্ৰতে বাস্তৱ সমাধানৰ প্ৰকৃত পথ তুলি ধৰি পাৰ্টিয়ে নিজৰ প্ৰাৰ্থী দি প্ৰচাৰ অভিযান চলাবলৈ সিদ্ধান্ত কৰিছে।

নিক্সনে ছোভিয়েতৰ লগত বন্ধুত্ব সূত্ৰৰ ওপৰত গয়না লৈ তেওঁৰ ডুবিব খোজা নাও ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। অৱশ্যে ইতিমধ্যেই কুখ্যাতি বোজা কমোৱাৰ কাৰণে তেওঁ যিমান পাৰে সিমান চেষ্টা কৰিছে আৰু অহা ২১ আগষ্টত হব লগা ৰিপাব্লিকান দলৰ দলীয় অধিৱেশনত হয়তো নতুন নতুন প্ৰতিশ্ৰুতিৰ কথা শুনিবলৈ পোৱা যাব। সেয়ে হলেও এই কথা ঠিক যে আমেৰিকাৰ নিৰ্বাচনত নিক্সন বা মেক্‌গভাৰ্ণ যেয়ে জয়ী নহওক তাৰ ওপৰত ভিয়েতনাম সমস্যাৰ স্থায়ী সমাধান নিৰ্ভৰ নকৰে।

সমস্যাৰ সম্ভৱপৰ সমাধান

ভিয়েতনাম সমস্যাৰ সমাধান আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচন, আমেৰিকাৰ প্ৰশাসনৰ বাৰে বাৰে ভঙ্গ কৰা প্ৰতিশ্ৰুতি নাইবা আমেৰিকাই নিৰ্বিচাৰে চলোৱা বৰ্বৰ অত্যাচাৰ, বোমা বৰ্ষণ আৰু সকলো প্ৰকাৰৰ সামৰিক শক্তি প্ৰয়োগৰ যোগে নহব। হব আৰু হব লাগিব ভিয়েতনাম, লাওচ, কাম্বডিয়া অৰ্থাৎ সমুদায় ইন্দোচীনৰ জনসাধাৰণৰ ঐক্য, স্বাধীনতা, সাৰ্বভৌমত্ব আৰু শান্তিৰ চৰ্তত পেৰিচৰ শান্তি আলোচনাৰ যোগেদি।

তাৰেই কাৰণে যোৱা ১৯৭১ চনৰ জুলাই মাহৰ ১ তাৰিখে পেৰিচ শান্তি আলোচনাত দক্ষিণ ভিয়েতনামৰ অস্থায়ী বিপ্লৱী চৰকাৰৰ প্ৰতিনিধি দলৰ নেত্ৰী মাডাম বিনে ৭ দফীয়া চৰ্তৰ এখন আঁচনি আগ বঢ়াইছিল। উত্তৰ ভিয়েতনামৰ গণতান্ত্ৰিক গণৰাষ্ট্ৰ, লাওচৰ আৰু কাম্বডিয়াৰ জনসাধাৰণৰ প্ৰত্যেকৰে স্বকীয়া স্বকীয়া চৰ্ত থাকিলেও মাদাম বিনৰ ৭ দফা চৰ্তয়ে সাধাৰণভাৱে সকলো দাবী সামৰি লয়। সেই কাৰণেই সেই ৭ দফা দাবীৰ পিছত সমগ্ৰ ইন্দোচীনবাসীৰ আৰু পৃথিৱীৰ সমুদায় সমাজতান্ত্ৰিক জনসাধাৰণৰ পূৰ্ণ সমৰ্থন আছে। এই চৰ্তসমূহৰ বাস্তৱ ভিত্তি ইমান প্ৰবল আৰু ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত যে আনকি ফৰাচী, গ্ৰেট বৃটেইন আদি সাম্ৰাজ্যবাদী ৰাষ্ট্ৰয়ো তাৰ বিৰুদ্ধে কোনো যুক্তি দিয়া নাই। আমেৰিকাৰ ভিয়েতনামত থকা যুদ্ধ বন্দী নাইবা দেশলৈ ঘূৰি যোৱা সৈন্যয়ো মানৱতা বিৰোধী অন্যায় যুদ্ধত লাখ লাখ আমেৰিকান যুৱকক বলি দিদি চৰ্ত মানি লৈ শান্তি স্থাপনৰ আহ্বান জনাইছে। এনেদৰে ব্যাপক সমৰ্থন লাভকৰা মাদাম বিনৰ সেই বিশ্ব বিখ্যাত ৭ দফীয়া চৰ্তৰ প্ৰধান কেইটা হ'ল:

(১) আমেৰিকাৰ নিজৰ আৰু আন দেশৰপৰা অনা সকলো সৈন্য ভিয়েতনামৰপৰা অপসৰণ কৰাৰ এটা স্পষ্ট দিন ঘোষণা কৰিব লাগিব। তেনে

তাৰিখ ঠিক হোৱাৰ লগতে "ভিয়েতনামবাসীৰ বিৰুদ্ধে ভিয়েতনামবাসীৰ যুদ্ধ" নীতিৰো ওৰ পেলাব লাগিব আৰু যুদ্ধ বন্দী বিনিময়, সৈন্য অপসৰণ আদি কোন তাৰিখৰপৰা আৰম্ভ হৈ কোন তাৰিখত শেষ হব তেনে ধৰণৰ বিষয়বিলাকৰো স্পষ্ট উল্লেখ থাকিব লাগিব।

(২) যুক্ত ৰাষ্ট্ৰৰ চৰকাৰে দক্ষিণ ভিয়েতনামৰ ভিতৰুৱা সমস্যাত হস্তক্ষেপ কৰাৰ নীতি পৰিহাৰ কৰি, বৰ্তমান আমেৰিকাৰ সঙ্গী থিউ চৰকাৰক দিয়া সকলো প্ৰকাৰৰ সাহায্য বন্ধ কৰি আৰু নিৰ্বাচনত ছল বুদ্ধি খটুৱাই পুতলা থিউ চৰকাৰক ৰক্ষা কৰাৰ ফিকিৰ ত্যাগ কৰি দক্ষিণ ভিয়েতনামৰ জনসাধাৰণৰ প্ৰকৃত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ স্বীকাৰ কৰি লব লাগিব।

বাকী কেইটা দাবী প্ৰধানতঃ এই দুটা দাবীৰে অনুপূৰক। তাৰ ভিতৰত জেনেভা চুক্তি অনুসৰি নিৰ্বাচন, যুদ্ধ বন্দী বিনিময় আদি বিষয়সমূহ আছে।

আজি সমগ্ৰ ইন্দোচীনতে মুক্তিৰ যি তীব্ৰ সংগ্ৰাম চলিব লাগিছে তাৰ প্ৰত্যেক অংশৰ কাহিনীয়েই ইতিহাসৰ একোটি উজ্জ্বল অধ্যায়। সেই সকলোৰে বিশদ বিৱৰণী কম পৰিসৰৰ ভিতৰত সম্ভৱ নহয়। কিন্তু যি চাৰিটা বৰ্তমান সুকীয়া সুকীয়া হৈ থকা অঞ্চলক লৈ ইন্দোচীন গঠিত তাৰ প্ৰত্যেকতে অৰ্থাৎ সমাজতান্ত্ৰিক উত্তৰভিয়েতনামৰ গণতান্ত্ৰিক গণৰাষ্ট্ৰ, দক্ষিণ ভিয়েতনামত অস্থায়ী বিপ্লৱী চৰকাৰ, লাওচত পাথেত লাওচ মৈত্ৰী শিবিৰ আৰু লাওচৰ দেশপ্ৰেমিক নিৰপেক্ষ শক্তি আৰু কাম্বডিয়াত যুৱৰাজ নৰদম সিহানুকৰ নেতৃত্বত গঠিত "কাম্পুচৰ জাতীয় ঐক্য শিবিৰ"ৰ নেতৃত্বত একে উদ্দেশ্যতে মুক্তিৰ মহাঅভিযান চলিব লাগিছে। এই চাৰিও শক্তিৰ প্ৰধানসকলে যোৱা বছৰত এক সম্মিলনত মিলিত হৈ নিজৰ নিজৰ স্বাধীনতা লাভৰ মুক্তি সংগ্ৰামৰ মাজত পৰস্পৰ সহযোগেৰে চলোৱাৰ সিদ্ধান্ত ঘোষণা কৰিছে। ছোভিয়েত ইউনিয়ন, সমাজতান্ত্ৰিক শিবিৰ আৰু বিশ্বৰ গণতান্ত্ৰিক শক্তিৰ সহায়ত সেয়ে সমগ্ৰ ইন্দোচীনৰ মুক্তি আজি সমাগত।

নিক্সনৰ ছোভিয়েত ভ্ৰমণৰ পিছত পুঁজিবাদী সংবাদ-পত্ৰৰ যোগে প্ৰচাৰ কৰা হৈছে যে ছোভিয়েত ইউনিয়নে ভিয়েতনামক সোনকালে যুদ্ধ শেষ কৰিবৰ কাৰণে, চুক্তিবদ্ধ হোৱাৰ কাৰণে নিৰ্দেশ দিছে আৰু তাকে কৰা নহলে আগৰ দৰে সাহায্য নিদিয়া সম্পৰ্কেও আশঙ্কা প্ৰকাশ কৰিছে। সেই অপপ্ৰচাৰ সম্পূৰ্ণ মিছা। কিউবাৰ জাতীয় মুক্তিৰ সময়তো তেনে অপপ্ৰচাৰ চলোৱা হৈছিল। ছোভিয়েত ইউনিয়নে পূৰ্ণ স্বাধীনতা, সাৰ্বভৌমত্ব আৰু শান্তিৰ

অবিহনে কোনো জাতিৰে সংগ্ৰাম পৰিহাৰ কৰাৰ বা সমৰ্থন প্ৰত্যাহাৰ কৰাৰ পৰামৰ্শ নিদিয়ে। সেই কথাকে ভিয়েতনামৰ সম্পৰ্কত উল্লেখ কৰি ছোভিয়েত ইউনিয়নৰ কমিউষ্ট পাৰ্টিৰ ২৪ শ অধিবেশনৰ সম্পাদকীয় প্ৰতিবেদনত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক ব্ৰেজনেভে ঘোষণা কৰিছিল "ভিয়েতনামৰ গণতান্ত্ৰিক গণৰাষ্ট্ৰ এই বিষয়ত নিশ্চিন্ত থাকিব পাৰে যে তেওঁলোকৰ সশস্ত্ৰ সংগ্ৰাম আৰু শান্তিৰ প্ৰচেষ্টা উভয়তে তেওঁলোকে ছোভিয়েত ইউনিয়নৰ বন্ধুত্বপূৰ্ণ সমৰ্থনৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিব পাৰে।" [ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৭ কংগ্ৰেছত ব্ৰেজনেভৰ ভাষণ] ছোভিয়েত ইউনিয়নৰ পাৰ্টি আৰু জনসাধাৰণে সেই প্ৰতিশ্ৰুতি শেষ পৰ্যন্ত পালন কৰিব।

আমেৰিকাৰেই প্ৰথম আৰু স্মৰণীয় সভাপতি আব্ৰাহাম লিঙ্কনে কৈছিল, "কিছুলোক আছে যাক সদায়ে ঠগিব পাৰি। এবাৰৰ কাৰণে হয়তো সকলো লোককেই ঠগিব পাৰি। কিন্তু সকলো লোককে সদায়ে ঠগিব পৰাটো সম্ভৱ নহয়।"

সেই আমেৰিকাৰেই শেহতীয় সভাপতিয়ে চেষ্টা কৰিছে প্ৰথম সভাপতিৰ চিৰসত্য উক্তিৰ মিছা প্ৰমাণ কৰিবৰ কাৰণে সমগ্ৰ বিশ্ববাসীক প্ৰতাৰণা কৰা সহজ বুলি প্ৰমাণ কৰিবৰ কাৰণে। কিন্তু সি সম্ভৱ নহয়। নিক্সনৰ গোষ্ঠীৰ অপচেষ্টা ব্যৰ্থ হবলৈ বাধ্য। আমেৰিকাৰ জনসাধাৰণে প্ৰমাণ কৰিব নিক্সন গোষ্ঠী ইতিহাসৰ আৱৰ্জনা আৰু লিঙ্কন আমেৰিকাৰ ঐতিহ্য।

* * *

একুৰি সাত বছৰৰ আগৰ কথা। ১৯৪৫ চনৰ ২ ছেপ্টেম্বৰ। বা দিন্ খেল পথাৰত লাখ লাখ আনন্দ উত্ৰাৱল ল'ৰা-ছোৱালী, ডেকা-বুঢ়া, পুৰুষ-তিৰোতা ভিয়েতনামীৰ দল্‌দোপ হেন্দোলদোপ। এই বিশাল জনতাৰ সমুখত প্ৰেছিডেণ্ট হ'-চি-মিনে ঘোষণা কৰিছিল ভিয়েতনামত সাম্ৰাজ্যবাদৰ শতাব্দী ধৰি চলা শোষণ, পীড়ন, নিষ্পেষণৰ, পৰালি পৰাৰ কথা আৰু ভিয়েতনামত ইতিহাসৰ প্ৰথম বাৰৰ কাৰণে স্বাধীনতা আৰু সমাজতন্ত্ৰৰ সূৰ্যৰ উদয় হোৱাৰ কথা,—সমগ্ৰ এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ কাৰণে মুক্তিৰ সিংহদ্বাৰ মুকলি হোৱাৰ কথা। ভাষণৰ তেখেতে মোখনি

মাৰিছিল এই বুলি কৈ—"সমগ্ৰ ভিয়েতনামবাসীয়ে তেওঁলোকৰ শাৰীৰিক মানসিক সকলো শক্তি সমৱেত কৰি তেওঁলোকে লাভ কৰা মুক্তি আৰু স্বাধীনতা সুৰক্ষিত কৰিবৰ কাৰণে নিজৰ সকলো সম্পদ আনকি প্ৰাণ পৰ্যন্ত বিসৰ্জন দিবলৈ সাজু। কাৰণ স্বাধীনতাতকৈ মূল্যবান আৰু একোৱেই নাই।"

ভাষণৰ শেষত প্ৰেচিডেণ্ট হ'-চি-মিনে শৰীৰৰ সকলো শক্তিৰে চিঞৰি সুধিছিল "বাইজ! আপোনাসকলে মোৰ কথা শুনিছে নে?"

লাখ লাখ জনতাই বজ্ৰমুঠি তুলি এক বাক্যে উত্তৰ দিছিল "হয় আমি শুনিছোঁ।"

সেই উত্তৰ কেৱল সেই দিনা সমৱেত হোৱা ভিয়েতনামবাসীৰে নহয়। সেই উত্তৰ আছিল ভিয়েতনামৰ বিজয়ীবাহিনীৰ, ভবিষ্যতৰ ভিয়েতনামৰ প্ৰত্যেক অনাগত অপৰাজেয় পুৰুষৰ। **সেই ভিয়েতনাম অজেয়।**

সেই উত্তৰ কেৱল আজিৰ ইণ্ডোচীনৰ নহয়। সেই উত্তৰ আছিল শান্তি আৰু মুক্তিৰ পতাকা বিজয় গৌৰৱেৰে ইতিহাসত আবহমানলৈ উৰুৱাই ৰখা মৃত্যুঞ্জয়ী ইন্দোচীনৰ। **সেই ইন্দোচীন অমৰ।**



ইন্দোচীনের মানচিত্র